# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ০৫/০৪/২০১৮ বৃহস্পতিবাৰ

---

**সদন পূৰ্বনিৰ্দ্ধাৰিত সময় মতে ৰাতিপুৱা ৯ঃ৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীযুত হিতেন্দ্ৰ নাথ গোস্বামীৰ অধ্যক্ষতাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৪৪১ শ্ৰীমতী কমলী বসুমতাৰী। মাননীয় মন্ত্ৰী।

**শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদন মজিয়াত দিয়া হৈছে।

**শ্ৰীমতী কমলী বসুমতাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয় মই যিখিনি বিচাৰিছিলো সেইখিনি উত্তৰ সঠিক ভাবে পাইছো গতিকে আপোনাৰ জৰিয়তে মাননীয়া মন্ত্ৰী মহোদয়াক ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ বিগত বহু বছৰে যিসকল ব্যক্তিক হাতীয়ে হত্যা কৰিছিল সেই পৰিয়াল সমূহক আমি আৰ্থিক সাহাৰ্য্য দিব পৰা নাছিলো। আজি প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে পঞ্চাশজনক ইতমধ্যে আৰ্থিক সাহাৰ্য্য দিয়া হৈছে আৰু বাকী থকাখিনিক সোনকালে দিয়া হ'ব বুলি কৈছে। মাননীয় অধ্যক্ষ মহোদয় ইয়াৰ বাহিৰেও ছয়জন আৰু বাকী থাকিব, সেই ছয়জনকো ক্ষতিপূৰণ দিলে ভাল। তাৰোপৰি হাতীৰ সংখ্যাটো যিহেতু দ্ৰুত গতিত বৃদ্ধি পাইছে সেইবাবে খাদ্যৰ সন্ধানত হাতীবিলাক জঙঘলৰ পৰা গাৱঁলৈ ওলাই আহে আৰু তেতিয়া ৰাতিৰ ভিতৰতে গাওঁ এখন ধ্বংস কৰি পেলায়। হাতীয়ে ঘৰ ভঙা পৰিয়াল বিলাক দুইবান্ধ টিনপাত দিয়াৰ ব্যৱস্থা কৰিলেও সহায় কৰা হ'ব। প্ৰশ্নৰ উত্তৰত তেনে ব্যৱস্থা নাই বুলি কৈছে যদিও পৰিয়ালক অৰ্থ নাইবা দুইবান্ধ টিনপাত দিব নেকি? আই.এ.ৱাইৰ গৃহ আৱন্টন দিব নোৱাৰো কাৰণ তেওঁলোকে আগতেই পাইছে। অধ্যক্ষ মহোদয়, ডাঙৰ কথাটো হৈছে - ইন্দিৰা আৱাস যোজনাৰ গৃহ দেখিলেই হাতীয়ে ভাঙি পেলায়। কিয় ভাঙে সেইটো আমি আচৰিত পাওঁ। ৰান্ধনীঘৰ বিলাকত চাউল থাকে আৰু ইন্দিৰা আৱাস যোজনাৰ ঘৰ বিলাক ৰান্ধনীঘৰৰ নিচিনা সেইবাবেই হয়তো ভাঙি দিয়ে। গতিকে অধ্যক্ষ মহোদয় হাতী আৰু মানুহৰ সংঘাত নিয়ন্ত্ৰণৰ বাবে যিখিনি নিয়ম প্ৰৱৰ্তন কৰিছে সেইখিনি কাৰ্য্যকৰি কৰিব লাগে। অধ্যক্ষ মহোদয় মোৰ প্ৰশ্নটো হৈছে যিবিলাক পৰিয়ালৰ গৃহ হাতীয়ে ভাঙি পেলাইছে তেওঁলোকক অৰ্থ সাহাৰ্য্য দিব নেকি?

**শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, হাতীয়ে ঘৰ ভঙা পৰিয়ালক টিনপাত দিয়াৰ ব্যৱস্থা আছে নেকি সেই কথাটো মাননীয়া সদস্যা গৰাকীয়ে সুধিছে আৰু আমি উত্তৰত কৈছো যে তেনেধৰণৰ কোনো ব্যৱস্থা নাই। অধ্যক্ষ মহোদয়, যিসকল পৰিয়ালৰ গৃহ হাতীয়ে ভাঙিছে তেওঁলোকক আমাৰ বিভাগৰ পৰা নূন্যতম দহ হাজাৰ টকাকৈ দিছো। মই ভাবো দহ হাজাৰ টকাত দুই বান্ধ টিনপাত আহিব। চাৰিহাজাৰকৈ যদি আমি টিনপাত কিনো দহ হাজাৰত দুই বান্ধতকৈ বেছি টিন পাম। অধ্যক্ষ মহোদয়, বিভাগে হাতীয়ে ঘৰ ভাঙিলে সৰ্বাধিক ৯৫ হাজাৰ টকা দিয়াৰ ব্যৱস্থা আছে। সাহাৰ্য্য হিচাপে দিয়া হয়, মেটেৰিয়েলচ হিচাপে দিয়া নহয়। বৰ্তমান আমি হাতী আৰু মানুহৰ সংঘাত নিয়ন্ত্ৰণ কমাবৰ বাবে বিভিন্ন আঁচনি লোৱা হৈছে। বিভাগৰ

তৰফৰ পৰা যিসমূহ ঠাইত হাতীৰ বাসস্থান আছে তাত ৰাইজৰ লগত সভাপতি পাতি সজাগতাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। আমি বিভিন্ন ধৰণৰ সজাগতা সভা পাতিছো। মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যাগৰাকীয়ে যি ঠাইৰ কথা কৈছে - ওদালগুৰী- ওদালগুৰী হৈছে বি.টি.চিৰ অধীনত। গতিকে সেইটো কাম বি.টি.চি প্ৰশাসনে কৰিব লাগিব। তাত যি বন বিভাগৰ বিষয়া আছে তেওঁলোকে কৰিব লাগিব। ইয়াৰ কাৰণে আমি তেওঁলোকক নিৰ্দেশ দিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমৃণাল শইকীয়া।

**শ্ৰীমৃণাল শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাতী মানুহৰ সংঘাত সম্পৰ্কত যিটো উপায় দিয়া হৈছে এই ক্ষেত্ৰত মই ভাবো যে এই উপায় বিলাকে হাতী মানুহৰ সংঘাট কমাব নোৱাৰে। আগতে হাতীক নিয়ন্ত্ৰণৰ বাবে এটা ব্যৱস্থা আছিল। মাউতে হাতী ধৰি পেলাই বিভিন্ন কামৰ বাবে উপযোগী বনাইছিল। তেনেকুৱা নকৰিলে হাতীৰ জনসংখ্যা ৰোধ কৰা সম্ভৱ নহয় আৰু হাতী মানুহৰ সংঘাত নিয়ন্ত্ৰণ নহ'ব। গতিকে মই মাননীয়া মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো যে এই ব্যৱস্থাটো কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয়া মন্ত্ৰী।

**শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সকলোৰেই হাতী মানুহৰ সংঘাতকলৈ চিন্তিত। আমাৰ গাঁৱৰ দুখীয়া ভুক্তভোগী বিলাকেও এই কথাটো অনুভৱ কৰে। হাতী জনসংখ্যা বৃদ্ধি হৈছে সেইটো সঁচা কিন্তু একেসময়তে বানাঞ্চল শেষ হৈ গৈ আছে। সেই কাৰণে মানুহ আৰু হাতী মুখামুখী হয়। গতিকে সকলোৰেই এই কথাটো ভাবিছে প্ৰকৃতি প্ৰেমিসকলেও এই কথাটো কয়। মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই যিটো কথা কৈছে সেই কথাটোত ভাৰত চৰকাৰে নিষেধাজ্ঞা জাৰি কৰিছে। সেই কাৰণে আমি ৰাজ্য চৰকাৰে নিজাববীয়াকৈ এই পদক্ষেপ ল'ব নোৱাৰো।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়টো বিবেচনা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নকি?

**শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিটো কথা কৈছে আমি এই বিষয়ে বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীৰূপজ্যোতি কুৰ্মী।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাতী মানুহৰ এটা ডাঙৰ সমস্যা আছে। প্ৰতি বছৰে দুই বা তিনিজন মানুহ মাৰে আৰু ঘৰ ভাঙে। কেইদিনমান আগতে বাতৰি কাকত পঢ়িবলৈ পাইছিলো যে এগৰাকী ছাত্ৰীয়ে গবেষণা কৰি উলিয়াছে মৌ পালন কৰিলে হাতী নাহে। হাতীয়ে বহু খেতি মাটি নষ্ট কৰে যাৰ ফলত মানুহে খেতি কৰিব নোৱাৰে। গতিকে এই সংঘাতটো নিয়ন্ত্ৰণৰ বাবে বন বিভাগে কৃষি বিভাগেও ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অধ্যক্ষ মহোদয়, আমাৰ যিসমূহ চৰকাৰী মাটি পৰি আছে সেই মাটিসমূহত মৌ পালন কৰিব নোৱাৰি নেকি? বনবিভাগে কৃষি বিভাগ, উদ্যোগ বিভাগ আদিৰ লগত কথা পাতি এই এনেয়ে পৰি থকা মাটিত খেতি কৰাৰ বৰস্থা কৰিব লাগে। বহু মাটি এনেয়ে পৰি আছে গতিকে বনমন্ত্ৰী ডাঙৰীয়াই অন্য বিভাগৰ লগত আলোচনা কৰি সেই মাটিসমূহত খেতি কৰাৰ লগতে মৌ পালনৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, পৰিৱেশ আৰু বন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য

গৰাকীয়ে ভাল মৌ পালনৰ কথা কৈছে। অন্যান্য বিভাগে মৌ পালনৰ কাম কৰে। তেওঁলোকে যদি কৰে, তেতিয়াহ'লে ভাল হয়। সেইকাৰণে আমি যি যি অঞ্চল একেবাৰে উকা হিচাপে আছে, তাত আমি হাতীৰ খাদ্যৰ বাবে হাতীয়ে খোৱা কিছুমান ফল-মূলৰ গছ-গছনি আৰু ঘাঁহনি কৰিবৰ কাৰণে এইবছৰ প্ৰথমবাৰৰ কাৰণে আৰম্ভ কৰিব বিচাৰিছো। কাৰণ যোৱা বছৰ আমি কিছু কিছু ঠাইত গছ-গছনি লগাইছিলো যদিও দেৰী হোৱাৰ কাৰণে এইটো সফল নহ'ল। এইবাৰ হাতীৰ খাদ্য হিচাপে য'ত য'ত বনাঞ্চলসমূহ খালী হৈ আছে, সেইবোৰ অঞ্চলত আমি গছ-গছনি লগোৱাৰ ব্যৱস্থা কৰিব বিচাৰিছো। মৌ পালন কৰিলে যে ইতিবাচক কিবা হ'ব বুলি মই নাভাৱো। কাৰণ হাতীৰ খাদ্যৰ অভাৱ হৈছে। খাদ্যৰ বাবে হাতী পাগলৰ দৰে হৈছে। সেইকাৰণে হাতীবিলাক খাদ্য বিচাৰি মানুহৰ গাঁৱে গাঁৱে যায়। কিন্তু মৌ পালন সকলো অঞ্চলতে কৰিব নোৱাৰে। মৌ পালনৰ দ্বাৰা হাতীৰ প্ৰৱেশত বাধা দিব। কিন্তু হাতীয়ে খাদ্য ক'ত পাব। গতিকে আকৌ মানুহৰ ঘৰত যাব লাগিব। সেইটো সমাধানৰ এটা পথ হ'ব পাৰেনে? যিবোৰ অঞ্চলত হাতী সঘনে যায়, তাত কৰিব পৰা যায়। কিন্তু তেতিয়া হাতী আকৌ বেলেগ ফালে যাব। সেইকাৰণে হাতীৰ খাদ্যৰ বাবে গছ ৰূপণ কৰাটো বেছি দৰকাৰী হ'ব আৰু হাতীক আকৌ বনাঞ্চললৈ আনিব লাগিব। সেইবোৰ যদি কৰিব পাৰে তেতিয়া হাতীৰ সমস্যাৰ সমাধান হ'ব আৰু হাতী ধৰাৰ ব্যৱস্থা যদি কৰিব পাৰো তেতিয়াহ'লে অলপ সকাহ দিয়া হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমল সিং নাৰ্জাৰী ডাঙৰীয়া আপুনি কওঁক।

**শ্ৰী কমল সিং নাৰ্জাৰী(বিজনী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাতী আৰু মানুহৰ সংঘাত আজিৰ নহয়। এতিয়া অৰণ্যে হাতীৰ সংখ্যা বেছি হোৱা বাবে সংঘাত বেছিকৈ হৈছে। ফলত ইয়াৰ ওপৰত দুটা কথা বেছিকৈ ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্ন কৰিব নে পৰামৰ্শ দিব? আপুনি প্ৰশ্নটো কৰক। পৰামৰ্শ হ'লে পিছত দিব। পিছত আমি দৰকাৰ হ'লে এইটো বিষয়ত আলোচনা কৰিম।

**শ্ৰী কমল সিং নাৰ্জাৰী(বিজনী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমটো হ'ল হাতী মানুহৰ সংঘাত বৃদ্ধি হোৱা আৰু এই সংঘাত নোহোৱা কৰিবৰ বাবে Elephent Fencing ৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয়টো হ'ল, গমাৰি গছ, শিমলু গছ আৰু কঁঠাল গছ ৰোৱাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ কঁঠাল, গমাৰি আৰু শিমলু গছৰ ফুল আৰু ফল হাতীৰ খুব প্ৰিয় খাদ্য। সেয়েহে এই তিনিবিধ গছ যদি ৰোপণ কৰা হয়, তেতিয়া নিশ্চয় হাতীৰ যিটো খাদ্যৰ অভাৱ সেইটো নোহোৱা হৈ যাব। কল গছ ৰুলে দুদিনতে শেষ হৈ যাব। কল গছ ৰুব নোৱাৰো। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক এই ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, পৰিৱেশ আৰু বন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো আমাৰ আঁচনিত আছেই। এই আঁচনিৰ জৰিয়তে ফল-মূলৰ গছ-গছনি ৰোৱা আৰু কলৰ গছ ৰোপণ কৰা হয়।

**মাননীয় অধ্যক্ষ ঃ** তেওঁ তিনিবিধ বিশেষ গছ ৰোপণৰ কথা কৈছে।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, পৰিৱেশ আৰু বন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই তিনিবিধ গছ শিমলু আৰু গমাৰি গছ ৰোপণৰ আমাৰ আঁচনিত আছেই আৰু বনবিভাগে কৰে। কঁঠালৰ গছ ৰোপণ বনাঞ্চলত কৰা হোৱা নাই। তাৰ ব্যৱস্থা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰদীপ হাজৰিকা ডাঙৰীয়াদেৰে কওঁক।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাতীৰ খাদ্যৰ কথাটোত বিশেষ

গুৰুত্ব দিয়া হৈছে। এতিয়া হাতীৰ খাদ্যৰ ভিতৰত হাতীয়ে মদও খায় আৰু কানিও খায়। অধ্যক্ষ মহোদয়, হাতী যিবোৰ অঞ্চলত ওলাইছে, সেইবোৰ অঞ্চলত পাহাৰৰ দাঁতি কাষৰীয়া অঞ্চল য'ত লাওপানী, সাজপানী বনোৱা হয়। সেই ঘাটিবোৰৰ কাৰণে হাতীয়ে উপদ্ৰৱ কৰে। এইটোৰ কাৰণে হাতী অহাৰ প্ৰমাণ আছে। য'ত তেনেকুৱা ঘাটি আছে, তাত হাতী আহি ঘৰ ভাঙি সেইবোৰ খাই গুচি যায়। সেয়েহে সেই দিশটোও চৰকাৰে চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া নোমল মমিন ডাঙৰীয়া আপুনি কওঁক।

**ডাঃ নোমল মমিন(বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুটা প্ৰশ্ন অতি চমুকৈ কম। Post-Mortem নহ'লে Compansation দিয়া নহয় নেকি ?মোৰ সমষ্টিত দুজন ব্যক্তি মৃত্যু মুখত পৰিছিল, কিন্তু তেওঁলোকক Post-Mortem কৰা নহ'ল। সেই কাৰণে Compansation দিয়া হোৱা নাই আৰু আনটো প্ৰশ্ন হ'ল মোৰ অঞ্চলৰ ডবকাত Forest Reserve ৰ ওচৰত এটা হাতী পোৱালীক খুব নিৰ্মমভাৱে অত্যাচাৰ ক ৰিছিল। মই মাননীয় মন্ত্ৰী মহোদয়ক ফোনেৰে জনাইছিলো। আপুনি ব্যৱস্থা লৈছিল। তেওঁক কিবা শাস্তি দিয়া হ'ল নেকি ?

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, পৰিৱেশ আৰু বন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে ঘৰৰ পৰা আহি থকা অৱস্থাত সেই পৰিৱেশ দেখা পাইছিল আৰু লগে লগে মোক এই কথাটো জনাইছিল। মই আমাৰ বিষয়া সকলক তাত যাবলৈ দিছিলো। তাৰ্ পিছত সেই মানুহ জনে মোক ফোন কৰি জনাইছে। আমি তাক শাস্তি দিয়া নাই। সেইটো আমাৰে পোৱালি। তাক আমি Basic Trainning দিছো। তেনেকুৱা ধৰণৰ হাৰাশাস্তি Trainning দিয়া নাই। সেই কথাটো জনাইছে কাৰণে মই শাস্তি দিব লাগে বুলি ভবা নাই আৰু এতিয়ালৈকে শাস্তি দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই এটা কথাই ক'ব খুজিছো যে আমাৰ ইয়াত আলোচনা হৈছিল হাতী আৰু বান্দৰৰ উপদ্ৰৱৰ কথা। বান্দৰৰ উপদ্ৰৱৰ কাৰণেও বহুত খেতি নষ্ট হৈছে। মই এই দুটা কথা আৰু আলোচনা কৰিব বিচৰা নাই। আগলৈ কেতিয়াবা কৰিম। গতিকে এই দুটা কথাৰ ওপৰত বিজ্ঞানসন্মতভাৱে কি কৰিব পৰা যায়, মন্ত্ৰী মহোদয়াই অলপ চাব। এতিয়া Next Question 442 কৃপানাথ মাল্লা। তেওঁ সদনত উপস্থিত নাই। Next Question 443, অশোক সিংহল। তেওঁ সদনত উপস্থিত নাই। Next Question 444 শুকুৰ আলি আহমেদ ডাঙৰীয়া।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, পৰিৱেশ আৰু বন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী শুকুৰ আলি আহমেদ(চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে ইয়াৰ উত্তৰ দিছে। আপোনাৰ জৰিয়তে মই ইয়াত পৰিপূৰক এটা প্ৰশ্ন কৰিছিলো। যিখিনি উত্তৰ দিছে, ঠিক আছে। আমাৰ অসমত Forest Survey of India ৰ তথ্য অনুসৰি আমাৰ ৩৫.৮৩ শতাংশ বনাঞ্চল আছে। চৰকাৰী নিয়ম মতে ৩৬ শতাংশ লাগে। এতিয়া মোৰ পৰিপূৰক প্ৰশ্নটো হ'ল যে অসমত বিভিন্ন বনাঞ্চল চোৰাং চিকাৰীয়ে ব্যাপক হাৰত কাটি ধ্বংস কৰি আছে। এইটো বন্ধ কৰাৰ কাৰণে কেনেধৰণৰ ব্যৱস্থা লৈছে আৰু কিয় বন্ধ কৰিব পৰা নাই।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে এই সম্পৰ্কত আমি অৱগত আৰু এইটো ৰোধ কৰাৰ বাবে পদক্ষেপ লোৱা হৈছে। তথাপি বনাঞ্চল ধ্বংস কৰি থকা দেখা গৈছে। মই ভাৱো বনাঞ্চলৰ ওচৰত বসবাস কৰি থকা মানুহখিনি যদি সচেতন হয় আৰু আমাক সহায় কৰে তেতিয়া এইটো সম্ভৱ কৰি তুলিবপৰা যাব । কাঠৰ গাড়ীবোৰ ধৰি থকা হৈছে। আমাৰ অসমত মূল্যবান গছ তেনেকৈ নাই।চুবুৰীয়া ৰাজ্য মেঘালয়,

অৰুণাচল আদিৰ পৰা আনি থাকে। সেইটো ৰোধ কৰিবৰ কাৰণে বিভাগীয় বিষয়া সকলক পদক্ষেপ লোৱাৰ বাবে নিৰ্দেশ দিয়া হৈছে। যিবিলাক বনাঞ্চল খালী হৈ আছে,সেইবিলাকত পুনৰ গছপুলি ৰোপন কৰি ভালকৈ মেইনটেইন কৰাৰ বাবে চেষ্টা কৰি আছো।

**শ্ৰীশুকুৰ আলী,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, নতুন গছপুলি ৰোপন কৰাৰ যিটো আঁচনি লোৱা বুলি মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীয়ে জনাইছে, মই আশা ৰাখিছো যে - যিখিনি গছপুলি ৰোপন কৰা হ'ব, সেই পুলিখিনি যাতে গছলৈ ৰূপান্তৰিত হয়। দেখা যায় যে- পুলি ৰোৱা হয়, কিন্তু তাক ৰক্ষণা-বেক্ষণ দিয়া নহয় যাৰ ফলত গৰু-ছাগলীয়ে নষ্ট কৰি পেলাই।গতিকে পুলি ৰোৱাৰ লগে লগে ইয়াৰ ৰক্ষণা-বেক্ষণৰ ক্ষেত্ৰটো গুৰুত্ব দিব লাগে।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, এতিয়া আমাৰ প্ৰজেক্ট আছে। হেক্টৰ হিচাপত গছপুলি ৰোপন কৰিবলৈ জিলা বিলাকত বা ডিভিজন বিলাকত প্ৰজেক্টটো দিয়া হয়। আমি এইটো অনুভৱ কৰিছো যে- গছপুলি ৰুৱা হয়, কিন্তু পুলিটো জীয়াই নাথাকে। সেয়েহে গছপুলি ৰুৱাৰ কাৰণে ফেন্সিং দিয়াৰ ব্যৱস্থা এতিয়া ৰখা হৈছে।ৰাস্তাৰ কাষে কাষে যিবিলাক গছপুলি ৰুৱা হৈছে তাত ইণ্ডিভিজুৱেল গাৰ্ড দিয়া হৈছে। এয়াৰপ'ৰ্টলৈ গ'লে লক্ষ্য কৰিলে দেখা পাব যে- পুলিবোৰ জী উঠিছে। বৰপেটা, নলবাৰীত ফৰেষ্ট নাই। গতিকে ছ'চিয়েল এৰিয়া বিলাকত গছপুলি ৰুই সুন্দৰভাৱে সৰু সৰু হাবিৰ নিচিনা যাতে বনাব পাৰো তাৰ কাৰণে ব্যৱস্থা লৈ আছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী সঞ্জয় কিষাণ, বিধায়ক ।

**শ্ৰী সঞ্জয় কিষাণ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, লক্ষীপথাৰত যথেষ্ট বনাঞ্চল আছে কিন্তু যোৱা দিনবিলাকত যথেষ্ট গছ-গছনি ধ্বংস হোৱাৰ কাৰণে বনাঞ্চলসমূহ খালী হৈ আছে। খালী থকাৰ কাৰণে মানুহে সেইবোৰ ব্যৱহাৰ কৰিবলৈ লোৱা দেখা গৈছে। গতিকে লক্ষীপথাৰত স্পেচিয়েল প্লেন্টেশ্যনৰ ব্যৱস্থা কৰিলে ভাল হয়।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক আৰু বিধায়িকা সকলে এনকুৱা প্ৰস্তাৱ দিলে মই ভাল পাম। আপোনাৰ প্ৰস্তাৱটো মই ভাল পাইছো। আপোনাৰ লক্ষীপথাৰত গছ-পুলি ৰুৱাৰ ব্যৱস্থা আমি লম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, নন্দিতা দাস ।

**শ্ৰীমতী নন্দিতা দাস, বিধায়িকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মেঘালয়ৰ পৰা যিখিনি কাঠ মন্ত্ৰী ডাঙৰীয়ানীয়ে অহা বুলি কৈছে, আমি গম পাওঁ যে অসমৰ গছ কাটি, মেঘালয়ৰ টি,পি লৈ তেওঁলোকে অসমত প্ৰৱেশ কৰে। এইটো ক্ষেত্ৰত ভালকৈ চেক্ কৰাৰ ব্যৱস্থা কৰিব লাগে। বগাইখাচ এলকাৰ ফৰেষ্ট ৰিজাৰ্ভত শাল,মাকৰিশাল আদি বহুতো মূল্যবান গছ আছে। এই গছবোৰ কিন্তু অসমৰ হয় আৰু তেওঁলোকে মেঘালয়ৰ পাছ লৈ অসমত প্ৰৱেশ কৰে। মালীবাৰী বুলি এখন বিৰাট ডাঙৰ বজাৰ আছে। গতিকে অবৈধভাৱে যিটো কাঠৰ প্ৰচলন আৰু বজাৰৰ ক্ষেত্ৰত মাননীয়া মন্ত্ৰী মহোদয়াই পৰীক্ষা কৰি চাই সুৰক্ষাৰ ব্যৱস্থা ল'লে ভাল হয়।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো মই জানো আৰু মই তাত গৈছো। ভৱিষ্যতে যাতে আৰু গছ কাটিব নোৱাৰে ইয়াৰ কাৰণেপদক্ষেপ লোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** শেষৰটো প্ৰশ্ন তপন গগৈ ।

**শ্ৰীতপন গগৈ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যে- অভয়পুৰ ৰিজাৰ্ভত লাই-লেচাই আৰু গদাপানী নামেৰে দুটা বি,অ',পি আছিল। এই বি,অ',পি দুটা আজিৰ তাৰিখত নাই। ইয়াৰ সুযোগ লৈ ইমূৰৰ পৰা সিমূৰলৈ গোটেই বন ধ্বংস কৰাৰ লগতে মাটিবিলাকো দখল

কৰি লৈছে। এই ক্ষেত্ৰত মাননীয়া মন্ত্ৰী মহোদয়াই বি,অ',পি সমূহ পুনৰ নিৰ্মাণ কৰি বনাঞ্চল সুৰক্ষাৰ ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। গুৰুজ্যোতি দাস, আপুনি কি কব বিচাৰিছে ?

**গুৰুজ্যোতি দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, দৰং জিলাত হাজাৰ হাজাৰ বিঘা মাটি আছে। ইয়াত ব'টানিকেল গাৰ্ডেন স্থাপন কৰাৰ কিবা ব্যৱস্থা লৈছে নেকি ?

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি এনেকুৱা ধৰণৰ মাটিৰ ডাঙৰ এলেকা এনেয়ে পৰি আছে, তেতিয়াহলে তাত আমি গছ ৰোপন বা ব'টানিকেল গাৰ্ডেনো কৰিব পাৰিম, যদি নগৰৰ ওচৰত থাকে তেতিয়া আমি নগৰ উদ্যান হিচাপেই অগ্ৰাধিকাৰ দিওঁ।

**শ্ৰীতপন গগৈ, বিধায়ক ঃ** বি, অ', পি সমূহৰ ক্ষেত্ৰত কি ব্যৱস্থা লব ?

**মাননীয় অধ্যক্ষ ঃ** বি, অ', পি সমূহৰ ক্ষেত্ৰত মই গৃহ বিভাগৰ লগত আলোচনা কৰিম। আপুনি খুউব ভাল পৰামৰ্শ দিছে, বি, অ', পি বিলাক লাগিব। পৰৱৰ্তী প্ৰশ্ন ৪৪৫, আব্দুল খালেক।

**শ্ৰীকেশৱ মহন্ত ,মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুল খালেক, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে জনাইছে যে - ই, এম, পিৰ - চি, এছ, এছ, শিতানত ২০১৭-১৮ বিত্তীয় বৰ্ষত ধন ধাৰ্য কৰিছিল ১৬১ কোটি টকা আৰু এছ,এছ শিতানত ২৩৪ কোটি টকা। মাননীয় অধ্যক্ষ বিত্ত মন্ত্ৰী মহোদয়ে যদিও সদনত নাই, ৩১ মাৰ্চৰ ভিতৰত সকলো টকা খৰছ কৰাৰ কথা কৈছিল। আজি ৫ এপ্ৰিল। এতিয়া দেখা গৈছে যে এফ এম চি শিতানত Total ৯৪.৯৬ কোটি টকাহে release কৰিছিলে একেদৰে অধ্যক্ষ মহোদয়, I RDF , NABARD ধাৰ্য্য কৰা হৈছিল বিগত বিত্তীয় বৰ্ষত ২৮০কোটি টকা মোকলাই দিলে ১৩৭ কোটি টকা । তাতো অধ্যক্ষ মহোদয়, খুৱ কম পৰিমানৰ টকাহে মোকলাই দিয়া হ'ল। এতিয়া প্ৰশ্নটো হৈছে অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখন এখন বান পিড়িত ৰাজ্য, গড়া খহনীয়াই আমাক জুৰুলা কৰে সমগ্ৰ ৰাজ্যখনক অকল মই মোৰ সমষ্টিৰ কথা কোৱা নাই। জলসম্পদ বিভাগৰ কাৰনে যিখিনি টকা ধাৰ্য্য কৰা হয় সেই টকা খিনি যদিও মন্ত্ৰী মহোদয় ডাইৰেক্ট উত্তৰ দিব নোৱাৰে ।কিন্তু চৰকাৰৰ যিটো Collective responsiblity সেই টকাখিনি যদি সময়মতে মুকলি কৰি দিয়া নহয় তেতিয়া হ'লে আমাৰ বান নিয়ন্ত্ৰন বা আমাৰ খহনীয়া নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহ'ব সেই কথাটো যাতে চৰকাৰৰ লগত যোগাযোগ কৰে। এফ এম পি শিতানত আৰু এচ ও পি শিতানত মন্ত্ৰী মহোদয়ে যিখন তালিকা সদনত দাখিল কৰিছে মোৰ ভুলো হ'ব পাৰে তাত পৰীক্ষা কৰি দেখিলো বৰপেটা জিলাত এটাও আঁচনি লোৱা দেখা নাই অধ্যক্ষ মহোদয় SOP শিতানত ইতিমধ্যে লোৱা আঁচনি আছে মাজুলী ঐতিহ্যপূৰ্ণ এলেকা , মাজুলী মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টি তাত কাম হ'বই লাগিব অধ্যক্ষ মহোদয়, কিন্তু এচ ও পি শিতানত পৃষ্ঠা নম্বৰ ৩ত নতুন যিকেইটা ৬ টা আঁচনি লোৱা হৈছে। সেই ৬ টাই মাজুলীৰ ।এটাও অসমৰ আন অন্য এলেকাত লোৱা নহ'ল। মাজুলীৰ উন্নতি হ'ব লাগিব অধ্যক্ষ মহোদয় , লগে লগে অন্যান্য এলেকাৰো উন্নতি হ'ব লাগিব অধ্যক্ষ মহোদয়। অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে সদনত জনাইছে যে, Extra T.A Bill Assam integrated flood and River bank erosion risk management investment programme ৩৪১.৪৬ কোটি টকা ধাৰ্য্য কৰা হৈছে , তাৰে কিমান কোটি টকা মুকলি কৰা হ'ল ক'ত ক'ত সেই টকা খৰছ হ'ল আমাৰ বৰপেটা জিলা পালেনে নাই সেই বিষয়ে কিন্তু উল্লেখ নাই। Assam integrated flood and River bank erosion risk management investment investment

programme । পৃষ্ঠা নং -৫ । অধ্যক্ষ মহোদয়, নাবাৰ্ডৰ স্কীম ২০১৪-১৫ত কামটো টো যদি ইমপ্লিমেন্ট হৈছে মোৰ ক'বলৈ একো নাই।it is still over 2017 18 -3 C 2- 0 K.M and send ৫.৩ K.M on kadom station , কাদংটো অধ্যক্ষ মহোদয় মোৰ সমষ্টি। তাত ৩ কোটি ৪৪ লাখ টকা estimated cost বুলি কৈছে ২০১৭-১৮ বুলি ক'লে মই কিন্তু কাম হোৱা দেখা নাই। গতিকে এই খিনি প্ৰশ্নৰ উত্তৰ পালে ভাল পাম।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীকেশৱ মহন্ত, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিখিনি কথা উল্লেখ কৰিছে মই সামগ্ৰিকভাবে ক'বলৈ বিচাৰিছো যে এফ এম পি ৰ তেখেতে কৈছে যে আমাৰ এইখন চৰকাৰ অহাৰ পিচত আমাৰ কোনো আঁচনি লোৱা হোৱা নাই। এফ এম পিৰ সকলো আঁচনি আছিল পূৰ্ব্বৰ চৰাকাৰৰ দিনৰে। আৰু এফ এম পিৰ ক্ষেত্ৰত ইতিমধ্যে আপোনালোকে গম পাই আছে যে বহু আপত্তি বিপত্তি ঠিকাদাৰকে ধৰি চলি আছে। এই আঁচনিসমূহ সমগ্ৰ অসমতে আছে আৰু সেই সময়ত সেই আঁচনিসমূহ গ্ৰহণ কৰা হৈছিল ইয়াত যে বাজেটত পইচাখিনি ধাৰ্য্য কৰা হৈছে আমি টকা পাবলৈ আছো কেন্দ্ৰীয় চৰকাৰৰ পৰা এম এম পিৰ আঁচনিৰ প্ৰায়খিনি আঁচনি আছিল ধৰক ৯০ঃ১০ তাৰ পিছত গোটেইখিনি আঁচনি আহিল ৮০ঃ২০ ৰেচিওত আৰু ৮০ঃ২০ ৰেচিওৰ আমি ৰাজ্য চৰকাৰে প্ৰায়খিনি ৰাজ্য চৰকাৰৰ শ্বেয়াৰ দিছো আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা সেই অংশখিনি আহিবলৈ বাকী আছে। আমি বাজেটত এই প্ৰভিজনখিনি ৰাখিছিলো যে বাজেটত প্ৰভিজনখিনি থাকিলেহে কেন্দ্ৰীয় চৰকাৰৰ টকা আহিলে ,আমি টকাটো ৰিলিজ কৰিব পাৰিম। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা শেহতীয়াভাবে আহিছে ৩১ মাৰ্চতো, কিন্তু ৩১ মাৰ্চত সেই টকা ৰিলিজ কৰিব পৰা হোৱা নাই। গতিকে বাজেট প্ৰভিজনটো এইটো টকাৰ সংখ্যাটো হৈছে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আহিলে কেন্দ্ৰীয় চৰকাৰৰ অংশ আৰু ৰাজ্য চৰকাৰৰ অংশ আমি মুকলি কৰি দিবৰ কাৰণে এই বাজেটত টকা ধাৰ্য্য কৰি ৰখা হৈছিল। সেই কাৰনে এই টকাখিনি আপোনালোকে দেখিছে আৰু ইয়াত খৰছ কৰা সংখ্যাটে সেই কাৰনে দেখা নাই। কিন্তু এতিয়া কিছু পইছা আহিছে যিটো টকা আমি ইয়াৰ পিছত আকৌ এপ্ৰিল মাহত ধাৰ্য্য কৰি দিব পাৰিম। তাৰ পিছত যিকেইটা এচ ও পি ডিৰ কথা কৈছে। আমাৰ এচ ও পি টি ৰ বাজেট খুব কম। আপোনালোকে জানে। তাত যিকেইটা পইছা আছে সেইকেইটা আমাৰ ফ্লাড ফাইটিঙত হয়। আমি প্ৰতিটো ডিভিজনতে আগতীযাকৈ জমা থকাকৈ সেই টকাখিনি দি দিও। প্ৰতিটো ডিভিজনতে বেলেগে থৈ দিয়া আছে - আমি বৰাকৰ বাবে বেলেগে ফিক্সড কৰি থোৱা আছে, ব্ৰহ্মপুত্ৰ নদীৰ কাৰনেও ইয়াত বেলেগে ফিক্সড কৰা আছে। এইখিনি পইচা আমি আগতে দি দিও। আগতে দিয়াৰ পিছত ডিভিজনবিলাকে সময়ত যাতে বানপানী অহাৰ সময়ত যিখিনি সমস্যা হয় সেইখিনি মুখামুখী হ'ব পাৰে ।বাকী কথাটো হ'ল মাজুলিত আমাৰ যিকেইটা কথা দেখিছে তাত শ্লুইছ গেট আছে। এই মেকানিকেল কথা থকা কাৰণে ইয়াত ভাগ কৰি দিয়া হোৱা নাই। শ্লুইছ গেট থকাৰ কাৰণে তাত এটা পইছা বেছিকৈ পাইছে। কিন্তু আন ধৰনে তাত মাজুলীত অন্যধৰণে ১০০ কোটি টকা বৰ বেছিকৈ দিয়া হোৱা নাই। আৰু ঘটনাটো এনেকুৱা হৈছে আমি এচ ডি আৰ এফৰ যেতিয়া কাম কৰো এচ ডি আৰ এফৰ কামৰ যিটো ৰেষ্ট্ৰিকচন আছে ইৰোচনৰ ক্ষেত্ৰত তাত আমাৰ স্কীম ল'বলৈ নিদিয়ে একজিছটিং মথাউৰি বা অন্য মথাউৰি থকাৰ ওপৰতহে নতুন কাম আমি এচ ডি আৰ এফৰে কৰিব নোৱাৰো। সেই কাৰনে অধ্যক্ষ মহোদয় ক'ৰবাত ইৰোচনৰ কাম কৰিবলৈ হ'লে এচ ও পি ডিৰ এই টকাটোৰে কাম কৰিব লগা হয়। এই বছৰ আমি কেইটামান

কাম লৈছো। বৰপেটাতো আমি লৈছো । যিটো বাজেটত অহা নাই । তেখেতে ২০১৭-১৮ কোৱা কাৰনে - এইটো সঁচা যে আমি ফাইনেন্সৰ পৰা পাইছো। ঠিক তেনেধৰনে বৰপেটাতো আছে, তাৰ পিছত নিমাতিতো আছে। আৰু তাৰ পিছত তেখেতে কৈ যোৱা ধৰণে বৰপেটাত আমাৰ কেইবাটাও আছুনি লোৱা আছে। নাবাৰ্ডৰ পৰা লোৱা আছে। তাৰ ওপৰত এচ ডি আৰ এফৰ লোৱা আছে। এইবাৰ বৰপেটাত এচ ও পি ডিত এইবাৰ নতুন তিনিটা কাম লৈছো। সেইধৰণে আমি ফাইনেন্সত মুভ কৰিছো। মুখ্য মন্ত্ৰী ডাঙৰীয়াই সেইটো বিশেষভাবে ফাইনেন্সক এইখিনি টকা অনুমোদন দিছে। আৰু এই গোটেইখিনি কথা আমাৰ এটা প্ৰক্ৰিয়াৰ মাজত আছে আৰু এই প্ৰক্ৰিয়াটো সম্পূৰ্ণ নাইকীয়া হোৱা বাবে আজি এইখনত মই উল্লেখ কৰি দিয়া নাই। কিন্তু প্ৰয়োজন হ'লে মই এতিয়া কৈ দিব পৰা অৱস্থাত আছো। ক'ত ক'ত কেনেধৰনে দিয়া আছে। তেনেকৈ বৰপেটা জিলাৰ বাঘবৰত আছে, মুঠতে ৩ টা এচ ও পি ডি আছে। এতিয়া সেইখিনি স্কীম লওঁতে আমাৰ মাননীয় বিধায়কসকলে ভালকৈ জানে তেখেতসকলৰ লগত যোগাযোগ কৰি ইঞ্জিনিয়াৰৰ লগত যোগাযোগ কৰি এই বিধান সভা চলি থকা অৱস্থাতে এইখিনি কথা অনা হৈছিলে।এতিয়া মই আৰু তেখেতে কোৱা যিখিনি কথা তেখেতে ফাণ্ডৰ ক্ষেত্ৰত কৈছে , নাবাৰ্ডৰ ক্ষেত্ৰত কৈছে, নাবাৰ্ডৰ ফাণ্ডটো কোনো লেপছ নহয়। গতিকে সেইটো আমি তাৰ পৰা পাইছো গতিকে আমি নাবাৰ্ডৰ টকা যেনেধৰনে আমি কাম কৰি শেষ হৈছে তেনেধৰনে আহি আছে তেনেধৰনে আমি ফাণ্ডটো নাবাৰ্ডৰ টকাখিনি আমি ৰিলিজ কৰি আছো। ইয়াত মই হিচাপ দিছো চি এম স্পিচিয়েল পেকেজ বিলাক আমাৰ দিনত লোৱা নহয়, আগৰ চৰকাৰৰ দিনত লোৱা আগৰ চি এম স্পিচিয়েল পেকেজ বৰাকত গৈছিল আন ক'ৰবাত গৈছিল এতিয়া এই গোটেইliablity খিনি আমি এই বাজেটত দি আছো। এই বাজেটত দুবছৰৰ ভিতৰত আমি প্ৰায় শেষ কৰিছো। এফ এম পিৰ টকাটো নাহিব বুলি ভাবি কাম কৰাটো ঠিকাদাৰে বহু অসুবিধা কৰি আছে গতিকে মই এইখিনি কথা সদনত আজি অৱগত কৰিছো।

**শ্ৰীআব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে যিখিনি কথা কৈছিলো সেইখিনিৰ সঠিক উত্তৰ পোৱা নাই। টকা ধাৰ্য্য কৰা অনুপাতে টকাrelease কৰা হোৱা নাই। অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ঠিকে কৈছে যে এফ এম পিটো ২০০৮-০৯তে ধৰা হৈছিলে। এইটো ঠিক কথা কৈছিলে। কিন্তু implement পিচত হৈছিল। কিন্তু এচ ও পিৰ ক্ষেত্ৰত তেখেতে যদি লিষ্টখনত বৰপেটা দিলেহেঁতেন তেন্তে মই সুখী হ'লোহেতেন। পিছত জনাইছে ঠিক আছে। কিন্তু মই কৈছিলো যে মাজুলীত কাম হওঁক। কিন্তু মাজুলীত অধ্যক্ষ মহোদয় ১৭-১৮ চনত ৬ টা কাম চলি আছে ৬ টা কাম নতুনকৈ লৈছে। এতিয়া **২০১৭ -১৮** বৰ্ষত মন্ত্ৰী মহোদয়ে জনাইছে যে কোনো নতুন মথাউৰি নিৰ্মাণ কৰা হোৱা নাই। মোৰ সমষ্টিত অধ্যক্ষ মহোদয়, জনতাপজা, বালিকুৰী, বৰদাঙা, ৰিচকপুৰ, খুটুৱাখোৱা বিভিন্ন অঞ্চল খহনীয়াই খহাই আছে, বাঘবৰ আৰু চেনিমাৰী সমষ্টিতো হৈ আছে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে নতুন মথাউৰি নিৰ্মাণৰ আঁচনি এই বছৰত কিবা পৰিকল্পনা আছে নে নাই।

**শ্ৰী কেশৱ মহন্ত, জলসম্পদ বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, নতুন মথাউৰি নিৰ্মাণৰ কাৰণে এই বাৰ কোনো আঁচনি লোৱা নাই। আগৰ চৰকাৰৰ কাৰ্য্যকালতো কোনো SOPD fund ৰে বা SDRF fund ৰে নতুন মথাউৰি নিৰ্মাণৰ আঁচনি যোৱা **১৫** বছৰতো লোৱা নাই।

ইয়াত মাজুলীৰ কথা কোৱা হৈছে যে মাজুলী হৈছে বিশ্ব ঐতিহ্যৰ স্থান সেই হিচাপে

এইখন বিধান সভাত আমি আপোনালোকৰ চৰকাৰৰ দিনতে এখন আইন পাছ কৰিছিলো। সেইখন আইন পাছ কৰাৰ পিছত মাজুলীক সুৰক্ষিত কৰিবৰ কাৰণে এখন কমিটি গঠন কৰি দিয়া হৈছিল। মাজুলীৰ বিষয়ে গুৱাহাটী উচ্চতম ন্যায়লয়ত বিগত চৰকাৰৰ দিনত সুদীৰ্ঘ পাঁচ বছৰ ধৰি কেচ হ'ল। উচ্চতম ন্যায়লয়ে নিৰ্দেশ দিছে যে মাজুলীত এইখিনি কাম কৰিবই লাগিব আৰু আমি এখন পবিত্ৰ বিধান সভাত মাজুলীক বিশ্ব ঐতিহ্যৰ স্থান দিবলৈ এখন আইন পাছ কৰিছো। মাজুলী হৈছে পৃথিৱীৰ ভিতৰত বৃহৎ নদী দ্বীপ। মাজুলীৰ কাৰণে আইন পাছ কৰাৰ সময়ত আমাৰ মুখ্যমন্ত্ৰীয়ে তাতে প্ৰতিনিধিত্ব কৰা নাছিল । মাজুলীক ৰক্ষা কৰিবলৈ হ'লে কেইটামান আঁচনি হয়তো মাজুলীত বেছি হ'ব।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী গুনিন্দ্ৰ নাথ দাস।

**শ্ৰী গুনিন্দ্ৰ নাথ দাস, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জনাব খুজিছো যে আজি প্ৰায় **১৫** বছৰে নতুন মথাউৰিৰ কোনো আঁচনি লোৱা নাই। কিন্তু আমাৰ বৰপেটা সমষ্টিত ব্ৰহ্মপুত্ৰৰ যিটো মথাউৰি আছে বহৰিৰ পৰা বাঘবৰলৈ আহিছে। এই মথাউৰিৰ পৰা মাত্ৰ তিনিশ মিটাৰ দুৰত আমাৰ ব্ৰহ্মপুত্ৰ নদীৰ মূলসুঁতিটো আছে। মই মন্ত্ৰী মহোদয়ক ইয়াৰ আগতেও কৈছো। গতিকে তাৰ কাৰণে এটা স্থায়ী আঁচনি লৈ যাতে এই গড়াখহনীয়াটো ৰোধ কৰিব পাৰে তাৰ কাৰণে কিবা ব্যৱস্থা লব নেকি, মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, জলসম্পদ বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো মোৰ দৃষ্টিগোচৰ আগতেও কৰিছিল। মই বিষয়াসকলক দি ইয়াৰ প্ৰাক্ কলন কৰিবলৈ কম। এইটো আমি নিশ্চয় কোনোৱা এটা আঁচনিৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰী শুকুৰ আলি আহমেদ।

**শ্ৰী শুকুৰ আলি আহমেদ, চেঙা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আপুনি বহৰিলৈ গৈছিলে, তাতে আপুনি চেনিমাৰীৰ মথাউৰিৰ সুৰক্ষাৰ কাৰণে ঘোষণা কৰি আহিছিল। আপোনাৰ ঘোষণা কিমানখিনি কাৰ্য্যকৰী হৈছে? অহা বানপানীৰ আগত চেনীমাৰী আৰু বহৰিৰ মথাউৰিৰ সুৰক্ষাৰ কামখিনি হ'ব লাগে, এই বিষয়ে মই জানিব বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত, জলসম্পদ বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বহৰিত তেখেতে কোৱাৰ পিছত এটা integrated আঁচনি লৈছো। আঁচনিটো এতিয়া CWC অনুমোদনৰ কাৰণে ৰাখিছো। বাকী খিনি আমাৰ ইয়াত পাছ হোৱাৰ পিছত সেই আঁচনিটো এতিয়া CWC ৰ অনুমোদনৰ কাৰণে আছে। এই অনুমোদনটো সোনকালে পোৱাৰ কাৰণে আমাৰ বিষয়াসকল দিল্লীলৈ গৈ লাগি আছে। এই কামটো সৰু কাম নহয়, যথেষ্ট ডাঙৰ। তেখেতক মই লগ পাইছো, সেই বিষয়তো মই আলোচনা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী বিমল বৰা।

**শ্ৰী বিমল বৰা, টিংখং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাজুলী সুৰক্ষাৰ কাৰণে জলসম্পদ বিভাগে যিমান খিনি ধন দিছে, সেইখিনি পৰ্য্যাপ্ত নহয়। নিমাতীঘাট আৰু কমলাবাৰীৰ লক্ষ্যধিক মানুহ সেইটো পথৰে অহা যোৱা কৰে। এই বাৰ বাৰিষাত এই পথটো উটুৱাই নিয়াৰ সম্ভৱনা আছে। কাৰণ ইয়াৰ শতকৰা **৩০** ভাগহে বাছি আছে। গতিকে অতি সোনকালে যদি ইয়াৰ ব্যৱস্থা কৰা

নাযায় তেতিয়া হ'লে মাজুলীৰ লক্ষ্যধিক মানুহৰ অহা যোৰাৰ পথে নাথাকিব। সেয়ে মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, জলসম্পদ বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাজুলীলৈ যোৰা পথটো নিমাতীঘাটত যোৰা বছৰ যেতিয়া খহনীয়া হৈছিলে, আমি চাবলৈ গৈছিলো। এতিয়া কথা হ'ল কি আমি পানী আহি থাকোতে যোৰা বাৰ কিছুমান কাম কৰিলো। কিন্তু এতিয়া দেখিছো SDRF য়ে permit নকৰে। গতিকে এতিয়া আমি **১৪.৯৪** কোটি ইতিমধ্যে SOPD ত লৈছো আৰু SOPD ৰ যিটো কাম সেইটো বিত্তীয় বিভাগৰ পৰা Go-ahead পাইছো। গতিকে এই কামটো এতিয়া খৰতকীয়াকৈ আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া প্ৰশ্ন নং ৪৪৬ , ডাঃ নোমল মমিন।

**শ্ৰী ৰিহন দৈমাৰী, খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**ডাঃ নোমল মমিন, বোকাজানঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাইছো, কিন্তু যোৰা বছৰো মই একে প্ৰশ্ন আনিছিলো বোকাজানত F.C.I Godown কাৰণে। তাতে চৰকাৰে বিবেচনা কৰিব বুলি উত্তৰত পাইছিলো। এইবাৰ উত্তৰত কোনো পৰিকল্পনাই নাইকীয়া কৰি পেলালে, মানে আশাটোও নাইকীয়া হ'ল। মোৰ সমষ্টিত দুটা ব্লক আছে - বোকাজান আৰু নিলী ব্লক। বোকাজান ব্লক ডিফুৰ পৰা **৭০** কি.মি. আৰু নিলী ব্লক প্ৰায় **১৫০** কি.মি.। দুৱাৰবাগৰীৰ বাগৰীৰ লৈকে আমাৰ সমষ্টিত চাউল দিব লাগে। এইটো কাৰণে বোকাজান এটা Godown বিচাৰিছিলো। কিন্তু অধ্যক্ষ মহোদয়, ইয়াত ডিফুৰ পৰা চাউল দিয়া হয়, FCI FSD Godown ত দিয়া বুলি কৈছে। কিন্তু দুৰত্ব বেছি হোৱাৰ কাৰণে distributor সকলে তাৰ পৰা চাউল অনাত অসমৰ্থ প্ৰকাশ কৰে আৰু অসুবিধা হয়। গতিকে অধ্যক্ষ মহোদয়, বোকাজানত F.C.I Godown এটা খোলাৰ কাৰণে আকৌ অনুৰোধ জানাইলো, যাতে এইটো খোলাৰ ব্যৱস্থা কৰে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰিহণ দৈমাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, FCI Godown নিৰ্মাণ কৰাটো যিহেতু এইটো Central Subject এইটো আমাৰ ৰাজ্য চৰকাৰে সেইটো নিৰ্মাণ নকৰে। তথাপিটো কেন্দ্ৰীয় মন্ত্ৰীৰ লগত আমি আলোচনা কৰিছো, তেখেতো আমাক পৰামৰ্শ দিছে, বিশেষকৈ NFFS চাউল আনিবৰ কাৰণে কিছুমান জিলাত গুদাম নাই। যথেষ্ট অসুবিধা হয়, সেই কাৰণে কেন্দ্ৰীয় মন্ত্ৰীয়ে আমাক পৰামৰ্শ দিছে, এই বিলাক প্ৰস্তাৱ প্ৰেৰণ কৰিবৰ কাৰণে যি বিলাক নতুন জিলাৰ সৃষ্টি কৰিছে, য'ত য'ত FCI Godown নাই তেখেতে পৰামৰ্শ আগবঢ়াইছে, সেই বিলাকত প্ৰস্তাৱ প্ৰেৰণ কৰিবৰ কাৰণে, আৰু ডাঙৰ সমস্যাটো হৈছে, মাটিৰ যথেষ্ট প্ৰয়োজন হয়। আৰু District Head Quarter ৰ ওচৰত Railway line টো লাগে FCI নিয়ম মতে। সেই কাৰণে এই বিলাক অসুবিধা আছে, যিহেতু প্ৰশ্ন উত্থাপন হৈছে, আমি আমাৰ ৰাজ্যখনত যি বিলাক জিলাত FCI Godown নাই তাত Godown নিৰ্মাণ কৰিবৰ কাৰণে আমি আমাৰ বিভাগীয় ভাৱে প্ৰস্তাৱ প্ৰেৰণ কৰিম।

**ডাঃ নোমল মমিন (মাননীয় বিধায়ক, বোকাজান)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকৰ জ্ঞাতাৰ্থে জনাওঁ যে বোকাজান অঞ্চলত এটা FCI Godown বনোৱা হৈছিল সেই গুদামটো দুটা প্ৰশ্ন যোৰাবাৰ ও কৰিছিলো নাহিলে, এইটো বিষয় এইবাৰও নাহিল তাতে CRPF য়ে এই

গুদামটো ব্যৱহাৰ কৰি আছে। আৰু যিটো মাটি তাৰ আগৰ অংশ মাটি এটা ব্যক্তিগত সংস্থাই Multiple Complex বনাইছে। গতিকে এই মাটিখিনি আমি অধিগ্ৰহণ কৰি যিটো আমাৰ গুদাম আছে, সেইটো Revert কৰিলে আমাৰ Problem টো Solve হৈ যায়। গতিকে এইটো যাতে Enquiry কৰি গুদামটো যাতে আমি বোকাজানত Use কৰিব পাৰো সেইটো কৰিলে হয় যাব কাৰণ গুদাম Already বনোৱা আছে।

**শ্ৰী ৰিহণ দৈমাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই তথ্যখিনি আমি FCI ৰ পৰা আনিব লাগে ইয়াত যে তেওঁলোকৰ গুদাম আছে, বোকাজানত সেই তথ্যটো আমাক দিয়া নাই যিহেতু প্ৰশ্নটো উত্থাপন হৈছে, মই FCI ৰ লগত যোগাযোগ কৰি যদি তেওঁলোকৰ হয়, সেইটো তাত দিব পাৰি নেকি আমি তাৰ ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী চুম ৰংহাং ।

**শ্ৰী চুম ৰংহাং (মাননীয় সদস্য, দিফু)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিফুৰ কথাটো ওলাইছে কাৰণে মই ডিফুৰ কথাটো কবলৈ বিচাৰিছো, ডিফুত যিটো FCI গুদাম আছে, আজি প্ৰায় ২৫/৩০ বছৰ ধৰি Armyয়ে Occupy কৰি আছে, গতিকে যিমানখিনি চাউল নিত্ত ব্যবহৃত সামগ্ৰী বিলাক আনিবলৈ হলে হোজাইৰ পৰা আনিব লগা হয়, গতিকে ইয়াৰ ব্যৱস্থাটো লব নেকি ?

**শ্ৰী ৰিহণ দৈমাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গুদামটো FCI ৰ হয়নে নহয়, আমিটো সঠিককৈ কব নোৱাৰিম, আপোনাৰ পৰা তথ্যটো জানি লম।

**মাননীয় অধ্যক্ষ** ঃ আপুনি Ascertain কৰি লব ।এতিয়া মাননীয় সদস্য শ্ৰী অশ্বিনী ৰায় সৰকাৰ।।

**শ্ৰী অশ্বিনী ৰায় সৰকাৰ (মাননীয় সদস্য, গোলকগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, FCI গুদামৰ কথাটো ওলোৱাৰ কাৰণে এইটো সমস্যা ধুবুৰী জিলাত FCI ৰ চাউলখিনি কোকৰাঝাৰৰ পৰা আহে, বানপানী যেতিয়া হয়, কোকৰাঝাৰৰ লগত যাতায়ত ব্যৱস্থা বিচিন্ন হৈ যায়, গতিকে ধুবুৰীত FCI গুদামৰ কাৰণে এটা Survey হব লাগে গোলোকগঞ্জত । আৰু ইতিমধ্যে ধুবুৰীত Private Mill ত FCI গুদাম গতিকে মন্ত্ৰী মহোদয়ৰ জৰিয়তে ধুবুৰীৰ যিটো গোলোকগঞ্জৰ Railway ৰ সুবিধা আছে, Railway ৰ মাটি আছে, গতিকে তাত FCI গুদামটো হলে এই চাউলখিনি অনা নিয়াত সুবিধা হয়।

**শ্ৰী ৰিহণ দৈমাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো, মাননীয় কেন্দ্ৰীয় মন্ত্ৰী তেখেতেও পৰামৰ্শ আগবঢ়াইছে, প্ৰত্যক খন জিলাত FCI গুদাম হব লাগে গতিকে আমি প্ৰস্তাৱটো কেন্দ্ৰীয় চৰকাৰক প্ৰেৰণ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ বাকী সকল বিধায়কেও ইচ্ছা কৰিলে আপোনাক প্ৰস্তাৱ দিব পাৰে, পঠিয়াবৰ কাৰণে । Next question 447, শ্ৰী শ্বেৰমান আলী আহমেদ। মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মাননীয় সদস্য, বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০১৬-২০১৭ আৰু ২০১৭-২০১৮ এই দুটা বিত্তীয় বৰ্ষত Soil Conservation Department য়ে বিভিন্ন শিতানত SOPD, RIDF, RIDF-21, IWMP আদি আঁচনিৰ অধীনত গোটেই অসমত ১২৯ কোটি টকাৰ আৱণ্টন পাইছিল, মাননীয় অধ্যক্ষ মহোদয়, মোৰ পোনপতীয়া প্ৰশ্ন হল যে এই ১২৯ কোটি টকাৰ এটা টকাও কিয় বাঘবৰ সমষ্টিত আৱণ্টন দিয়া নহল ।

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বাঘবৰৰ Project আছে, Page 3 ত

আপোনাৰ Project টো Approve কৰা হৈছে, আৰু entry point activities টো আপোনাৰ বৰপেটা জিলাত কাম কৰি থকা হৈছে। যিটো Batch ৰ পইচা আহিব লাগে, সেইটো আহি পোৱা নাই আহিলে আপোনাৰ যিখিনি Project সেই Project ৰ কামটো কৰা হব । বাঘবৰৰ যিটো Project সেইটো ৬ কোটি টকাৰ হয়। ইয়াত Entry Point হিচাপে কিছুমানে এইটো ব্যৱহাৰ কৰিছে। ১৪ টা Tube well বৰপেটা LAC ত দিয়া হৈছে, আৰু চাৰিটা আপোনাৰ সমষ্টিত কৰি থকা হৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মাননীয় সদস্য, বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল ২০১৬-২০১৭ আৰু ২০১৭-২০১৮ ত ১২৯ কোটি টকা IMPP কে Include কৰি চৰকাৰে খৰচ কৰিছে, এই বিভাগে খৰচ কৰিছে, এটা টকাও কিয় বাঘবৰত দিয়া নাছিলে। তেখেতে IWMP ৰ কথা কৈছে। IWMP টো ২০১৬-২০১৭ আৰু ২০১৭-২০১৮ ত ৬২ কোটি টকা খৰচ কৰিছে গোটেই অসমত। কিন্তু বাঘবৰত এটাও টকাও ভেলেঙী IWMP ত দিয়া নাই। ইয়াৰ উপৰি Soil Conservation Department য়ে SOPD, RIDF আদিত ৬৬ কোটি খৰচ কৰিছে, গোটেই অসমত। মোৰ প্ৰশ্নটো আছিলে বাঘবৰ সমষ্টিত এই দুটা Scheme ত এটা টকাও কিয় দিয়া নহল।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া আপোনাক লাগে নে নালাগে, হোৱাটো নোহোৱা কৰিব নোৱাৰি, হোৱাটো বিচাৰক।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মাননীয় সদস্য, বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমস্যাৰ গম্ভীৰতাটো নিশ্চয় আপুনি উপলব্ধি কৰিব পাৰিছে আৰু মই আপোনাৰ যোগেদি এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিম ১২৯ কোটি টকাটো ১২৬ টা সমষ্টি মই Minimum যি ১ কোটি টকা পাব লাগিছিল সেইটো Minimum ২ কোটি টকা আৱণ্টন দি অতীতত কৰা ভুলৰ শুধৰণি কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ সেইটো নকব তেনেকৈ কেতিয়াবা সকলোৱে ভুল হয়, আপোনালোকে কথাবোৰ তেনেকৈ কিয় কয়। মন্ত্ৰী ডাঙৰীয়ানী, তেখেতৰ Scheme কেইটামান আছে, সেই কেইটাৰ ক্ষেত্ৰত আপুনি অকমান চেষ্টা কৰিব পাৰিব নেকি?

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Scheme বিলাক Field ৰ Officer বিলাকে লৈ আহে। Field ৰ Officer বিলাকে ঘুৰি ঘুৰি Scheme বিচাৰি নাযায়। ৰাইজে যদি প্ৰয়োজন অনুভৱ কৰে তেতিয়া তেওঁলোকে আহি দৰ্খাস্ত কৰিব লাগিব। অনুৰোধ কৰিব লাগিব তাৰ পিছত Survey কৰিব। যদি সেইটো প্ৰয়োজন বুলি ভাৱে তেতিয়া Project বনাই লৈ ইয়ালৈ প্ৰেৰণ কৰিব। তাৰ পিছত এইটো Approve কৰিব লাগে। Approve কৰাৰ পিছত Budget ধৰিব লাগে। বহুত দীঘল কাম। গতিকে আজি আপুনি বেলেগৰ কথাটো চাই পাব বিচাৰিলে নহব আপুনি নিজে কামটোত জোৰ দিব লাগিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মাননীয় সদস্য, বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ District level ত এই বিষয়ে আলোচনা হৈছে। অধ্যক্ষ মহোদয়, এইটো সকলোৱে জানে আৰু Soi Conservation ত কোৱা হৈছে যে বাঘবৰ অসমৰ ভিতৰত আটাইতকৈ গড়াখহনীয়া প্ৰৱণ অঞ্চল। তেওঁলোক ইয়াত Land Development ৰ Scheme লোৱা নাই আৰু বাৰে কোৱা সত্বেও এটাও Scheme লোৱা নাই। দ্বিতীয়তে, মন্ত্ৰীয়ে কৈছে, বিধায়কক। এতিয়া প্ৰশ্নটো হৈছে, Is it not the responsibility of the Minister to give justice to all

the LACs ? How did to she say that way?

**माननीय अध्यक्ष ঃ** আপুনি কেতিয়াবা খুব justified কথা কয়। আপুনিও কেতিয়াবা কিছুমান কথা কয় নহয়, মই আপোনাৰ কথাটো বুজি পাইছো। মন্ত্ৰী ডাঙৰীয়ানী, যি কেইটা Scheme তেখেতৰ পৰা আহিছে, সেই Scheme কেইটাত অকমান চকু দিব কাৰণে অনুৰোধ কৰিলো।

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা জিলা হিচাবে Scheme গৈছে, কিন্তু বাঘবৰ হিচাবে কম গৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো আপোনালোক দুয়োজনে মিলি ঠিক থাক কৰি লব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মাননীয় সদস্য, বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাঘবৰ সমষ্টিৰ প্ৰতি ইমান শত্ৰুতা কিয়। বাৰে বাৰে কিয় বাঘবৰ সমষ্টিক Deprive কৰা হৈছে। ১২৬ টা সমষ্টিৰ ভিতৰত বাঘবৰ সমষ্টিত কিয় এটাও Scheme দিয়া হোৱা নাই। I want justice.

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কথাটো মই বুজি পাইছো, You have recorded your grievance.

**শ্ৰী শ্বেৰমান আলী আহমেদ (মাননীয় সদস্য, বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, I want your intervention.

**মাননীয় অধ্যক্ষ ঃ** Ok, I will give my intervention later on. Next মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (মাননীয় সদস্য, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, IWMP ৰ Project বিলাকৰ Entry point activities যোৱা ৪, ৫ বছৰ আগত Sanction হোৱা বিলাকত কিছু কাম কৰা হৈছিল, কিছুমানত Community Ground কৰবাত তৈয়াৰ কৰা হৈছিল, Rest House for Agriculturist কিন্তু এই বিলাক হঠাৎ বন্ধ হৈ গল Entry point activitiesএতিয়ালৈ Complete হোৱা নাই, মোৰ Project ত যাৰই পৰা নাই আচলতে এই বিলাক বন্ধ হৈ যাব নে Entry point activities আধৰুৱা হৈ গল এইখিনি কি ব্যৱস্থা কৰা হব।

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সিদিনাখন ও কৈছো, মই দোষা ৰূপ কৰি কথাটো কব বিচৰা নাই। কামটো আৰম্ভ কৰটো বহুত পলম হৈ গৈছে, পলম হৈ যোৱাৰ কাৰণে Govt. of India আমালৈ পইচা দিওঁতে অলপ অসুবিধা অনুভৱ কৰিছে। এই চৰকাৰ অহাৰ পিছত কামটো কৰিবৰ কাৰণে আৰম্ভ কৰিছে। এতিয়া Batch 3 ৰ যদি পইচা আহে তেতিয়া হলে আপোনাৰ বৰপেটাৰ যিখিনি Scheme লোৱা হৈছে, সেই Scheme ৰ কামটো কৰা হব।

## Point of Order

তেখেত নাই যেতিয়া চাৰ মই আৰু নকওঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটো Point of Order হে, আৰু এতিয়া এইফালৰ পৰা ৰাজদীপ গোৱালা।

**শ্ৰী ৰাজদীপ গোৱালা ঃ** শিলচৰ মেডিকেলে কৰ্মী নিয়োগ পৰীক্ষাৰ বৃহৎ কেলেঙ্কাৰি This news has come up in Dainik Prantajyoti on 3th of April, 2018. আমি

সরকারের দৃষ্টি আকর্ষণ করতে চাই। আপনার মাধ্যমে কি এই বিষয়ে একটি enquiry করার জন্য।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপুনি মোক এইটো দিব, কাইলৈৰ পৰাটো আৰু নাই গতিকে মই লৈছো, নহলে মই নললো হেঁতেন। ঠিকে আছে you will just give the paper tune because it is the last day সেই কাৰণে মই আপত্তি কৰা নাই। আমাৰ এতিয়া কমালাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমালেক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৪৪৭ প্ৰশ্নত Shri Sherman Ali Ahmed কৈছিলো district wise physical and financial target with achievement 2016-17, তাতে কোৱা হৈছে enclosure A,B,C দিয়া হৈছে, কিন্তু অধ্যক্ষ মহোদয়, আমি enclosureটো পোৱা নাই। সেইটো কাৰণে supplementary question ৰ বাবে এটা problem হৈ যায় এক নম্বৰত, আৰু দুই নম্বৰত হৈছে অধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ CLPৰ পৰা ট্ৰেক্টৰ, ডিজেল আৰু অত্যাৰশ্যকীয় মূল্যবৃদ্ধি যথেষ্ট বৃদ্ধি পাইছে, এইটো কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। মূল্যবৃদ্ধিটো কেনেকৈ হ্ৰাস কৰিব পাৰে তাৰে কাৰণে এটা ব্যৱস্থা ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই আপোনাক পিছৰটোত একো নকও, কাৰণ আজি শেষ দিন কাৰণে মই allow কৰিছিলো, কিন্তু প্ৰথমটো কথাত মই এইটো ক'ব খুজিছো যে আমি Table of the House বুলি এখন Table ৰাখিছো। কেতিয়াবা আপোনালোকৰ তাত নাথাকিলে you please check it, কেতিয়াবা এনেকুৰা হয় সকলোকে দিবৰ কাৰণে volumeও ডাঙৰ হ'ব পাৰে। Table ত প্ৰত্যেকখন কাগজে থাকে, কাগজখিনি লৈ যাবৰ কাৰণে নহয়, চাবৰ কাৰণেহে। You please check it এতিয়া আব্দুল খালেক।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত আপুনি সাৰ্বভৌমিক ক্ষমতাৰ অধিকাৰী আপোনাৰ হাতত বহুত ক্ষমতা ন্যস্ত আছে, আপুনি কেতিয়াবা দিবও পাৰে কেতিয়াবা নিদিবও পাৰে। অধ্যক্ষ মহোদয়, Rule 49 ত মই এটা দিছিলো, মোৰ চন্দ্ৰপুৰ আৰু ডিমৰীয়াত এটা পানীযোগানৰ কেলেংকাৰী হৈছিল। যিদুখন ভাসমান নৌকা ৩৫ লাখ টকাত নিৰ্মাণ কৰিব পাৰি সেইটো ১৩৫ কোটি টকাত নিৰ্মাণ কৰা হৈছে। একেবাৰে অধ্যক্ষ মহোদয় Rule 54ত ও মই Notice দিছিলো যে গুৱাহাটী পানীযোগান আঁচনি বন্ধ হৈছে। নিদিলে অধ্যক্ষ মহোদয় সেইটো আপোনাৰ ক্ষমতাৰ কথা। ৩০১ ত ও এটা।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নটো কি? আপুনি কি কি দিছিলে Histroy ক'ব নালাগে এতিয়া। সকলোৰে ক'ব নহ'লে।

**শ্ৰী আব্দুল খালেক ঃ** অধ্যক্ষ মহোদয়, ৩০১ ত ও এটা Notice দিছিলো। AG ক গ্ৰাম উন্নয়ন

**মাননীয় অধ্যক্ষ ঃ** I can not allow all these things, This is my discretion, you have told me but you can not disclose everything here and become very intelligent, don't try to do that.

**শ্ৰী আব্দুল খালেক ঃ** ১৩১ ত আমাৰ বিৰোধীদলৰ পৰা notice দিছিলে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাৰ কেইটামান শুনিলো। মই আপোনাক এটা কথা কৈ দিও notice মোক দিছে, হয়তো notice বহুত দৰকাৰী noticeও আহে, কিন্তু আমি কেতিয়াবা কেতিয়াবা চাব লগীয়া হয় যে মন্ত্ৰী জন উপস্থিত আছে নে নাই। কেতিয়াবা মই সেইটোও চাওঁ। মন্ত্ৰী জন

নাথাকিলে উত্তৰটো প্ৰকৃততে মানুহজনে নাপায়। কেতিয়াবা এনেকুৱা হয় যে আমাৰ বহুত সদস্যই হাত দাঙিছিল মোৰ দিবও ইচ্ছা এটা আছিল, কিন্তু এনেকুৱা হ'ল তেখেতে কেতিয়াও সোধা নাই, কিন্তু সেই একে দলৰ আৰু দুজনমানক আগতে দিলো কাৰণে মই সেইটো নিদিলো। আচল কথা হ'ল ill motif বা কিবা intentionally কোনো বস্তু কেতিয়াও মই drop নকৰো। নহ'লে যোৰাকালি ৰেকিবুদ্দিন আহমেদে যিখিনি কথা কৈছে অন্য কোনোবাই দিলে হেঁতেন নেকি? কেতিয়াবা আপোনালোকে মোৰ নিজৰ chamber ত গৈ কয় যে এইটো বৰ জৰুৰী অলপমান চাৰ চাব। I try to accommodate কিন্তু সকলো বস্তুৰে আমি দিব নোৱাৰো, একে জনৰ সদায় দি থাকিলেও মোৰ অসুবিধা। মই সদায় rotate কৰো, চাওঁ যে বেছি ভাগ সদস্যই পাওঁক। গতিকে সেই কথাখিনি মই ইয়াত আৰু নুশুনো, তাৰে কাৰণে যদি মোক deteriorated behaviour বুলি কয় ক'ব পাৰে। কাৰণ এইটো allow কৰাটো মোৰ কাৰণে উচিত নহয়। আপুনিও মোৰ তাত যায় কেতিয়াবা আপুনি কয় যে এইটো খুব জৰুৰী। মই কেতিয়াবা accommodate কৰিবলৈ চাওঁ। আজি মই শুকুৰ আলীক এটা দিলো তেখেতে সাধৰণতে নোসোধে। কমলাক্ষ দে পুৰকায়স্থও বিচাৰিছিলে, ইফালে আবুল কালাম আজাদেও বিচাৰিছিলে কিন্তু তেখেতে কোনো দিনে নোসোধে, তাৰ আগত এটা প্ৰশ্ন আছিল, মই ভাৰিছো সুধিলো, এটা তেওঁকে দিও বৰপেটাৰ, গতিকে মোৰ discretion টোত কোনোৱে আঙুলি উঠালে মোৰ দুখ লাগিব। সেইটোৱে মই কৈছো।

**শ্ৰী আব্দুল খালেক ঃ** চাৰ, চাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। আজি নালাগে আৰু আপুনি বহক। কাইলৈ আকৌ দিম লাগিলে। মই disallow  কৰিলো। এতিয়া ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিলে Unstarred ৰ ৯৭৪, প্ৰশ্নটোত আছিলে save drinking water ইয়াত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা উত্তৰ আহিছিলে উত্তৰটোত মই কেৱল দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। Arsenic and fluoride affected habitation ত by March 2020 ত save drinking water দিব। যিহেতু fluoride এটা মাৰত্মক বেমাৰ, যিহেতুকে আমি অসম বিধান সভাই concern হোৱাটো উচিত, চৰকাৰো concern হোৱাটো উচিত আৰু চৰকাৰে concern হৈছে বুলি আমি জানো। কিন্তু মাৰ্চ ২০২০ নকৰি অলপ সোনকালে stress দি fluoride affected area ত save drinking water দিবলৈ।

**মাননীয় অধ্যক্ষ ঃ** সেইটোত ময়ো একমত। আমি এইটো কথা চৰকাৰক অনুৰোধ কৰিম। কাৰণ Arsenic and fluoride free water সকলোৱে পাব লাগে। কিন্তু তাৰ কাৰণে আমাৰ project  কিছুমান হৈ আছে, কিন্তু slow progress হৈছে। আমাৰ তেনেকুৱা ধৰণৰ expertise কম আছে, আমাৰ ৰাজ্য খনত। মই নিজেও যোৰহাটৰ project টো চাই আছো। গতিকে এইটো আপোনাৰ গুৰুত্বপূৰ্ণ বিষয় আৰু এই কথাটো নহ'লে অসমৰ ভৱিষ্যকতটো যথেষ্ট অসুবিধা হব। আমি Sustainable Development Goal তো স্বাস্থ্যৰ কথা কৈছো, এইটো খুব গুৰুত্বপূৰ্ণ বিষয়। শ্ৰীযোগেন মোহন আপোনাৰ কিবা আছিল।

**শ্ৰী যোগেন মহন,মাহমৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাটি খন্দাৰ সন্দৰ্ভত Starred question   এটা আছিলে ১৯৭৫ ৰ। এই যে, Forest Royalty, আজি MLA Fund হওঁক, Untied Fund এ হওঁক, 14th Finance, এনেকুৱা বিলাকত Forest Royalty Sub-

mit নকৰিলে Pay Band নহয়। 5cm Forest Royalty ত ৮০০ টকাকৈ লৈ লয়। ১.৫ লাখ টকাত যদি ক'ৰবাত Field fill up কৰিবলৈ দিয়া হয়, ৪০,০০০ মান টকা অকল Royalty ৰ নামতে চৰকাৰক দিবলগীয়া হয়। মই সেইকাৰণে ক'ব বিচাৰিছো যে, MLA Fund য়ে হওক বা Untied Fund য়ে হওঁক বা এনেকুৱা স্কুল -কলেজ বা field development ত Royalty ৰ percentage টো অলপমান কমাই দিব নোৱাৰে নেকি ৰাজহুৱা স্বাৰ্থৰ ক্ষেত্ৰত ?

**মাননীয় অধ্যক্ষ ঃ** আপুনি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছে। ইয়াত বন মন্ত্ৰী ডাঙৰীয়ানী আছে। যোগেন মহন ডাঙৰীয়াই Forest Royalty ওপৰত খুব এটা গুৰুত্বপূৰ্ণ কথা কৈছে। আপুনি কথাটো অকনমান চিন্তা কৰিব। ইয়াত কিন্তু বিত্ত মন্ত্ৰীও আছে। সেইকাৰণে মইও সুযোগটো লৈছো। আজি ৪-৫ দিন আগতে কেইবাজনো MLA এ আহি মোক এখন কাগজ দেখুৱাইছে যে, MLA Fund ৰ বা Untied Fund ৰ GST দিব লাগিব। মই GST দিয়াত আপত্তি কৰা নাই। কিন্তু আমাৰ Committee বিলাকে GST register কৰিব লাগিব বুলি কৈছে। সেইকথাটোত মই কৈছো যে যি দিব লাগে DC য়ে সকলোৰে পৰা লৈ লওক। কাৰণ আমাৰ যিবিলাক সৰু -সৰু Committee আছে, কিছুমানে ২ লাখ, বা কিছুমানে ১ লাখ টকাও পায়। এই যে GST ত Registration কৰিব লাগে Construction Committee বিলাকে, এটা limit দিয়া হওক।

**ড° হিমন্ত বিশ্বশৰ্মা, মন্ত্ৰী ঃ** ১০ লাখ টকাৰ তলত হলে নালাগে।

**মাননীয় অধ্যক্ষ ঃ** এই কথাটো ইয়াত যোৱা নাই। ১০ লাখ টকাৰ তলত হলে নালাগে বুলি জানো। সেইকাৰণে এইটো অকনমান চাই দিলে মই ভাল পাম আৰু Forest Royalty ৰ কথাটো আমাৰ বন মন্ত্ৰী ডাঙৰীয়ানীয়ে চাব।

**ড° হিমন্ত বিশ্বশৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মই আপোনাৰ পৰা এটা অনুমতি বিচাৰিব খুজিছো। আমাৰ সন্মানীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই House ত এটা expenditure ৰ ওপৰত কৈছিলে। ২০১৭-১৮ বিত্তীয় বৰ্ষৰ জমা খৰচ বা department wise expenditure ৰ মই Snap shot এটা Subject to final Audit of Comptroller & Auditor General House ত দাখিল কৰিম। অধ্যক্ষ মহোদয়, সেইকাৰণে মোৰ written statement এটা থাকিব। House শেষ হোৱাৰ ৫ মিনিট আগতে I will circulate the statement also. সেইটোৰ অনুমতি বিচাৰিছো আৰু এটা ক'ব বিচাৰিছো, আজি যিহেতু শিক্ষা বিভাগৰ ওপৰত আলোচনা হ'ব, বিভিন্ন জনে বিভিন্ন বক্তব্য দিব। মই ৰাতিটো work out কৰি কাইলৈ ১০ বা ১৫ মিনিটৰ reply এটা দিব খুজিছো। আজি মই reply দিলে officer সকলৰ পৰাও assistance নাপাম। গতিকে গোটেই কথাবিলাক note কৰি কাইলৈ ১০ মিনিট সময় পালে উত্তৰখিনি দিম so that I will be able to address the Hon'ble MLA's concern.

**মাননীয় অধ্যক্ষ ঃ** আমি এতিয়া Speaker's Initiative discussion লৈ যাম। তাৰ আগতে মই এটা কথা clear কৰি দিব বিচাৰিছো। কালি বিৰোধী দলৰ দলপতিকো phone ত যোগাযোগ কৰিছিলো। মই এই কাৰণেই কৰিছিলো যে, he represents the opposition. কাইলৈও আমাৰ আলোচনা হ'ব। সেইকাৰণে মই ভাৰিছো যে, আজি দুপৰীয়া আমি এটা working lunch ইয়াত কৰিম। মই Leader of the opposition ৰ লগতো তাৰ বিষয়ে আলোচনা কৰিছো। কাইলৈ শুক্ৰবাৰ। আগবেলাৰ সময়টো আমি বেচি extend কৰিব নোৱাৰিম।

পিছবেলালৈও House ৰ উপস্থিতিটো অলপ কমি যায়। সেইকাৰণে আজি পিছবেলাও আমি শিক্ষাৰ ওপৰত আলোচনাটো দীঘলীয়া কৰিম। কাইলৈ Bill কেইখনো আছে। গতিকে আজি যদি পিছবেলা House বহিব তেতিয়া কেইজনে ক'ব পাৰিব। কাইলৈ এজন বা দুজনে কোৱাৰ পাছত মন্ত্ৰী ডাঙৰীয়াই গোটেই discussion টোৰ ওপৰত এটা synopsis দি তেখেতৰ কথাখিনি ক'ব বিচাৰিছে। চা হ বাগানৰ উত্তৰটো আমি কাইলৈ House ত place কৰি দিম। আপোনালোকে সকলোৰে তাৰ কপিটো পাব। আকৌ ৯০ দিনৰ পাছত যেতিয়া আমাৰ next Session হ'ব, চাহ বাগানৰ ওপৰত আপোনালোকৰ details reply টো তেখেতে দিব। কাইলৈ কিন্তু তেখেতে মাত্ৰ Sum up হে কৰিব। Sum up কৰিবলৈ যোৱাবাৰেই Labour Minister ক দিছো। মই এতিয়া Speaker's Initiative ৰ এটা line পঢ়ি দিছো-

"subject to the provision of these Rules, Speaker in consultation with the Business Advisory Committee shall allot last day of every session." Education ৰ ওপৰত in-depth discussion ৰ প্ৰয়োজন আছে। মন্ত্ৰী ডাঙৰীয়াইয়ো মোক কৈছিলে যে এইটো আলোচনালৈ আনিলে ভাল আৰু সেইবাবে আমি কৰিছিলো। ইয়াত বিতৰ্ক হ'ব। কিন্তু আমি দলৰ কথাটো বাদ দি অকল শিক্ষাৰ লগত জড়িত যিখিনি সমস্যা সেইখিনিৰ ওপৰত এটা meaningful debate হলে মই সুখী হ'ম। এতিয়া আমাৰ কেইটামান প্ৰস্তাৱ আছে। শিক্ষা সম্পৰ্কীয় আলোচনাৰ প্ৰস্তাৱ শ্ৰী তপন গগৈৰ লগত আৰু তিনি চাৰিজনে দিছিলে। মই তেখেতক প্ৰস্তাৱটো পাঠ কৰি আৰম্ভ কৰিবলৈ অনুৰোধ জনাইছো আৰু বাকী যিসকল সদস্যই অংশগ্ৰহন কৰিবলৈ বিচাৰে, মই বিধায়িনী দলৰ দলপতি বা Secretary ক কৈছো যে মোক list খন দিলে ভাল হয় যাতে মই accomodate কৰিব পাৰো। পিছত list দি থাকিলে মোৰ দিগদাৰ হয়। পিছত মই আৰু accept নকৰিম।

**শ্ৰী তপন গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ বিশেষ উদ্যোগত এটা আলোচনা পাতিবৰ কাৰণে আমি অনুৰোধ জনাইছিলো। প্ৰস্তাৱটো আছিলে এনেধৰণৰ- " অসমৰ প্ৰাথমিক, মাধ্যমিক, উচ্চ আৰু বেচৰকাৰী শিক্ষা খণ্ডত দেখা দিয়া বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত এক নিৰপেক্ষ নিৰ্মোহ পৰ্য্যালোচনাৰে সম্ভাব্য উপায় সমূহ নিৰ্দ্ধাৰণ কৰাৰ কাৰণে এই সমগ্ৰ বিষয়টো অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ বিশেষ শিতানত আলোচনাৰ বাবে আমি উত্থাপন কৰিলো। শ্ৰী ঋতুপৰ্ণ বৰুৱা, শ্ৰী দেবানন্দ হাজৰিকা, শ্ৰী বিমল বৰা আৰু মই এই গোটেই বিষয়টো আপোনালৈ প্ৰেৰণ কৰিছিলো আৰু আপুনি এই শিতানত আমাৰ এই বিষয়টো আজি সদনত আলোচনা কৰিবলৈ অনুমতি প্ৰদান কৰা বাবে মই আপোনাক ধন্যবাদ জনাইছো। যোৱা ৫,৬; ৭ আৰু ৮ মাৰ্চত আপোনাৰ এই বিশেষ উদ্যোগত অসমৰ প্ৰাথমিক, মাধ্যমিক, উচ্চ আৰু বেচৰকাৰী শিক্ষা খণ্ডত দেখা দিয়া বিভিন্ন সমস্যা সমাধানৰ কাৰণে আমি কেনেধৰণৰ উপায় উদ্ভাৱন কৰিব পাৰো এই সম্পৰ্কত আমি বিভিন্ন Stakeholder ৰ লগত ৪ টা দিন আলোচনা কৰিছিলো। আমাৰ বিধানসভাৰ সকলো সদস্যও তাত উপস্থিত আছিল। প্ৰাথমিক পৰ্য্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে চৰকাৰী-বেচৰকাৰী খণ্ডৰ সকলো শিক্ষানুষ্ঠানে সকলোৰে নিজৰ নিজৰ যিবিলাক সমস্যা আছে এই সমস্যাবিলাক সমাধানৰ কাৰণে কেনেধৰণৰ পদক্ষেপ ল'ব লাগিব আমাক বিভিন্ন সময়ত সেই ৪ টা দিনত তেওঁলোকে পৰামৰ্শ আগবঢ়াইছিল। আমি এটা কথা আজি ইয়াত ক'ব লাগিব যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী যুত সৰ্বানন্দ সোনোৱাল ডাঙৰীয়া আৰু মাননীয় শিক্ষা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আমাৰ চৰকাৰখনে উঠি অহা নতুন প্ৰজন্মৰ ভৱিষ্যত সুৰক্ষিত

কৰিবৰ কাৰণে শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাবিলাক পৰ্য্যায়ক্ৰমে সমাধান কৰাৰ কাৰণে ইতিমধ্যে পদক্ষেপ গ্ৰহন কৰিছে আৰু আচঁনি লৈছে। তাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো। যোৱা বাজেটত আৰু তাৰ আগৰ বাজেটত শিক্ষাৰ ক্ষেত্ৰত এই সমস্যাবোৰ সমাধান কৰিবৰ কাৰণে বহু আচঁনি ঘোষণা কৰা হৈছিলে আৰু সেই বাজেটত আমাৰ উঠি অহা প্ৰজন্মৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ স্বাৰ্থত এই আচঁনিখিনি লোৱা হৈছে। আমি প্ৰত্যেকে জানো যে আমি আজি ইয়াত গোটেইকেইটা দিশ আলোচনা কৰিব লাগিব। বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যতৰ কথা আমি ইয়াত আলোচনা কৰিব লাগিব। কাৰণ ছাত্ৰ যদি নাথাকে এখন বিদ্যালয় আমি কেতিয়াও আগবঢ়াই লৈ যাব নোৱাৰিম বা বিদ্যালয় খনৰ পৰিবেশটো আমি ভাল কৰিব নোৱাৰিম। ছাত্ৰৰ লগত শিক্ষকৰ সমস্যাও জড়িত হৈ আছে। ছাত্ৰ আৰু শিক্ষক এই দুইখিনি কথা আমি আজি ইয়াত নিশ্চয় আলোচনা কৰিম। আমি আজি এটা কথা কৈ ভাল পাম যে আমাৰ চৰকাৰ অহাৰ লগে-লগে আমি শিক্ষাৰ ক্ষেত্ৰত প্ৰায় ৪ লাখ ৬০ হাজাৰ দুখীয়া ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ নামভৰ্তি কৰাৰ সুবিধা প্ৰদান কৰিছো। এইটো এটা খুব ইতিবাচক দিশ। .যি সকল ছাত্ৰ-ছাত্ৰীৰ বিশ্ববিদ্যালয় পৰ্যায়লৈকে পঢ়াৰ ইচ্ছা আছে, কিন্তু পিতৃ-মাতৃয়ে পঢ়াব নোৱাৰে, তেনে ছাত্ৰ-ছাত্ৰীয়ে আজি চিন্তা কৰিবৰ বাবে প্ৰয়োজন নাই কাৰণ অসম চৰকাৰে সেই সকলক পঢ়িবৰ বাবে বিনামূলীয়াকৈ নাম ভৰ্তি কৰিবৰ বাবে পইচা দিয়াৰ ব্যৱস্থা কৰিছে যিটো আমাৰ বাবে এক ইতিবাচক পদক্ষেপ আৰু আমি আশা ৰাখিছো এই পদক্ষেপে আমাৰ শিক্ষা ব্যৱস্থাত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব আৰু শিক্ষাৰ পৰিৱেশটো ভাল কৰিবৰ বাবে আমি সক্ষম হ'ব পাৰিম। এনে ধৰণৰ কথাবোৰো আমি নিশ্চয় ইয়াত লৈ আহিব লাগিব। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ লগত জড়িত কেইটামান কথা মই ক'বলৈ বিচাৰিছো। প্ৰথমে, বিভিন্ন সময়ত আলোচনা হয় যে ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰী বেছি হয় বা অভিভাৱক সকলে তেওঁলোকৰ ল'ৰা-ছোৱালীক তাত পঢ়াবৰ বাবে মন মেলে। গতিকে এই ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহত অভিভাৱক সকলে তেওঁলোকৰ ল'ৰা-ছোৱালীক পঢ়াবলৈ ইচ্ছা কৰাৰ কাৰণটো আমি সমানে পৰ্যালোচনা কৰিব লাগিব। সেই কাৰণবোৰ আমি পৰ্যালোচনা নকৰাকৈয়ে যদি বাকী কথাবোৰ আলোচনা কৰি থাকো তেনেহ'লে আমি প্ৰকৃত উদ্দেশ্যত সফল হ'ব নোৱাৰিম। আজিৰ সময়ছোৱাত দেখা গৈছে যে, এজন অভিভাৱকে নিজৰ সন্তানক চাৰি বছৰ বয়স হোৱাৰ লগে লগে বিদ্যালয়লৈ পঠিয়ায় কিন্তু আমাৰ চৰকাৰী খণ্ডৰ প্ৰাথমিক বিদ্যালয় সমূহৰ ক্ষেত্ৰত দেখা গৈছে যে চাৰি বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীক পঢ়োৱাৰ ব্যৱস্থা নাই। সেয়েহে, মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে আমাৰ বিদ্যালয় সমূহত প্ৰাক-প্ৰাথমিকৰ পৰ্যায়টো মুকলি কৰিব লাগে। আমাৰ ইয়াত তিনি বছৰ বয়স হোৱাৰ লগে লগে কিছুমান ছাত্ৰ-ছাত্ৰীক অংগনবাড়ী কেন্দ্ৰত যোৱা দেখা গৈছিল। কিন্তু আজি-কালি সকলো অভিভাৱকে তেওঁলোকৰ ল'ৰা-ছোৱালীক অংগনবাড়ী কেন্দ্ৰলৈ পঠিয়াব নিবিচাৰে বৰঞ্চ প্ৰাথমিক শিক্ষাৰ বাবে ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈহে পঠিয়ায়। এনে বহু শিক্ষক আছে, যি সকলে নিজৰ স্কুলত তেওঁলোকৰ ল'ৰা-ছোৱালীক নপঠিয়াই ব্যক্তিগত খণ্ডৰ স্কুললৈহে পঠিয়ায় আৰু বৰ্তমান অসমত এই পৰিৱেশটোৰেই চলি আছে। আমাৰ অসমত প্ৰায় ৩২ হাজাৰ খন প্ৰাথমিক বিদ্যালয় আছে, আমি যদি তাত প্ৰাক্-প্ৰাথমিক শ্ৰেণীটো খুলি দিওঁ তেন্তে এটা পৰ্যায়ত আমাৰ অভিভাৱক সকলৰ এই অসুবিধা সমূহ ক্ৰমান্বয়ে নাইকিয়া হ'ব গতিকে এই কথাটো মই সদনক অৱগত কৰিলো।

আমি শিক্ষা সকলোৰে বাবে বুলি কৈছো। বৰ্তমান গৌহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ কলেজ বোৰত Semester system হোৱা দেখা গৈছে আৰু এই Semester system হোৱাৰ পিছতেই বহু ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিভাগত 1st class পাই pass কৰা দেখিবলৈ পোৱা গৈছে। এতিয়া আমি যদি ধৰি লওঁ যে, গৌহাটী বিশ্ববিদ্যালত ৰাজনীতি বিজ্ঞান বিভাগত ৭০ টা seat আছে আৰু ডিব্ৰুগড় বিশ্ব বিদ্যালয়তো ৭০টা seat আছে। কিন্তু সেই বিভগত 1st class পাই উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ'ল প্ৰায় ১৫০-১৬০ জন। গতিকে এই বিশ্ববিদ্যালয় সমূহত সীমিত সংখ্যক seat থকাৰ বাবে 1st class পোৱা বহুতো ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব নোৱাৰি শিক্ষা আধৰুৱা কৰি এৰি দিব লগীয়া হয়। সেয়েহে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখিছো। অসমত এনে বহুত মহাবিদ্যালয় আছে যাৰ আন্তঃগাঁথনি ভাল আৰু শিক্ষাৰ বাবে এটা ভাল পৰিৱেশৰ লগতে ভাল classroom, শিক্ষক আদি আছে। এনেধৰণৰ মহাবিদ্যালয় বোৰত P.G. খোলাৰ বাবে আমি অনুমতি প্ৰদান কৰিব লাগে কাৰণ এনে কৰিলে 1st class পাই উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী বা উচ্চ শিক্ষা গ্ৰহণ কৰাৰ বাবে ইচ্ছুক ছাত্ৰ-ছাত্ৰী সকলৰ সপোন বাস্তৱত পৰিণত কৰিবৰ বাবে আমি সক্ষম হ'ব পাৰিম। এই ক্ষেত্ৰত আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। সকলোৰে বাবে শিক্ষা বুলি কোৱাৰ লগে লগে এইবাৰ বাজেটত কেইবাখনো মহাবিদ্যালয় খুলিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে যিটো বৰ আনন্দৰ বিষয় কাৰণ বহু সময়ত আমাৰ ছাত্ৰ-ছাত্ৰী সকলে মেট্ৰিক বা Higher Secondary পাছ কৰাৰ পিছত মহাবিদ্যালয়ত seat নোপোৱাৰ অভিযোগ লৈ আমাৰ ওচৰলৈ আহে আৰু তেওঁলোকৰ বাবে seat ৰ ব্যৱস্থা কৰি দিবলৈ আমাক কয়। গতিকে, নতুনকৈ মহাবিদ্যালয় খোলাৰ পদক্ষেপটোৱে আমাৰ উঠি অহা নতুন প্ৰজন্মক উৎসাহিত কৰিব আৰু ই নতুন প্ৰজন্মৰ ভৱিষ্যত সুৰক্ষিত কৰিব। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আৰু কেইটামান কথা ক'ব বিচাৰিছো যে এইবাৰ বাজেটত Law College আৰু B.Ed College খোলাৰ বাবে সিদ্ধান্ত লোৱা হৈছে। কিন্তু, নীতিগত ভাৱে U.G.C. ৰ norms clear কৰা আমাৰ যিবোৰ Private Law College আছে তাত ছাত্ৰ-ছাত্ৰী সকলে বহুত টকা ভৰি পঢ়িব লগীয়া হয়। 1st class পোৱাৰ পিছতো যেতিয়া ছাত্ৰ-ছাত্ৰী সকলে M.A. M.Sc, M.Com ত seat নাপায়, তেতিয়া তেওঁলোকে Law পঢ়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। কিন্তু গুৱাহাটীত চৰকাৰী আইন মহাবিদ্যালয় বুলিলে মাত্ৰ BRM Govt. Law College খন আৰু আনখন গৌহাটী বিশ্ববিদ্যালয়ৰ অধীনত আছে বাকী সকলোবোৰ Private Law College হয়, সেয়েহে নীতিগত ভাৱে চলি থকা Law College বোৰক সহায় কৰাৰ লগতে, ছাত্ৰ-ছাত্ৰী সকলে admission ৰ নামত যি বহু পৰিমাণৰ ধন ভৰিব লগীয়া হয় সেই ক্ষেত্ৰত কিছু পৰিমাণে হ'লেও সকাহ পোৱাৰ বাবে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ ক ৰিলে ছাত্ৰ-ছাত্ৰী সকলৰ বহু সহায় হ'ব বুলি মই উপলব্ধি কৰিছো। আপোনালোকে জানে যে এতিয়া RTE হ'ল, অৰ্থাৎ Right to Education Act হ'ল, এই Act অনুসৰি আমি যদি এতিয়া হাইস্কুল বা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক হিচাপে শিক্ষকতা কৰিব বিচাৰো তেনেহ'লে B.Ed ডিগ্ৰীটো বাধ্যতামূলক কৰা হৈছে। গতিকে B.Ed ডিগ্ৰীটো বাধ্যতামূলক কৰাৰ লগে লগে এই ক্ষেত্ৰত ইচ্ছুক ছাত্ৰ-ছাত্ৰী সকলে B.Ed পঢ়িব লগীয়া হৈছে। B.Ed পঢ়িবৰ কাৰণে আমাৰ যি কেইখন Govt. B.Ed College আছে বা University ৰ under ত B.Ed College আছে,

সেইখিনিয়ে আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ  আশা পূৰণ কৰিব পৰা নাই। সেয়েহে এই কথাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে অসমত কেইবাখনো নতুন B.Ed  College  খোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে যাৰ জৰিয়তে আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ সেই আশা পূৰণ হ'ব বুলি আমি আশা ৰাখিছো। তাৰ লগে লগে আমি এইটোও আশা ৰাখিছো যে ইতিমধ্যে যিখিনি B.Ed College প্ৰতিষ্ঠা কৰা হ'ল বা নীতিগত ভাৱে যি কেইখন B.Ed College য়ে কাম আৰম্ভ কৰিছে বা ছাত্ৰ-ছাত্ৰী সকলক আগবঢ়াই নিছে সেই B.Ed College খিনিৰ ক্ষেত্ৰতো কিবা পদক্ষেপ গ্ৰহণ কৰিব পৰা যায় নেকি  কাৰণ সেই কলেজ সমূহেও বহু ছাত্ৰ-ছাত্ৰীক B.Ed  পাছ কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাই আহিছে। গতিকে এই কলেজ সমূহক চৰকাৰৰ তৰফৰ পৰা কিবা অৰিহণা  বা বৰঙণি আগবঢ়াব পৰা যায় নেকি সেই বিষয়ে মই আমাৰ মন্ত্ৰী মহোদয়ক বিবেচনা কৰিবৰ  বাবে অনুৰোধ জনাইছো।কাৰণ আমাৰ সকলোৰে এটাই উদ্দেশ্য যে উঠি অহা নতুন প্ৰজন্মৰ ভৱিষ্যত আমি সুৰক্ষিত কৰিব লাগিব। আমাৰ চৰকাৰে ইতিমধ্যে এটা ভাল পদক্ষেপ লৈছে যে একেটা compound ৰ ভিতৰত থকা বিদ্যালয় সমূহক amalgamate কৰি এজন কৰ্তৃপক্ষৰ অধীনত অনা হৈছে যাৰ জৰিয়তে এটা সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি উঠাত সহায় হ'ব।

**মাননীয় অধ্যক্ষঃ** গগৈ ডাঙৰীয়া, যোৱা ৫, ৬, ৭, ৮ মাৰ্চ তাৰিখে শিক্ষা বিষয়ত হোৱা আলোচনাত যিহেতু  মইয়ো আছিলো গতিকে তাত B.Ed College ত Elementary, High,  Higher আদি ভাগত ভাগ হৈ থকা বুলি জানিব পাৰিছিলো আৰু সেই ক্ষেত্ৰত তেওঁলোকে আমাক এটা পৰামৰ্শ দিছিল যে সেইবোৰ   এটাৰ অধীনত ৰাখিব লাগে। এই বিষয়ে আপুনি কিবা study কৰিছিল নেকি? এই ক্ষেত্ৰত আন সদস্য সকলৰো যদি কিবা পৰামৰ্শ আছে তেন্তে আলোচনাত ভাগ লৈ জনাব।

**শ্ৰী তপন কুমাৰ গগৈ, মাননীয় সদস্য, (সোনাৰি)ঃ** সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই গোটেই ভাগ সমূহক এটা বৃত্তৰ অধীনত আনিব পৰাকৈ কিবা কৌশল ৰচনা কৰি যাতে কিছু পদক্ষেপ গ্ৰহণ কৰে।  যোৱা ৫, ৬, ৭, ৮ মাৰ্চ তাৰিখৰ শিক্ষা বিষয়ৰ আলোচনাত যি সকল Stake Holder আহিছিল তেওঁলোকে  নিজৰ নিজৰ সমস্যা সমূহৰ বিষয়ে তাত উল্লেখ কৰিছিল গতিকে  তেওঁলোকৰ সমস্যা সমূহৰ সমাধানৰ ক্ষেত্ৰত আমিও সহযোগিতা আগবঢ়াম বুলি প্ৰকাশ কৰিছো। কিন্তু এই ক্ষেত্ৰত আমি সকলোৱে এটা কথা উপলব্ধি কৰা উচিত যে তেওঁলোকৰ সমস্যা সমূহ আমি চৰকাৰী নীতি-নিয়মৰ মাজেৰেহে সমাধান কৰিব পাৰিম আৰু সেই উপলব্ধিৰেই আমি আজিৰ এই আলোচনা কৰিম। আপোনালোকে জানে যে শিৱসাগৰ জিলাত ১৫৩০ জন শিক্ষকে আজি ৭২ মাহ ধৰি দৰমহা পোৱা নাই  আৰু সেই কাৰণে তেওঁলোকে ইতিমধ্যে শাসকীয় দলৰ বিধায়ক সকলৰ ঘৰ ঘেৰাও কৰা কাৰ্যসূচী আৰম্ভ কৰিছে। আজি যদি সন্মানীয়  বিধায়ক কুশল দুৱৰীৰ ঘৰ, কাইলৈ আকৌ মাননীয় প্ৰদীপ হাজৰিকা ডাঙৰীয়াৰ ঘৰ ঘেৰাও কৰিব গতিকে তেওঁলোকে

এনেধৰণৰ  ঘৰ ঘেৰাও কৰা কাৰ্যসূচীবোৰ অৱলম্বন কৰিবলৈ লৈছে। মই কাকো সমালোচনা কৰিবলৈ নাযাওঁ যদিও আজি মই সদনত এটা কথা উনুকিয়াব বিচাৰিছো যে পূৰ্বতে কৰা ভুলৰ বাবেই আজি আমি বিধায়ক সকলে ঘৰ ঘেৰাও কৰা নিচিনা কাৰ্যসূচীৰ সন্মুখীন হ'ব লগীয়া হৈছে।

এতিয়া মই Stake Holder সকলৰ লগত হোৱা আলোচনাৰ কেইটামান কথা সদনত দাঙি ধৰিব বিচাৰিছো যিখিনিয়ে আগন্তুক দিনত শৈক্ষিক পৰিৱেশটো যদি ভাল কৰিব বিচাৰো

আৰু শিক্ষাৰ দিশটো আগুৱাই নিব বিচাৰো তেন্তে এই কথাখিনি আজিৰ আলোচনাত নিশ্চয় স্থান পোৱা উচিত। ২০১৩ চনত প্ৰণয়ন কৰা Act অনুসৰি আমাৰ স্কুল সমূহ provincialized কৰা হ'ল আৰু সেই Act অনুযায়ী কিছুমান স্কুল provincialized কৰাৰ পিছত সেই Act খন High Court য়ে বাতিল কৰিলে আৰু এই ক্ষেত্ৰত পূৰ্বতে কংগ্ৰেছ চৰকাৰৰ দিনত যি খন আইন বনোৱা হৈছিল সেই আইন খন বাতিল কৰিবৰ বাবে সেই সময়ত যেতিয়া মহামান্য গৌহাটী উচ্চ ন্যায়ালয়ে অসম চৰকাৰৰ যিখন আইন বনোৱা হৈছিল কংগ্ৰেছ চৰকাৰৰ দিনত সেই আইন খন বাতিল কৰিবৰ কাৰণে সেইসময়ত যেতিয়া মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে অসম চৰকাৰক affidavit বিচাৰিছিল, তেতিয়া সেইসময়ৰ মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈ ডাঙৰীয়া আৰু শিক্ষা মন্ত্ৰী শ্ৰী শৰৎ বৰকটকী ডাঙৰীয়া নিজে বনোৱা আইনখন ভুল আছিল বুলি Court ত affidavit দিলে। যাৰ কাৰণে সেই সময়ত যিখন আইন প্ৰনয়ণ কৰা হৈছিল সেই আইনখন High Court য়ে বাতিল কৰি দিলে আৰু এখন নতুন আইন আনিবলৈ ক'লে। আকৌ ২০১৩ চনত যিসকলক provincialise কৰা হৈছিল সেইসকলৰ কোনো পিতৃ মাতৃ নোহোৱা হৈ গ'ল যেতিয়া ২০১৩ চনৰ আইন খন বাতিল কৰা হ'ল। ২০১৭ চনত আমাৰ চৰকাৰৰ দিনত মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই এই সদনত এখন নতুন আইন আনিছে, যিখন আইনৰ জৰিয়তে আমাৰ গোটেই শিক্ষা ব্যৱস্থাটোক আগুৱাই নিবৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিভিন্ন সময়ত সেই আইনখন আলোচনা হৈ দফা কিছুমান সংশোধন কৰিবৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই কথাখিনি আমি আলোচনাৰ বাবে stake holder সকলক মাতোতে তেখেত সকলে সমস্যাখিনিৰ কথা কৈছিল। ২০১৭ চনৰ যিখন আইন ০১-০১-২০০৬ অৰ্থাৎ ২০১৩ চনতো সেইখন আইন ০১-০১-২০০৬ আছিল যে ০১-০১-২০০৬ ৰ আগত যিসমূহ বিদ্যালয়ে নীতিগত ভাৱে permission concurrence বা recognition পাইছে, সেইখিনি বিদ্যালয় আৰু LP স্কুল বিলাকৰ যিবিলাক DISE code বা যিবিলাকৰ সঠিকভাৱে enrollment আছে সেইবিলাকক provincialise কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এই কথাখিনি আমি সকলোৱে জানো। ২০১৩ চনৰ যিবিলাক স্কুল provincialise হ'ল তাত LP school ত দুজনকৈ শিক্ষকক provincialise কৰা হ'ল আৰু এইবাৰ বাকী যিসকল শিক্ষক আছিল তেওঁলোকক অতিৰিক্ত শিক্ষক হিচাবে ধৰা হ'ল। গতিকে এতিয়া এই অতিৰিক্ত শিক্ষক সকলক কি কৰিব। এইবাৰ ২০১৭ ত যেতিয়া আইনখন আহিল, জিলাৰ IS বা DEO লৈ এখন কাগজ গ'ল যে আপোনালোকৰ কোনবিলাক বিদ্যালয় ইয়াৰ অন্তৰ্ভুক্ত হ'ব, অতিৰিক্ত যিমান শিক্ষক আছিল তেওঁলোকৰ লিষ্ট বিচাৰিলে। এতিয়া লিষ্ট সমূহ আহিছে কিন্তু সেইখিনি কি কৰিব আজিলৈকে সেই কথাবোৰৰ ওপৰত কোনোধৰণৰ ব্যৱস্থা লোৱা হোৱা নাই, মই অনুৰোধ জনাম যে আমাৰ যিখন Act আছে, সেই Act খনৰ নিয়মৰ ভিতৰত থাকি এই সমস্যাটো কেনেধৰণে সমাধান কৰিব পাৰি সেই কথাটো নিশ্চয় মন্ত্ৰী মহোদয়ে বিবেচনা কৰিব কাৰণ LP ৰ পৰা Higher Secondary লৈকে এই অতিৰিক্ত শিক্ষক সকল আছে। কিন্তু Higher Secondary ত ৮ জনকৈ দিয়াৰ পিছতো তেওঁলোক অতিৰিক্ত শিক্ষক হিচাপে থাকি গ'ল। High school পৰ্য্যায়ত অতিৰিক্ত শিক্ষক থাকি গ'ল। যিহেতু High school ত আগতে class viii, ix আৰু x টো একেলগে আছিল, এতিয়া class viii টো ME school লৈ অনা হ'ল। আগতে পৰিচালনা সমিতিয়ে class viii, ix আৰু x ৰ বাবে teacher appointment দিছিল। যেতিয়া class viii টো ME school লৈ আনিলে কিন্তু যিসকল শিক্ষক আগতে High school ত appointment দিছিলে সেই শিক্ষক সকলক

কিন্তু সেইসময়ত ME school লৈ নানিলে যেতিয়া private হৈ আছিলে। ননাৰ কাৰণে শিক্ষক সকল তাত অতিৰিক্ত হিচাপে থাকি গ'ল। এতিয়া সেই সকল শিক্ষকক কি কৰিব পৰা যায়, এই কথাটো তেওঁলোকে আমাৰ stake holder ৰ সভাত উত্থাপন কৰিছিল। সেয়ে আজি মই বিষয়টো উত্থাপন কৰিছো যে LP ৰ পৰা High school লৈকে যিসকল অতিৰিক্ত শিক্ষক থাকি গ'ল এই অতিৰিক্ত শিক্ষক সকলৰ ক্ষেত্ৰত আইনৰ নিয়মৰ ভিতৰত থাকি কিবা এটা ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায় নেকি ? এই কথাটো চালিজাৰি চাবৰ বাবে মই বিশেষ ভাৱে অনুৰোধ জনাইছো। তাৰ লগতে এইবাৰ শিক্ষাৰ সমস্যাৰ বিষয়ে পাতি থাকোতে আমি কিছুমান নতুন কথা দেখিলো যিহেতু শিক্ষাৰ সমস্যা পাতি থাকিলে শেষ নহয়। নতুন সমস্যা দেখিলো যে ১৯৯১ ত অসম গন পৰিষদৰ চৰকাৰৰ দিনত তেতিয়া হাইস্কুলৰ শিক্ষক সকলক appointment দিয়া হৈছিল তাৰে ৫৩৬ গৰাকী হাইস্কুল শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ নহ'ল। শিৱসাগৰ, নগাওঁকে ধৰি পাঁচখন জিলাত আৰু নিয়মীয়াকৰণ নকৰাৰ কাৰণে এতিয়া তেওঁলোকক ১৫,৫০০ টকাকৈ দি থকা হৈছে। এইক্ষেত্ৰত কিবা এটা ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায় নেকি, যিহেতু ১৯৯১ ৰ পৰা তেওঁলোকে চাকৰি কৰি আছে। এইক্ষেত্ৰত কি ব্যৱস্থা কৰিব পৰা যায়, এই কথাটো মই আজি সদনত উনুকিয়াই ৰাখিলো। ইয়াৰ উপৰিও UGC য়ে সময়ে সময়ে কিছুমান নিৰ্দ্দেশনা দি থাকে। ২০০৪ চনৰ আগতে UGC ৰ এটা নিদ্দেৰ্শনা আছিল যে মহাবিদ্যালয় বিলাকে non-sanctioned post ত যদি নীতিগত ভাৱে বিজ্ঞাপন কৰি যিবিলাকৰ UGC norms আছে সেই ল'ৰা-ছোৱালী বিলাকক যদি non-sanctional post ত appointment দিয়ে তেতিয়াহ'লে সেই মহাবিদ্যালয়খনত Post খালী হ'লে ক্ৰমান্বয়ে seniority basis ত সেই সকলক regularise কৰিবৰ বাবে UGC ৰ এটা গাইডলাইন আছিল আৰু সেই গাইড লাইনৰ ভিতৰত অসমত প্ৰায় ৪০০ মান শিক্ষক নিযুক্তি দিয়া হৈছিল। এই ৪০০ শিক্ষকৰ ভিতৰত মই দেখিলো যে ২০০৪চনৰ ভিতৰত নিযুক্তি পোৱা আছিল ৩৫৪ জন কিন্তু UGC guide line ত আছে যে ২০০৪ ৰ অক্টোবৰৰ ১২ তাৰিখৰ ভিতৰত যিসকলে appointment পায় তেওঁলোকক নীতিগত ভাৱে appointment দিবৰ বাবে UGC ৰ গাইড লাইনত আছিল। এতিয়া ২০১০ চনত High Court এ Higher Education ৰ পৰা এখন লিষ্ট বিচাৰিলে যে ২০০৪ চনৰ আগতে কিমান teacher non sanctioned post ত appointment দিয়া হৈছে আৰু সেই মতে ৩৫৪ জন শিক্ষকৰ এখন লিষ্ট পঠোৱা হ'ল। যিসকল ১৭-০৭-২০০৪ ৰ ভিতৰত appointment পোৱা শিক্ষক কিন্তু তাত ১২-১০-২০০৪ ৰ ভিতৰত appointment পোৱা প্ৰায় ৪২ গৰাকী শিক্ষক বাদ পৰি গ'ল। সেই ৪২ গৰাকী শিক্ষকক যিহেতু তাত নীতিগত ভাৱে UGC guide line অনুসৰি appointment দিয়া হৈছিল গতিকে এই ৪২ গৰাকী শিক্ষকক কি কৰিব এতিয়া। কাৰণ গাইড লাইনত আছে যে সেই সকলক regularise কৰিব পৰা যায় আৰু গাইড লাইন মতে মহাবিদ্যালয়খনত যেতিয়া পদ খালী হ'ব সেই সকলক seniority basis ত ক্ৰমান্বয়ে লৈ আহিব। গতিকে এই সকলক কি কৰিব পৰা যায় সেইটো চাবৰ বাবে মই বিশেষভাৱে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** কলেজ বিলাকে সেইটো কিয় কৰা নাই ?

**শ্ৰী তপন গগৈ ঃ** তেওঁলোক বৈ গ'ল। সেয়ে আজি মই উত্থাপন কৰিছো। সেই কথাটো এতিয়া বিভাগে গম পাব যে কিয় নকৰিলে। ইয়াৰ লগে লগে ০১-০১-২০০৬ত এই সদনত মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁতে তেওঁ ক'লে যে আমি এটা সংশোধনী আনিব লাগিব যি সংশোধনীৰ

জৰিয়তে ০১-০১-২০০৬ টো মাননীয় মন্ত্ৰী মহোদয়ে মানৱীয় দৃষ্টিভংগীৰে গোটেই কথাখিনি ললে আৰু এইটো এটা খুব ভাল কথা যে মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে শিক্ষক সকলৰ সমস্যা সমাধান কৰা, ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যত সুৰক্ষিত কৰা দুয়োটা দিশ চাই এইখিনি কাম কৰিবৰ বাবে আমি আগবাঢ়ি গৈ আছো। এতিয়া ০১-০১-২০০৬ বুলি কোৱাৰ লগে লগে তাত আগতে কোৱা হৈছিল যে যিবিলাকে নীতিগত ভাৱে permission পালে, concurrence পালে সেই সকলক ০১-০১-২০০৬ ৰ আগত যদি concurrence থাকে তেতিয়াহ'লে আমি সেই স্কুল বা কলেজ বিলাকো ল'বৰ বাবে এটা নিশ্চয় সংশোধনী আহিব। কিন্তু মই ক'ব বিচাৰিছো এই কথাটো যে যেতিয়া DEO বা IS লৈ চিঠি গৈছে, চিঠিখন যোৱাৰ পিছত এই স্কুল বিলাকৰ লিষ্ট সমূহ effect date বুলি কৈছে কিন্তু চিঠিখন পাইছে এমাহ বা দুমাহৰ পিছত। গতিকে অধ্যক্ষ মহোদয়, এইটো এটা খুব চিন্তনীয় বিষয় যে ০১-০১-২০০৬ effect বুলি ক'লে কিন্তু চিঠিখন পাইছে এমাহ বা দুমাহৰ পিছত। গতিকে এই কথাটো ধৰিবনে নাই? এইটো আজিলৈকে officially একো কোৱা নাই, clear হোৱা নাই। clear নোহোৱাৰ কাৰণে এটা শংকাত আছে। এই কথাটো বিবেচনা কৰিবৰ বাবে মই বিশেষ ভাৱে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কথাটো এটা উদাহৰণ দি আকৌ এবাৰ explain কৰি দিয়কছোন।

**শ্ৰীতপন কুমাৰ গগৈ,(সোণাৰী) ঃ** এতিয়া Permission ধৰিব নে Concurrence টো ধৰিব। মহাবিদ্যালয় বিলাকৰ ক্ষেত্ৰত Concurrence টো মেইন। এতিয়া Concurrence টো হোৱাৰ আগতে 01-01-2006 ৰ আগত কিছুমানৰ এটা Concurrence আছে। কিন্তু কিছুমানৰ আকৌ NOC আছে, Permission দিছে। এতিয়া Permission টো ধৰিব নে নধৰে। সেইটো এটা কথা। Permission পোৱা দুই তিনিখন কলেজ আছে। কিন্তু সেইটো ধৰিব নে নধৰে, সেইকথাটোৰ Clarification আমাৰ নিশ্চয় প্ৰয়োজন হ'ব। তাৰ লগে লগে আমাৰ স্কুলবিলাকৰ ক্ষেত্ৰত দেখিলো। এতিয়া স্কুল বিলাকৰ ক্ষেত্ৰত 1-1-2006 লৈকে দিলে যে, 1-1-2006 টো affect date হ'ব। কিন্তু চিঠিখন যেতিয়া Head লৈ পঠিয়ালে তেতিয়া এমাহৰ পাছত পঠিয়ালে। এতিয়া issue date টো ধৰিব নে affect date টো ধৰিব।

**মাননীয় অধ্যক্ষ ঃ** চিঠিখনত কি লিখিছিলে?

**শ্ৰীতপন কুমাৰ গগৈ,(সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চিঠিখনত কৈছে যে, 1-1-2006 ৰ affect date from 1-1-2006. সেইটো লিখা আছে। কিন্তু চিঠিখন পঠিওৱাতে মই আকৌ এমাহ পাছত পালো। এতিয়া এমাহ পিছত পোৱা চিঠিখনত সেই 1-1-2006 টো ধৰিব নে এমাহৰ পাছৰ তাৰিখটো ধৰিব। তাৰ কাৰণে IS বিলাকে বা DO বিলাকে সেইটোৰ ক্ষেত্ৰত সেই বিদ্যালয় বিলাকৰ আজিলৈকে নামবিলাক পঠোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মানে যিবিলাক 1-1-2006 ৰ আগতো আছে, কিন্তু তেওঁলোকে চিঠিখন দেৰিকৈ পালে।

**শ্ৰীতপন কুমাৰ গগৈ,(সোণাৰী) ঃ** অধ্যক্ষ মহোদয়, হয়।1-1-2006 একদম cut of date, সেই date টোতে আছে affect date হ'ব। কিন্তু চিঠিখন এমাহ দুমাহ পাছত পাছত পাইছে।

**মাননীয় অধ্যক্ষ ঃ** পালে অসুবিধা কি হয়?

**শ্ৰীতপন কুমাৰ গগৈ,(সোণাৰী) ঃ** এতিয়া ইয়াৰ পৰা Clarification টো হোৱা নাই যে কোনটো ধৰিব।

**মাননীয় অধ্যক্ষ ঃ** মই এইটো অলপ Clear হ'ব বাকী আছে। ঠিক আছে কৈ যাওঁক।

**শ্ৰীতপন কুমাৰ গগৈ,(সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, issue date টো ধৰিব নে affect dateটো ধৰিব।

**শ্ৰী কমল সিং নাৰ্জাৰী, (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এক মিনিট। মই এটা কথা কৈছে। শোণিতপুৰত কেনেকৈ 1-1-2006 ত affect date টো দিছে কিন্তু চিঠিত issue দিছে ২৮-২-২০০৬ ত। দুই মাহৰ পাছত চাৰ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীতপন কুমাৰ গগৈ,(সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই কাৰণে এই কথাটোৰ প্ৰতি আচলতে আমি অকনমান Clear কৰি দিলে ভাল হ'ব নে নহয় এইখিনি। এই কথাটোৰ প্ৰতি মনোযোগ দিবৰ কাৰণে অনুৰোধ জনাইছো। তাৰ লগে লগে আৰু এটা কথা এতিয়া মাননীয় মন্ত্ৰী মহোদয়লৈ কেইবাজনেও চিঠি দিছো। ইউ জি চিৰ গাইড লাইন মতে, মহাবিদ্যালয়ৰ যিসকল লেকচাৰাৰ আছে। সেই লেক্চাৰাৰ আৰু লাইব্ৰেৰীয়ানৰ পোষ্টটো সমপৰ্য্যায়ৰ। একেটা Category ত ৰাখিছে। এতিয়া একেটা Category ত ৰখাৰ কাৰণে নতুন Non-teaching ৰ বিলখনত মহাবিদ্যালয়ৰ লাইব্ৰেৰীয়ান বিলাকৰ এটা Fixed pay ৰ গণ্ডীৰ ভিতৰলৈ লৈ অনা হৈছে বা আমি মন্ত্ৰী মহোদয়ক চিঠি দিছো। এই গোটেই কথাখিনি বিবেচনা কৰিছে। আজিৰ তাৰিখত UGC যি গাইড লাইন মতে কলেজ বিলাক চলি আছে, NCERT, SCERT লাইন মতে স্কুলবিলাক চলি আছে, High Court ৰ ৰায় সহিতে। এই সকলোখিনি চাই ২০১৭ চনৰ এক্টখন প্ৰণয়ন কৰা হৈছে আৰু সেই এক্টমতে স্কুল কলেজ প্ৰভিঞ্চিয়েলাইজ কৰা হ'ব আৰু ইয়াৰ গন্দিৰ ভিতৰত থাকি আমি কামখিনি কৰিব লাগিব। আমি এই ২০০৬ টো ৰাখিয়েই এই কথাখিনি কৰিব লাগিব। এটা পোষ্টহে লাইব্ৰেৰীয়ানৰ আছে মহাবিদ্যালয় বিলাকত সেই লাইব্ৰেৰীয়ানৰ পোষ্টখিনি মহাবিদ্যালয়ৰ এই পোষ্টখিনিৰ লগত সমপৰ্য্যায়লৈ লৈ আহিবৰ কাৰণে মই এটা পৰামৰ্শ আগবঢ়াইছো আৰু সেই পৰামৰ্শ অনুসৰি এতিয়া কৈছে যিবিলাক মহাবিদ্যালয়ৰ টিছাৰ, যিবিলাকৰ NET, SLET, P.hd নাই তেওঁলোকক এটা সময় দিয়া হ'ব। তেওঁলোকে NET, SLET, P.hd কৰিব লাগিব আৰু যেতিয়ালৈকে কৰিব নোৱাৰে, তেতিয়া তেওঁলোকক ২৭ হাজাৰ এটা টিউটৰ হিচাপে দিয়া হ'ব। এতিয়া মহাবিদ্যালয়ৰ Stake Holder সকল আহোতে কৈছে যে, টিউটৰ শব্দটো তেওঁলোকৰ কাৰণে এটা ভাল লগা নাই। সেই কাৰণে এনে এটা শব্দ ব্যৱহাৰ কৰিব লাগে, যিটো শব্দৰ জৰিয়তে মহাবিদ্যালয়ৰ শিক্ষক সকলৰ এটা মৰ্য্যদা ৰক্ষা হয়। এই কথাটো কৈছিল। মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো আপুনিও এটা অনুৰোধ জনাইছিল যে, তেনেকুৱা কিবা শব্দ আছে নেকি? আপোনালোকে এই কথাখিনি বিবেচনা কৰিবৰ কাৰণে টিউটৰ বাদ দি তেনেকুৱা কিবা শব্দ আছে নেকি, আপুনি জনাইছিল। অনুৰোধ জনাইছিল। সেইটো কথাও মই বিবেচনা কৰিবৰ কাৰণে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** কিবা শব্দ পালে নেকি?

**শ্ৰীতপন কুমাৰ গগৈ, (সোণাৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই লাইব্ৰেৰীয়ানৰ নীতিগতভাৱে যিখিনি UGC Norms লাগে, তাৰে Norms নথকা সকলকো তেনেধৰণৰ এটা সময় দিব লাগে আৰু সেই Norms fulfill নকৰালৈকে College Lecturer ৰ যিটো ২৭ হাজাৰ টকা দিব বুলি কৈছে, টিউটৰ কৰি এখেতসকলকো সেই ২৭ হাজাৰ প্ৰক্ৰিয়াটোলৈ যাবৰ কাৰণে, এতিয়া Non- senction ত সেই সকল লাইব্ৰেৰীয়ান বিলাকক ১৬ হাজাৰ টকাত ৰখা হৈছে

আৰু এই বৈষম্যটো নাইকিয়া কৰিবৰ কাৰণেও আমি এটা নিশ্চয় পদক্ষেপ গ্ৰহণ কৰিব লাগিব। এই কথাখিনি মই ইয়াত অনুৰোধ জনালো। তাৰ লগে লগে আৰু এটা কথা আহিছে যে, আমাৰ অসমত যিবিলাক physical instructor আছে। physical Education যিবিলাকে অধ্যয়ণ কৰি আছে, এই physical Education অধ্যয়ন কৰা যিসকল ছাত্ৰ-ছাত্ৰী আছিল তেওঁলোকে ইয়াৰ পাছত কি কৰিব। কাৰণে আগতে আমাৰ স্কুলবিলাকত এনেধৰণৰ এপইণ্টমেণ্ট দিয়াৰ এটা ব্যৱস্থা আছিল। শাৰীৰিক শিক্ষক হিচাপে এপইণ্টমেণ্ট দিয়াৰ ব্যৱস্থা আছিল। এই ব্যৱস্থাটো এতিয়া মই আজি অনুৰোধ জনাম যে, আমি পুণৰ তেনেকুৱা ধৰণৰ এটা ব্যৱস্থা কৰিব লাগে যি ব্যৱস্থাৰ জৰিয়তে আমি এই ছাত্ৰ-ছাত্ৰী সকলৰ যিটো সপোন, এই সপোনটো বাস্তৱ কৰিব পাৰো। এই কথাখিনি মই আজি ইয়াত উপস্থাপন কৰিলো। তাৰ লগে লগে ৬৪০০ Contractual Teacher Appointment দিয়া হৈছিল। এই শিক্ষক সকলৰ ক্ষেত্ৰত নিশ্চয় আমি নীতিগতভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। হাইস্কুল শিক্ষক হ'বৰ কাৰণে যিহেতু B.Ed ৰ লগতে পঞ্চাশ শতাংশ যিহেতু প্ৰয়োজন সেইসকলৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। কাৰণ আমি শিক্ষা বিষয়ক সমস্যা বিলাক নাইকিয়া কৰাটো আমাৰ প্ৰত্যেকৰে উদ্দেশ্য আৰু মই ভাৱো ইয়াৰ এটা সমাধানৰ সূত্ৰ উলিয়াবৰ কাৰণে প্ৰত্যেকে সক্ষম হ'ব পাৰিম। আমি প্ৰত্যেকে জানো যে এইবাৰ চৰকাৰে গুণোৎসৱ অনুষ্ঠিত কৰিলে শিক্ষাৰ মান উন্নত কৰিবৰ কাৰণে আৰু আমি দেখিছো যে, বিদ্যালয়বিলাকৰ এই ছাত্ৰ-ছাত্ৰী সকলৰ যথেষ্ট সমস্যা আছে, অভাৱ অভিযোগ আছে। তাত গৈ আমি নিজে উপলব্ধি কৰিছো আৰু মই এনেকুৱা এখন বিদ্যালয়লৈ গৈছিলো, তিনিদিনৰ আগত, চাহবাগিচা অধ্যুষিত অঞ্চলৰ বিদ্যালয়। তাত Headmaster জেনেৰেটৰৰ ব্যৱস্থা কৰি এই ছাত্ৰ-ছাত্ৰীসকলক দুদিন তাত ভাত খুৱাই ৰখিছে নিশাটো ৰাখিছে এই কাৰণেই যে, এই গুণোৎসৱৰ দিনকেইটাত যাতে সেই ছাত্ৰ-ছাত্ৰী সকল নহাকৈ নাথাকে। মই তালৈ গৈ সুধিলো যে, ছাত্ৰ-ছাত্ৰী সকলক কিয় এনেকৈ ৰাখিছে। তেতিয়া তেওঁলোকে কৈছে যে ছাত্ৰ-ছাত্ৰী সকলক আমি ধৰি ধৰি আনিব লাগে কাৰণ তেওঁলোক নাহে। এতিয়া আমাৰ এই নহাৰ পৰিৱেশটো আমি অহাৰ পৰিবেশলৈ ৰূপান্তৰ কৰিব লাগিব। যাতে ছাত্ৰ-ছাত্ৰীসকলে আমাৰ চৰকাৰী যিবিলাক বিদ্যালয় আছে। এই বিদ্যালয়বিলাক দেখাৰ লগে লগে ছাত্ৰ-ছাত্ৰী কয় যে, মই এইখন বিদ্যালয়তে পঢ়িবলৈ যাম আৰু এই পৰিৱেশটো আনিবৰ কাৰণে গুণোৎসৱ অনুষ্ঠিত কৰি তাৰ সমস্যা বিলাক অধ্যয়ন কৰি সমাধান কৰিবলৈ এইবাৰ মাননীয় মন্ত্ৰী মহোদয়েবাজেটত পইচা ধাৰ্য্য কৰিছে। আমাৰ যিবিলাক আন্তঃগাথনি নাই। যিবিলাক শ্ৰেণীকোঠা ভাগ ভাগ হৈ থকা নাই। তেনেধৰণৰ পৰিৱেশ উন্নত কৰিবৰ কাৰণে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে বাজেটত টকা ধাৰ্য্য কৰা হৈছে। আৰু আমি আশা ৰাখিছো যে, এই গুণোৎসৱ এতিয়া হাইস্কুল পৰ্য্যায়ত হ'ব। এতিয়া হাইস্কুল পৰ্য্যায়ত কি কি সমস্যা আছে। এই সমস্যাখিনি প্ৰেক্টিকেলী আমি স্কুলত দেখা পাম আৰু স্কুলত গৈ দেখা পোৱাৰ লগে লগে আমি সেইখিনি সমস্যাও চৰকাৰৰ ফালৰ পৰা সমাধান কৰিবৰ কাৰণে নিশ্চয় পদক্ষেপ গ্ৰহণ কৰিব পাৰিম। আমি যিখিনি কথা আলোচনা কৰিলো, এই কথাখিনি আমাৰ যে এক্ট আছে, এই এক্টখনৰ গন্দিৰ ভিতৰত থাকি যদি এইখিনি সমস্যা সমাধান কৰিব পাৰো, তেতিয়াহ'লে নিশ্চয় শিক্ষক সকলৰ সমস্যাখিনি সমাধান কৰিব পাৰিম। 01-01-2006ৰ পিছৰ Concurrence আৰু NOC খন যি সকলে পাইছে, Permission পাইছে, সেইসকলৰ NOC Permission ত হ'ব নে নহয়, Plus issue date and affect date এই কথাটো clear কৰি দিলে আমাৰ বহু শিক্ষক তাৰ পৰা বাচি যাব

আৰু শিক্ষক সকলৰ এটা কথা তেওঁলোকে উপলব্ধি কৰিছে, সেইটো হৈছে যে, যিটো Dise Code বা যিটো Enrollment ২০১৭ চনৰ এক্টখন হোৱাৰ পাছত Dise Code ৰ Enrollment এই গোটেই কথাটো তেওঁলোকৰ আগতে ৯-১০ আছিল। এতিয়া ১০-১১ Dise Code লাগে বুলি কৈছে। Enrollment লাগে বুলি কৈছে। আৰু এই কথাটো অকনমান আমি চালিজাৰি চাবৰ কাৰণে অনুৰোধ জনাইছো। কাৰণ সেই শিক্ষক সকলোকো আমি নিশ্চয় ন্যায় প্ৰদান কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এই কথাখিনিও মই ভাবি চাবৰ কাৰণে অনুৰোধ জনাইছো আৰু দীঘলীয়াকৈ নকওঁ। কাৰণ বাকী সকলেও এই শিক্ষাৰ বিষয়ত ওপৰত এই কথাখিনি নিশ্চয় খুব বিস্তৃতভাৱে আৰু আলোচনা আগবঢ়াব। আৰু আমি আশা ৰাখিম যে, আপোনাৰ উদ্যোগত এই আলোচনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ে এই গোটেই কথাখিনি চালিজাৰি চায় আমাৰ উঠি অহা নতুন প্ৰজন্মৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ লগতে অসমৰ শিক্ষা ব্যৱস্থা আগুৱাই নিবৰ কাৰণে ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত আমাৰ ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই লৈ যাবৰ কাৰণে নিশ্চয় অসম চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিছে, সেই পদক্ষেপত আমি প্ৰত্যেকেই সফল হ'ব পাৰিম। এইখিনিকে কৈ মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰথম এটা কথা হৈছে যে প্ৰথম যিকেইজন স্পীকাৰ মই নাম কেইটা কৈ দিছো। আৰু তেওঁলোকক মই টাইম লিমিটটো নকওঁ। যিমান পাৰে চমুকৈ ক'লে কৰিলে বাকীখিনিক দিব পাৰিম। ইয়াৰ পাছত শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী আমিনুল ইছলাম, শ্ৰী কমল সিং নাৰ্জাৰী আৰু শ্ৰী পবিন্দ্ৰ ডেকা। শ্ৰী পবিন্দ্ৰ ডেকাই মোৰ পৰা অলপ সময় বিচাৰিচিলে। পিচবেলা ক'বৰ কাৰণে। তাৰ পাছত আমাৰ লিষ্ট আছে আপোনালোকে Individually list নপঠিয়াই,লিডাৰৰ যোগেদি পঠিয়ালে মোৰ কাৰণে সুবিধা হয়। লিষ্টখন দীঘলীয়া কিন্তু মই যিমান পাৰো চাম আৰু পিচবেলা যিহেতু সদন বহিব আপোনালোকে ক'বলৈ সুবিধা পাব। এতিয়া ক'বলগীয়া সকলে আগতে কোৱা পইণ্ট কেইটাত চাপোৰ্ট কৰি বেলেগ নতুন পইণ্ট ক'লে ভাল হয়। আপুনি কি কৈছিল?

**শ্ৰী নাৰায়ণ ডেকা, (বৰক্ষেত্ৰী) ঃ অধ্যক্ষ মহোদয়,** 1-1-2006 আপুনি অকনমান কনফিউজ আছিল।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ক'ব। পিছত মোৰ confusion ক্লেয়াৰ কৰিব। এতিয়া নালাগে। তেখেতসকলে কৈ লওঁক। মোৰ confusion হোৱা নাই। মই এই issue date and affect date এই কথাটো অকনমান ব্যক্তিগত ভাৱে জানিবৰ কাৰণে মই আপোনাৰ পৰা শুনি লম। পিছত এতিয়া শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ**-মাননীয় অধ্যক্ষ মহোদয়, আপোনাক আমাৰ সকলোৰে হৈ ধন্যবাদ জনাইছো। প্ৰথমবাৰৰ বাবে আপোনাৰ উদ্যোগত শিক্ষাৰ ক্ষেত্ৰত থকা সমস্যা সমূহ কেনেধৰণে সমাধান কৰিব পৰা যায় আৰু তাৰ বাবে চৰকাৰৰ লগত কেনে ধৰণে আমি আগুৱাই যাব পাৰো, সেই খিনি যথেষ্ট ফলপ্ৰসু হৈছে আৰু মই ব্যক্তিগত ভাবে যি সময়ত উপস্থিত আছিলো ১৬০ টাতকৈও অধিক অনুষ্ঠান প্ৰতিস্থান বা ব্যক্তিগত লোকৰ কথাখিনি মই নিজেও লিপিবদ্ধ কৰিছিলো। আৰু সেই সমস্যাখিনি আমি সকলোৰে জানো। আটাইতকৈ বেছি Court ত Case বৰ্তমান শিক্ষা বিভগৰে চলি আছে, যিহেতু বিভিন্ন ধৰনৰ সমস্যা আছে। আমি জানো, অসমত Formal Education আৰম্ভ হৈছে ১৮৩৫ চনত আৰু ১৯৭০ চনত Higher Secondary school আছিল মাত্ৰ ৭০ খন আৰু High School আছিল ১২০০ খন।

পৰৱৰ্তী ১৯৯৫ চনৰ তথ্য অনুসৰি ৩৪৪০খন High School আৰু ৫৪০ খন Higher Secondary school হৈছিল। আপুনি সেই সময়ত উল্লেখ কৰিছিল যে, শিক্ষক সকলৰ সমস্যা এই কথাখিনি ভাবিলে নহ'ব। আমি শিক্ষা কেনে ধৰণে উন্নত কৰিব পাৰি সেইখিনি আমি আলোচনা কৰিব লাগে। যথেষ্ট গুৰুত্বপূৰ্ণ কথা আপুনি উল্লেখ কৰিছিল আৰু সঁচাকৈয়ে আমি বৰ্তমান কিছুমান সমস্যা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছো। সেই সমস্যা তথা প্ৰত্যাহ্বান বিলাক যদি আমি সময় মতে প্ৰয়োজনীয় হস্তক্ষেপ নকৰি সমাধান কৰিবলৈ নিবিচাৰো তেতিয়াহলে ভৱিষ্যতে এই বিলাক আৰু জটিল হ'ব। এই গোটেই পৃথিবীৰ সমস্যাৰ বিৰুদ্ধে যুঁজিবলৈ হ'লে সবাটোকৈ ডাঙৰ অস্ত্ৰ হ'ব সমাজ ব্যৱস্থা আৰু শিক্ষা ব্যৱস্থাৰ মাজত ঐক্য আৰু সমন্ধ। কিন্তু এতিয়া প্ৰশ্নটো আহি পৰে যে আমি কেনেধৰণে কৰিব পাৰিম? এইটো ক্ষেত্ৰত আমাৰ সৌভাগ্য যে সমাজত এটা মুক্ত স্থান এতিয়াও আছে যাৰ অধীনত ব্যক্তিগত ভাৱে বা সমুহীয়া ভাৱে কিছু প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰো। আৰু সমুহীয়া পদক্ষেপ হ'লে প্ৰতিজন ব্যক্তিয়ে নিজৰ নিজৰ মতামত প্ৰস্তাৱনা কৰি আমি যাতে এটা ঐক্য মতত উপনীত হ'ব পাৰো তাৰ বাবে আমি এটা যত্ন কৰা উচিত। মোৰ আগৰ বক্তাজনে যিখিনি কথা কৈ গ'ল, বিধায়ক তপন গগৈ ডাঙৰীয়াই, সেইখিনি যথেষ্ট গুৰুত্বপূৰ্ন কথা। গতিকে আমি সেই খিনিত গুৰুত্ব নিশ্চয় দিব লাগিব। আমি যদি গোটেই দেশৰ শিক্ষা ব্যৱস্থাটো চাওঁ আমি দেখিম যে কিছুমান পৰিস্থিতিত এনেকুৱা হয় যে আন সম্প্ৰদায়ৰ অনুভূতিক কিছুমান লোকে আঘাত হানিব বিচাৰে। ধৰ্মীয় সংঘাতে বৰ্তমান সমস্যাৰ ৰূপ লৈছে, সেইহেতুকে অসমতো আমি শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত সাতাম পুৰুষীয়া সম্প্ৰীতিৰ বিষয়ে উঠি অহা প্ৰজন্মক অৱগত কৰাৰ প্ৰয়োজন আহি পৰিছে। গতিকে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পয্যায়ত আমি কেনেধৰনে ইজনে সিজনক সন্মান জনাব লাগে, ইজনে সিজনৰ ধৰ্মৰ প্ৰতি শ্ৰদ্ধা জনাব লাগে সেই ক্ষেত্ৰটো আমি যদি কিবা ব্যৱস্থা ল'ব পাৰো তেতিয়া হ'লে আমাৰ শিক্ষাব্যৱস্থা, সমাজ ব্যৱস্থা আৰু ফলপ্ৰসু হব। ঠিক তেনেকৈ অন্য এটা

গুৰুত্বপূৰ্ন বিষয় হ'ল হিংসাত্মক কাৰ্য্যৰ বিৰুদ্ধে ছাত্ৰ সমাজক সচেতন কৰা। হিংসাত্মক কাৰ্য্য মানে মই অকল যুদ্ধ সন্ত্ৰাসবাদ অথবা হত্যা লুণ্ঠনৰ কথা কোৱা নাই। খুব শেহতীয়াকৈ আমাৰ ভাৰত তথা অসমত বিভিন্ন সময়ত নাৰীৰ বিৰুদ্ধে হোৱা হিংসাত্মক ঘটনা বিষয়ে আমি জানো আৰু এইখিনি যথেষ্ট বৃদ্ধি পাইছে। আজি পুৰুষ প্ৰধান সমাজত নাৰীসকলক যেনেধৰনে সাম্ভাব্য হিংসাৰ বলি কৰি দিয়া হৈছে, এইখিনি ৰোধ কৰিবলৈ হ'লে আমাৰ সমাজৰ শিক্ষা ব্যৱস্থাও আমি সংশোধন কৰিব লাগিব। পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়ত্ৰীৰ উপৰিও বিদ্যালয় সমুহত স্বেচ্ছাসেৱী গোট গঠন কৰি বিদ্যালয় স্তৰৰ পৰা নাৰী সকলক আমি কেনেকৈ সন্মান কৰিব লাগে সেই কথাখিনি যাতে আমি আগুৱাই নিব পাৰো তাৰ কাৰণে পদক্ষেপ লব লাগিব। ঠিক তেনেকৈ ভ্ৰষ্টাচাৰ আৰু গনতান্ত্ৰিক পদ্ধতিৰ লগত জড়িত বিভিন্ন অনুষ্ঠানৰ বিশ্বাসযোগ্যতাৰ অৱক্ষয়ে ৰাইজক বিতুষ্ট কৰি পেলাইছে। সেই ক্ষেত্ৰত পেচা ভিত্তিক বা কাৰিকৰী শিক্ষাই এই সমস্যা ৰোধ নকৰে। গতিকে প্ৰাথমিক স্তৰৰ পৰাই আমি সাধুতা, সত্য কথা কোৱা আৰু নৈতিৰ শিক্ষা দিয়া প্ৰয়োজন। আৰু এই বিলাকো আমাৰ Curriculam ৰ অন্তৰ্ভূক্ত হ'ব লাগে। ঠিক তেনেকৈ শিক্ষা ব্যৱস্থাৰ যি সম্প্ৰসাৰন ইয়াত যদি আমি শিক্ষাৰ সমতা স্থাপন কৰিব নোৱাৰো আমাৰ যিসকল মহিলা জন-জাতি আৰু সংখ্যা লঘু লোককে আদি কৰি সকলোকে যদি সুযোগ দিব নোৱাৰো তেনেহ'লে আমাৰ বহুখিনি অসুবিধা হ'ব। আজি চৰকাৰে নতুন নতুন বহুখিনি শিক্ষানুষ্ঠান স্থাপন কৰাৰ কথা কয়, নিশ্চয় ভাল পদক্ষেপ । কিন্তু যি সমুহ পুৰণা অনুষ্ঠান আছে, সেইখিনিৰ যিখিনি অসুবিধা, অৰ্থনৈতিক বা Infrastruc-

tureৰ সমস্যা সেই বিলাকও আমি সমাধান কৰিবলৈ যত্ন কৰিব লাগে। Community College ৰ কথা আহিছিল। Community College ৰ system টো বাহিৰত যথেষ্ট জনপ্ৰিয় হৈছে। আমাৰ UGC ৰ নিৰ্দেশনা আছিল, সেইখিনি অসমত হৈ উঠা নাই। সেই গতিকে Community College ৰ ব্যৱস্থা সেইটো আমি ফলপ্ৰসু কৰিব লাগে। আমাৰ শিক্ষানুষ্ঠান সমুহত স্থায়ী Head Master বা Principal ৰ নিযুক্তি হোৱা নাই কিন্তু এজন এজন যদি Head Master তাতে থাকে তেওঁৰ নেতৃত্ব দিব পৰাকৈ প্ৰশিক্ষিত হয় তেতিয়া অনুষ্ঠানটো আৰু তাৰ ছাত্ৰ-ছাত্ৰী সকল যথেষ্ট উপকৃত হ'ব। গতিকে এই গোটেই বিলাক কথা আমি চাব লাগিব। ইয়াৰ লগত আৰু বাকী কথাখিনি আহিছে যে আমি যোৱা সময়ছোৱাত আলোচনা কৰিলো আৰু অন্যান্য বক্তা সকলে বহুখিনি কথা ক'ব মই মাত্ৰ কেইটামান কথা কওঁ যে dropped post, issue date, effect date, concurrence,1st, 2nd, retrospective effect or prospective effect of the UGC guideline prior to right to education, non compliance of the Act আমাৰ বহু ক্ষেত্ৰত কিছুমান আইন হ'ব লগীয়া আছিল কিন্তু বিভাগীয় হেমাহি বা যি কোনো কৰণ বশত এতিয়াও হোৱা নাই তাৰ ফলত বহু শিক্ষক বা অন্যান্য কৰ্মচাৰীযে , তেখেত সকলৰ প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছে। এই ক্ষেত্ৰত বহুতে Court ৰ পৰা Order আনিছে তেওঁলোকৰ ফেভাৰত আৰু চৰকাৰে আকৌ সেই বিলাক appeal কৰিছে, revision কৰিছে তাৰ ফলত সমস্যাখিনি সমাধান নহৈ আৰু আগলৈ গৈ আছে। ঠিক তেনেকৈ ঠিকাভিত্তিক শিক্ষক, Fixed pay teacher, Music teacher, কম্পিউটাৰ প্ৰশিক্ষক আৰু গ্ৰন্থাগাৰ সকলৰ কথা উল্লেখ কৰিছে। এনেধৰণৰ বহুখিনি সমস্যা আছে, যিবিলাকৰ বিষয়ে যোৱা সময়ছোৱাত উল্লেখ হৈছে। সংযোগী শিক্ষক, সহযোগী শিক্ষক সৰ্ব শিক্ষাৰ বা ৰেচিডেঞ্চিয়েল শিক্ষক যি সকলে স্কুল বিলাকত কাম কৰি আছে, কিছুমানৰ আছিল যে Verification যি সময়ত আইনৰ অধীনত আহিব লাগিছিল তেখেত সকলৰ ব্যক্তিগত নথি সমুহ Verification নকৰাৰ ফলত আইনৰ আওতাৰ পৰা বঞ্চিত হৈ আছে। Delay in execution of the order যিটো সেই সময়ত প্ৰযোজ্য আছিল বিভাগীয় হেমাহিয়েই হওক বা আন যিকোনো কাৰণত সময় মতে নহল । অন্যান্য মাধ্যমৰ স্কুলত অসমীয়া ভাষাৰ প্ৰসাৰৰ যি সুবিধা বা বহু ক্ষেত্ৰত ক'ৰ্টৰ পৰা কিছুমান ব্যক্তিয়ে ন্যায় পাইছে যি সকলে চৰকাৰে তেখেত সকলক ন্যায় কৰিব বুলি ভাবি আছিল যি হেতু তেওঁলোকৰ নিযুক্তি ইতিমধ্যে হৈছিল। তেখেত সকলে কিন্তু চৰকাৰৰ পৰা ন্যায় পোৱা নাই। তেনেকুৱা ধৰণৰ গোটেই সমস্যা বিলাক আছিল, সেই খিনি সমস্যা যদি আমি সমাধান কৰিব নোৱাৰো তেতিয়া হলে আমি যি আলোচনা কৰিছিলো সেইখিনি ফলপ্ৰসু নহব। সেই কাৰণে আমাৰ লগত ৰাইজৰ যি ভাৱৰ আদান প্ৰদান হৈছিল অধ্যক্ষৰ পৃষ্ঠপোষকতাত তাত যিখিনি পাইছিলো সেইখিনি লিখিত আকাৰত অধ্যক্ষ মহোদক আগবঢ়াম। আৰু মই ভাবিছো যে যি নতুন আইন আহিব সেই আইনত যিখিনি সমস্যা বহুদিন ধৰি হৈ আছে আমি ইচ্ছা কৰিলে নিশ্চয় সেইখিনি সমাধান কৰিব পাৰো। গতিকে সেই সমস্যাখিনি যাতে সমাধান কৰিবলৈ আমি পদক্ষেপ লওঁ। যিটো কথা কোৱা হৈছিল যে পূৰ্বৰ বা এতিয়াৰ কিছুমান ক্ষেত্ৰত এনেকুৱা হৈছে যে মই দেখা পাইছো ১৯৮৯ চনত নিযুক্ত সকলৰ পৰবৰ্তী সময়ত চৰকাৰখনে ৰেগুলাৰাইজ কৰিলে।

(মাননীয় সভাপতি শ্ৰী বীৰভদ্ৰ হাগজেৰ অধ্যক্ষৰ আসন গ্ৰহণ কৰে)

কিন্তু ১৯৯১-৯৫ ৰ ভিতৰত হোৱাখিনিৰ ক্ষেত্ৰত ৯৬ চনৰ চৰকাৰখনে নিয়মীয়া কৰিব নোৱাৰিলে। তাৰ পৰৱৰ্তী সময়ৰ ১৫ বছৰতো নোৱাৰিলে সেই গতিকে আমি গোটেই কথাখিনি আমি কোনে

কেতিয়া দিছিল, তেনে ধৰণে নোচোৱাতো ভাল তেওঁলোকে যিহেতু এতিয়াও তেওঁলোকৰ যি দায়িত্ব আছিল সেই দায়িত্বত নিয়োজিত হৈ আছে। সেই সকলক কি উপায়েৰে তেখেত সকলৰ যি মুল্যবান সময় শিক্ষকতা বৃত্তিত নিয়োজিত কৰিলে আৰু তেওঁলোকে নিশ্চয় সমাজত আমাৰ চৰকাৰে অনুষ্ঠান পতাৰ ব্যৱস্থা বহুত কম আছিল right to Education ৰ আগত তেতিয়া ৰাইজেই অনুষ্ঠান বিলাক আগবঢ়াই নিছিল। সেই গতিকে সেই কথাখিনিও আমি লক্ষ্য কৰি এই Speakers initiative ৰ যোগেদি যিখিনি আহিব সেই খিনিত আমি সমস্যাখিনি সমাধান কৰিবলৈ যত্ন কৰো, সেইখিনিকে পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় সভাপতিঃ** Thank you. এতিয়া মই মাননীয় বিধায়ক আমিনুল ইছলাম ডাঙৰীয়াক কথাটো উত্থাপন কৰিবৰ কাৰণে অনুৰোধ কৰিছো।

**শ্ৰীবীৰভদ্ৰ হাগজেৰ (সভাপতি) ঃ** মই মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াক বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছোঁ।

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় সভাপতি মহোদয়, মই প্ৰথমতে আপেনাৰ জৰিয়তে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছোঁ যে শিক্ষা নিচিনা গুৰুত্বপূৰ্ণ বিভাগ এটাৰ ওপৰত সদনত দুদিনীয়াকৈ 'অধ্যক্ষৰ উদ্যোগ' শিতানত আলোচনাৰ ব্যৱস্থা কৰাৰ বাবে। মাননীয় সভাপতি মহোদয়, মোৰ বক্তব্যৰ মাধ্যমেৰে অসমৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক শিক্ষাবিভাগটোৰ যিখিনি আসোঁৱাহ আৰু জটিলতা আছে সেইখিনি দূৰ কৰি বিভাগটোক কেনেকৈ গতিশীল আৰু কাৰ্য্যক্ষম কৰিব পাৰি তাৰ বাবে কেইটামান কথা ক'ব বিচাৰিছোঁ। মই আৰু ক'ব বিচাৰিছো যে আজিৰ এই আলোচনাত শিক্ষা বিভাগৰ ওপৰত সদনৰ মাননীয় সদস্যসকলেও বক্তব্যত বিজ্ঞানসন্মত আৰু বাস্তৱসন্মত পৰামৰ্শ আগবঢ়াব গতিকে মই তেখেতসকলৰ পৰামৰ্শসমূহো গ্ৰহণ কৰাৰ বাবেও অনুৰোধ জনাইছোঁ। সভাপতি ডাঙৰীয়া, শিক্ষা বিভাগটো হৈছে আমাৰ বাবে অতি গুৰুত্বপূৰ্ণ বিভাগ কাৰণ এই বিভাগটোৰেই মানৰ সম্পদ তৈয়াৰ কৰি আহিছে। শিক্ষা বিভাগেই হৈছে এখন দেশ বা ৰাজ্যৰ বাবে চালিকা শক্তি কাৰণ শিক্ষা বিভাগেই হ'ল এটা বিভাগ যিয়ে অন্য বিভাগসমূহ পৰিচালনা কৰাৰ বাবে দক্ষ আৰু উপযুক্ত মানৱ সম্পদ তৈয়াৰ কৰে। যদিহে শিক্ষা বিভাগটো বিজ্ঞানসন্মত আৰু গতিশীল নহয় তেতিয়াহ'লে এই বিভাগে তৈয়াৰ কৰা মানৱ সম্পদে অন্য বিভাগসমূহ চলাবলৈ সক্ষম নহ'ব। যাৰ ফলশ্ৰুতি সমগ্ৰ ৰাজ্যখন উন্নয়ণৰ ক্ষেত্ৰত পিছ পৰি ৰ'ব আৰু সাধাৰণ ৰাইজ ইয়াৰ ভূক্তভোগী হ'ব লগা হ'ব। সভাপতি মহোদয়, বৰ্তমানৰ যিটো শিক্ষা বিভাগ, তাত ইমান বেমাৰ সোমাই আছে যে সেই কথাটো অসম বিধান সভাত চাৰিদিনযোৰা 'ষ্টেকহ'ল্ডাৰ'সকলৰ লগত হোৱা মতবিনিময়ত স্পষ্ট হৈছে। সেই মতবিনিময়ত শিক্ষাৰ লগত জড়িত ব্যক্তি, সংস্থা, সংগঠন, শিক্ষানুষ্ঠান, স্বেচ্ছাসেৱী সংগঠনে অংশ গ্ৰহণ কৰিছিল আৰু বিভাগটোৰ প্ৰায় তিনিশতকৈ অধিক সমস্যা আমি তাত শুনিবলৈ পাইছোঁ। এই সমস্যাটো বিগত এবছৰ-দুবছৰত সৃষ্টি হোৱা নহয়, সুদীৰ্ঘ বিশ-ত্ৰিশ বছৰ আগৰ পৰাই সৃষ্টি হৈ হৈ শিক্ষা বিভাগটো ৰুগ্ন আৰু অসুস্থ বিভাগলৈ পৰিণত কৰিছে। সভাপতি মহোদয়, এই ৰুগ্ন আৰু অসুস্থ বিভাগটোক কেনেকৈ সুস্থ কৰিব পাৰি তাৰ বাবে সন্মানীয় অধ্যক্ষ মহোদয়ে যি পদক্ষেপ গ্ৰহণ কৰাৰ বাবে তেখেত ধন্যবাদৰ পাত্ৰ। বিধান সভাত দুদিনীয়া আলোচনাত বিভাগক যিসমূহ পৰামৰ্শ আমাৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আদিৰ উন্নয়নৰ স্বাৰ্থত মাননীয় সদস্যসকলে আগবঢ়াব, সেই পৰামৰ্শসমূহৰ ভিত্তিত শিক্ষা বিভাগটোক শক্তিশালী কৰাৰ দিশত চৰকাৰৰ সুবিধা হ'ব বুলি মই অনুভৱ কৰো আৰু চৰকাৰে

ভৱিষ্যতে এটা শিক্ষানীতি গ্ৰহণ কৰিবলৈ সক্ষম হ'ব। সভাপতি ডাঙৰীয়া শিক্ষা বিভাগটোৰ আজিৰ যিটো ৰুগ্ন অৱস্থা সেইটো হোৱাৰ প্ৰধান কাৰণ হৈছে - চৰকাৰৰ এটা সুস্থ শিক্ষানীতি নথকাৰ বাবে। আমাৰ শিক্ষানীতি নাই, কোনো বাস্তৱসন্মত পৰিকল্পনা নাই, বিজ্ঞানসন্মত কোনো বিশ্লেষণ নাই। সভাপতি ডাঙৰীয়া, শিক্ষাৰ বিষয়টোৰ ক্ষেত্ৰত চৰকাৰ কোনো নিশ্চিত লক্ষ্য নাই আৰু যি আছে সেইটো অস্পষ্ট। আমাৰ শিক্ষা বিভাগটো এটা উদ্দেশ্য বিহীন বিভাগ হৈ গৈছে, যেন বঠাবিহীন এখন নাওঁ। আমি স্কুল চলাব লাগে চলাই আছোঁ, শিক্ষকক দৰমহা দিব লাগে দি আছো, পৰীক্ষা পাতিব লাগে পাতি আছে - আমি নিত্য নৈমত্তিক কামখিনি কৰিছোঁ আমাৰ আৰু কোনো দায়িত্ব নাই। সেইবাবে আমি ইয়াত দুই এটা কথা ক'ব বিচাৰিছো যাতে শিক্ষা বিভাগৰ জটিলতাসমূহ দুৰ কৰি স্থিৰতা আনিব পাৰো। সভাপতি মহোদয়, মাননীয় অধ্যক্ষ মহোদয়ে 'ষ্টেকহ'ল্ডাৰ'সকল লগত কৰা চাৰিদিনীয়া মতবিনিময়ৰ পৰা এটা কথা স্পষ্ট হৈছিল যে বিভাগটোৰ বেছিভাগ সমস্যা শিক্ষক সকলৰ। লগতে ছাত্ৰ-ছাত্ৰী আৰু আন্তঃগাথনি, পুথিভঁৰাল আদিকে ধৰি অন্য সমস্যা সমূহৰ কিছু কথাহে উল্লেখ হৈছিল। শিক্ষকৰ সমস্যাৰ ক্ষেত্ৰত আমি এটা কথা অনুভৱ কৰিছোঁ যে শিক্ষকসকলৰ প্ৰাদেশীকৰণৰ ক্ষেত্ৰত আমি এক নীতি অৱলম্বন কৰা নাই। সেই কাৰণে এই সমস্যাসমূহ বিগত বিশ-ত্ৰিশ বছৰ ধৰি চলি আহিছে। মাননীয় সভাপতি মহোদয় ২০১১ চনত Assam Educational Institutions Provincialisation of Services Bill, 2011. যিটো আমাৰ পবিত্ৰ সদনত পাৰিত কৰা হৈছিল। এই বিলখন ২০১৬ চনত মহামান্য উচ্চ ন্যায়ালয়ে এক আদেশৰ জৰিয়তে খাৰিজ কৰিছিল। এই আইনখন খাৰিজ কৰাৰ এটা কাৰণ আছিল, "The venture school which were set up bonafide on needs basis, in our perception, to serve the student in remote places and it may not be wrong to say that due to the inability of the state to discharge its constitutional obligations, the venture educational institutions were allowed to function". এই অপ্ৰদেশিকৃত স্কুল বিলাকক ৰাজ্য চৰকাৰে স্বীকৃতি দিছিল। উচ্চ ন্যায়ালয়ে বাতিল কৰা বাবে কিছুমান শিক্ষকে সুবিধাটো ভোগ কৰাৰ পৰা বঞ্চিত হ'ল। আইনখন বাতিল কৰা আৰু এটা কাৰণ উল্লেখ কৰিছিল যে "However, the action of the state in taking of such school with only a given number of teachers from the number is not comensurate with the described requirement of the RTE Act, the law framed for the implementation of Article 21 (A) of the Consitution of India". এইটোৰ RTE Act লগত confrontation ক'ত হৈছিল? RTE Actত কৈছে প্ৰাথমিক বিদ্যালয় কৰিব গ'লে upto the 60 numbers of students দুইজন শিক্ষক হ'ব লাগিব। যদি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ষাঠিটাকৈ বেছি হয় তেতিয়া তিনিজন শিক্ষক হ'ব লাগিব আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নব্বৈটাকৈ বেছি হয় তেতিয়া চাৰিজন শিক্ষক হ'ব লাগিব। কিন্তু ২০১১ ত পাৰিত কৰা আইনখনত এই কথাটো misinterpret কৰা হৈছে যে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ষাঠিটা হ'লে দুজন শিক্ষক হ'ব। ন্যায়ালয়ে কৈছিল যে "Provincialisation Act has many legal filings as if not only discriminatory but this is also repugnant to many aspects of RTE Acts and other Central Acts". আৰু কৈছিল যে, "The discriminatory effect of the Provincialisation

Act is found to be glaring here". এই বিলাক কাৰণত ২০১৬ চনত উচ্চ ন্যায়ালয়ে আইনখন বাতিল কৰি দি ছমাহৰ ভিতৰত এখন নতুন আইন পাৰিত কৰিবলৈ নিৰ্দ্দেশ দিলে। তাৰ পিছত ২০১৭ চনত যিখন বিল পাৰিত কৰা হ'ল সেইখনে বিষয়টো আৰু অধিক জটিলতাৰ সৃষ্টি কৰিলে। মাননীয় অধ্যক্ষ মহোদয়, Effect date টো দিছে। Before 1.1.2006. হাই কোৰ্টে বিভিন্ন জটিলতাৰ কাৰণে আগৰ বিলখন বাতিল কৰিছে। কিন্তু নতুন বিলখনত আৰু জটিলতাৰ সৃষ্টি কৰিলে যিটো আগৰ বিলত নাছিল। ইয়াত কৈছে যে Issue Date হ'ব লাগিব Before 1.1.2006. এতিয়া কথা হ'ল যে একে পৰ্য্যায়ৰ কিছুমান স্কুল হয়তো আগৰ পৰাই চলাই আছে। Permission টো আৰু আগৰ পৰা আছে। যিহেতু ইমান পাছত এই Order টো খোলাৰ কাৰণে যিটো Affilition, Recognition আৰু Concurrence হ'ল। একেলগে গোটেই ফাইলবোৰ জমা হ'ল। হয়তো একেলগে ফাইলবোৰ জমা হোৱা কাৰণে জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চলৈ Issue Date গুচি গ'ল। কিন্তু স্পষ্টভাৱে লিখি দিয়া আছে যে With effect from 25.12.2005 orWith effect from 1.1.2006 এনেকৈ effect Date টো স্পষ্টকৈ প্ৰত্যেকটো অৰ্ডাৰত লিখি দিয়া হৈছে। ৰাজ্য চৰকাৰে এইটো ক্ষেত্ৰত কৰিলে যে Issue Date ধৰিলে। effect Date টো নধৰিলে। ঠিক তেনেদৰে DISE Code ৰ ক্ষেত্ৰত একে কথা হ'ল যে ইয়াক সমিতি কৰি দিয়া হ'ল যে DISE Code 2009-10 এইটো যিবোৰ স্কুলৰ আছে, সেইবোৰ ধৰা হ'ব। অৰ্থাৎ DISE Code 2009-10 চনটো থাকিবই লাগিব। এইক্ষেত্ৰত আমি খবৰ লৈ জানিব পাৰিলোঁ যে 2009 চনত DISE Code সকলো ভেঞ্চাৰ স্কুলত চৰকাৰে দিব পৰা নাছিল। তেওঁলোকৰ যিটো DISE Format জিলাত যোগান ধৰিছিল। সেই DISE Format টো পূৰণ কৰি দিয়াৰ পিছত জিলাত সেইটো সৰ্বশিক্ষা মিশ্যনৰ অধীনত কামবোৰ হৈছিল। জিলাখনত যিবোৰ প্ৰভিঞ্চিয়েলাইজ স্কুল আছে বা District Recognition আছে, কিছুমানত তেওঁলোকে DISE Code টো Upload কৰি Internet ত দিব পাৰিলে। in due time গতিকে সেইবোৰে DISE Code টো ২০১০-১১চনত পাইছিল। এতিয়া তেওঁলোকৰ Permission, Recognition সকলো 1.1.2006 চনৰ আগৰ আছে। মাটিৰ ৰেকৰ্ড, শিক্ষকৰ যোগ্যতা আৰু ছাত্ৰ-ছাত্ৰীৰ যিটো অনুপাত থাকিব লাগে সেইয়া সকলোবিলাক আছে। কিন্তু এতিয়া কৈছে যে DISE Code টো 2009-10 চনৰ নহ'লে নহ'ব। তেওঁলোকক যিহেতু চৰকাৰে দিব পৰা নাছিল, সেইকাৰণে এইটো বিদ্যালয়বোৰৰ দোষ নহয়। গতিকে এই জটিলতাবোৰ এই নতুন আইনখনে আনিলে। নতুন আইনখনত Teacher's Eligibility criteria আছে, ইয়াত এই কথাটো কৈ দিছে, য'ত এই কথাটো নাছিল। Teacher's Eligibility for Lower Primary School আৰু Upper Primary School এইটো NCT ৰ মতে হ'ব লাগে। কলেজবোৰ Higher Education বোৰ UGC Norms মতে হ'ব লাগিব। এই কথাটো নতুন বিলখনত উল্লেখ কৰা হ'ল। কিন্তু আৰু এটা কথা উল্লেখ নকৰিলে যে ভেঞ্চাৰ স্কুলৰ এই শিক্ষক সকলক বিজ্ঞাপন দি নিযুক্তি দিওঁতে শিক্ষকসকল TET পাছ হ'ব লাগিব আৰু ডিগ্ৰীত ৫০ শতাংশ নম্বৰ থাকিব লাগিব বা দুবছৰীয়া Professional Trainning থাকিব লাগিব। এইটো ভাল কথা। শিক্ষকৰ ভাল Quality থকাটো আমিও বিচাৰো। কিন্তু অসুবিধাটো হ'ল যে এইটো মাননীয় সভাপতি মহোদয়, যে আমাৰ National Councile for Teacher Eduction(NCTE) যিটো Referance নতুন আইনখনত দিয়া হৈছে যে

NCTE Norms মতে শিক্ষক যোগ্য হ'লে তেওঁক শিক্ষক লোৱা হ'ব। এই NCTE Notification dated 23.8.2010 চনত কেন্দ্ৰীয় চৰকাৰে কৈছে যে Government or Local Authority or School has issued an advertisement to initiate the process of appiontment of teachers prior to the date of this notification. Such appiontment may be made in acordance with the NCTE determination of minimum qualification for requitment of teachers in school regulation 2001. অৰ্থাৎ ২০১০ চনৰ পৰা কৈছে যে Lower Primary School আৰু Upper Primary School ৰ কাৰণে যিসকল শিক্ষক, সেই শিক্ষকৰ কাৰণে Senior Secondery exm ত 50% marks থাকিবলাগিব আৰু দুবছৰীয়া তেওঁলোকৰ Professional Trainning থাকিব লাগিব। কিন্তু এই কথাটো কৈছে যে যিবিলাক ২৩-৮-২০১০ চনৰ আগতে appointment দিয়া হৈছিল বা advertisement দিয়া হৈছিল, কিন্তু appiontment দিয়া হোৱা নাছিল। তেওঁলোকক ২০১০ চনৰ regulation মতে দিব লাগিব। এতিয়া আমাৰ প্ৰশ্নটো হ'ল ইয়াত স্পষ্টকৈ উল্লেখ আছে যে নতুনকৈ advertisement কৰি কোনো শিক্ষক নিযুক্তি দিয়ে, তেনেহ'লে সেই শিক্ষকক NCTE ৰ নতুন নৰ্মচ মতে ল'ব লাগিব। কিন্তু যিসকলক প্ৰভিঞ্চিয়েলাইজ কৰা হৈ আছে, তেওঁলোকক নতুনকৈ advertisement কৰি appiontment দিয়া হোৱা নাই। actualy they are appionted by the School Mangement Committee before 2000, before 1995, before 1992. They are already appointed and thier posts are already approved by the concern authority, by SEBa or by Councile. Already thier post is approved by the 10/15 years ago. Appointment আগতে তেওঁলোকৰ পদসমূহ Approveহৈ আছে। Now the Question is that to regularise their Posts. গতিকে তেওঁলোকৰ post টো regularise কৰিব গৈ আছো। ইয়াত NCTE ৰ যিটো গাইড লাইন আছে, সেইটো regularise ৰ ক্ষেত্ৰত Apply কৰি আছোঁ। ইয়াত যিহেতু স্পষ্টকৈ এই কথাটো উল্লেখ আছে যে ২০১০চনত আগষ্টৰ ২৩ তাৰিখৰ আগত যিসকলৰ advertisement কৰা হৈছিল, appiontment দিয়া হৈছিল, আগৰ নৰ্মচ ২০০১চনৰ মতে তেওঁলোকক লোৱা হ'ব। সেই নৰ্মচত কিন্তু TET ৰ কথা ৫০ শতাংশ নাছিল। গতিকে এইবোৰ কথাৰ কাৰণে এতিয়া এনেকুৱা লাগে যে NCTE বা RT act কথাবোৰ আমাৰ চৰকাৰে বুজি পোৱা নাই নে কৰিব খোজা নাই। সেইটো Confuseing হৈ আছে সভাপতি মহোদয়। মই আৰু এটা কথা দৃষ্টি গোচৰ কৰিব খুজিছো সভাপতি মহোদয়,ইয়াত মাননীয় অধ্যক্ষ মহোদয়ৰ তৎপৰতাত যিটো চাৰিদিনীয়া আলোচনা অনুষ্ঠিত হ'ল, ইয়াত যি ২৭০ৰ ওপৰত সমস্যা আমি নোট কৰিছিলোঁ। কিন্তু অধ্যক্ষ মহোদয়ে নিজেই কৈছে যে সকলোবোৰ Justified নহয়। কিন্তু কেইটামান Justified point খুব আছে যি কেইটা আমাৰ চৰকাৰে বিবেচনা কৰিব লাগিব। যেনেকৈ মই ২০১০ চনৰ DISE Code যিটোৰ কথা ক'লো যে এই Code টো ২০১০-১১ চনলৈ ধৰিব লাগে। যিহেতু চৰকাৰে তেওঁলোকে এপ্লাই কৰাৰ পিছতো দিব পৰা নাছিল। এই স্কুলসমূহ আগৰ পৰা চলি আছে আৰু তেওঁলোকৰ অন্যান্য তথ্য-পাতি সমূহ আছে। তাৰ পিছত আৰু এটা কথা যে নতুন প্ৰভিঞ্চিয়েলাইজ এক্টত চৰকাৰে কৈছে যে যিবোৰ স্কুল After 1.1.2006 issue হৈছে, তেওঁলোকক Restropective Application effect date টো আগত আছে সেইটো

ধৰা নহ'ব। তেনেহ'লে আমি এই প্ৰশ্নটো কৰিব পাৰিম। যে যিখন বিল ২০১৭ চনত পাছ হৈছে সেই বিলখন আকৌ Restropective effect ইয়াত কেনেকৈ ইমপ্লিমেণ্ট হ'ল যিহেতু আমি ২০০৬ চনৰ আগৰ খিনি কণ্ট্ৰোল কৰি আছোঁ। এইটোও তো Restropective effect. এই কথাটো তপণ গগৈ ডাঙৰীয়াই বাৰে বাৰে কৈছে যে effect date আগতে আছে যদিও issue date টো চহী কৰাটো অলপ দেৰী হৈছে। গতিকে এই কথা বিলাক চৰকাৰে অলপ চাব লাগে। আমি এইটো দাবী জনাইছোঁ। ইয়াৰ লগে লগে বিতাৰিত শিক্ষকৰ গ্ৰুপ এটা আহিছিল,যে তেওঁলোকে ৪/৫ বছৰ দৰমহা পালে ১৯৯৯ ৰ পৰা ২০০০ চনৰ ভিতৰত।তাৰ পিছত তাৰ পৰা তেওঁলোকক আকৌ বিতাৰিত কৰা হ'ল। তেওঁলোকে কিয় দৰমহা পালে আৰু আকৌ কিয় বিতাৰিত কৰিলে এই কথাটো চৰকাৰে বিবেচনা কৰিব লাগে। তাৰপিছত আৰু এটা Genuine Point আহিছিল যে ন্ন্নযসকল কম্পিউটাৰ শিক্ষক আছিল, তেওঁলোকৰ পোষ্টবোৰ regularise কৰা হোৱা নাই আৰু বৰ্তমান যুগত আমি য'ত digitalise India কৰিব গৈ আছোঁ, তাত কম্পিউটাৰ শিক্ষাটো প্ৰত্যেকখন স্কুলত বাধ্যতামূলক কৰিব লাগে। কাৰণ digitalise India ৰ সপোন কেৱল মাত্ৰ ৰাজনৈতিক সভাত বক্তব্যৰ মাজত সীমাবদ্ধ ৰখা নহ'ব। গতিকে কম্পিউটাৰ শিক্ষকসকলক ৰেগুলাৰ কৰিব লাগে আৰু য'ত কম্পিউটাৰ শিক্ষক নাই, তাত দিবৰ কাৰণে আমি জনাইছোঁ। তাৰ লগে লগে আৰু এটা গ্ৰুপ আমাৰ ইয়াত আহিছিল যিসকল স্বামী-স্ত্ৰী বেলেগ আহিছিল, যিসকল স্বামী-স্ত্ৰী বেলেগ বেলেগ জিলাত কাম কৰি আছে। তেওঁলোকে এটা দাবী কৰিছিল যে স্বামী-স্ত্ৰী যদি বেলেগ বেলেগ জিলাত আছে, তেওঁলোকক একেখন জিলাত নিয়োগ কৰিব লাগে। যিকোনো এজনক আন এজনৰ জিলাত আনিব লাগে। এই সম্পৰ্কত এটা নিয়ম ২১-০৫-১৯৮৭ চন চৰকাৰী ৰুলত আছে, মই চাইছো। গতিকে দুজনে বেলেগ বেলেগ জিলাত থাকিলে এখল জিলাতে থাকি দুয়োজনক কাম কৰাৰ সুবিধা দিব লাগে। এই ক্ষেত্ৰত চৰকাৰৰ টকা-পইচাৰ খৰছ নহয়। গতিকে এইটো চাব লাগে।

ইয়াৰোপৰি, মাননীয় অধ্যক্ষ মহোদয়, যিসকল সংগীতৰ শিক্ষকে বহুদিন ধৰি কাম কৰি আছে, তেওঁলোকৰ অধিকাংশই মহিলা হয়। গতিকে R.T.Act মতে এই ক্ষেত্ৰত মহিলা সকলক অগ্ৰাধিকাৰ দিব লাগে। তেতিয়া তেওঁলোকেও এটা সুবিধা পাব।

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা অতি গুৰুত্বপূৰ্ণ কথা হ'ল- নতুন এক্ট ইমপ্লিমেণ্টেশ্যন মতে যিটো ষ্টাফ পেটাৰ্ণ দিয়া হৈছে সেই মৰ্মে এম,ই স্কুল বিলাকত ৩ টাকৈ পোষ্ট দিয়াৰ কাৰণে ইতিমধ্যে তেওঁলোকে বিবেচনা কৰি আছে। এই তিনিটা পোষ্টৰ ভিতৰত হেড মাষ্টৰ,হিন্দী আৰু আৰবী পদত শিক্ষক লোৱা নাই। মাত্ৰ ইংৰাজী, সমাজ অধ্যয়ণ আৰু বিজ্ঞান-গণিত বিষয়ৰ শিক্ষক লোৱাৰ বাবে বিবেচনা কৰি থকা বুলি আমি জানিব পাৰিছোঁ। এতিয়া আমাৰ কথা হ'ল- হিন্দী, আৰবী, কলা আদি যিখিনি শিক্ষা আছে, এইখিনি কিন্তু যিকোনো শিক্ষকে পঢ়াব নোৱাৰে। বিশেষভাৱে সেই বিষয়টোৰ ওপৰত **অৰ্হতা** থাকিব লাগিব। গতিকে এই হিন্দী, আৰবী, কলা অৰ্হতাযুক্ত যিখিনি ছাত্ৰ আছে, তেওঁলোকক যদি নিযুক্তি দিয়া নাযায, তেওঁলোকক বঞ্চিত কৰা হ'ব। ইয়াৰ আগতে যিমান এম,ই,স্কুল, এম,ই, মাদ্ৰাছাবিলাক প্ৰভিন্সিয়েলাইজ হৈছিল, তাত এম,ই , স্কুলত হিন্দী,ইংৰাজী,সমাজ অধ্যয়ণ, অসমীয়া, গণিত-বিজ্ঞান আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী এজন আছিল আৰু এম,ই, মাদ্ৰাছাত আছিল **৬** জন শিক্ষক আৰু এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী। এতিয়া

সেই অনুপাতে দিব লাগে। যদি বিষয় হিচাপে শিক্ষক বিলাক লোৱা নহয়, তেতিয়া হিন্দী,আৰবীৰ দৰে বিষয়বোৰ পঢ়োৱাত বাধাৰ সৃষ্টি হ'ব। গতিকে অধ্যক্ষ মহোদয়, এইটো কৰিলে কথাটো জাষ্টিফাইড নহ'ব। সেয়েহে বিষয়টো মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিলোঁ।

অধ্যক্ষ মহোদয়, ভেঞ্চাৰ স্কুলৰ পৰা অৱসৰ লোৱাৰ সম্পৰ্কত যোৱা ২০১১ আৰু ২০১৭ চনৰ বিল যেতিয়া পাছ হৈছিল মই দুয়োবাৰে এমেণ্ডমেন্ট দিছিলোঁ যে- যি সকলে ২০, ২৫, ৩০ বছৰ ভেঞ্চাৰ স্কুলত কাম কৰিলে আৰু প্ৰভিন্সিয়েলাইজেশ্যনৰ আগে আগে তেওঁলোকে অৱসৰ লবলৈ গৈ আছে, তেওঁলোকক অন্তত সহানুভুতিশীল হিচাপে এটা এককালীন সাহায্য দিয়াৰ ব্যৱস্থা কৰিব লাগে যিহেতু তেওঁলোকে পেঞ্চন নাপায়। গোটেই জীৱনটো উচৰ্গা কৰি এটা শিক্ষানুষ্ঠান গঢ় দি থৈ গ'ল। গতিকে অধ্যক্ষ মহোদয়, তেওঁলোকক যাতে এটা এককালীন সাহায্য দিয়াৰ ব্যৱস্থা কৰে তাৰ বাবে মই পুনৰ চৰকাৰক দাবী জনাইছো।

ইয়াৰ উপৰিও অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছোঁ যে- ডি,এন,ই,ডি বা পি,এছ,টি,ইৰ ট্ৰেইনিং যিবিলাকে লৈ থৈছে , তেওঁলোকক নতুন চাকৰিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিব লাগে। দৰকাৰ হ'লে তেওঁলোকৰ লগতে যিসকল সংযোগী শিক্ষাকৰ্মী, এডুকেশ্যন ভলন্টিয়াৰ আদি আছে, তেওঁলোকৰ এটা স্পেচিয়েল 'টেট' পাতি হ'লেও তেওঁলোকক নিযুক্তি দিবৰ বাবে চৰকাৰক অনুৰোধ কৰিছোঁ।

অধ্যক্ষ মহোদয়, ঠিকাভিত্তিক শিক্ষক সকলৰ পদটো নিয়মীয়া কৰা হোৱা নাই। যিহেতু তেওঁলোকক এটা প্ৰতিযোগিতাৰ ভিত্তিত এছ,এম,বি,চি য়ে বহু আবেদনকাৰীৰ ভিতৰত মেধাৰ ভিত্তিত নিযুক্তি দিছিল, এই ক্ষেত্ৰত চৰকাৰে দায়িত্ব সহকাৰে এটা পদক্ষেপ লোৱাৰ বাবে দাবী জনাইছো । মাননীয় অধ্যক্ষ মহোদয়, ২০১১ চনৰ আইন মতে আমাৰ জুনিয়ৰ কলেজত ৮ টাকৈ পোষ্ট জ্যেষ্ঠতাৰ ভিত্তিত লোৱা হৈছিল। সেয়েহে কিছুমান জুনিয়ৰ কলেজত ইংৰাজী আৰু অসমীয়াৰ পদ বাদ পৰি গ'ল কাৰণ জ্যেষ্ঠতাৰ ক্ষেত্ৰত তেওঁলোকে ৮ টাৰ পিছত আছিল। সেয়েহে যিবিলাক বিষয়ত ৮০,৯০ বা ১০০ লৈকে ছাত্ৰ আছে, সেই শিক্ষক সকল বাদ পৰি গ'ল। গতিকে সেই শিক্ষক সকলক সোনকালে লোৱাৰ ব্যৱস্থা কৰাৰ লগতে যি সকল এম,ফিল ডিগ্ৰী থকা শিক্ষক আছে, ২০১০ চনৰ ইউ,জি,চি ৰুল মতে তাত কোৱা হৈছিল - কলেজৰ এচিচটেন্ট প্ৰফেছৰৰ কাৰণে এন,ই,টি আৰু এছ,এল,ই,ট বাধ্যতামূলক। এন,ই,টি - এছ,এল,ই,ট - এম,ফিল - পি,এইচ,ডিৰ কাৰণে কেইটামান ক্ৰাইটেৰিয়া দিছিলে। আকৌ ইউ,জি,চি ,ৰ ২০১৬ চনৰ থাৰ্ড আৰু ফ'ৰ্থ ৰেগুলেশ্যনমতে সিদ্ধান্ত লোৱা হৈছিল যে- যি সকলে২০০৯ চনৰ ১১ জুলাইৰ আগত পি,এইচ,ডি, আৰু এম,ফিল সম্পূৰ্ণ কৰিছিল তেওঁলোকক পৰৱৰ্তী এছ,এল,ই,টিৰ পৰা ৰেহাই দিব লাগে। আমাৰ ৰাজ্যত এতিয়ালৈকে ইমপ্লিমেন্ট কৰা হোৱা নাই। কিন্তু অধ্যক্ষ মহোদয়,২০০৯ ৰ আগত এম,ফিল কৰা ২৬৫ জনমান ছাত্ৰক নেট আৰু শ্লেট নোহোৱাকৈ নিযুক্তি দিয়া হৈছিল আৰু বাকী ৮৭ সংখ্যক এতিয়াও বাদ পৰি আছে। কেইজনমানক লোৱা হ'ল আৰু কেইজনমানক লোৱা নহ'ব। গতিকে এইটো এটা ইনজাষ্টিচ হৈছে। যিহেতু ইউ,জি,চিৰ থাৰ্ড আৰু ফ'ৰ্থ ৰেগুলেশ্যনত এই কথাটো আছে, গতিকে আমি চৰকাৰক দাবী কৰিছো - এম,ফিল থকা যি সকল ছাত্ৰ বাদ পৰি আছে তেওঁলোকক যাতে অতি সোনকালে নিযুক্তি দিয়া হয়।

ইয়াৰ উপৰিও মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা দাবী আছিল, এম,ভি, স্কুলবিলাক ক্লাচ ওৱানৰ পৰা এইটলৈকে চলি আছে, তাত ৪জন,৫জন, ৬জন এনেকুৱা ধৰণে শিক্ষক

আছে। গতিকে ক্লাছ হিচাপে শিক্ষক বহুত কম। গতিকে এই স্কুল বিলাকত শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। এই স্কুলবিলাক ব্ৰিটিছৰ আমোলতে কৰা হৈছিল ,তাৰ পিছৰপৰা আৰু এম,ভি স্কুল কৰা হোৱা নাই। গতিকে এই স্কুলবিলাকৰ আন্তঃগাঁঠনি উন্নত কৰিব লাগে আৰু খালী হৈ থকা পদসমূহ পূৰণ কৰিব লাগে। তেওঁলোকে লাইব্ৰেৰী এটা দিয়াৰ কাৰণে দাবী জনাইছে, এইটো দিব লাগে। তেওঁলোকে চিনিয়ৰিটি বেছিছত প্ৰম'চন পোৱাটো বিচাৰিছে, কিন্তু এইটো হৈ থকা নাই বুলি কৈছে। যদি হোৱা নাই, চৰকাৰে পৰীক্ষা কৰি জ্যেষ্ঠতাৰ ভিত্তিত প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পিছত আৰু এটা দাবী আহিছিল যে text book reform কৰিব লাগে। বিশেষকৈ M V School ৰ পৰা আহিছিল। M V School যিবিলাক ক্লাছ ৱান টু - প্লাছ এইট চলি আছে । তাত কিন্তু ৪ জন - ৫ জন -৬ জন teacher আছে - ৯ টা class আছে অধ্যক্ষ মহোদয়, এই ৯ ক্লাছত মাত্ৰ ৪-৫জন teacher আছে। সেইবিলাক স্কুলৰ আন্তঃগাঁথনিবিলাক বৃটিছ আমোলত কৰা হৈছিল। তাৰ পিছত এম ভি স্কুল কৰা হোৱা নাই। অসমত কেইখন মান বিদ্যালয় আছে বৃটিছৰ সময়ৰে। গতিকে এই বিল্ডিং বিলাকো তেতিয়াৰে, half wall আছিল । গতিকে এই আন্তঁগাথনিবিলাক উন্নত কৰিব লাগে। আৰু এটা কথা মহোদয়, তাত বাকী থকা পোষ্টবিলাক fill up কৰিব লাগে। তেওঁলোকে লাইব্ৰেৰী এটা দিয়াৰ বাবে দাবী কৰি আছে। এইটো তেওঁলোকৰ genuine দাবী। তাৰ লগতে তেওঁলোকে promotion seniority basis ত হৈ থকা নাই বুলি দাবী কৰি আছে। যদিও promotion seniority basis ত হোৱা নাই বুলি কৈছে। যদি হোৱা নাই চৰকাৰে পৰীক্ষা কৰি উচিত ব্যৱস্থা কৰিব লাগে। আৰু এটা গুৰুত্বপূৰ্ণ আমাৰ সমস্যা হৈছিল সেইটো হ' ল medium teacher । ইয়াত বাংলা মাধ্যম বিদ্যালয়ত অসমীয়া মাধ্যমৰ শিক্ষক নিযুক্ত কৰি থৈ দিছিলে । বড়ো মাধ্যমৰ বিদ্যালয়ত অসমীয়া বা বাংলা মাধ্যমৰ বিদ্যালয়ত অসমীয়া শিক্ষক দি থৈ দিছে। গতিকে সেই শিক্ষক সকলক যাতে list কৰি অসমীয় মাধ্যমৰ স্কুলত অসমীয়া শিক্ষক , বড়ো মাধ্যমত বড়ো শিক্ষক, বাংলা মাধ্যমৰ স্কুলত বাংলা শিক্ষক অনা হয় , এই ব্যৱস্থাটো সোনকালে কৰিব লাগে। শিক্ষকসকলে আৰু এটা দাবী কৰিছে যে তেওঁলোকক মধ্যাহ্ন ভোজনৰ দায়িত্বৰ পৰা অব্যাহতি দিব লাগে। এইটো গুৰুত্বপূৰ্ণ অধ্যক্ষ মহোদয়। বজাৰ কৰা , খৰি কিনা, ৰান্ধনিক পইছা দিয়া, আকৌ ভাত হৈছেনে নাই এইবিলাক চোৱা চিতা কৰা। আকৌ কিছুমান single teacher আছে, তেওঁলোকে পঢ়াই থকাৰ লগতে আকৌ ভাত খুৱাৰ লাগে। গতিকে শিক্ষকজনে পঢ়াব নে এই বজাৰ বিলাক কৰিব , এইটো সঁচা কথা । গতিকে এইবিলাক NGO বা অন্য agency ক দিও কৰিব পৰা যায়। শিক্ষকক শিক্ষা দানৰ বাবেহে ৰাখিব লাগে। আৰু য'ত R T E Act কৈছে যে শিক্ষক সকলক অন্য কোনো দায়িত্বত নিয়োজিত কৰিব নোৱাৰিব। except census duty , election duty এনেকুৱা ডিউটি বাদে অন্য কোনো দায়িত্বত নিয়োজিত কৰিব নোৱাৰিব। RTI Act ৰ কথাটো কৈছে গতিকে সেই কথাটো ৰাজ্য চৰকাৰে মানিব লাগিব। তাৰ পিছত টেক্সবুক বিতৰণৰ ক্ষেত্ৰত এনেকুৱা খেলিমেলি হৈছে যে Free Text Book পোৱা এনেকুৱা বিদ্যালয়ত পোৱা নাই বিশেষকৈ যিবিলাক recognized । Free Text book দিয়াত আৰু এটা সমস্যা হৈছে সভাপতি মহোদয়, Free Text book যদি নিদিলেহেঁতেন। তেনেহ'লে ভাল আছিল বজাৰৰ পৰা কিনিব পাৰিলেহেতেন। এতিয়া Free Text book Government এ দিয়া বাবে বজাৰতো নাই। এতিয়া provincialised স্কুলবিলাকত দিয়া হৈছে আৰু যিবিলাক recognized, af-

filiated সেইবিলাকত দিয়া নাই, কাৰণ চৰকাৰৰ পৰাও নাপায় বজাৰতো নাপায়। এতিয়া লৰা ছোৱালীবিলাক কিতাপ নোহোৱাকৈয়ে পঢ়িব লগা হৈছে। হয়তো চৰকাৰে বিনামূলীয়া কিতাপ সোনকালে যোগান ধৰক নতুবা বজাৰত উপলব্ধ কৰক । বড়ো সাহিত্য সভাই এটা গুৰুত্বপূৰ্ণ দাবী কৰিছিলে যে স্কুলবিলাকত এজন sports teacher দিব লাগে। গতিকে বড়ো সাহিত্য সভাৰ এই genuine দাবীটো আমি ৰাখিছোঁ। স্পৰ্টছ্ টিছাৰ এজনকৈ দিলে ভাল হ'ব , যেনেকৈ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে যেনেকৈ এটা কৈছে। local resource যিখিনি আছে অসমত তাৰ ওপৰত বেছ্ কৰি কিছুমান school, college বা university কৰিব লাগে। এইটো এটা গুৰুত্বপূৰ্ণ আবেদন। আমি চৰকাৰক আবেদন জনাইছোঁ। তাৰ পিছতে Moral education ত নীতি শিক্ষা, চৰিত্ৰ পাঠ , এনেকুৱা course আমি পাইছিলোঁ। স্কুলত বৰ্ত্তমান এইবিলাক উঠাই দিছে। Moral education, নীতিশিক্ষা চৰিত্ৰ পাঠ মহাপুৰুষৰ জীৱনী এইবিলাক নথকা বাবে বৰ্ত্তমান যিটো যুব উশৃংখলতা মাননীয় সভাপতি আপুনি দেখিছে যে এই কেইদিনত কিমান উশৃংখলতা জঘন্য অপৰাধমূলক কাম কাজ হৈ আছে। কিছু শিক্ষিত লৰাইও কৰি আছে । moral education বা চৰিত্ৰ পাঠ এইবিলাক শিক্ষা দিয়া হোৱা নাই । এই কথাটোত আমি দাবী জনাইছোঁ তাৰ লগতে শিক্ষা বিভাগৰ বহু পদ খালি হৈ আছে। আমাৰ বিভিন্ন শিক্ষক এলপি, এম ই, হাই স্কুলত আছে । এইবিলাক অতি সোনকাল পোষ্টবিলাক পুৰণ কৰিব লাগে। বিভিন্ন শিক্ষকৰ পদসমূহ অতি সোনকালে পোষ্টবিলাক পুৰণ কৰিব লাগে আৰু গ্ৰেজুৱেট টিছাৰসকলে গ্ৰেড পে দাবী কৰিছে এইটো Geneuine দাবী আৰু Equal dignity for amalgamated Schools। তাৰ মানে amalgamated স্কুলত যিবিলাক lower section upper primary School আৰু Lower primary School আৰু হাই স্কুল amalgamated হৈছিল । হাইস্কুলত টিছাৰ বিলাকে এটা special treatment পায় বা যিটো previlege পায়। যিখিনি এম ই স্কুলৰ পৰা আহিছে same rank ত হ'লেই বা graduate হ'লেও তেওঁলোকে আকৌ promotionৰ ক্ষেত্ৰত বা বিভিন্ন ক্ষেত্ৰত তেওঁলোকক অলপ underestimate কৰা হয়। গতিকে তেওলোকে এনেকুৱা এটা দাবী কৰিছে যাতে এনেকুৱা guideline চৰকাৰৰ থাকিব লাগে যাতে equal treatment পায়। আৰু তাৰ লগতে Grade- IV পোষ্টটো বহু স্কুলত নাই এইটো ল'ব লাগে । নতুন আইনৰ যিটো scrutiny হৈ আছে তাত Grade- IV টো লোৱা হোৱা নাই। মাত্ৰ ৩ জন teacher for ME school consider হৈ আছে। তাত েGrade- IV টো include কৰিব লাগে। তাত হিন্দী , আৰবী টিছাৰ সেইবিলাকো লগতে include কৰিব লাগে । তাৰ পিছতে apply কৰা যিটো age limit আছে , ইতিমধ্যে ৰাজ্য চৰকাৰে সেইটো ৪৪ বছৰ কৰিছে। কিন্তু কিছুমান TET Teacher ৰ বয়স পাৰ হৈ গৈছে তেওঁলোকে apply কৰিব নোৱাৰে। গতিকে সেই apply কৰা বয়সটো অন্য Department ৰ নিচিনা ৪৪ কৰিব লাগে সেইটো এটা তেওঁলোকে দাবী কৰিছে। চৰকাৰে সেইটো বিবেচনা কৰিব লাগে বুলি আমি কৈছোঁ। আৰু টেট টিছাৰ সকলে এটা pay protection দাবী কৰিছে তেওঁলোকে secured ফিল কৰা নাই । তেওঁলোকে পে protection টো ensure ৰ কৰিব লাগে। আৰু Madrassa Tet , ২০১৬ চনত হৈছিল এই মাদ্ৰাছা টেটত যিসকলৰ qualify ই কৰিছিল ২০ হাজাৰতকৈ অধিক। তেওঁলোকক এতিয়ালৈকে appointment দিয়া হোৱা নাই অধ্যক্ষ মহোদয়, বহুতে হয়তো নাজানে মাদ্ৰাছা টেটৰ পৰীক্ষা হৈছিল। তাত বহুত ST-SC সকলো Caste Community ৰ ছাত্ৰবিলাক উত্তীৰ্ণ হৈছিল । গতিকে

তেওঁলোকে এই ২০ হাজাৰতকৈ অধিক পাছ কৰা খিনিৰ জৰিয়তে মাদ্ৰাছাবিলাকত vaaency fill up কৰা নাই। অন্য যিবিলাক এল পি , এম ই যিবিলাকত recruitment কৰা হয়, তেতিয়া কোৰা হয় যিসকলৰ Lower primary TET, Upper Primary TET হাইস্কুল টেট বা শিক্ষা মিত্ৰ টেটত উত্তীৰ্ন হৈছে তেওঁলোকে এপ্লাই কৰিব পাৰিব। কিন্তু মাদ্ৰাছা টেটত যিসকলে উত্তীৰ্ণ হৈছে তেওঁলোকে apply কৰিব নোৱাৰে। তাত all community , all caste ৰ candidate আছে । তেওঁলোকে কৈ আছে, আমিওতো টেটত পাছ কৰিছোঁ। যদি এল পি স্কুলত, এম ই স্কুল টেটত, হাইস্কুল TET ত তেওঁলোকে এপ্লাই কৰিব পাৰে। আমিও same English , Assamese , Science , Mathematicsৰ curriculam কৰিছোঁ আমাক Chance কিয় নিদিয়ে। এইটো এটা discrimination হ'ব সভাপতি মহোদয়। এইটো চৰকাৰৰ দৃষ্টিগোচৰ কৰিলোঁ। তাৰ পিছত illegal irregular বুলি কিছুমান ৩৮১৩ জন শিক্ষকক দৰমহাৰ পৰা বঞ্চিত কৰি ৰখা হৈছে। এই কথাৰ ক্ষেত্ৰত আমাৰ কিছুমান বিষয়া কৰ্মচাৰী দায়ী হৈ আছে। এই বিষয়া কৰ্মচাৰী post sanction হৈছে যদি ২০০ টা তেওঁলোকে appointment দিছে ৫০০ টা। কেইদিনমান দৰমহা দিয়াৰ পিছত দেখিলে excess ৩০০ আহি গ'ল। তেতিয়া গৰ্ভমেন্টে এটা Enquiry দিলে । এতিয়া কোন ২০০ original কোন ৩০০ একচেজ এতিয়া গৰ্ভমেন্টে উলিয়াব নোৱাৰিলে। তাৰ পিছত গৰ্ভমেন্টে অৰ্ডাৰ কৰিছে যিমান হৈ গ'ল illegal list দিয়া , আমি আকৌ আমি তেওঁলোকক hand over কৰিম। তাৰ পিচত লিষ্টবিলাক পঠাইছে। তেতিয়া হৈ গ'ল ১২০০ সেই তেতিয়া আকৌ কেচকাল লাগিল। চৰকাৰে আকৌ অৰ্ডাৰ কৰিছে যে, ১২০০ ক আমি লৈ লওঁ লিষ্টটো দিয়া। সেই লিষ্টখন district বিলাকে পঠাওঁতে হৈ গ'ল ৩৮১৩ । তাৰ মানে এই কামবিলাক আমাৰ office ৰ officer বিলাকে কৰিছে। ৩৮১৩ গৰাকী এতিয়ালৈকে বাদ পৰি আছে। প্ৰথম ২০০ৰ ভিতৰত যিসকল আছিল তেওঁলোকো বাদ পৰি আছে। গতিকে চৰকাৰে এইটো দৃষ্টিগোচৰ কৰিব লাগে। তাৰ পিচত এল পি স্কুলত third post লোৱা হোৱা নাই। এম ই স্কুলৰ, dropped teacher ড্ৰপ হৈ আছে। Science teacher compulsory এম ই স্কুলত কিন্তু ফৰ্ম বি কিছুমান provincialised হোৱা স্কুলত ফৰ্ম বিৰ নামত কিছুমান বাদ পৰি আছে। অতি সোনকালে চৰকাৰে এইখিনি ল'ব লাগে। আৰু residential special centre ত যিবিলাক শিক্ষক আছে তেওলোকৰ salary টা বঢ়াব লাগে । ইতিমধ্যে madrassa provincialised bill কৰা হ'ল সদনত হয়তো কালি আলোচনা কৰা হ'ব। কিন্তু মাননীয় সভাপতি মহোদয়, আমাৰ সংস্কৃত টোল বিলখন কিন্তু এতিয়ালৈকে অহা নাই। এই বিলখন যাতে অতি সোনকালে পাছ কৰে। তাৰ কাৰণে চৰকাৰক দাবী জনাইছোঁ। আৰু সভাপতি মহোদয়, যিখিনি সমস্যাৰ কথা ক'লো এইখিনি হোৱাৰ কাৰণটো যিটো বুজিলোঁ - এই টিছাৰ সকলক ইছু ডেটৰ নামত, ডাইছ পুৰোৱাৰ নামত যিমান বেছি পাৰি স্কুলবিলাকক ডিপ্ৰাইভ কৰা। কাৰণ সভাপতি মহোদয়, যিহেতু আমাৰ পুঁজি কম সকলো স্কুল যদি লোৱা হয় তেনেহ'লে যিটো তেওঁলোকক দৰমহা দিব লাগিব, চৰকাৰে তেওলোকক ক'ৰ পৰা দৰমহা দিব? আমি যিটো বুজি পাইছোঁ সেই কাৰণে এক্টত চৰকৰে নতুন নতুন আইন বা criteria বিলাক আনি বেছিকৈ স্কুলবিলাকক ডিপ্ৰাইভ কৰিব বিচাৰিছে যাতে আমাৰ ফাইনেন্সিয়েল বাৰ্ডেনটো বহুত বেছি নহয়। কিন্তু এই ক্ষেত্ৰত Right to education Act violation হৈ আছে। মাননীয় সভাপতি মহোদয় এই কথাটো মই আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। Right to education Act ত আছে প্ৰতি ১ কি.মিত ১খনকৈ এল.পি স্কুল

৩ কি.মিত এখনকৈ এম.ই স্কুল, ৫ কি.মিত এখনকৈ হাই স্কুল আৰু ৭ কি.মিত এখনকৈ হায়াৰ চেকেণ্ডৰী স্কুল কৰিবই লাগিব। 6th month from this act এক্টখন পাছ হ'ল ২০০৯ চনত আৰু এতিয়া ২০১৮ চলি আছে। ৬ মাহৰ ভিতৰত প্ৰত্যেকে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছিল যাতে এই গেপ ক'তো নাথাকে। এতিয়া সেই গেপত , তাত যদি এখন ভেন্চাৰ স্কুল আছে সেইখন যদি চৰকাৰে লৈ লয় চৰকাৰে এখন নতুন স্কুল স্থাপন কৰাৰ সলনি এখন readymade স্কুল পাব । য'ত মাটি ল'ব নালাগে, বিল্ডিং বনাব নালাগে, infrastructure ত বেছি খৰছ কৰিব নালাগে ইতিমধ্যে বহুখিনি আছে। য'ত এই গেপত নতুনকৈ স্কুল কৰিবলৈ চৰকাৰ বাধ্য , কাৰন মাননীয় সভাপতি মহোদয় তাত এটা Justification আছে। এই venture school বিলাকৰ কাহিনী যদি আপুনি গম পায় ইমান দুখ লাগিব। এই স্কুল বিলাকত কোনোবা এজন শিক্ষকে পাঁচ বিঘা মাটি দিছে, ঘৰ বনোৱাৰ সম্পুৰ্ণ খৰছ তেওঁলোকে দিছিল। এই স্কুলখন আগুৱাই লৈ যোৱাৰ যিমান অফিচেয়েল খৰছ তেওঁলোকে দিছিল। এই শিক্ষকসকলে ২৫, ৩০ বছৰে কষ্ট কৰিলে, ঘৰ বনালে, মাটি দিলে আদি কৰি তেওঁলোক আজি শুদা হাতেৰে নিৰাশ হৈ বহি থাকিব লগা হৈছে। গতিকে আমি RTE Act ৰ জৰিয়তে যদি স্কুলবিলাক আমি লৈ লব পাৰো to maintain the distance, মই ভাৱো তেনেহলে এটা justification হ'ব। আৰু এটা কথা মাননীয় সভাপতি মহোদয়, RTE Act ত এই কথাটো স্পষ্টকৈ আছে যে এইটোৰ কাৰণে যিটো finance লাগিব, ৰাজ্য চৰকাৰে bear কৰিব লাগিব। আৰু যদি ৰাজ্য চৰকাৰে bear কৰিব নোৱাৰে, কেন্দ্ৰীয় চৰকাৰৰ পৰা requirement দি তাৰ পৰা পইচা লব লাগিব। কেন্দ্ৰীয় চৰকাৰে তাৰ কাৰণে দৰকাৰ হ'লে Finance Commission ক requirement দিব। Finance Commission য়ে sanction দিব । কিন্তু সমস্যা বিলাক কিমান জটিল, মই খুব কম সময়ৰ ভিতৰত শেষ কৰিব বিচাৰিছো। RTE Act মতে প্ৰত্যেকটো দফাত ৰাজ্য চৰকাৰৰ যিমান Finance লাগে, যদি নোৱাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা লব দিছে। কেন্দ্ৰীয় চৰকাৰে Finance Commission ক requirement দি হ'লেও এই কেইটা লব দিছে। আৰু within three months তেওঁলোকে যাতে কোনো student ৰ people যিটো ratio 1:30 পুৰা কৰিব দিছিল, এইটো ২০০৯ চনত পাছ হ'ল Act, ২০১৮ চনত। এতিয়ালৈকে বহুত single teacher school আছে য'ত ২০০, ৩০০ ছাত্ৰ -ছাত্ৰী আছে, এজন দুজন মাত্ৰ শিক্ষক। গতিকে এই কথাবিলাক আমাৰ চৰকাৰক দৃষ্টিগোচৰ কৰিলো আপোনাৰ জৰিয়তে আৰু যিহেতু Financial provision টো কেন্দ্ৰীয় চৰকাৰে কৈছে। কেন্দ্ৰীয় চৰকাৰৰ বাধ্য কৰিছে, ৰাজ্য চৰকাৰে যদি গোটেই কামখিনি কৰিবলৈ, ইমান স্কুল খুলিবলৈ, ইমান শিক্ষক লবলৈ, যদি ৰাজ্য চৰকাৰ সক্ষম নহয়। কেন্দ্ৰীয় চৰকাৰে Finance Commission ৰ পৰা পইচা লৈ হ'লেও দিব লাগিব। গতিকে এই কথাটো আমি ৰাজ্য চৰকাৰক অনুৰোধ জনাম যে যাতে ৰাজ্য চৰকাৰে আমাৰ অসমৰ ক'ত ক'ত কিমান স্কুল gap আছে, RTE Act মতে ক'ত ক'ত কিমান হাজাৰ স্কুল খুলিব লগা আছে, তাৰ কাৰণে কিমান requirement আছে, কিমান পইচা লাগিব। এই গোটেই খিনিৰ হিচাপতো কেন্দ্ৰীয় চৰকাৰক দাখিল কৰিলে, তেওঁলোকে নিশ্চয় নীতি আয়োগৰ পৰা এইখিনি দিবলৈ বাধ্য। গতিকে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে পুঁজিৰ অভাৱত যদি কামখিনি নকৰে তেনেহলে, আমি ভাবিম যে কেন্দ্ৰীয় চৰকাৰক এই Act ৰ জৰিয়তে পইচা দিয়াৰ কাৰণে ৰাজ্য চৰকাৰে বাধ্য কৰিব পৰা নাই।

মাননীয় সভাপতি মহোদয়, আপুনি বাৰে বাৰে ৰুলিং দি আছে, আচলতে সমস্যা ইমান বেছি যে দুই ঘণ্টা কৈ থাকিলেও শেষ নহ'ব। মই সদৌ শেষত আপোনাৰ জৰিয়তে ৰাজ্য চৰকাৰক

অনুৰোধ জনাইছোঁ যাতে এই কথাখিনি, লগতে আমাৰ মাননীয় সদস্য তপন গগৈ ডাঙৰীয়া, দেৱব্ৰত শইকীয়া ডাঙৰীয়াও কিছুমান ক'লে আৰু আমাৰ বহুত কথা মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত লিখিত ভাৱে আছে বা সেইবিলাক দিয়া হ'ব। অতি সোনকালে বিজ্ঞানসন্মত ভাৱে এটা সুস্থিৰ আৰু সুন্দৰ শিক্ষা নীতি যুগুত কৰিব লাগে। আমি কৈ থাকিম, মন্ত্ৰী মহোদয়ে উত্তৰ দি থাকিব, আমাক হয়তো বেয়া পাই যে বিধায়ক সকলে সদায় হেঁচা দি থাকে post regular কৰিব লাগে। আমি আচলতে সহযোগিতাৰে কাম কৰিব বিচাৰিছো, ৰাজ্য চৰকাৰৰ Financial অৱস্থাটো আমিও বুজি পাওঁ যে আমাৰ কিমান resource আছে। কিন্তু কথাটো আমি সেইখিনিৰ লগত মিলাই কেনেকৈ এটা শিক্ষা নীতি যুগুত কৰিম। যিটো শিক্ষা নীতিৰে আমি এই সমস্যা বিলাক সমাধান কৰি আৰু ভৱিষ্যতে যাতে এনেকৈ venture school বিলাক খুলিব লগা নহয়, শিক্ষকসকলৰ সমস্যা লৈ বাৰে বাৰে যাতে আমাৰ ঘৰলৈ আহি ঘূৰিব লগা নহয়। গতিকে শিক্ষানীতিটো লাগিলে এটা সদনে Expert Committee বনাই দিয়ক। যি কমিটিয়ে আমাৰ শিক্ষা বিভাগৰ বহি কিছুমান বিজ্ঞানসন্মত শিক্ষানীতি গঢ়ি তুলিব লাগে।

(মাননীয় অধ্যক্ষই সদন পৰিচালনা কৰে)

সদৌ শেষত এই শিক্ষানীতি এটা অতি সোনকালে গ্ৰহণ কৰি, তাৰ আধাৰতে সমস্যা বিলাক সমাধান কৰে। তাকে আপোনাৰ জৰিয়তে অনুৰোধ জনাই পুনৰ বাৰ আপুনি initiative লোৱাৰ কাৰণে আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য আমিনুল ইছলাম, আপোনাৰ যদি বাকী দুটামান point থাকি গৈছে, you just give me in written.

এতিয়া মই মাননীয় সদস্য শ্ৰী কমল সিং নাৰ্জাৰী।

**শ্ৰী কমল সিং নাৰ্জাৰী, বিজনীঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা হৈছে আমাৰ সমাজৰ মেৰুদণ্ড। শিক্ষাক বাদ দি আমি এখোজোঁ আগবাঢ়ি যাব নোৱাৰোঁ সমাজ খনৰ ক্ষেত্ৰত। আপুনি Sustainable Development Goals ৰ বাবে যিখিনি ব্যৱস্থা কৰিছে। সেই ব্যৱস্থা যদি আমি কাৰ্য্যকাৰী কৰিব লাগে, তেনেহ'লে আমি শিক্ষাৰ প্ৰতি বেছিকৈ গুৰুত্ব আৰোপ কৰিব লাগিব। এতিয়া কথাটো হৈছে, আমি বৰ্তমান যিটো পৰ্য্যয়ত বাস কৰি আছো, এই পৰ্য্যায়ত আমি যদি শিক্ষাখণ্ডক আগুৱাই লৈ যাব লাগে, অসমৰ যিটো সমাজ ব্যৱস্থা সেইটোক যদি আগবঢ়াই লৈ যাব লাগে, তেনেহ'লে আমি শিক্ষাৰ ক্ষেত্ৰত সকলো পৰ্য্যায়ত প্ৰতিটো জনগোষ্ঠীৰ মানুহৰ প্ৰতি আমি সদায় সম-মৰ্য্যদা প্ৰদান কৰি নিশ্চয় আগবাঢ়ি যাব লাগিব।

এই ক্ষেত্ৰত বহুখিনি কথাই আমাৰ সদস্য আমিনুল ইছলাম ডাঙৰীয়াই কৈ গ'ল, তাৰ মাজতেও মই কেইটামান কথা ক'ব বিচাৰিছোঁ। প্ৰথমতে আমাৰ zero teacher বুলি ক'লে নিশ্চয় আচৰিত হৈ উঠিব যে আজিৰ দিনত zero teacher কেনেকৈ থাকিল। অধ্যক্ষ মহোদয়, অসমীয়া মাধ্যমৰ স্কুল বিলাকত বড়ো মাধ্যম স্কুল introduce কৰা হৈছে। introduce কৰাৰ পিছত বড়ো মাধ্যম আৰু অসমীয়া মাধ্যম mix medium হৈ গৈছে। যাৰ ফলত অসমীয়া মাধ্যমত শিক্ষক দিয়াৰ পিছত বড়ো মাধ্যমত শিক্ষক দিয়া নহ'ল। যাৰ ফলত সেই স্কুল বিলাকত অসমীয়া শিক্ষকে যদিও বড়ো ভাষাতো নাজানিলেও, তেখেতৰ জৰিয়তে বড়ো মাধ্যমতো চলাই নিয়াটো আমাৰ দৃষ্টিগোচৰ হৈছে। তেনেকুৱা zero teacher থকা স্কুল এতিয়ালৈকে ওদালগুৰিত ২৪ খন, মাজবাটত ৪৫ খন, খৈৰাবাড়ীত ৯৬ খন। মুঠ ১৫৯ খন zero teacher থকা স্কুল বড়ো মাধ্যমত দেখিবলৈ পাইছোঁ। সেইটো আমাৰ শিক্ষা বিভাগে যদি সেই সমূহ স্কুলত শিক্ষক নিয়ুক্তি

দিয়াৰ ব্যৱস্থা কৰে, তাৰ বাবে অনুৰোধ জনাইছোঁ। RTE Act মতে zero teacher বা single teacher থকাটো দুৰ্ভাগ্যজনক । তাৰ পিছত দেখিছো single teacher ওদালগুৰিত **২৯** খন, মাজবাটত **১১** খন, খৈৰাবাড়ীত **১৫** খন, চিৰাং জিলাত **৬২** খন আৰু কোকৰাঝাৰত **১৮৪** খন আছে। মুঠ **৩০১** খন আছে। বড়ো মাধ্যম আৰু অসমীয়া মাধ্যম লগ লাগি যিখন এল পি স্কুল আছে, সেই স্কুল বিলাকত single teacher **৩০১** খন আছে। গতিকে মই অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছোঁ যে ইয়াৰ কাৰণে এটা ভাল পদক্ষেপ ল'ব লাগে। ইয়াৰ পিছত **২০১১** চনত আমাৰ যিমান স্কুল প্ৰাদেশীকিকৰণ হৈছে, এই স্কুলবিলাক প্ৰাদেশীকিকৰণ হৈ যোৱাৰ পিছত যিসকল তাত সহকাৰী শিক্ষক হিচাপে কৰ্মৰত হৈ আছিলে, তেওঁলোকক শিক্ষা বিভাগতে approval দিছিল প্ৰাদেশীকিকৰণ কৰিবৰ কাৰণে। recommendation ও দিয়া হৈছিল। তেনেকুৱা স্কুল গোটেই অসমত **৮৪** খন দেখা পাইছোঁ, এই **৮৪** খন স্কুল যাতে অতি সোনকালে প্ৰাদেশীকিকৰণ কৰাৰ ব্যৱস্থা কৰে। যদি সেই স্কুলবিলাক প্ৰাদেশীকিকৰণ কৰা হয়, তেন্তে নিশ্চয় আমি সেই স্কুল সমূহত **১৯৯২** চনৰ পৰা যিসকলে কৰ্মৰত অৱস্থাত আছে, তেওঁলোকক নিশ্চয় এটা সুবিচাৰ, ন্যায় দিয়া হ'ব বুলি মোৰ বিবেকে সেই কথাটো কৈছে।

তাৰ পিছৰত বদলিকৰণৰ ক্ষেত্ৰত যিবিলাক শিক্ষক বা কৰ্মচাৰী সকলে, স্বামী-স্ত্ৰী বেলেগ বেলেগ জিলাত কাম কৰি আছে। একেখন জিলাত আনি যদি কাম কৰাই বা তাৰ ব্যৱস্থা কৰি দিয়ে, তেন্তে তেওঁলোকৰ পৰা কৰ্ম দক্ষতা পাবলৈ সক্ষম হম। মই আপোনাৰ যোগেদি শিক্ষা বিভাগৰ মন্ত্ৰীক এইখিনি কৰিবলৈ অনুৰোধ জনাইছোঁ। মাননীয় অধ্যক্ষ মহোদয়, তাৰ পিছত ২০১১ চনত যিখন School Provincilazation Act বনোৱা হৈছিল, সেই আইনখন আকৌ ২০১৭ চনত নতুনকৈ আমি বিধান সভাত আনিছিলোঁ আৰু সেই Act খনত এটা কথা আছে যে যি বিলাক Upper Primary School ত মাত্ৰ তিনিজন Assistant Teacher ৰ দিয়া কথা কোৱা হৈছে, তাত প্ৰধান শিক্ষকৰ কথা উল্লেখ নাই, Hindi Teacher ৰ কথা কোৱা হোৱা নাই আৰু Classical Teacher ৰ কথা উল্লেখ কৰা হোৱা নাই। এইটো যদি মানে Hindi বা Classical Teacher ৰ প্ৰধান শিক্ষকৰ Post টো যদি 5+1 ত আনি দিয়া হয়, যেনেকৈ এই ব্যৱস্থাটো ২০১১ চনৰ আইনখনত আছিল। ২০১৭ চনৰ আইনখনতো যদি সেই একে Provision টো আনি দিব পৰা হয়, তেতিয়া হ'লে আমাৰ বিদ্যালয়ত SMDC য়ে যি নিয়ম কৰিছিল বিদ্যালয়ৰ কৰ্মৰত শিক্ষক বোৰৰ ক্ষেত্ৰত ন্যায় কৰা হ'ব। DISE Code ক্ষেত্ৰত বহুতে কৈ আছে, তপন কুমাৰ গগৈ ডাঙৰীয়াই কৈছে, শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়াই কৈছে, শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই কৈছে, সেই ক্ষেত্ৰত আমি চিন্তা-চৰ্চা কৰি সেই সময়ত যি সকল CRCC সকল আছিল, তেওঁলোতে ঠিক মতে DISE Code টো তেওঁলোকক দিব নোৱাৰা অৱস্থাত সৰ্বশিক্ষা অভিযান মিছনে তেওঁলোকে ঠিক মতে DISE Code ৰ ব্যৱস্থা কৰি দিব নোৱাৰাৰ ফলত কিছুমান বিদ্যালয় বাদ পৰি গৈছে। সেই বাদ পৰি যোৱাৰ ফলত ১-১-২০০৬ ৰ আগত তেওঁলোকে বিদ্যালয় বিলাক Establish কৰিছিল যদিও তেওঁলোকৰ বিদ্যালয়বোৰ অসম্পূৰ্ণ অৱস্থাত চলি আছে যদিও আমি তেওঁলোকৰ এতিয়াও সেই স্কুল প্ৰাদেশীকৰণৰ আওতাত আনিব পৰা নাই। এই DISE Code টোৰ ক্ষেত্ৰত যদি আমি Compromising attitude লৈ আগবাঢ়ি যাওঁ তেতিয়া অসমৰ যিটো শিক্ষাৰ সমস্যা এই সমস্যাটো নিশ্চয় সমাধান কৰিব পাৰিম। গতিকে এই ক্ষেত্ৰত আপুনি নিশ্চয় গুৰুত্ব সহকাৰে শিক্ষা বিভাগক এই কথাটো অৱগত

কৰাব মই আপোনাক অনুৰোধ কৰিছোঁ। ২০১৭ চনত যিখন Assam Venture School Provincialization Act আছিল সেই Act মতে এটা কথা কোৱা হৈছিল যে Excluding the Areas cover under the 6th Schedule Area যি তিনিখন আছে, কাৰ্বি আংলং, ডিমা হাচাও, আৰু BTC,তেওঁলোকৰ কাৰণে এখন বেলেগ Provincialization Act বনাবৰ কাৰণে দায়িত্ব দিয়া হৈছিল। সেই হিচাবে আমাৰ ৩খন যিটো 6th Schedule Area Territorial Council য়ে ইতিমধ্যে অসম চৰকাৰক, আমাৰ চৰকাৰখনক বাজেট সহকাৰে তেওঁলোকে Act খন প্ৰেৰণ কৰিছে। এতিয়া লৈকে কি অৱস্থাত আছে আমি Dark ত আছোঁ, আন্ধাৰত আছোঁ, গতিকে অধ্যক্ষ ডাঙৰীয়া, সুস্থিৰ ভাৱে আমাৰ এই Act খন অতি সোনকালে ২০১৮ চনৰ ভিতৰত যাতে এই ৩খন 6th Schedule Area ত সেই Act খন কাৰ্য্যকৰী কৰাকৈ ব্যৱস্থা যদি আপুনি হাতত লয়, তাৰ কাৰণে মই অনুৰোধ কৰিছোঁ। কাৰণ এই ক্ষেত্ৰত কোনো ধৰণৰ আলোপ আলোচনা কৰিবলৈ আমি দেখিবলৈ পোৱা নাই। কেবিনেটট কোনো ধৰণৰ আলোচনা হোৱাটো আমি দেখিবলৈ পোৱা নাই। কি ধৰণে এই Act বিলাক কাৰ্য্যকৰী কৰা হব সেইটো সম্পৰ্কত আমি এতিয়াও অন্ধকাৰত আছোঁ। আপোনাৰ তত্বাৱধানত কাৰ্বি আংলং, ডিমা হাচাও, আৰু BTC ত যিটো Education Act আছে সেইখন পাছ হৈ যায় তাৰ কাৰণে মই আপোনাক অনুৰোধ জনাইছোঁ। আমাৰ যিটো Vanture School Provincialization Act আছে,সেই Act খনক আমাৰ যোৱা ২০১৭ চনত যিটো আইন পাছ কৰা হৈছিল সেই আইনত এটা কথা কৈছিল যে 6th Schedule Area ক বাদ দি ২০১৭ চনৰ Provincialization Act খন বনোৱা হৈছে। আৰু তিনিটা 6th Schedule Area ক বেলেগ বেলেগ কৈ তেওঁলোকৰ মতে আইন বনাবলৈ দায়িত্ব দিয়া হৈছে, সেই মতে আইন বিলাক বনাই দিয়া হৈছে। কিন্তু আজিলৈকে সেই আইন বিলাক, চৰকাৰে অনুমোদন জনাবনে নজনাব বা যদি জনাইছে ও এই বিষয়ে আমি একেবাৰে অন্ধকাৰত আছোঁ আৰু বিভাগীয় ভাৱে সেই আইন বিলাকৰ কাৰণে কিমান খৰচ হ'ব আৰু তাৰ বাবে বাজেট এখন দিয়াৰ বাবে সেই ৩খন 6th Schedule Area ৰ দায়িত্ব দিয়া হৈছিল। আৰু সেই মতে সেই বাজেটখন ইতিমধ্যে প্ৰেৰণ কৰা হৈছে আৰু বাজেট দিয়া হৈছে। তথাপিও আমি আজিলৈকে এই বিষয়ে অজ্ঞ। গতিকে এই বিষয়টোৰ এটা সদুত্তৰ পাম বুলি আমি আশা কৰিছোঁ। তাৰ পিছত অধ্যক্ষ মহোদয়, আমাৰ অসমত কাঠফুলাৰ দৰে যিবোৰ Private School যিকোনো ঠাইতে Permission দি খুলিব দিয়াটো আমি দেখিবলৈ পাইছোঁ। কিন্তু এই ক্ষেত্ৰত চৰকাৰে অলপ লেকাম লগোৱাটো ভাল আৰু তাৰবাবে নিশ্চয় বিহীত ব্যৱস্থা গ্ৰহণ কৰিব। কাৰণ এই ব্যক্তিগত খণ্ডৰ বিদ্যালয় বোৰ খোলাৰ পিছত আমাৰ যিবোৰ চৰকাৰী প্ৰাদেশীকৃত LP School আছে, সেই বিদ্যালয় বোৰত আজিকালি আমি ছাত্ৰ-ছাত্ৰী দেখিবলৈ বহুত কম হৈছে। কাৰণ Gurdain সকলৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰত ল'ৰা ছোৱালী বোৰক পঢ়িবলৈ দিয়াৰ প্ৰৱনতাটো বৃদ্ধি পাইছে। গতিকে এই ক্ষেত্ৰত যদি আমি এই ব্যক্তিগত বিদ্যালয় খোলাৰ যিটো ব্যৱস্থা সেইটো যদি চৰকাৰে Control কৰে তেতিয়া হ'লে আমি কিছু পৰিমাণে হ'লেও নিশ্চয় সুফল পাম। আজি আমাৰ যি বিলাক দুখীয়া মানুহ আছে, যি সকলে দিন হাজিৰা কৰে তেওঁলোকৰ মনত এটা ভাৱ হৈছে যে আমাৰ লৰা ছোৱালী সকল এই চৰকাৰী বিদ্যালয়ত পঢ়ি বিশেষ লাভান্বিত নহ'ব । আৰু যিবোৰ ধনী ঘৰৰ লৰা ছোৱালী আছে তেওঁলোকে এই Private School ত পঢ়ি ভৱিষ্যতে একোজন ভাল

মানুহ হব, এই যিটো নিজকে হেয় প্ৰতিপন্ন কৰাৰ  মানসিকতা, গঢ়ি উঠিছে, এই মানসিকতাটো নিয়ন্ত্ৰণ কৰিবলৈ হলে আমি যধে মধে ব্যক্তিগত খণ্ডৰ বিদ্যালয় খোলাৰ ব্যৱস্থাটো নিয়ন্ত্ৰণ কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এইবাৰ এই বিষয়ত এখন বিল আহিছে।

**শ্ৰী কমল সিং নাৰ্জাৰী (মাননীয় সদস্য, বিজনী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, হয় এইবাৰ বিলখন আহিছে, আৰু এই বিলখনে নিশ্চয় যধে মধে Private School  খোলাটো নিয়ন্ত্ৰণ কৰিব, মই এইটো আশা  কৰিছোঁ। তাৰ পিছত  অধ্যক্ষ মহোদয়, আমাৰ High School বিলাকত যি সময়ত কোনো ধৰণৰ শিক্ষক নাছিল, সেই শিক্ষক নথকা সময়ত আমি DC ৰ Chairmanship ত বা SMDC  ৰ জৰিয়তে আমি সাক্ষাতকাৰ পাতি যিবোৰ শিক্ষকক নিযুক্তি দিয়া হৈছিল Contractual Basis ত কিন্তু তেওঁলোকৰ পদ বিলাক আজিলৈকে regularize কৰা হোৱা নাই, আমাৰ এইটো শ্ৰী তপন কুমাৰ গগৈ ডাঙৰীয়াই কৈছে, শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই কৈছে, শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়াই ও কৈছে,  মই এই কথাটো অনুৰোধ জনাম, যে তেওঁলোকৰ মাননীটো  ১৫হাজাৰৰ পৰা ২০ হাজাৰলৈকে বঢ়াই দিছোঁ যদিও এইটো ঠিক হোৱা নাই ।গতিকে তেওঁলোকৰ Post বিলাক regularize কৰি without any condition কৰিব পাৰোঁ তেতিয়া হ'লে ভাল হয়।

**মাননীয় অধ্যক্ষ** ঃ সেইটো মই বুজি পাইছোঁ, সেইটো আৰু Explain  কৰিব নালাগে অৰ্থাৎ তেওঁলোকক regularize কৰিব লাগে।

**শ্ৰী কমল সিং নাৰ্জাৰী (মাননীয় সদস্য, বিজনী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটোত মোৰ আশা থাকিল। তাৰ পিছত আমাৰ যিবোৰ Remote area ত প্ৰাদেশিকৃত হাইস্কুল বিলাক আছে সেই স্কুল বোৰক As per RTE Act উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰণৰ ব্যৱস্থা ল'ব লাগে। মই এই বিষয়ে ব্যাখ্যা নকৰোঁ কাৰণ সময়ৰ কথা আছে। তাৰ পিছত যি বিলাক Forest Village  বিদ্যালয়বোৰ আছে সেই বিদ্যালয়বোৰে বন বিভাগৰ পৰা NOC নোপোৱাৰ বাবে প্ৰাদেশিকৰণৰ পৰা বঞ্চিত হৈ আছে।

**মাননীয় অধ্যক্ষ** ঃ তাৰ  সংখ্যা কিমান ?

**শ্ৰী কমল সিং নাৰ্জাৰী (মাননীয় সদস্য, বিজনী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তাৰ সংখ্যা বহুখিনি আছে, মই আপোনাক তাৰ সঠিক সংখ্যা দিব নোৱাৰিলেও প্ৰায় ১০০খনৰ বেছি আছে তেনেকুৱা বিদ্যালয় আৰু সেই বিদ্যালয়বোৰ যাতে প্ৰাদেশিকৰণৰ আওতাত আনে তাৰ কাৰণে চৰকাৰে দায়িত্ব লব বুলি অনুৰোধ থাকিল। মোৰ সময় কম গতিকে এইখিনি কৈ আমাৰ BTC Area বা আন তিনিখন 6th Schedule Area ৰ কাৰণে আইন বনোৱা হৈছে, সেই আইনৰ ক্ষেত্ৰত যাতে এটা সু ব্যৱস্থা লোৱা হয় তাৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিছোঁ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য , ড° ৰণোজ পেগু । মাননীয় সদস্য আপুনি যিখিনি Point আগতে touch কৰিছে সেইখিনি  নকয় আৰু যিমান পাৰে Concise কৰিব।

**ড° ৰণোজ পেগু (মাননীয় বিধায়ক,ধেমাজি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ পৰা ১মাহ আগতে আপুনি এটা যি অভূতপূৰ্ব পদক্ষেপ লৈ ৪দিন ধৰি আমি অসমৰ শিক্ষা জগতৰ গোটেইখিনি সমস্যা বিধায়ক সকলৰ আগত অৱগত কৰাৰ কাৰণে বিভিন্ন সংগঠন আৰু শিক্ষক শিক্ষয়ত্ৰী বা ছাত্ৰ সংগঠন সমূহকো বক্তব্য দাঙি ধৰাৰ কাৰণে যি এটা সুযোগ দিলে আৰু তাৰে অচিলা লৈ

আজি বিধান সভাৰ মজিয়াটো দুটা দিন ধৰি অসমৰ শিক্ষা খণ্ডৰ সমস্যা বিলাকৰ আলোচনা কৰাৰ কাৰণে আৰু সমাধানৰ এটা পথ মুকলি কৰাৰ কাৰণে যি সুযোগ সৃষ্টি কৰিছে তাৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছোঁ। লগতে মই অসম চৰকাৰ আৰু বিশেষভাৱে শিক্ষা মন্ত্ৰীক ধন্যবাদ জনাব বিচাৰিছোঁ কাৰণ তেখেতে অসমৰ এই জটিল সমস্যাৰ এক স্থায়ী সমাধানৰ কাৰণে দুঃসাহসিক কিছুমান পদক্ষেপ গ্ৰহণ কৰিছে। আৰু যি পদক্ষেপৰ কাৰণে আমি সমস্যা সমূহ সমাধান হোৱাৰ এটা পোহৰ দেখা পাইছো। যোৱা এমাহ আগতে পোৱা আলোচনাত যিখিনি সমস্যা বিভিন্ন সংগঠন সমূহে দাঙি ধৰিছিল সেই সমস্যা সমূহ আজি সুন্দৰ ভাৱে মাননীয় বিধায়ক টপন গগৈ ডাঙৰীয়া, আমিনুল ইছলাম ডাঙৰীয়া, দেৱব্ৰত শইকীয়া ডাঙৰীয়াই দাঙি ধৰিছে। সেইখিনি মই পুনৰবাৰ ইয়াত দোহাৰিব নাযাও, পুনৰবাৰ মই উত্থাপন কৰিব নাযাও। কিন্তু ৪ টা দিন ধৰি আমি বিভিন্ন সংগঠনৰ আলোচনা সমূহ, তেওঁলোকৰ দাবি সমূহ, তেওঁলোকৰ বক্তব্য সমূহ শুনি তাত এটা কথা উপলব্ধি কৰিছিলো যে অসমৰ শিক্ষা খণ্ডৰ যি সমস্যা ৪ দিন ধৰি আমি আলোচনা কৰিলো। তাতে মূলত আমি শিক্ষক সকলৰ সমস্যা, নিয়োগৰ সমস্যাখিনিয়ে আটাইতকৈ বেছি প্ৰাধান্য পালে বা সেইখিনি কথায়ে আমি আলোচনা কৰিলো। অসমৰ শিক্ষাৰ সমস্যাটো এটা জটিল চাকনৈয়াত পৰিণত হৈছে, যিটো চাকনৈয়াত এফালে Right to Education Act. ভাৰত চৰকাৰৰ বিভিন্ন কৰ্ত্তৃত্বশীল প্ৰতিষ্ঠান, University Grant Commission, অসম চৰকাৰৰ শিক্ষা বিভাগ যিটো বিভাগৰ বিৰোদ্ধে বিভিন্ন অনিয়মৰ অভিযোগ সদায় আমি শুনি থাকিবলৈ পাও, কৰ্মৰত, আধা কৰ্মৰত প্ৰায় হাজাৰ লক্ষ্যাধিক শিক্ষক কৰ্মচাৰী আৰু এটা চাকৰিৰ কাৰণে, এটা সংস্থাপনৰ কাৰণে ব্যকুল হৈ থকা লাখ লাখ নিবনুৱা যুৱক-যুৱতী। এই সকলো তাৰ মাজত High Courtত চলি থকা অসংখ্যক Case আৰু High Court ৰ পৰা অসংখ্যক নীতি নিৰ্দেশনা, এই গোটেই বিলাকৰ মাজত এটা জটিল চাকনৈয়াৰ সৃষ্টি হৈছে আৰু তাত ওৱাদি নোপোৱা হৈ যাওতে ইয়াৰ সমাধান কোনফালে কেতিয়া কেনেকৈ হব। মোৰ মনলৈ এটা কথা আহে, মই বিভিন্ন সময়তো উত্থাপন কৰো বিভিন্ন মঞ্চত। যে যিকোনো এটা আঁচনি, যিকোনো এটা প্ৰকল্প তাৰ দুটা objective থাকে। এটা প্ৰধান আনটো গৌণ। এটা প্ৰকাশ্য আনটো শিদিল। মাছ পালনৰ কাৰণে যেতিয়া পুখুৰি এটা খন্দা যায় তেতিয়া তাৰ প্ৰধান উদ্দেশ্য হ'ল যে মাছ পালন কৰিব। মাছ পালন কৰি মাছৰ পৰা উৎপাদন হব, অৰ্থনৈতিক উন্নতি হব। কিন্তু মাছৰ কাৰণে সেই পুখুৰিটো খন্দা হব সেইটো এটা ঠিকা বা সেইটো এটা কাম। যিটো কাম কৰি তাৰ পৰা এটা লাভাংশ আদায় কৰা যায়। এতিয়া যদি মুখ্যটো গৌণ হৈ যায় আৰু গৌণটো যদি মুখ্য হৈ যায় তেতিয়া ঘটনাটো এনেকুৱা হৈ যাব যে তাত আৰু মাছ পালন কৰাটো তাত মুখ্য উদ্দেশ্য নহব, সেই পুখুৰী খন্দা ঠিকাটো মুখ্য উদ্দেশ্য হৈ যাব। এতিয়া আমাৰ বিভিন্ন শিক্ষা অনুষ্ঠান বিলাক আমি প্ৰতিষ্ঠা কৰা হৈছে, কৰিব বিচাৰিছো ভৱিষ্যতেও কৰিব লাগিব আৰু শিক্ষা অনুষ্ঠান প্ৰতিষ্ঠা কৰাৰ মূল লক্ষ্য কি বুলি কলে বা মূল উদ্দেশ্য কি বুলি কলে নিশ্চিত ভাৱে যে আমি আমাৰ ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰিব লাগে। কিন্তু তাৰ অন্য এটা অপ্ৰকাশ্য উদ্দেশ্য তাৰ মাজত অন্তৰ্নিহিত হৈ থাকে বা গৌণ এটা উদ্দেশ্য থাকে যে সেই শিক্ষানুষ্ঠানটো প্ৰতিষ্ঠা কৰাৰ লগে লগে তাত আমাৰ একাংশ মানুহ যিসকল তেওঁলোকৰ যোগ্যতা ভিত্তীত তেওঁলোকে নিযুক্তি পাব। এতিয়া ইয়াত যদি কথাটো ওলোটা হৈ যায় কোনো কোনো ক্ষেত্ৰত যে কিছুমান ব্যক্তিক সংস্থাপন দিয়াটো যদি প্ৰধান লক্ষ্য হৈ যায় আৰু ছাত্ৰ-ছাত্ৰীৰ শিক্ষাটো যদি গৌণ হৈ যায় তেনেহলে এনে শিক্ষানুষ্ঠানৰ দ্বাৰা আমি যিটো মহৎ উদ্দেশ্য শিক্ষাৰ সেই উদ্দেশ্য কেতিয়াও সফল হব নোৱাৰে। এনেকুৱা ঘটনাও কৰবাত ক'ৰবাত ঘটিছে, মই সকলোতে

ঘটিছে বুলি কব বিচৰা নাই। মই ভেঞ্চাৰ স্কুলৰ সমূহৰ প্ৰতি শ্ৰদ্ধা সহকাৰে, সন্মান সহকাৰে মৰ্য্যদা তেওঁলোকৰ প্ৰতি ৰাখি কাৰণ মই নিজেও এখন ভেঞ্চাৰ হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰিছো। মই যোৰহাটৰ শংকৰ দেৱ চেমিনেৰীৰ পৰা পাছ কৰিছো। যিখন স্কুল এখন ভেঞ্চাৰ স্কুল আছিল আৰু আমাৰ সেইখন স্কুলৰ পৰা পাছ কৰা। গাওঁ সমূহত যেতিয়া ঘূৰিছো, গাওঁ সমূহত ঘুৰোটে এটা কথা উপলব্ধি কৰিছো যে বহু অঞ্চলত এতিয়া এনেকুৱা হৈছে যে এটা সময় আছিল আমি ছাত্ৰ-ছাত্ৰীক পঢ়াবৰ কাৰণে শিক্ষক বিচাৰিব লগা হৈছিল। এতিয়া মোৰ সমষ্টিত মই আজি নাম নকাও মোৰ সমষ্টিত এনেকুৱা স্কুল ও আছে য'ত স্কুলখন চলাই থাকিবৰ কাৰণে ছাত্ৰ-ছাত্ৰী বিচাৰিব লগা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি শংকৰদেৱ স্কুলত পঢ়িছিল।

**শ্ৰী ৰনোজ পেগু ঃ** হয়।

**মাননীয় অধ্যক্ষ ঃ** One of the Best School of our Town. Mr. Biman Baruah Sir was a Idol for us.

**শ্ৰী ৰনোজ পেগু ঃ** এই সকলো বিলাক দিশ ৰাখি আমাৰ যি Right to Education Act. সেই Right to Education Act. ৰ অধীনত যি শিক্ষা ক্ষেত্ৰ যি প্ৰতি ১ কি.মিটাৰ ব্যসাৰ্ধৰ ভিতৰত আমি Minimum এখন আমাক প্ৰাথমিক বিদ্যালয় লাগে, ৩ কি. মি. ব্যসাৰ্ধৰ ভিতৰত এখন এম ই স্কুল লাগে আৰু ৫ কি.মি. ব্যসাৰ্ধৰ ভিতৰত এখন হাই স্কুল থাকিব লাগে। কিন্তু এতিয়া ১ কি.মি. ব্যসাৰ্ধৰ ভিতৰত যদি ৩ হাই স্কুল হয় চৰকাৰ খনে কি কৰিব? ১ কি.মি. ব্যসাৰ্ধৰ ভিতৰত যদি ৪ খন প্ৰাথমিক বিদ্যালয় থাকে আমি চৰকাৰ খনে কি কৰিব? এই প্ৰশ্নৰ মীমাংশাও আমাক একেটা সময়তে লাগিব আৰু ইয়াৰ মাজত এই কথাখিনি লগত ৰাখি যে এতিয়াৰ যি শিক্ষাৰ Provinicialize ৰ যিখন Act. আনিছে সেই Provinicialize ৰ Act. খনৰ জৰিয়তে যে এইখন Provinicialize ৰ লগে লগে কিন্তু Merge ৰ, একত্ৰিকৰণ বা চামিল কৰণৰ প্ৰক্ৰিয়াটো ইয়াৰ লগে লগে, সমানে সমানে আগ বাঢ়িব। এই কামখিনি কৰিবলৈ যাওঁতে মই যিহেতু চমু কৰিব লাগিব, এটা কথা কব বিচাৰো যে যেতিয়া আমি কামখিনি কৰিবলৈ যাওঁ, যাওঁতে শিক্ষানুষ্ঠান যি Provinicialization, তাক কেৱল এটা চৰকাৰী অনুষ্ঠান হিচাপে যদি আমি বিবেচনা কৰো এই শিক্ষাৰ সমস্যাটো সমধান কৰাৰ দায়িত্বটো একমাত্ৰ চৰকাৰৰ এনেকুৱা আমি যদি এটা দৃষ্টিভঙ্গিৰে ইয়াৰ সমধান কৰিব আগ বাঢ়ো তেতিয়াহলে কিন্তু ইয়াক আমি সমধান কৰিব নোৱাৰিম। শিক্ষানুষ্ঠানটো purely এটা চৰকাৰী অনুষ্ঠান নহয় ই একেটা সময়তে এটা সামাজিক অনুষ্ঠান। সেই সামাজিক অনুষ্ঠানটোৰ প্ৰতি সমাজ খনে, গাওঁ খনে, অঞ্চলটোৱে নিশ্চিত ভাৱে এটা দায়িত্ব পালন কৰিব লাগিব তেওঁলোক সজাগ সচেতন হৈ এটা পদক্ষেপ তেওঁলোকেও গ্ৰহণ কৰিব লাগিব। এটা সময়ত আজিৰ পৰা ২০ বছৰ, ৩০ বছৰ আগতে যেতিয়া আমি বিভিন্ন অঞ্চলত ভেঞ্চাল স্কুল সমূহ প্ৰতিষ্ঠা কৰাতো দেখিছিলো, সেই সময়ত সেইবিলাক একো একোটা আন্দোলন হিচাপে, একো একোটা সামাজিক আন্দোলন হিচাপে, অঞ্চলটোৰ আন্দোলন হিচাপে সেই স্কুল বিলাক প্ৰতিষ্ঠা কৰিছিল। সেই স্কুল খনৰ ঘৰ বনাবৰ কাৰণে থিয়েটাৰ পাতিছিল, হুচৰি মাৰিছিল, বিহু পাতিছিল বা বিভিন্ন ফাগুন পাতিছিল। তাৰোপৰি ৰাইজে তুলিমিলি দান বৰঙণিৰে সেই বিদ্যালয় সমূহ পাতিছিল। আজি সেই সংস্কৃ তিটো নাইকিয়া হৈ গৈছে, এনেকুৱা এটা সংস্কৃতি বহু ঠাইত গঢ় লৈ উঠিছে যে তোমাৰ নামটো স্কুলখনত আমি শিক্ষকৰ তালিকাত ভৰাই দিম তুমি এটা বৰঙণি দিব লাগিব। এতিয়া যদি সমাজ খনে গোটেই সেই পুনৰ আন্দোলনটো আমি যদি পুনৰ উৎজীৱিত

কৰিব পাৰো , কৰি এটা সামাজিক আন্দোলন হিচাপে যদি আনিব পাৰো তেনেহলে এই শিক্ষাৰ যিটো, আমাৰ চৰকাৰ খনে যিটো এটা পদক্ষেপ লৈছে, সাহসিক পদক্ষেপ লৈছে গোটেই শিক্ষাৰ ব্যৱস্থাটোক পুনৰ সংগঠিত কৰা এই কামটো তেতিয়াহে আমি সফল কৰিব পাৰিম, চৰকাৰ খনে অকলে কৰিব নোৱাৰে। যিখিনি আসোৱাক আঙুলিয়াই দিয়া হৈছে বা যিখিনি আমাৰ নাটনি আঙুলিয়াই দিয়া হৈছে প্ৰাদেশীকি কৰণ ২০১৭, এই আইন খনত, সেইখিনিৰো বহুতখিনি যুক্তি যুক্ততা আছে। সেই যুক্তি যুক্ততাখিনিত ময়ো অনুৰোধ জনাম যে চৰকাৰে এইখিনি বিচাৰ, মই পুনৰবাৰ সেইখিনি এক, দুই, তিনিকে মই

ভিত্তি বৰ্ষ হওঁক, Issue date, Affected, Dise Code এই গোটেই কথাখিনি মই চৰকাৰক বিচাৰ বিবেচনা কৰি চাবৰ কাৰণে অনুৰোধ জনাম। এটা কথা চৰকাৰ খনক মই নিৰ্দিষ্ট ভাৱে কব বিচাৰিম যে আজি কিছুমান অঞ্চলত শিক্ষানুষ্ঠানৰ সংখ্যাটো যি আমাৰ শিক্ষা ক্ষেত্ৰ সেই অনুপাতে বেছি যেনেকৈ আছে কিছুমান অঞ্চলত কিন্তু সেই শিক্ষা ক্ষেত্ৰৰ সেই নীতি মতে তাত শিক্ষানুষ্ঠান নাই। বিশেষকৈ চৰ অঞ্চল বিলাকত উজনি অসমৰ, মই নামনি অসমৰ কথা নাজানো, উজনি অসমৰ বহু চৰ-চাপৰি অঞ্চল আছে য'ত ৫ কি. মি., ১০ কি.মি. ব্যসাৰ্ধত ভিতৰতো এখন প্ৰাথমিক বিদ্যালয় নাই। গতিকে এই অঞ্চলবিলাকত selectively চৰকাৰে কিছু পদক্ষেপ গ্ৰহণ কৰিব লাগিব। আজি যদি কলেজৰ কথা কোৱা হৈছে, মই এখন কলেজৰ নাম কম মোৰ সমষ্টিত থকা বৰদলনি কেন্দ্ৰী মহাবিদ্যালয়, ২০ কি.মি. ব্যসাৰ্ধৰ ভিতৰত অন্য এখন কলেজ নাই। কিন্তু আজি ২০১৭ চনৰ এই Provinicialize ৰ যি আইন আহিছে সেই আইনৰ আওতাত এই কলেজখন নোসোমাই। এটা কাৰণতে নোসোমাই যে এই কলেজ খনৰ সম্পূৰ্ণ Concurrence তেওঁলোকে পাইছে কিন্তু ১-০১-২০০৬ চনৰ সেই তাৰিখৰ আগত এই কলেজখনে Concurrence পোৱা নাই। জনজাতীয় অঞ্চলবিলাকত শিক্ষাৰ পোহৰটো বহুত পলমকৈ পৰিছে। গুৱাহাটীত যি সময়ত কলেজ খুলিছিলে সেই সময়ত ধেমাজীৰ ভিতৰুৱা অঞ্চলবিলাকত কলেজ কি বস্তু সেইটো আমি নাজানিছিলো। গতিকে আজি কেইবাখনো তেনেকুৱা কলেজ আছে। প্ৰায় ৮ খন মান কলেজ আছে যিবিলাক ১-১-২০০৬ ৰ আওঁতাৰ ভিতৰত নপৰে। কিন্তু এই কলেজ কেইখনে ২০০৯-১০ চনৰ ভিতৰতে সম্পূৰ্ণ Concurrence পাইছিলে। বৰদলনী কেন্দ্ৰীয় মহাবিদ্যালয়, সোৱণশিৰি মহাবিদ্যালয়, ৰেঙাম সোৱণশিৰি কলেজ, United Degree College, পশ্চিম ধেমাজী কলেজ এই আটাইকেইখন ঢকুৱাখানা সমষ্টিৰ কলেজ। এই কলেজ কেইখনৰ আন্ত:গাথনি সম্পূৰ্ণ ৰাইজৰ দান বৰঙণিৰে নিৰ্মান কৰিছে। তাত হাজাৰৰ হিচাপত ছাত্ৰ-ছাত্ৰী আছে। তথাপিও এই কলেজ কেইখন আজি প্ৰাদেশীকৰণৰ আওঁতাৰ পৰা বাহিৰত আছে। মই অসম চৰকাৰক অনুৰোধ জনাম, Special Consideration কৰি হলেও পিছপৰা অঞ্চল বিলাকত যি গ্ৰাম্য মহাবিদ্যালয় আছে এই মহাবিদ্যালয় সমূহৰ প্ৰাদেশীকৰণৰ ব্যৱস্থা কৰিব লাগে।

শেষত এটা বিষয়ত মই গুৰুত্ব দিব বিচাৰিছো। আমাৰ সদৌ অসম প্ৰাথমিক শিক্ষক সন্মিলনীত তেখেত সকলে এখন খুব সুন্দৰ স্মাৰক পত্ৰ দিছিলে। স্মাৰক পত্ৰখনত তেখেত সকলে বিভিন্ন দাবী উত্থাপন কৰিছিলে। সেই স্মাৰক পত্ৰৰ আওঁতা লৈ মই এটা কথা ক'ব বিচাৰিছো যে Provincialized School এখনত চাকৰি কৰা প্ৰতিজন শিক্ষক বা কৰ্মচাৰীয়েই এজন চৰকাৰী কৰ্মচাৰী। তেওঁলোকৰ কাৰণে নিৰ্দিষ্ট সেৱা বিধি থাকিব লাগে। কিন্তু সেই সেৱা বিধিটো নাই।

দ্বিতীয়, এটা অনুষ্ঠানৰ সম্পূৰ্ণ স্বাস্থ্য নিৰ্ভৰ কৰে তাৰ মূৰব্বীৰ ওপৰত। গতিকে প্ৰধান শিক্ষক যিগৰাকী তেখেতৰ status টো আইনৰ দ্বাৰা বা এটা সেৱা বিধিৰ দ্বাৰা সুনিৰ্দিষ্ট কৰাটো

অতি গুৰুত্বপূৰ্ণ। এজন চৰকাৰী কৰ্মচাৰীয়ে চৰকাৰী আইন বিধি মানি চলিব লাগিব। আমাৰ অঞ্চলত আমি বহুতেই দেখো যে, বহু চৰকাৰী কৰ্মচাৰী সকলে নিয়মিত স্কুললৈ নাযায়। চৰ-চাপৰি অঞ্চল সমূহত বেচিভাগ চৰকাৰী শিক্ষকেই পাঠদান কৰিবলৈ নাযায়। তেওঁলোকৰ ওপৰত বিহিত ব্যৱস্থা লবৰ কাৰণে এখন কটকটীয়া আইন প্ৰণয়ন কৰিব লাগে। চৰকাৰী শিক্ষানুষ্ঠানৰ নামত কেৱল শিক্ষানুষ্ঠান খুলিলেই নহ'ব, Provincialized কৰিলেই নহ'ব, শিক্ষক সকলে যাতে দায়িত্ব সহকাৰে কৰ্তব্য পালন কৰে, সেইটো অসম চৰকাৰে ensure কৰিব লাগিব। এই কথাকেইটা কৈ অসম চৰকাৰক শিক্ষাৰ ক্ষেত্ৰত যি বৈপ্লবিক পদক্ষেপ লৈছে আৰু গুনোৎসৱ অনুষ্ঠিত কৰি শিক্ষাৰ ক্ষেত্ৰটোত এটা সংস্কাৰ সাধন কৰাৰ কাৰণে এটা পদক্ষেপ লৈছে, নতুন আইন আহিছে, নতুন নীতি আহিছে, তাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো। যিটো শিক্ষাৰ নীতিৰ কথা কৈছে সেইটোৰ আমাক বেলেগ কৈ প্ৰয়োজন নাই। Right to Education Act বা আমাৰ যি বিভিন্ন Act আছে সেই Actৰ আধাৰত যি সমূহ বিধি প্ৰণয়ন হৈছে, University Grant Commission হৈছে, এইটোৱেই আমাৰ সমগ্ৰ দেশখনৰ কাৰণে শিক্ষাৰ নীতি। তাক সঠিকভাৱে কাৰ্য্যকৰী হোৱাকে প্ৰণয়ন কৰাৰ কাৰণে চৰকাৰৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান, ৰাইজ সকলোৱে মিলি যদি দায়িত্ব লৈ আগবাঢ়ি আহে তেতিয়াহলে আমি শিক্ষা খণ্ডটোত এটা পৰিবৰ্তন আনিবলৈ সক্ষম হম।

শেষত পুনৰবাৰ মোৰ সতীৰ্থ শ্ৰী তপন গগৈয়ে ইতিমধ্যে যি উল্লেখ কৰি গ'ল সেইখিনি অসম চৰকাৰে বিবেচনা কৰি চাব বুলি আশা কৰি মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী আব্দুল খালেক ডাঙৰীয়া।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ দৰে বিষয়টো আপোনাৰ Speaker's Initiative ত আমাৰ সুযোগ দিয়াৰ বাবে আৰু চাৰিদিনীয়াকৈ Stake holder সকলক মাতি বিশেষ আলোচনাৰ উদ্যোগ লোৱা কাৰণে আমাৰ ফালৰ পৰা আপোনাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱৰ উত্থাপক শ্ৰী তপন গগৈ ডাঙৰীয়াই ভালেখিনি কথা কৈ গৈছে। তেওঁৰ ৯৮ শতাংশ কথাৰ লগতে আমি একমত। অধ্যক্ষ মহোদয়, সেইকাৰণে মই বেচি দীঘলীয়া নকৰো। কিছুদিন পূৰ্বে আমাৰ বিধায়িনী দলে অসমৰ মহামান্য ৰাজ্যপালক আমি সাক্ষাৎ কৰিছিলো। ড০ ৰণোজ পেগু ডাঙৰীয়াও ইয়াত উত্থাপন কৰিছে যে শিক্ষকে ছাত্ৰ বিচাৰি যাবলগীয়া হয়। কিছু কথা সচাঁ কিন্তু ইয়াৰ বিপৰীত ছবি এখনো আছে। চহৰ সমূহত বা কিছুমান উন্নত অঞ্চলত শিক্ষকে ছাত্ৰ বিচাৰি যাবলগীয়া হয়। কিন্তু মোৰ সমষ্টিত এই সদনত যোৱাকালি মোৰ তাকৰীয়া সময়ৰ প্ৰশ্নৰ উত্তৰত মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই জনাইছে যে বৰপেটা জিলাৰ ৰূপশ্ৰী শিক্ষা খণ্ডৰ আমগুৰি খাৰভাল এম ই মাদ্ৰাছাত ১৩৩ জন ছাত্ৰ। মাত্ৰ এজন শিক্ষকে স্কুলখন চলাই আছে। তাকো তেওঁ আৰবী বিষয়ৰ শিক্ষক। অকল সেইখনেই নহয়, দৰং জিলাত নাংলী চৰ এম ই স্কুল তাত ৬১৬ জন ছাত্ৰ-ছাত্ৰী আছে। তেওঁলোকৰ শিক্ষক আছে মাত্ৰ ১১ জন। তাৰ বিপৰীতে কলাইগাওঁ ব্লকৰে কলাইগাওঁ শিক্ষা খণ্ডৰ অন্তৰ্গত ৩-৪ খন স্কুল enrollment ৰ অভাৱত বন্ধ হৈছে। কিন্তু সেই শিক্ষক সকলক শিক্ষক নথকা স্কুলত নিদি যেনে বৰদৌলগুৰি এম ই স্কুলত ৭ জন অতিৰিক্ত শিক্ষক আছে, শিক্ষা বিভাগৰ assessment মতে। কিন্তু সেই স্কুলখনত আৰু এজন শিক্ষক দিয়া হৈছে। ভেৰাৰগাট এম ই স্কুলত ৩ জন অতিৰিক্ত শিক্ষক আছে। তাতো আৰু দুজন শিক্ষকক attach কৰা হৈছে। গতিকে শিক্ষা বিভাগৰ DPR টো আমি maintain কৰিব লাগিব। য'ত শিক্ষকৰ প্ৰয়োজনীয়তা আছে তাতহে শিক্ষক দিব লাগে। আনকি গুৱাহাটী

মহানগৰতে শ্ৰী ৰেকিবুদ্দিন আহমেদৰ ঘৰৰ ওচৰতে থকা নটবমা প্ৰাথমিক বিদ্যালয় খন যদি মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই কেতিয়াৱা ভিজিট ক ৰে তেতিয়া দেখিব তাত কিমান enrollment. তাত শিক্ষক নাই, শ্ৰেণী কোঠাৰ অভাৱ। আজি গুৱাহাটী মহানগৰীতে তেনেকুৱা ধৰণৰ অৱস্থা হৈছে। আজি এই সদনতে আমাৰ মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত শিক্ষা মন্ত্ৰী ডাঙৰীয়াই জনাইছে মন্দিয়া অঞ্চল বুলিলে যদিও বাঘবৰ সমষ্টি বুজায় তাত মোৰো ৮ খন পঞ্চায়ত আছে। তাতো দেখা গৈছে যে, প্ৰাথমিক স্কুলবিলাকত DPR মতে শিক্ষক নাই। এম ই স্কুলতো DPR মতে শিক্ষক নাই আৰু সেইকাৰণে অধ্যক্ষ মহোদয়, আমি শিক্ষা মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে অনুৰোধ জনাম যাতে য'ত য'ত শিক্ষকৰ প্ৰয়োজন আছে তাত যাতে শিক্ষক দিয়া হয়।

অধ্যক্ষ মহোদয়, ভেঞ্চাৰ স্কুলৰ Provincialization কথাটো মই এতিয়া কব বিচৰা নাই। কেইবা গৰাকীও বক্তাই কৈছে। স্বামী বিবেকানন্দই কৈছিলে "If the mountain doesn't come to Mohammad, Mohammad must go to mountain. If the poor cannot come to education, education must reach where they are found, in the factory, everywhere ." যি চৰকাৰেই নহওক আমি চাব লাগিব যে য'ত শিক্ষাৰ প্ৰয়োজনীতা আছে তাত শিক্ষানুষ্ঠান হওক। এই বিষয়টো চৰকাৰে নিশ্চিত কৰিব লাগিব। আমাৰ এই বাজেট অধিবেশন চলি থকাৰ সময়ত আপুনি Stake holder সকলক মাতিছিলে সেই বিষয়লৈ মই আহিম । কিন্তু আনুসঙ্গিক কিছুমান কথা মই ক'বলৈ সুযোগ পোৱা নাই, গতিকে কৈছো। চৰকাৰে কেইখনমান Model Girl's College পাতিছে আমি ভাল পাইছো। Specifically minority ৰ কাৰণে। কিন্তু minority অঞ্চলবোৰ বেচি populated. দক্ষিণ শালমৰাৰ প্ৰায় ৯৫ শতাংশ minority populated. তাতো যদি এখন কলেজ হ'লহেতেন ভাল হ'ল হয়। আজি মোৰ সমষ্টিত ৯২ শতাংশ minority. তাতো যদি এখন কলেজ হ'লহেতেন ভাল হ'ল হয়। অধ্যক্ষ মহোদয়, যদি এই ধৰণে লোৱা হয়, য'ত প্ৰয়োজনীতা আছে তাতো যদি নতুন নতুন শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিলে হয় মই ভাৱো খুব ভাল হ'ব।

**শ্ৰী আব্দুল খালেক, মাননীয় সদস্য, (জনিয়া)ঃ ..ক্ৰমশ..**গতিকে প্ৰয়োজনীয়তা অনুযায়ী যদি নতুন নতুন শিক্ষানুষ্ঠান স্থাপন কৰা হয় তেন্তে বেছি ভাল হ'ব। আমি কিছু Model Residential School হ'ব বুলি গম পাইছো। এই ক্ষেত্ৰত মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ লগত আলোচনা কৰিছো আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো জনাইছো যে Minority Populated area বা যিবোৰ ঠাইত শিক্ষানুষ্ঠানৰ যথেষ্ট প্ৰয়োজনীয়তা আছে, সেইবোৰ ঠাইত যাতে স্থাপন হয়। গতিকে এই বিষয়টো চাবলৈ মই অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছো।

অধ্যক্ষ মহোদয়, মই সাত বছৰ ধৰি বিধায়ক হৈ আছো আৰু ৰাজনীতিৰ খা-খবৰ বোৰ ৩০-৩৫ বছৰ ধৰি ৰাখি আছো আৰু ৰাজনীতিৰ কিছু ইতিহাসো পঢ়ো। সম্ভৱত, অসমৰ ইতিহাসত ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই প্ৰথম শিক্ষা মন্ত্ৰী যিজনে বিত্ত মন্ত্ৰীৰ দায়িত্বতো আছে। আগতে এনে আছিল নে নাই মই নাজানো, কিন্তু ১৯৮৫ চনৰ পৰা কোনো মন্ত্ৰীয়েই শিক্ষা আৰু বিত্ত বিভাগ, উভয়ৰে দায়িত্বত থকা নাই। গতিকে তেখেতৰ সন্মুখত এটা সুযোগ আছে আৰু সেই সুযোগটো মই স্বামী বিবেকানন্দৰ ভাষাৰে আকৌ ক'ব বিচাৰিছো, 'There is only one purpose in the whole of life- education, otherwise what is the use of men and women, land and wealth'? অধ্যক্ষ মহোদয়, আমি ইয়াত উন্নয়নৰ কথা

কওঁ । আমাক উন্নয়ন লাগিবই। কিন্তু সেই উন্নয়ন যদি শিক্ষাৰ ক্ষেত্ৰত নহয় তেন্তে শিক্ষাৰ অবিহনে সেই উন্নয়নৰ একো অৰ্থ থাকিব নোৱাৰে। সেই কাৰণে শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত আমি জোৰ দিবই লাগিব।

অধ্যক্ষ মহোদয়, ভেঞ্চাৰ স্কুলৰ ক্ষেত্ৰত ডাঃ ৰণোজ পেগু ডাঙৰীয়াৰ কথাৰ সৈতে মই সম্পূৰ্ণ দ্বি-মত নহয়। আমি যদি বাস্তৱ ক্ষেত্ৰত চাওঁ, তেন্তে এই কথাটো সঁচা যে, কিছুমান স্কুল নিযুক্তিৰ বাবেহে গঢ় লৈ উঠিছে। আগতে কিন্তু এনেকুৱা বহু শিক্ষানুষ্ঠান আছে, যিবোৰ প্ৰয়োজনীয়তাৰ খাতিৰতহে গঢ় লৈ উঠিছিল, শিক্ষকৰ বাবে বা চাকৰি দিয়াৰ বাবে নহয়। বিশেষকৈ, অসমত যিবোৰ মহাবিদ্যালয় অপ্ৰাদেশীকৃত হৈ আছে, তাৰে বেছিভাগ মহাবিদ্যালয়েই নিযুক্তিৰ বাবে নহয়, প্ৰয়োজনীয়তাৰ ভিত্তিতহে গঢ় লৈ উঠিছে। RTE Act হোৱাৰ আগত চৰকাৰে স্কুল, হাইস্কুল, কলেজ পাতিব লাগিছিল, কিন্তু ইয়াত বাস্তৱ সত্যটো হৈছে যে কেইখনমান চৰকাৰী মহাবিদ্যালয় আৰু কেইখনমান চৰকাৰী স্কুলক বাদ দি, যি চৰকাৰেই নহওঁক কিয়, স্কুল -কলেজ স্থাপন কৰা হোৱা নাই। কিন্তু, স্কুল আৰু কলেজ স্থাপন কৰাৰ ক্ষেত্ৰত চৰকাৰ দায়িত্ব আছে কিন্তু সেই অনুযায়ী যিহেতু স্কুল, হাইস্কুল, কলেজ সমূহ স্থাপন হোৱা নাই গতিকে অসমৰ বেছিভাগ শিক্ষানুষ্ঠানেই বিভিন্ন অঞ্চলৰ ৰাইজে নিজেই গঢ়ি তুলিছে। পৰ্যায় ক্ৰমে, চৰকাৰে সেই স্কুল কলেজ সমূহত Govt. Aid আৰু কেতিয়াবা provincialize কৰিছে। ইয়াৰ লগতে আন এটা কথাও সত্য যে অ.গ.প. চৰকাৰৰ সময়ছোৱাত কেইখন মান কলেজহে provincialize হৈছিল। অধ্যক্ষ মহোদয় ইয়াত মই credit ল'ব বিচৰা নাই যদিও বেছিভাগ কলেজ কংগ্ৰেছৰ দিনতহে provincialize কৰা হৈছিল। কিন্তু এইটো চৰকাৰৰ দায়িত্ব আছিল, যি কোনো কাৰণতেই নহওঁক কিয়, সেই দায়িত্ব পালন হোৱা নাই আৰু তাৰ ফলতেই এই ভেঞ্চাৰ স্কুল-কলেজ সমূহ গঢ় লৈ উঠিছে। অধ্যক্ষ মহোদয়, এই ভেঞ্চাৰ স্কুল সমূহে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। সেইকাৰণে এই অনুষ্ঠান সমূহৰ প্ৰতি আমি সহানুভূতিশীল হ'ব লাগিব। এই ক্ষেত্ৰত এখন আইন হৈছিল, কিন্তু সেই খন বাতিল কৰা হ'ল। ইয়াৰ পিছত, ২০১৭ চনৰ বাজেট অধিবেশনত গৃহীত হোৱা নতুন আইনখনৰ এবছৰ সময় পাৰ হৈ গ'ল। কিন্তু সি যি কি কাৰণতেই নহওঁক কিয়, এতিয়ালৈকে নতুনকৈ এখনো ভেঞ্চাৰ শিক্ষানুষ্ঠান provincialize হোৱা নাই। যিহেতু আইন এখন গৃহীত হৈছে গতিকে এবছৰত যদি চৰকাৰে ১০-১৫ খনকৈ শিক্ষানুষ্ঠানৰ প্ৰাদেশিকীকৰণ কৰিলেহেঁতেন, তেন্তে এই ক্ষেত্ৰত কিছু পৰিমাণে হ'লেও সমস্যা লাঘৱ হ'ল হেঁতেন। আমাৰ বিত্ত মন্ত্ৰী মহোদয় যিহেতুকে নিজেই শিক্ষা মন্ত্ৰী, তেখেতৰ সন্মুখত এটা সুযোগ আছিল কিন্তু সেই সুযোগটোৰ ক'ৰবাত হয়তো সদ্ ব্যৱহাৰ নহ'ল।

অধ্যক্ষ মহোদয়, মাননীয় তপন গগৈ ডাঙৰীয়াই issue date or effect date ৰ ক্ষেত্ৰত যে এটা আঁসোৱাহ থকাৰ কথা কৈছে, সেইটো তেওঁ rightly কৈছে। গতিকে অধ্যক্ষ মহোদয়, আইন সদায় প্ৰগতিশীল হ'ব লাগে, জনসাধাৰণৰ স্বাৰ্থত হ'ব লাগে। সেইকাৰণে আমি issue date and effect date ৰ ক্ষেত্ৰত বেছিকৈ লাগি নাথকিলে ভাল হয়। এইটো সঁচা যে effect date থাকিলে বহুতৰ লাভ হয় । সেইটো বেলেগ কথা যে এই ক্ষেত্ৰত আমি ইয়াত কিছু আপত্তি কৰিছিলো। ইয়াত যিহেতু Tutor ৰ provision ৰখা হৈছে, তাত qualification ৰ কথা আছে আৰু তেওঁলোকক fixed pay ত ৰখা হৈছে, গতিকে এতিয়া effect date টো কাৰ্যকৰী কৰাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। অধ্যক্ষ মহোদয়, গগৈ ডাঙৰীয়াকে ধৰি কেইবাজনো বক্তাই DISE Code ৰ কথা কৈছে। ২০০৯-১০ ৰ DISE

Code বহুতৰে নাই আৰু DISE Code ৰ ক্ষেত্ৰত হোৱা দুৰ্নীতিৰ সকলো তথ্য প্ৰমাণ নাথাকে। কিন্তু এইটো কথা সঁচা যে, DISE Code ৰ নামত দুৰ্নীতি হৈছে। সেইকাৰণে এই particular বৰ্ষটোত বহুতৰে DISE Code নাই । সেইকাৰণে পৰৱৰ্তী বৰ্ষৰ DISE Code য়েই হওঁক বা land document য়েই হওঁক, সেইখিনি বিচাৰ কৰি বিবেচনা কৰিব লাগে। মই আকৌ কৈছো যে আইন সদায় প্ৰগতিশীল হ'ব লাগে। অধ্যক্ষ মহোদয়, মাননীয় তপন গগৈ ডাঙৰীয়াই ঠিকেই কৈছে যে Tutor শব্দটো শিক্ষক সকলৰ বাবে এটা আপত্তিজনক শব্দ। গতিকে, তেখেত সকলক যদি আমি ad-hoc teacher বা অন্য বিশেষণ লগাই শিক্ষক বুলি যাতে ক'ব পাৰো তাৰ বাবে সহানুভূতিশীল ভাৱে বিবেচনা কৰিব লাগে। ।

অধ্যক্ষ মহোদয়, মাদ্ৰাছা শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে এখন Bill আনিছিল। অৱশ্যে High Court য়ে মাদ্ৰাছা আইনখন বাতিল কৰা নাছিল কিন্তু তাৰ পিছতো Bill অনা হৈছিল আৰু সেই বিষয়ে আমি Bill অনাৰ সময়ত আলোচনা কৰিম।

**মাননীয় অধ্যক্ষঃ** আপুনি যদি এই বিষয়ে এতিয়া কিবা ক'ব বিচাৰিছে, কৈ দিলে বেয়া নহয়। এই ক্ষেত্ৰত Bill আহিলেও তাৰ ওপৰত যদি আপুনি কিবা পৰামৰ্শ দিব বিচাৰিছে দিব পাৰে।

**শ্ৰী আব্দুল খালেক, মাননীয় সদস্য, (জনিয়া)ঃ** এতিয়া সময় কম আছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। মই শিক্ষাৰ Bill বোৰ পিছৰ ফালে দিয়াৰ কাৰণটোৱেই হৈছে যে তাত যদি কিবা থাকে সেইটো ইয়াতে মন্ত্ৰীৰ লগত আলোচনা হৈ গ'লে আমাৰ debate বোৰ কম সময়ৰ ভিতৰতে শেষ হ'ব।

**শ্ৰী আব্দুল খালেক, মাননীয় সদস্য, (জনিয়া)ঃ** হয়, অধ্যক্ষ মহোদয়। কিন্তু মোৰ দলৰ আন কেইবাজনো সদস্যই ক'ব বিচাৰিছে।

**মাননীয় অধ্যক্ষঃ** মই কোৱা নাই যে এই point টো আপুনিয়েই ক'ব লাগিব। অন্য সদস্যই ক'লেও বেয়া নহয়।

**শ্ৰী আব্দুল খালেক, মাননীয় সদস্য, (জনিয়া)ঃ** হয়, মই তেখেত সকলৰ সময়টো ল'ব বিচৰা নাই। আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী পাটোৱাৰী ডাঙৰীয়াই প্ৰত্যেক ক্ষেত্ৰত মহন্ত ডাঙৰীয়াক credit দি থাকে যে তেখেতৰ দিনতে Welfare of Minorities Department টো হৈছিল আৰু ইয়াৰ বাবে মহন্ত ডাঙৰীয়া এই credit ৰ প্ৰাপ্যও। একেদৰে, মাদ্ৰাছা শিক্ষা সঞ্চালকালয়টো আগৰ চৰকাৰৰ দিনত হৈছিল। মাদ্ৰাছা শিক্ষাত যিবোৰ জটিলতা আছে, সেই জটিলতা সমূহ সাধাৰণ শিক্ষাৰে শিক্ষিত মানুহে বুজি নাপায়। কাৰণ মাদ্ৰাছা শিক্ষা আৰু সাধাৰণ শিক্ষাৰ course and curriculum বোৰ বেলেগ বেলেগ। এই ক্ষেত্ৰত মই এটা কথা স্বীকাৰ কৰিব লাগিব যে, আমাৰ কেন্দ্ৰত NDA চৰকাৰৰ ডঃ মুৰুলী মনোহৰ যোশীয়ে যেতিয়া মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ মন্ত্ৰী আছিল, তেখেতে মাদ্ৰাছা প্ৰাদেশিকীকৰণৰ বাবে যথেষ্ট উদ্যোগ লৈছিল। অধ্যক্ষ মহোদয়, মাদ্ৰাছাৰ সমস্যাটো অকল এটা জনগোষ্ঠীৰ সমস্যা বুলি ক'লে নহ'ব। আমি মুছলমান সম্প্ৰদায়ৰ লোকসকলৰ মাজত জনসংখ্যা বিস্ফোৰণ হোৱাৰ কথা পাতো। গতিকে, আমি যদি তেওঁলোকক মূল সুঁতি আৰু stream-line লৈ আনিব বিচাৰো তেন্তে মাদ্ৰাছা স্কুল সমূহক আমি এলাগী কৰি ৰাখিলে নহ'ব। সেয়েহে মই চৰকাৰক অনুৰোধ কৰিছো যে মাদ্ৰাছা শিক্ষা সঞ্চালকালয় বাতিলৰ সিদ্ধান্তটো যাতে পুনৰ বিবেচনা কৰে, সেইটো যিহেতু এটা সুকীয়া বিভাগ গতিকে সুকীয়া course-curriculum ৰ কথা যাতে বিবেচনা কৰা হয়। তাৰোপৰি, মাদ্ৰাছা বোৰ্ডত যিজন অধ্যক্ষ নিযুক্তি কৰা হয়, তেওঁ মাদ্ৰাছা শিক্ষাৰ সৈতে জড়িত মানুহ

হ'লে ভাল হয়। কাৰণ মাদ্ৰাছা স্কুলবোৰত Fazil, Tahafiz, Tafsir ইত্যাদিৰ কথাবোৰ শিকোৱা হয়। তেনে ক্ষেত্ৰত মোৰ নিচিনা সাধাৰণ শিক্ষাৰে দীক্ষিত মুছলমান এজনক যদি মাদ্ৰাছা স্কুলত নিযুক্তি দিয়া হয় তেন্তে তেওঁ তাৰ course টো ভালদৰে বুজি নাপাব। গতিকে এই কথাটো বিবেচনা কৰিবলৈ মই অধ্যক্ষ মহোদয়ক অনুৰোধ জনাইছো। আমাৰ চৰ অঞ্চলতেই হওঁক বা চাহ-বাগিছা অঞ্চলতেই হওঁক বা অন্য ভৌগোলিক এলেকাতেই হওঁক, বহুতো প্ৰাথমিক বিদ্যালয়ৰ, কোনোবা খনৰ যদি ১০০ বছৰ হৈছে, আনখনৰ আকৌ ৭৫ বছৰ হৈছে। এই অধিবেশন চলি থকা সময়ছোৱাতে মোৰ সমষ্টিৰে এখন স্কুলে ৮৭ বছৰ পাৰ কৰা উপলক্ষে তাত হীৰক জয়ন্তী উদ্‌যাপন কৰিছে। তাত আমাৰ বিৰোধী দলপতি ডাঙৰীয়াও গৈছিল। অধ্যক্ষ মহোদয়, ৭৫ বছৰ হোৱা বিদ্যালয় সমূহৰ পৰিগাঁথনি উন্নয়নৰ বাবে যাতে চৰকাৰে উদ্যোগ লয়। কাৰণ এটা সময়ত প্ৰাথমিক স্কুল সমূহত সৰ্ব শিক্ষাই টকা দিছিল। কিন্তু এতিয়া সৰ্বশিক্ষাৰ টকা খিনি কমি আহিছে আৰু সৰ্বশিক্ষাই সদায় অতিৰিক্ত শ্ৰেণী কোঠা নিৰ্মাণৰ বাবেহে টকা দিয়ে। Existing buildingৰ বাবে যি ৫০০০ টকা দিয়ে , সেইটো একেবাৰে minimum. গতিকে পুৰণি স্কুল সমূহৰ ক্ষেত্ৰত যাতে grant দিয়া হয় তাৰ প্ৰতি বিবেচনা কৰিবলৈ আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ জনাইছো। অধ্যক্ষ মহোদয়, আমাৰ তপন গগৈ ডাঙৰীয়াই B.Ed ৰ কথা কওঁতে আপুনি এটা policy ৰ কথা কৈছিল। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত B.Ed ৰ N.O.C. দি যদি কোনোবাই নতুন B.Ed কলেজ খুলিব বিচাৰিছে, সেই ক্ষেত্ৰত B.Ed ৰ যিটো course curriculum সেইটো বিশ্ববিদ্যালয়ে চলায় আৰু সেইটো higher education হয়। আনহাতে, যিবোৰে B.Ed পঢ়িবলৈ যায় তেওঁলোক হ'ল Secondary Educationৰ। কিন্তু ই Elementary Education ৰ লগত কোনো পধ্যেই জড়িত নহয়। গতিকে ইয়াক Secondary Education বা higher education ৰ আওঁতালৈ শৃংখলিত ৰূপত আনিব লাগে।

অধ্যক্ষ মহোদয়,আমাৰ বহুত শিক্ষকৰ qualification ৰ কথা কোৱা হৈছে। কিন্তু ৰাতিৰ ভিতৰতেই কোনেও qualified নহয়। গতিকে আমি যদি শিক্ষানুষ্ঠান নগঢ়ো, তেন্তে বাহিৰৰ ভুৱা ডিগ্ৰীৰ প্ৰতি ছাত্ৰ-ছাত্ৰী সকল আকৃষ্ট হ'ব। এইটো ভাল কথা যে, চৰকাৰে দহ খন কৈ নতুন B.Ed College স্থাপন কৰিছে, কিন্তু যিবোৰ B.Ed কলেজে provincialization ৰ আওঁতালৈ আহিব বিচাৰে যি সকলৰ পৰিগাঁথনি সমূহ আছে, যি সকলৰ শিক্ষক আছে, সেইবোৰ কলেজক আনি প্ৰাদেশিকীকৰণ কৰিব পৰা যায় নেকি, সেই কথাটো বিবেচনা কৰিব লাগে আৰু বাহিৰৰ Jamia Millia Islamia University খনৰ বিষয়ে সকলোৱে জানে, এই বিশ্ব বিদ্যালয়খনত NCTE ৰ approval ত B.Ed ৰ distance course আছে। অসমৰ কোনো এখন বিশ্ববিদ্যালয়ত বা বাণীকান্ত কাকতি B.Ed.Collegeতেই হওঁক, distance education course টো আনি, আমি যিখিনি শিক্ষকৰ B.Ed qualification নাই সেই সকলক qualification টো লোৱাৰ ব্যৱস্থা কৰিব কৰিব লাগে। অধ্যক্ষ মহোদয়, এই কথাটো চাব লাগে। ডা:পেগু ডাঙৰীয়াই ধেমাজী জিলাৰ এখন কলেজৰ কথা কৈছে। জাকিৰ হুছেইন শিকদাৰ সৰুক্ষেত্ৰীৰ বিধায়ক একেধৰণৰ কলেজ এখন তেখেতৰ সমষ্টিত আছে। সেই কলেজখনত Government এ permission দিছে ২০০৬ চনৰ আগতে। permission দিছে কিন্তু concurrence শব্দটো লিখা আছে। কিন্তু ৩-৪ খন কলেজৰ concurrence সেই সময়ত

বন্ধ আছিল। গতিকে সেই কথাটো আমি বিবেচনা কৰিব লাগে। আমাৰ দক্ষিণ শালমাৰাৰ ওৱাজেদ আলি চৌধুৰী ডাঙৰীয়াৰ সমষ্টিৰ যিখন চৰ অঞ্চলৰ backward area ৰ কলেজ,সেইখনৰ ২০০৩ চনত concurrence দিলে। সেই সময়ত চৰকাৰৰৰ ফালৰ পৰা যিখিনি formalities লাগে কমপ্লিট কৰিলে কিন্তু সেইখন হয়তো নতুন আইনত নহ'ব। তপন গগৈ ডাঙৰীয়াই ১৯৯৮-২০০৩ লৈকে কলেজ শিক্ষক সকল, ১৯৯৮-২০০০লৈকে অসম চৰকাৰে NET/SLET implement কৰা নাছিল। ২০০৩ চনলৈ এনেকুৱাটো আছিলেই আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়া পূৰ্বৰ চৰকাৰৰ দিনত যেতিয়া শিক্ষামন্ত্ৰী আছিল, তেখেতে এখন OM ও উলিয়াই দিছিল ২০০০ লৈকে। গতিকে যিহেতু তেখেতে এখন OM উলিয়াই দিছিলে মই শিক্ষক সকলৰ NET/SLET লাঘৱ কৰিব পাৰি নেকি সেই কথাটো অধ্যক্ষ মহোদয় বিবেচনা কৰিব লাগে। চৰকাৰে নতুন স্কুল কৰাৰ কথা কৈছে। ডাঃ পেগু ডাঙৰীয়াই কৈছে মোৰ সমষ্টিত লাছাংগা গাওঁ পঞ্চায়ত বুলি এখন গাওঁ পঞ্চায়ত আছে। তাত এখনো হাইস্কুল নাই। গতিকে তেনেকুৱা অঞ্চল বিলাকত স্কুল গঢ়ি তুলিব পাৰি নেকি অধ্যক্ষ মহোদয়। মোৰ সমষ্টিত, মৰিয়নিকে ধৰি আমাৰ বিভিন্ন কলেজত বহু পদ খালী হৈ আছে। সেই vacancy বিলাক fill up ৰ ব্যৱস্থা কৰিব লাগে। আমাৰ কলেজ বিলাকত PG খোলাৰ ব্যৱস্থা কৰিব লাগে। যিহেতু আমাৰ student ওলাই আহে। তেওঁলোকক আমি উচ্চ শিক্ষাৰে সংস্থাপন দিব লাগে। গতিকে PG, নতুন stream খোলাৰ ব্যৱস্থা কৰিব পাৰি নেকি সেই কথা বিলাক অধ্যক্ষ মহোদয় কৰিব লাগে। চৰকাৰে এইবাৰ এখন ammendment আনিছে। আমি ভাল পাইছো যে Junior College আৰু senior college ৰ ক্ষেত্ৰত ০১-০১-২০০৬ ৰ আগত 1st concurrence থাকিলে কৰিব দিছে। এসময়ত হাইস্কুল সমূহত class viii আছিলে। পৰৱৰ্তী সময়ত হাইস্কুল সমূহত class viii নাইকিয়া হৈ গ'ল। ভেঞ্চাৰ সমূহ যেতিয়া আৰম্ভ কৰিছিল তেতিয়া কিন্তু class viii আছিলে। এতিয়া course curriculam change হৈছে তাৰ কাৰণে সেই concern school বিলাক দায়ী হ'ব নোৱাৰে। গতিকে যিসকলক আগতে Class viii permission দিয়া হ'ল ০১-০১-২০০৬ ৰ আগতে তেওঁলোকৰ ক্ষেত্ৰত অধ্যক্ষ মহোদয় কথাটো বিবেচনা কৰিব লাগে। ইয়াত বিভিন্ন stake holder এ তেওঁলোকৰ কথা কৈছে। আজি ME school সমূহত ৩ টা পদ দিয়া হৈছে। এই ৩ টা পদৰে স্কুল সমূহ বনোৱাতো সহজ নহয়। অধ্যক্ষ মহোদয় আপুনি ভালদৰে জ্ঞাত যিহেতু আমি বহু কথা ভালদৰে পাতি ছো কিন্তু এইখন অসমত অধ্যক্ষ মহোদয়, কোন চৰকাৰৰ দিনত এইটো ডাঙৰ কথা নহয়, মাত্ৰ ২৫০০ টকা fixed pay ত শিক্ষকে কাম কৰি আছে। আমাৰ চৰকাৰৰ দিনতো আছে আৰু অসম গণ পৰিষদ চৰকাৰৰ দিনতো আছে। মাত্ৰ২৫০০ টকাত কোনো শিক্ষকে জীৱন নিৰ্বাহ কৰিব নোৱাৰে। গতিকে চৰকাৰে তেওঁলোকক regularise কৰিব নোৱাৰিলেও যাতে জীৱন নিৰ্বাহ কৰিব পাৰে তাৰ বাবে fixed pay দৰমহাতো বঢ়াব লাগে আৰু তেওঁলোকক special TET পাতি হ'লেওঁ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ চৰকাৰৰ দিনত contractual teacher হৈছিলে প্ৰায় মেধাৱী ল'ৰা -ছোৱালী বিলাকেই শিক্ষক পদত যোগদান কৰিছিলে। গতিকে special TET পাতি তেওঁলোকৰ চাকৰি সমূহ regular কৰিব পাৰো নেকি এই কথাটো চিন্তা কৰিব লাগে। চৰকাৰে TET অনুষ্ঠিত কৰিছে। এইক্ষেত্ৰত শিক্ষামন্ত্ৰী ড. হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক আমিcredit দিবই লাগিব। আমি credit দিয়াৰ বিৰোধী নহয় কিন্তু একে সময়তে TET শিক্ষকৰ ক্ষেত্ৰত যদি ৰাজ্যিক ভিত্তিত পৰীক্ষা নাপাতি জিলা ভিত্তিত পাতো কাৰণ ৰাজ্যিক ভিত্তিত পতাৰ কাৰণে ডিব্ৰুগড়ৰ TET পাছ কৰা ছোৱালী জনী ধুবুৰীৰ

দুৰ্গম এলেকাত যায় বা যোৰহাটৰ ছোৱালীজনী যেতিয়া মোৰ সমষ্টি জনিয়াৰ দুৰ্গম এলেকাত যায় তেওঁলোকে যথেষ্ট অসুবিধা পায়। দুই এটা দুৰ্ঘটনাৰ বাহিৰে বেছিভাগে সুৰক্ষা পাইছে। গতিকে আমি যদি জিলা ভিত্তিত পৰীক্ষা সমূহ অনুষ্ঠিত কৰিব পাৰো তেতিয়া ভাল হ'ব। প্ৰত্যেকখন জিলাতে মেধাৰী ছাত্ৰ-ছাত্ৰী আছে গতিকে জিলা ভিত্তিত যদি আমি পৰীক্ষা পাতিব পাৰো নিবনুৱা সমস্যাৰো সমাধান হ'ব আৰু এতিয়া নিযুক্তি পোৱাৰ পিছতেই বদলিৰ যি প্ৰৱনতা আহিছে সেই বদলিৰ প্ৰৱনতাটো কমি যাব। গতিকে block wise নহ'লেওঁ জিলা পৰ্য্যায়ত পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, এই TET পৰীক্ষা ছমাহৰ মূৰে মূৰে পতাৰ নিৰ্দ্দেশনা আছে। গতিকে ছমাহ নহ'লেওঁ অন্ততঃ বছৰি পতাৰ ব্যৱস্থা কৰিব লাগে। ২০১২ চনৰ পিছত বেলেগ বেলেগ ধৰণৰ TET অনুষ্ঠিত হৈছে। কিন্তু general TET পতা হোৱা নাই। গতিকে যাতে শিক্ষকৰ qualification টো অৰ্জন কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, SCERT, প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত মই details ত নাযাওঁ দৰকাৰ হ'লে শিক্ষামন্ত্ৰী মহোদয়ক কাগজ খিনি দি দিম। আপুনি আচৰিত হ'ব যে অধ্যক্ষ মহোদয়, শৰ্মা উপাধিৰ এজন ব্যক্তিয়ে নিযুক্তিৰ তিনিমাহ পিছতেই প্ৰমোচন পাইছে। এজন মানুহৰ ইমান দক্ষতা হ'লনে যে নিযুক্তিৰ তিনিমাহ পিছতেই প্ৰমোচন হ'ব পাৰে। মোৰ হাতত কাগজ আছে অধ্যক্ষ মহোদয়, দৰকাৰ হ'লে দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ point টো কওঁক।

**শ্ৰী আব্দুল খালেক ঃ** সেই কথাবিলাক আমি চাব লাগিব অধ্যক্ষ মহোদয়। তাত MIS ৰ জৰিয়তে D El. Ed. ৰ course কৰিছে। আজিকালি যিহেতু D El. Ed লাগে। সেই D.El.Ed ৰ course টো যিখিনি NCTE recognise institution আছে সেইবিলাকক নিদি কিছুমান private institution ক দিয়া হৈছে। তাতে আকৌ এজন যুটীয়া সঞ্চালক আছে অধ্যক্ষ মহোদয়, মই তেখেতৰ নাম ক'ব বিচৰা নাই। তেখেতক যদি বিধায়কে ফোন কৰে তেখেতে তেখেতৰ superintendant নে কেৰাণী এজনক ফোনটো দি দিয়ে আৰু নাম্বাৰটো নহয় বুলি কয়। এনেকুৱা কাৰবাৰ চলি আছে। গতিকে মন্ত্ৰী মহোদয়ক আমি efficient মন্ত্ৰী বুলি ভাৱো, হয়তো তেওঁ সময় দিব পৰা নাই গতিকে SCERT ৰ যিখিনি প্ৰশাসনিক কথা আছে সেইখিনি শুদ্ধ হ'ব লাগে। মই অকল এটা কথাহে কৈছো অধ্যক্ষ মহোদয়। এনেকুৱা বহুত ধৰণৰ উদাহৰণ আছে। মই অকল বিষয়টোহে উৎথাপন কৰিছো। আমি যিহেতু শিক্ষাৰ কথা ভাৱো শিক্ষা হৈছে জাতিৰ মেৰুদণ্ড স্বৰূপ। আকৌ মোৰ স্বামী বিবেকানন্দৰ কথালৈ মনত পৰিছে। স্বামী বিবেকানন্দই কৈছে - "How can there be any progress without spiral of education, withdrawing of knowledge" সেইকাৰণে অধ্যক্ষ মহোদয় আমি জাতিটোৰ উন্নয়নৰ কথা ভাবিলে, বিকাশৰ কথা ভাবিলে আমি শিক্ষাৰ উন্নতি কৰিব লাগিব আৰু আমাৰ বাজেটতো শিক্ষাৰ কাৰণে বেছি ধন ধাৰ্য্য হ'ব লাগিব। এইখিনি কথা কৈ মই আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত শ্ৰী ভৰেশ কলিতা। তাৰপিছত মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী ভৰেশ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আ পোনাৰ initiative ত আমাৰ শিক্ষা বিভাগক streamline কৰাৰ যি প্ৰয়াস আপুনি দাঙি ধৰিছে, তাত মই ধন্যবাদ জ্ঞাপন কৰিছো যে সঁচাকে শিক্ষা হ'ল অমূল্য ৰত্ন। আমি জানো যে আমাৰ জীৱন, যৌৱন সকলোবোৰ যাব কিন্তু qualification মৃত্যু পৰ্য্যন্ত থাকি যাব। সেইকাৰণে এই মহান ব্যক্তি আৰু ইয়াৰ লগত যিসকল জড়িত

আছে। আমি আগতে স্কুললৈ ঢাৰিখন লৈ গৈছিলো কিন্তু আজি শিক্ষাৰ ক্ষেত্ৰত বহুতো পৰিবৰ্তন হ'ল। E-Library হ'ল, আমি মোবাইলতে আজি গোটেই কথা জানিব পৰা হ'লো। এসময়ত এনেকুৱা অৱস্থা আছিল যে মই খুৰাৰ ল'ৰাক কৈ থওঁ অহাবেলি মোক কিতাপখন লাগিব। ভালকৈ থব। কিন্তু এতিয়াটো বহুত পৰিবৰ্তন হৈছে। এইবাৰতো সাংঘাটিক পৰিবৰ্তন হৈছে। আমি দেখিবলৈ পাইছো যে পাঠ্যক্ৰম আৰম্ভ হোৱাৰ লগে লগে পাঠ্যপুথি ছাত্ৰ-ছাত্ৰীৰ হাতত পৰিছে। তাৰ বাবে মই আমাৰ অসম চৰকাৰৰ শিক্ষামন্ত্ৰী মহোদয়ৰ লগতে মুখ্যমন্ত্ৰী মহোদয়কো ধন্যবাদ জ্ঞাপন কৰিছো। শিক্ষাৰ আমূল পৰিবৰ্তন হ'ব লাগিব। আমাৰ stake holder ৰ লগত যি চাৰিদিনীয়া hearing আছিলে, মই দুদিন উপস্থিত আছিলো তাত সন্মানীয় শিক্ষক সকলে তেওঁলোকৰ সমস্যাৰ বিষয়ে কৈছিলে। কিন্তু শিক্ষা ব্যৱস্থাক কেনেকৈ streamline কৰা হ'ব তাত বেছিভাগ শুনিবলৈ পাইছিলো, drop out post, left out post, additional post, concurrence, non concurrence কিন্তু সন্মানীয় শিক্ষক সকলৰ পৰা শুনা নাপালো। সন্মানীয় শিক্ষক সকলে কৈছিল, তেওঁলোকৰ সমস্যাসমূহ। কিন্তু শিক্ষা ব্যৱস্থাক কেনেকৈ Stream line কৰা হ'ব। তাত আমি বেছিভাগ শুনিবলৈ পাইছিলো drop out post ,left out post, Additional post Concurrence, Non-Concurrence কিন্তু সন্মানীয় শিক্ষক সকলৰ পৰা শুনা নাপালো। চেবাৰ সংস্কাৰ কি দৰে হ'ব। আমাৰ সন্মানীয় অধ্যক্ষ মহোদয়ে বাৰে বাৰে সুধিছিল যে, আপোনালোকক কিবা পইণ্ট আছে নেকি ? এটা হাইস্কুল শিক্ষক সন্থা মই নাম নকওঁ। তেখেত সকলে অকনমান কৈছিল। বাকী কোনেওঁ নক'লে। এনেকৈ শিক্ষা বিভাগটো Stream line নহ'ব। আমি শিক্ষা ব্যৱস্থাক বহুত আগুৱাই নিব লাগিব। আৰু এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ যথেষ্ট দায়িত্ব আহি পৰিছে। দায়িত্ব সহকাৰে আগবাঢ়ি গৈছে। আমাৰ পৰম শ্ৰদ্ধাৰ NDA Government ৰ দিনত যি মানৱ সম্পদ মন্ত্ৰী আছিলে ডঃ মুৰুলী মনোহৰ যোশী। তেখেতে সৰ্বশিক্ষা অভিযানেৰে যি শিক্ষাৰ ক্ষেত্ৰত এক আমুল পৰিৱৰ্তন আনিলে, সচাঁকৈ ই সদায় আদৰণীয় পদক্ষেপ হৈ ৰব আৰু তাৰ পাছত আমি দেখিবলৈ পাওঁ বিভিন্ন শিক্ষা খণ্ডত বিভিন্ন স্কুল কলেজত সৰ্বশিক্ষাই হওঁক বা এতিয়া RMS হ'ল। এই আন্তঃগাথনি ডেভেলপমেণ্ট হৈছে. কিন্তু আন্তঃগাথনি আৰু ডেভেলপমেণ্ট হ'ব লাগিব। আমি, আপুনি যেতিয়া মেট্ৰিক পাচ কৰিছিলো, তেতিয়া পাৰচেণ্টটেজটো আছিলে 20% below, 16%,15%,14% পাচ কৰিছিলে। ইয়াত সন্মানীয় সকলো শিক্ষাৰ লগত জৰিত ব্যক্তি আছে যদিও শিক্ষক নহয়। বহুত শিক্ষকৰ পৰাও আহিছে। বিভিন্ন চেক্টৰত জৰিত হৈ আছ তেওঁলোকে নিশ্চিতভাৱে গম পায়। আজি পাৰচেণ্টটেজটো হ'ল 85% হৈছে গৈ। আমি বিধায়ক হ'লো , আমাৰ ওচৰত মানুহবিলাক আহে, কয় যে, ল'ৰাজনৰ এডিমিশ্যনটো কৰাই দিয়ক। কাৰণ এতিয়া 85%, 90% Metric তপাচ কৰে, যেতিয়া পাছ কৰে হাইয়াৰ চেকেণ্ডাৰীত এডমিশ্যন দিয়াৰ কাৰণে হাহাকাৰ লাগি যায়। এই ক্ষেত্ৰত আমি হাইয়াৰ চেকেণ্ডাৰী স্কুল আৰু কিছু build up কৰিব লাগিব, প্ৰতিষ্ঠাপন কৰিব লাগিব। তেতিয়াহে যি উঠি অহা প্ৰজন্মৰ যি যুৱ প্ৰজন্ম আহি আছে, নৱ প্ৰজন্ম আহি আছে. তেওঁলোকক আমি এডমিশ্যন দিবলৈ সক্ষম হ'ম। সঁচাকৈয়ে এতিয়া শিক্ষা ব্যৱস্থা, তেতিয়া শিক্ষা ব্যৱস্থা বেলেগ হৈছে। অধ্যক্ষ মহোদয়, আমি মেট্ৰিক পাচ কৰিছিলো, তেতিয়া Class VIII ৰ পৰা Class X লৈ পঢ়িব লাগিছিল। কিন্তু এতিয়া নালাগে। এতিয়া ক্লাছ টেনত এপিয়াৰ হৈ মেট্ৰিক দিব পাৰে আৰু মেট্ৰিকটো এটা এনেকুৱা আছিলে, তেতিয়া উৎসৱমুখৰ পৰিৱেশ আছিল। যেতিয়া মেট্ৰিক পৰীক্ষা দিছিলে, মেট্ৰিকৰ দেওনা

বুলি কৈছিলে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰতি ইমান গুৰুত্ব আছিল যে, সঁচাকৈয়ে গাওঁখনত গম পাইছিল যে, কাৰ ল'ৰা মেট্ৰিক পাচ কৰিলে। কিমান ডিভিজন পাইছে, সেইটো কথা নহয়। ফাষ্ট ডিভিজন পালে নে চেকেণ্ড ডিভিজন পালে নে ষ্টাৰ পালে, সেইবিলাক কথা নহয়। থাৰ্ড ডিভিজন পাচ কৰিলেও উৎসৱ পাৰ্বন হৈ গৈছিলে। কিন্তু সেই মাদকতা নাই। মোৰ ঘৰৰ ওচৰৰ ল'ৰাজনে P.hd কৰি আহে, কিন্তু মোৰ ঘৰৰ কোনেও গম নাপায়। কেনেকুৰা পৰিৱৰ্তন হৈছে যে, সচাই পৰিৱৰ্তন হৈছে সকলো ক্ষেত্ৰতে পৰিৱৰ্তন হ'ব। কিন্তু অধ্যক্ষ মহোদয়, এই যে পাৰচেণ্টেজ টো বাঢ়ি গৈছে। এই ল'ৰা ছোৱালীবোৰক আমি ক'ত এডমিশ্যন দিম। সেই কাৰণে মই অসম চৰকাৰক মই বিশেষকৈ শিক্ষা বিভাগক মাননীয় মন্ত্ৰী মহোদয়ক

অনুৰোধ জনাম অসমত যিবিলাক হাইস্কুল আছে এই হাইস্কুলক আমি হাইয়াৰ চেকেণ্ডাৰীলৈ উন্নতি কৰিব লাগিব। ইয়াৰ কাৰণে ফাণ্ডৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়া আমি উচিত শিক্ষাৰে এক মুল্যভিত্তিৰ প্ৰমুল্য ভিত্তিৰ শিক্ষা দিবলৈ সক্ষম হ'ম। অধ্যক্ষ মহোদয়, আমাৰ চাবজেক্টৰ কোনো কথা অহা নাই। মৰেল ষ্টাডি, যি নীতিশিক্ষা বুলি কৈছিল এই নীতিশিক্ষাৰ যিটো বিষয় আকৌ আনিব লাগিব পাঠ্যক্ৰমত। নহ'লে আমাৰ মই কাকা দোষাৰোপ নকৰো। যিটো জীৰ উশৃংখলতা হৈছে ছাত্ৰ আৰু শিক্ষকৰ মাজত। গুৰু শীষ্যৰ পাৰ্থক্য হৈছে গুৰু শিষ্যৰ এই ব্যৱধানটো থাকিব লাগিব। আমি একলব্য দক্ষিণা পাহৰি যোৱা উচিত নহয়। আমি সন্মানীয় শিক্ষক সকলক যথা সন্মান দিব লাগিব। যিসকলে আমাক এই জগতত জ্ঞানৰ পোহৰ দিবলৈ সক্ষম হৈছে। কিন্তু আজি আমি বিভিন্ন সময়ত দেখিবলৈ পাও, শিক্ষক আৰু ছাত্ৰৰ মাজত যিটো সন্মান এই সন্মানটো লাঘৱ হৈছে. পণ্ডিত আমি সকলোৰে জানো যে, 'পণ্ডাৰ যোগিত পণ্ডিত'। পণ্ডা মানে হ'ল সংস্কৃতত কৈছে জ্ঞান ইত হ'ল আছে আমি জ্ঞানীলোকক পণ্ডিত কওঁ। এই জ্ঞানী লোকে যথা সন্মান পাব লাগিব আৰু নিশ্চিত ভাৱে আমাৰ চৰকাৰে সন্মান দি আছে. অধ্যক্ষ মহোদয়, মই বেছি দীঘলীয়া নকৰো। ইতিমধ্যে শিক্ষাৰ ওপৰত ধুনীয়াকৈ আমাৰ সন্মানীয় বিধায়কসকলে ইয়াত চৰ্চা কৰিছে। Concurrence, Non Concurrence, Drop out post, Left out post, affect, issue date এই বিলাকে হৈ থাকিব। কিন্তু তাৰ উপৰিও আমাৰ এইবাৰ গুণোৎসৱ হ'ল। গুণোৎসৱ হৈ যোৱাৰ পাছত বহুত স্কুল Amalgamation হ'ল Amalgamation হোৱাৰ পাছত এখন স্কুল গৈ অন্য এখন স্কুলত গুচি গ'ল। এই স্কুলখন কি হ'ব। তাৰ যিটো এচেট, এই এচেটটোত আমাৰ শিক্ষা বিভাগৰ দায়িত্ব আছে এইটো কাক দিয়া হ'ব নে তাত অনৈতিক কাৰ্য্য চলিব । এইবিলাক কথা আমি চৰ্চা কৰিব লাগিব। মোৰ সমষ্টিৰে এখন কন্যা হাইস্কুল বুলি আছিলে। গাৰ্লচ স্কুল। সেইখন, এখন বেলেগ স্কুলত এডজাষ্ট কৰি দিয়া হ'ল। পি ভি কনিহা হাইস্কুল বুলি কয়। তাৰ পাছত এই স্কুলখন বন্ধ হৈ আছে। তাৰ স্থানীয় ৰাইজ মোৰ ওচৰত আহি কৈছে আমাৰ ডিমৌডুবকত এখন out post আছে। থানাখন তাত নিব পাৰিম নেকি ? তেতিয়া মই ক'লো যে, শিক্ষা বি ভাগৰ পৰা এটা পাৰমিশ্যন লাগিব। তেওলোকে যদি পাৰমিশ্যনটো দিয়ে, এই এচেটটো আমি ব্যৱহাৰ কৰিব পাৰিম। নহ'লে এইটো এটা বেলেগ চিন্তাধাৰালৈ আহি যাব। ঠিক তেনেকুৰা বহুত লেকুনা থাকি গ'ল। এইখিনি আমি মাৰিব লাগিব। অধ্যক্ষ মহোদয়, যে আমাৰ যিবিলাক চাবজেক্ট আছে, আমি ইঞ্জিনীয়াৰিং পঢ়ো, চাইন্স পঢ়ো আমাৰ যিবিলাক চাবজেক্ট এই চাবজেক্ট বিলাক ভৱিষ্যতে এপ্লাই নহয়। যদি ইঞ্জিনীয়াৰ হয় বি ই পাছ কৰাৰ পাছত তেওঁ জাষ্ট বিলত চহী কৰিব, তেওঁ কেৰাণী সদৃশহে হয়। সেই কাৰণে কোৰ্চবিলাক Job oriented course হ'ব লাগিব তেতিয়া আমাৰ শিক্ষিত নিবনুৱা সমস্যাও লাঘৱ হ'ব। আৰু প্ৰতিটো শিক্ষা খণ্ডত যি এডুকেশ্যন ব্লক হয়,

এই এডুকেশ্যন ব্লক বিলাকত এখন এখন কাৰিকৰী Vocational School খোলাতো প্ৰয়োজন আছে। আৰু আশা কৰিছো আমাৰ শিক্ষা বি ভাগৰ জৰিয়তে এই ফেৰা কাম সম্পন্ন হ'ব। অধ্যক্ষ মহোদয়, শিক্ষক সকল আমাৰ সকলোৰে সন্মানীয় মই প্ৰথমে কৈছো যে, "পণ্ডাৰ যোগিত পণ্ডিত" জ্ঞানীলোকক আমি পণ্ডিত কওঁ। এই মহান শিক্ষক সকল যাতে অন্য বৃত্তিত ব্যস্ত হ'ব নোৱাৰে। তাৰ প্ৰতিও আমাৰ চৰকাৰ দায়িত্ব আহি পৰিছে। ইয়াৰ উপৰিও চৰকাৰৰ এখন হাইস্কুলত প্ৰতিবছৰে এজন শিক্ষকে তেওঁৰ বিষয়টো চাব আমি ধৰি লৈছো যে, চোচিয়েল চাইন্স, চোচিওলোজি যিটো কয়, আজিকালি সমাজ বিজ্ঞান বুলি কয়। এই সমাজ বিদ্যাত বছৰ বছৰ ধৰি লেটাৰ পায়। তেনেকুৱা শিক্ষক বিলাকক যদি আমি পাৰফৰমেঞ্চ পে' দিয়াক ব্যৱস্তা কৰিব পাৰো, তেতিয়াহ'লে কম্পিটিশ্যন হ'ব। প্ৰতিটো বিষয়ত ল'ৰা-চোৱালীয়ে লেটাৰ পাব। নহ'লে আমি মাজে মাজে দেখিবলৈ পাওঁ তেওঁলোকে অকমনাম অন্তৰত দুখ পায় যে, ইমান ভাল ৰিজাল্ট হয় যে মই একো নাপাওঁ। ঠিক তেনেকুৱা যদি আমি ব্যৱস্থা কৰো, এ পি পি টো আনিব লাগিব। কেন্দ্ৰীয় চৰকাৰ অধীনত আমি চাকৰি কৰিছিলো। তাত আমাৰ পি পি আছিলে। সেই কাৰণে আমি ভালদৰে ডিউলি কৰিছিলো। ৯ বজাত যাব লাগে। ৮.৪৫ তে যাওঁ। পেপাৰখন দৰকাৰ হ'লে অফিচতে পঢ়িম। ঠিক তেনেকৈ আমাৰ শিক্ষক সকলো সময়মতে আহিব যে , এই বেপৰুৱা যিটো লাইন হৈছে , এইটো বন্ধ হব। ইয়াৰ উপৰিও অধ্যক্ষ মহোদয. কৈছোৰেই , চৰকাৰীখণ্ডৰ প্ৰতি আকৌ আগৰ ঐতিহ্য গৰিমা ঘুৰাইআনিব লাগিব। শিক্ষক,ছাত্ৰ-ছাত্ৰী আৰু অভিভা ৱক। এই তিনিটা বিন্দুৰ মিলন হ'ব লাগিব। আমি মাজতে এইটো গেপ দেখিবলৈ পাইছিলো। কিন্তু আমাৰ চৰকাৰে যি গুণোৎসৱ পাতি শিক্ষাৰ ক্ষেত্ৰত এক ধুনীয়া পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। শিক্ষানুষ্ঠানলৈ গ'লে ভাল লাগে। তাত এক পৰিৱেশ ৰচনা হৈছে। Evvironment create কৰা হৈছে এই Environment ৰ জৰিয়তে আমি চৰকাৰী খণ্ডৰ বিদ্যালয় সমূহলৈ পুৰণা গৰিমা ঘুৰাই আনিবলৈ সক্ষম হম। অধ্যক্ষ মহোদয়, মোৰ ঘৰত দুটা পুখুৰী আছে। এটা পুখুৰী মোৰ একেবাৰে সন্মুখতে । এটা অলপ দুৰত। এই দুৰৰটোতে মই কোনোদিন তাত চিৰা সান্দহৰ গুৰি, ভাত কেতিয়াও নিদিও। তাৰ ওচৰৰটোত মোৰ মায়ে আৰু মোৰ পত্নীয়েও দিয়ে। ঠিক তেনেকৈ প্ৰাইভেট স্কুলত যেতিয়া ছাত্ৰ-ছাত্ৰী বিলাকক দিয়ে, চাৰ্টৰ বুটামটো চিঙিলেও ভালদৰে লগাই দিয়ে, জোতা পলিচ কৰি দিয়ে। টিফিন বক্সটো দিব, বেগটো দিব। নিজে নাথাকিলেও কাৰোবাক মাতি আনি ল'ৰাজনক থব যায়। কিন্তু চৰকাৰী বিদ্যালয়ত কি হৈছে অধ্যক্ষ মহোদয় জানেনে, খৰৰ নলয়। Daily Homework কি দিছে আমাৰ Gurdians নাযায়। যাব বিনিময়ত ৰিজাল্টৰ সময়ত কয় যে, প্ৰাইভেট খণ্ডত জয় জয়। আৰু চৰকাৰী খণ্ডত অৱস্থা বেয়া। এনেকুৱা এটা চলি আছে অধ্যক্ষ মহোদয়, আপুন নিজে এইটো বোধগম্য। এইবিলাক আমি লাঘৱ কৰিব লাগিব। আৰু তাতকৈ দুখৰ কথা চৰকাৰী খণ্ডৰ যিসকল সন্মানীয় শিক্ষক আছে মই সমালোচনা নকৰো। তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীক কিন্তু প্ৰাইভেটত দিয়ে। কিন্তু এইটো হ'ব দুখ লগা ঘটনাকেনেকৈ আমি চৰকাৰী খণ্ডত আমি ৰিজাল্ট ভাল কৰিবলৈ সক্ষম হ'ম। মই যদি নিজে ই এখন হাইস্কুলৰ মাষ্টৰ হও, মোৰ ল'ৰাটোক দিম কোনোবা জাতীয় বিদ্যালয়ত আৰু মই কম যে, সমালোচনা কৰিম যে, এইখন স্কুলৰ ৰিজাল্টটো বেয়া। মই প্ৰথমে অনুৰোধ জনাম, আমাৰ সন্মানীয় শিক্ষক সকলক যিসকলচৰকাৰী খণ্ডত আছে, তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীক আমাৰ চৰকাৰী মাধ্যমৰ স্কুলত পঢ়াবৰ কাৰণে ব্যৱস্থা কৰিব লাগিব। নহ'লে আকৌ অৱস্থা তেনেকুৱাই হ'ব।

**মাননীয় অধ্যক্ষ ঃ** বহুতে বিধায়ক সকলক জনায় যে, আমি অসমীয়া মাধ্যমত পঢ়াব লাগে বা

নিজৰ মাধ্যমত ।

**শ্ৰী ভৰেশ কলিতা, (ৰঙিয়া) ঃ** সঁচা অধ্যক্ষ মহোদয়, আমি গাওঁত পঢ়িলো।

**মাননীয় অধ্যক্ষ ঃ** আমি বিলাকে পঢ়ি আহিলো। আমাৰ পিছৰ পিৰীটো।

**শ্ৰী ভৰেশ কলিতা, (ৰঙিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাইস্কুলত পঢ়িলো। হাইস্কুলত পঢ়িলো কলেজত পঢ়িলো। ইউনিভাৰচিটিৰ পৰা ডিগ্ৰীটো ললো। আমিতো গাওঁত পঢ়া। ভাষাটো কেতিয়াও হেঙাৰ হ'ব নোৱাৰে। জ্ঞানৰ কেতিয়াও হেঙাৰ হ'ব নোৱাৰে। অসমীয়া মাধ্যমত পঢ়ি আমাৰ ল'ৰা-ছোৱালী ভাল হ'ব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** সেইটোত দ্বিমত নাই। যিমানখিনি মুধা-ফুটা মানুহ, এতিয়ালৈকে অসমে প্ৰডিউচ নকৰে। তেওঁলোক সকলো অসমীয়া মাধ্যমত পঢ়ি অহা। এতিয়া পিছতহে হৈছে। মই সেইবুলি ইংৰাজী মাধ্যমটো বেয়া বুলি কোৱা নাই। এইটো পাৰ্ট বাদ দিয়ক।

**শ্ৰী ভৰেশ কলিতাঃ** অধ্যক্ষ মহোদয়, আৰু কিছুমান কথা আহি পৰে যে কিছুমান স্কুল শতবৰ্ষ হৈ গ'ল। কিছুমানত Golden Jublee, হৈ গ'ল। কিছুমানত Dimond Jublee হৈ গ'ল। Silver Jublee হৈ গ'ল। এইবিলাকৰ ৫০ বছৰ ডেওনা পাৰ হৈ গ'ল। এই স্কুল সমুহত incentive দিয়াৰ প্ৰয়োজন আছে। সেই পুৰনা যিবিলাক ঐতিহ্যমণ্ডিত বিদ্যামন্দিৰ, সেই বিলাকৰ যি পুৰনি গৰিমা, হয় আমাৰ সন্মানীয় বিধায়ক পেগু ডাঙৰীয়াই কৈছিল যে হয় আমাৰ গাঁৱৰ মানুহে বিহু পাতে। জাতীয় অনুষ্ঠান, মহো হো উৎসৱ পাতি সেই পইচাৰে স্কুল পাতি দিছিল, কলেজ পাতি দিছিল সেই বিলাক আবেগ অনুভুতি জড়িত হৈ আছে। সেই বিদ্যালয় বোৰৰ অৱস্থা খুব বেয়া সেই বিদ্যালয় সমুহক আমি পুনৰ এক জাক-জমকতাৰ পৰিবেশলৈ আনিব লাগিব অধ্যক্ষ মহোদয়, তেতিয়া আমি ক'ব পাৰিম যে শিক্ষা ব্যৱস্থা Stream line হৈছে। এনেকুৱা বহুত সমস্যা আছে হয়তো কৈ থাকিলে শেষ নহব। অকল শিক্ষকৰ সমস্যাই শিক্ষা ব্যৱস্থাৰ সমস্যা হব নোৱাৰে অধ্যক্ষ মহোদয়। সচা যি সকলে বছৰ বছৰ ধৰি এখন স্কুলত বিনা বেতনে কাম কৰি থাকে, সেই সকলৰ অৱসৰৰ দিনটো বৰ দুখ লগা। মই বাৰে বাৰে কৈছিলো, যদি পাৰি বিনা বেতনে যিবিলাক শিক্ষকৰ বিদায় সভা হয়, সেই দিনাখন যদি আমি ২ লাখ টকাৰ চেক তেওঁৰ হাতত তুলি দিব পাৰো, অন্ততঃ ঘৰত নি কব পাৰিব অধ্যক্ষ মহোদয়, যে মই ইমান দিন নাগৰিক সৃষ্টি কৰিলো, সু নাগৰিক, মোৰ হাতেৰে উকীল, ডাক্টৰ MLA, মন্ত্ৰী হ'ল। আপোনাৰ নিচিনা সন্মানীয় অধ্যক্ষ হ'ল। তেওঁলোকক মই বনালো। সেয়ে আজি মোক চৰকাৰে এটা পুৰষ্কাৰ দিছে। মোৰ এইটো কোনো দৰমহা নহয়, মই নাগৰিক সৃষ্টি কৰিছিলো। সেই নাগৰিক সৃষ্টি কৰাৰ কাৰণে আজি মোক চৰকাৰে এটা সন্মান দিছে। আমাৰ বহুত টকা গুছি যায় অধ্যক্ষ মহোদয় চৰকাৰৰ বিভিন্ন যোজনাত যায়, তাৰ পৰা আমি in put দিও কিন্তু out put পাওঁনে নাপাওঁ নাজানো । কিন্তু এইটো এটা সাংঘাটিক out put হব। আমি যদি ২ লাখ বা ৩ লাখ টকাৰ retirement ৰ দিনাখন শিক্ষক জনক দিব পাৰো। বিদায়ী সভা এখন হয় আমাকো মাতে, একো দিব নোৱাৰো। সেই বিদায় মুহুৰ্তত যদি চৰকাৰৰ তৰফৰ পৰা কিবা এটা ব্যৱস্থা কৰিব পাৰে। Specially my Sincerely request to our Hon'ble Education Minister, please কামটো যেন কৰি দিয়ে। মই আৰু বিশেষ নকওঁ। মই আপোনাক ধন্যবাদ দিছো, তেনেকুৱা এটা পদক্ষেপ লৈ এই বিধান সভাৰ যি মৰ্য্যদা বৃদ্ধি কৰিলে, পুনৰ আপোনাক শত সহশ্ৰ প্ৰনাম জনাই মোৰ কবলগীয়াখিনি সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** Thank you মামুন ইমদাদুল হক চৌধুৰী

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী, বিধায়কঃ**- মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিটো বিষয় আজি উত্থাপন কৰিবলৈ দিছে, আপোনাৰ নিজা initiative ত, এই বিষয়টো চাৰ Human Resource ৰ লগত জড়িত, আৰু Central Government Education Department টোক Human Resource Development বুলি কোৱা হয়। ৰাজ্যবিলাকত শিক্ষা বিভাগ বুলি কোৱা হয়। কিন্তুCentral Government য়ে মানৱ সম্পদ উন্নয়ন বিভাগ বুলি কয়। আজি আমি অসম বিধান সভাত অসমৰ Highest body, Highest authority, আমাৰ political line টো অলপ বেলেগ থাকিব পাৰে কিন্তু আমি ইয়াত ১২৬ জন মানুহ আছে, এইখন ঘৰত বহি আছো মোৰ বোধেৰে আজি প্ৰথমবাৰৰ কাৰণে এনেকুৱা এটা বিষয় আলোচনা কৰা হৈছে। এনেই বাজট ডিচকাশ্যন হয়, বা বেলেগো হৈ থাকে।। গতিকে বিশেষ ভাবে শিক্ষাৰ ওপৰত, মানে অকল Human Resource টো ভবিষ্যতে আমি কেনেকৈ ভাল produce কৰিব পাৰো তাৰ ওপৰত আলোচনা হৈছে। এই আলোচনাটোৰ কাৰণে যে আপুনি উদ্যোগ ললে তাৰ কাৰণে চাৰ আপোনাক ধন্যবাদ জনাইছো। ইতিমধ্যে আমাৰ মাননীয় বিধায়ক তপন গগৈ ডাঙৰীয়াই যিখিনি কথা কলে, এই বিষয়টো উত্থাপন কৰোতে আমাৰ বিধায়িনী দলৰ পৰা আমিনুল ইছলাম ডাঙৰীয়াই কলে, খালেক ডাঙৰীয়াই কলে, সকলোৱে কৈছে ভালেখিনিয়ে কৈছে বিশেষকৈ ৩-৪ জন বক্তাই একেবাৰে details ত A to Z, আইনী প্ৰক্ৰিয়াৰ কথা কৈছে, আন্তঃগাঠনিৰ কথা কৈছে, teacher student ratio ৰ কথা কৈছে, কোনো কথাই মই স্পৰ্শ কৰিব বিচৰা নাই। ইতিমধ্যে চাৰ, ভৰেশ দাই এটা কথা কলে যে moral Education ৰ কথাটো কলে। আমি চাৰ খুব সাধাৰণ কথা কিছুমান কব বিছাৰিছো। যেতিয়া LP School ত পঢ়ো, মানে মই যিখন স্কুলত পঢ়িছিলো, সেই স্কুলখনত প্ৰত্যেক শনিবাৰে চাৰে, দুপৰীয়াৰ পাছত তেতিয়া ভাত খোৱাৰ ব্যৱস্থা নাছিল তেতিয়া চাৰ সাধুকথা শুনাইছিল। তেতিয়া তাত মাত্ৰ এজনেই শিক্ষক আছিল। আমাৰ শিলিখা গছ এজোপা আছিল। তাৰ তলত শ্ৰেণী হিচাপে বহাই প্ৰত্যেক শনিবাৰে আমাক সাধু কথা শুনাইছিল। আমাৰ ক'ৰ্হত আছিল নে নাই সেইটো বুজিবৰ কাৰণে আমাৰ তেতিয়া শক্তি নাছিল। কিন্তু এই সাধু কথাৰ যিবিলাক প্ৰভাৱ তাৰ প্ৰভাববোৰ আমাৰ ব্যক্তিগত জীৱনত খুব ভালকৈ পৰিছিল। এই ব্যৱস্থাটো চাৰ থাকিব লাগে। তাৰ পাছত ৬ষ্ঠ ,৭ম ত হিতোপদেশ বুলি আমি কিতাপ পঢ়িছিলো। নৈতিক চৰিত্ৰ গঠন কেনেকৈ কৰিব পাৰি, বাইবেলৰ সাধু পঞ্চতন্ত্ৰ সাধু, পঢ়িছো। অলপ আগতে আমাৰ ভবেশ দাই যিটো কথা কলে, যুৱ উশৃংখলতাৰ প্ৰধান কাৰণ হৈছে এইটো। আজি কালি আমি ল'ৰা-ছোৱালী বিলাকক অকল টকা ঘটাৰ মেচিন বনাও এইটো মাৰাত্মক ব্যাধি। আমি নিজে গালি পাৰি থাকো ল'ৰা-ছোৱালী বিলাক বেয়া হৈ গ'ল, ১২,১৩ বছৰীয়া ল'ৰা-ছোৱালী ৰেপ কৰিলে। তেওঁলোকে নাজানে কিয় এনেকুৱা হৈ আছে। গতিকে আমি সৰু অৱস্থাৰ পৰা তেওঁলোকক মেন্টেলি বনাই আনিব লাগিব। লাগিলে M.E School তেই হওঁক moral subject এটা আমি যদি course ত লওঁ তেন্তে মোৰ বোধেৰে ভবিষ্যৎ প্ৰজন্মটো চাৰ ভাল হব। ২য় কথা এটা চাৰ মই আপোনাক কব বিচাৰো, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো, ইয়াত চাৰ আমি যিখিনি মানুহ বাহ্নি আছো বিধায়ক সকল,এটা চাৰ খুব দুখ লগা কথা, কব নাপায় তথাপি কৈছো, মেট্ৰিকত যিবিলাক ল'ৰা ষ্টেন কৰে, আমি চাৰ টি ভি ত তেওঁলোকৰ Statement চাওঁ কয় ডাক্তৰ হব, আৰু ইঞ্জিনিয়াৰ হব, যিবিলাক ল'ৰা তাতকৈ অলপ তলত ৭০ শতাংশ পালে বা ৬০ শতাংশ ৰ ওপৰ পালে তেওঁলোকে কয় মই আই এ এচ

হম, এ চি এচ হম । কোনো এজন ছাত্ৰই নকয় মই MLA হম, মন্ত্ৰী হম, মই মুখ্যমন্ত্ৰী হম।

**মাননীয় অধ্যক্ষ ঃ-** যোৰাবাৰ এজনে কৈছে। যোৰাবাৰ T.V ত চাইছে। এগৰাকী ছোৱালীয়ে কৈছে।

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী, বিধায়কঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই পোৱা নাই মোৰ এটা অনুৰোধ যোৰাবাৰ বাজেট দিচকাশ্যনত মই আনিছিলো, আজি মাননীয় মন্ত্ৰী মহোদয় আছে, অষ্টম বা নৱম শ্ৰেণীৰ মাজত যদি এটা Chapter include কৰিব পাৰো Leadership Development কেনেকৈ হয়?Leadership production কৰিব লাগে । গোটেই নেতা সকলে চাৰ দেশ শাসন কৰে। গোটেই ব্যৱস্থাটো নেতা সকলে শাসন কৰে। সকলোতকৈ মেধাবী ছাত্ৰ সকল ডাক্তৰ, ইঞ্জিনিয়াৰ হবলৈ যায়। এটা perception হৈ যায় যে ডাক্তৰ, ইঞ্জিনিয়াৰ ৰ বাহিৰে কোনো নাই। চাৰ মোৰ practical exiperience এটা আপোনাৰ জৰিয়তে Share কৰিব বিচাৰিছো, অষ্টম শ্ৰেণীত আমাক ইংৰাজীত ৰচনা লিখিবলৈ দিছিল, my aim in life তেতিয়া চাৰ মই ৰচনা লিখিছিলো মই politics ত থাকিম বুলি। আজি politics ত আছো মোৰ ব্যক্তিগত কথা কব নালাগে কিন্তু Leadership Development Course টো কিয় লাগে সেই কাৰণে চাৰ কৈ আছো, ব্যক্তিগত অভিজ্ঞতা। BSC পৰীক্ষা চাৰ যেতিয়া দিবলৈ গৈ গৈছো, তেতিয়া মোক External য়ে (Viva)ত তুমি কি কৰিবা? তেতিয়া মই কৈছো যে চাৰ , মই নাওবৈচাত MLA খেলিম। Msc পৰীক্ষাৰ Viva পৰীক্ষাত মোক সুধিছে তুমি ভবিষ্যতে কি কৰিবা? মই কৈছো নাওবৈচাত MLA খেলিম। এইযে যদি মই Leadership Development Course অষ্টম বা নবম শ্ৰেণীত পালো হয়। তেতিয়া হলে কিন্তু মই MLA হওতে যিমানখিনি কষ্ট হ'ল, সিমান কষ্ট ন'হল হয়। যিহেতুকে মোৰ aim টো এইটো হয়। যিহেতুকে নেতা সকলে দেশ শাসন কৰে, গোটেই system টো যিহেতুকে আমি নিয়ন্ত্ৰন কৰো গতিকে আমাক সৰুৰ পৰা ল'ৰা বিলাকক মই mind set ত চাৰ আমি ডাঙৰ দীঘল কৰিব লাগে। আৰু morally যদি আমি ঠিক কৰিব নোৱাৰো। ভবিষ্যতে আমাৰ অফিচাৰেই হওঁক ডক্টৰেই হওক ইঞ্জিনিয়াৰেই হওঁক অকল আৰ্থিক দিশটো তেখেত সকলে চাবলৈ যাব moral দিশটো চাবলৈ ò±û±ûþ¼ÛýÃÕÂÂßÁ ±Õ±ç àÂ&1nÇüýÃÁË1 ùÂù±Ëá¼৩য় এটা কথা চাৰ আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো, Physical Instructor, আগত পুৰনা দিনত চাৰ এই বিলাক আছিল আজি কালি নাই। গতিকে কোনোবা এজন বিধায়কে কথাটো কৈ গৈছে। আমি চাৰ এই বস্তুটো আমি স্কুল বিলাকত আনিব লাগে। প্ৰত্যেকখন স্কুলত অন্ততঃ এজন বা দুজনকে Physical Instructor, body fitness ৰ কাৰণে চাৰ এইটো আমি কৰিব লাগে। Course ত Compulsory কৰিব লাগে। এই কথাখিনি চাৰ আপোনাৰ জৰিয়তে অনুৰোধ জনালো আৰু এটা কথা ভৰেশ দাই খুব ভালকৈ কৈ গৈছে, শিক্ষক অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী, বহুত দিন আগতে এটা Article ত মই পঢ়িছিলো, শিক্ষক অভিবাৱক আৰু ছাত্ৰ-ছাত্ৰী এই তিনিটা মিলি এটা ত্ৰিভুজ হয় আৰু তিনিওটা কোন যদি নিমিলে, ত্ৰিভূজটো পৰিপূৰ্ন নহয়। কিন্তু দেখা যায়, যে আমাৰ অভিভাৱক সকল ইয়াত বহুত জগৰীয়া হৈ আছে। অভিভাৱক সকলে কিন্তু শিক্ষক সকলে মাতিলে নাহে। ইয়াত চৰকাৰক দোষ মই দিয়া নাই। কিন্তু অভিভাৱকৰ mind set টো এনেকুৱা নহয়। গতিকে আমি চাৰ নিজে নিজে অলপ সজাগ হব লাগিব। এই বস্তু বিলাক আমি গুৰুত্ব দিব লাগিব। আৰু শিক্ষাৰ হাৰৰ কথা যেতিয়া কবলৈ যাওঁ ট্ৰাইবেল মানুহ, আদিবাসী মানুহ, আৰু মাইনৰেটি মানুহ এই মানুহ খিনি শিক্ষাৰ ক্ষেত্ৰত বহু পিচপৰা হৈ আছে। বিগত ৭০ বছৰৰ পিচত, সিদিনা চাৰ

মই zero Hour ত প্ৰশ্ন উত্থাপন কৰিছিলো, চৰ অঞ্চলৰ চাৰ মাত্ৰ ১৯ শতাংশ মোৰ সমষ্টিত চাৰ বহুত ট্ৰাইবেল মানুহ আছে। ট্ৰি টাইবচ মোৰ সমষ্টিত বহুত আছে। তেওঁলোকৰ যিটো অৱস্থা মই দেখো, শুনিবলৈ বেয়া কবলৈ বেয়া বাধ্য হৈ মই কৈছো এই মানুহখিনিক ৭০ বছৰে Political Raw Material হিচাপে ব্যৱহাৰ কৰিছে তেওঁলোকক চাৰ Quality base education দিব লাগে। এই কথা বিলাক চাৰ গুৰুত্বসহকাৰে লব লাগে। সিদিনা চাৰ আমাৰ মাননীয় বিধায়ক , বিহপুৰীয়াৰ দেৱানন্দ হাজৰিকাদেৱ তেখেতো এজন ভাল শিক্ষাৰ লগত জৰিত ব্যক্তি, এটা কথা তেখেতে কৈছে সেইদিনা, কোনোবা এজন MA Pass ল'ৰাই তেখেতৰ ওচৰত , দৰ্খাস্তি আনিছিল দৰ্খাস্তিখন ভালকৈ লিখিব পৰা নাই। একেই ঘটনা মোৰ লগতো ঘটিছে, এজন প্ৰধান শিক্ষক মই নাম নকওঁ, মোক দৰ্খাস্তি দিছে, To The Hon'ble MLA,Hon'ble বানান হোৱা নাই। তেওঁ এখন স্কুলৰ প্ৰধান শিক্ষক। এই হ'ল ছাত্ৰৰ অৱস্থা হাজৰিকা ডাঙৰীয়াই কলে, এয়ে হ'ল প্ৰধান শিক্ষকৰ অৱস্থা, মই উদাহৰণ দিলো।

মই শিক্ষকৰ উদাহৰণ দিব বিচাৰিছো। মোক Address কৰিছে To the MLA, Naobaicha Constitution মই শিক্ষকজনে লাজ পাব বুলি ভুলটো দেখুৱাই নিদি, তেখেতক পুনৰ পঢ়ি চাবলৈ দিলো। তেখেতে দ্বিতীয়বাৰো কি ভুল কৰিলে ধৰিব নোৱাৰিলে। মাননীয় অধ্যক্ষ মহোদয়, এজন প্ৰধান শিক্ষকে Constitution আৰু Constituency ক'ত লিখিব লাগে নাজানিলে। এইটো হৈছে - শিক্ষকৰ অৱস্থা। অধ্যক্ষ মহোদয়, যদিও চৰকাৰে বহুত প'লিচি লৈছে, বহুত প্ৰয়াস কৰিছে তথাপি আমি শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে আৰু প্ৰয়াস কৰিব লগিব। এই ক্ষেত্ৰত মানৱ সম্পদ গঢ়াৰ বাবে কোনো ৰাজনৈতিক চিন্তা কৰিব নালাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় বিত্তমন্ত্ৰীয়ে সদন দিয়া প্ৰতিশ্ৰুতি অনুসৰি ২০১৭-১৮ বিত্তীয় বৰ্ষৰ খচৰাৰ খতিয়ানৰ ওপৰত এখন প্ৰতিবেদন সদনত দাখিল কৰিব।

**ড° হিমন্ত বিশ্ব শমা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া শিক্ষা বিভাগৰ ওপৰত আলোচনা চলি আছে যদিও তাৰ মাজতে মই ২০১৭-১৮ বিত্তীয় বৰ্ষৰ খছৰৰ খতিয়ানৰ এক প্ৰতিবেদন সদনত দাখিল কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, চলিত বাজেট অধিবেশনৰ ফেব্ৰুৱাৰী মাহত বিৰোধীৰ মাননীয় সদস্যসকলে এটা প্ৰশ্ন কৰিছিল - "এই বছৰ বৰ্তমানলৈ বাজেটৰ কিমান টকা খৰছ হ'ল?" তেতিয়া উত্তৰত ক'বলগা হৈছিল যে ৪৮ শতাংশ বুলি আৰু thereafter, there was a lot of criticism. তেতিয়া মই এটা কথা কৈছিলো যে বিত্তীয় বৰ্ষ চলি থকা অৱস্থাত কিমান টকা খৰছ হৈছে বুলি প্ৰশ্ন কৰিলে কোনো বিত্ত মন্ত্ৰীয়ে সঠিক উত্তৰ দিব নোৱাৰে, কাৰণ বিত্তীয় বৰ্ষ চলি থকা অৱস্থাত আৰ.বি.আইৰ পৰা কিমান টকা কৰ্তন হৈ আছে, ক'ত ক'ত খুঁত লাগি আছে কোনো কথা গম পোৱা নাযায়। অধ্যক্ষ মহোদয় সিদিনাই মই সদনত কৈছিলো যে ৫ এপ্ৰিলত মই ২০১৭-১৮ বিত্তীয় বৰ্ষৰ খচৰাৰ খতিয়ানৰ এক প্ৰতিবেদন সদনত দাখিল কৰিম। সেয়েহে সদনত দিয়া প্ৰতিশ্ৰুতি অনুসৰি আজি 2017-18 বিত্তীয় বৰ্ষৰ Expenditure (Provisional) Statementখন সদন দাখিল কৰিলো। অধ্যক্ষ মহোদয় মই প্ৰতিবেদনখন পঢ়ি দিছো -

(মাননীয় বিত্ত মন্ত্ৰীয়ে অসম চৰকাৰৰ বিত্ত বিভাগৰ FY 2017-18, Expenditure (Provisional) Statement খন পঢ়ি দিয়ে)

**ড° হিমন্ত বিশ্ব শৰ্মা,মন্ত্ৰী, শিক্ষা, বিত্ত আদি** ঃ মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে অসম চৰকাৰৰ বিত্ত

বিভাগৰ FY-2017-18 Expendituure (Provisional Statement) পঢ়ি দিয়ে।
Agriculture Expenditure........................
Price Stabilization Fund :-Schemes was launched to act as a mechanism for the Food & Civil Supplies Department to respond to situationes where there is an artificial increase in the prices of the essential commodities like Onion,Tomato etc.

- **CMSGUY – Entry Point Activities :** Initiative was to propel the entry point activities related to the Mega Mission, Chief Minister's Samagra Gramya Unnayan Yojana (**CMSGUY)** which is aimed at doubling the farmers' income over the next 5 years.

- **Action Taken :** Various sub-missions of the Mega Mission have been registered and the activities of these missions are gathering speed and the entry point activities are at advanced states of implementation. An additional sum of Rs.200 Cr. released to the Mega Mission to unsure that the implementation of the various Schemes under the Mission do not suffer due to want of financial resources. Further, to strengthen the mission further Rs.200 Cr. has been earmarked in Budget 2018-19.
  Hon'ble Speaker, yesterday Cabinet has finally approved Rs.10,000 for procurement of Tractor and also we have released the money for sports field.

- **Mission Muga :** Launched an ambitious mission to increase production of muga silk by 10 times by the year 2016 to fulfill the Government's vision of making Assam as the leader in the world market.

- **Action Taken :** Assam Silk Outreach Mission has been established and the budgeted amount of Rs.100 Cr. has been transferred to the mission for the implementation of the Project.

- **Conversion of 1000 Timber Bridge into RCC Bridges and construction of Rail Over Bridges :** Scheme to convert 1000 timber bridges into permanent, RCC Bridges and also to construct Rail Over bridges to improve connectivity and enable the unhindered movement of road transport.

- **Action Taken :** State Government has already sanctioned 208 bridges and the work is in various stages of implementation. An additional amount of Rs.150 Cr. has been earmarked in Budget 2018-19 for the execution of this project.
- **HOUSING FOR ALL (URBAN) Pradhan Mantri Awas Yojana – Housing :** Scheme entails provision of subsidy of Rs.50,000 to each beneficiary in addition to the other benefits already provided by the Government of India.
- **Action Taken :** Fishery College, Raha has been initiated the process of developing a directory of indigenous fish species and the future plans include the preparation of the data base and a gene bank for indigenous fish species at a total estimated cost of Rs.9.36 Cr. To continue the efforts, an additional sum of Rs.2 Cr. has been earmarked in Budget 2018-19.
- **HOUSING FOR ALL (URBAN) Pradhan Mantri Awas Yojana – Housing :** Scheme entails provision of subsidy of Rs.50,000 to each beneficiary in addition to the other benefits already provided by the Government of India.

- **Action Taken :** The Pradhan Mantri Awas Yojana (U) Scheme is in advanced stages of implementation and as per demand survey 208000 houses are to be constructed of which 55634 houses are beneficiary led. Accordingly, the Letter of Intent (LoI) for 12100 beneficiaries has been issued by ULBs for the construction of houses of which 1887 houses are under construction. An amount of Rs.150 Cr. has been released to the implementing agency for the execution of the work.

- **Wage Compensation For Pregnant, Temporary Workers of Tea Gardens :** For better health and nutrition of the pregnant Tea-Garden temporary workers, a onetime payment of Rs.12000 to each pregnant woman of tea-garden areas aimed

at bringing down the MMR/IMR rates in these areas.

- **Action Taken :** The State Cabinet recently approved the scheme to provide Rs.12000 as wage compensation during maternity and has been expanded to cover permanent employees of Tea Gardens as well.

  But in Budget we have said that we will cover only Temporary worker. Now State Cabinet has said that this should also be given to the regular employees. So, now this Scheme is approved.

- **Setting Up Pravasi Asomiya Department :** Initiative is to establish a platform for the Assamese people settled across the world to interact with the Government and other stake holders.

- **Action Taken :** Efforts to establish a Directorate of Pravasi Asomiya are on the way and it is planned to be establish very soon.

- **SVAYEM (Swami Vivekananda Assam Youth Empowerment :** This scheme aims to provide financial support to the youth of the State to encourage them to set up/expand business of their own.

- **Action Taken :** In the last year, we have worked out the various modalities with the banks to ensure that the scheme is robust and sustainable. We will launch the scheme very soon and we have allocated a sum of Rs.300 Cr. in Budget 2018-19 and State Cabinet has approved the scheme yesterday.

- **Gene Bank for Indigenous Fish (GBIF) :** Objective of the initiative is to conserve the germplasm, propagate and restore endangered fish species so that it benefits our future generations by scientifically developing a directory of indigenous fish species along with a database of gene-bank of fish species of entire Assam.
- **Gene Bank for Indigenous Fish (GBIF) :** Objective of the initiative is to conserve the germplasm, propagate and restore endangered fish species so that it benefits our future generations by scientifically developing a directory of indigenous fish species along with a database of gene-bank of fish species of entire Assam.

- **Action Taken :** Fishery College, Raha has been initiated the process of developing a directory of indigenous fish species and the future plans include the preparation of the data base and a gene bank for indigenous fish species at a total estimated cost of Rs.9.36 Cr. To continue the efforts, an additional sum of Rs.2 Cr. has been earmarked in Budget 2018-19.
- **Zero Interest on Crop Loans & Financial Incentives For Farmers Using Kisan Credit Cards (KCC):** Aims to re-invigorate the credit flow to the farm sector by giving 100% Interest subventions on agricultural loans taken by farmers of Assam up to Rs.1.00 Lakh and to activate the inactive KCC's by introducing a one-time cash incentive of Rs.3000 per inactive KCC holding farmers'
if he renews the Card.

- **Action Taken :** The modalities for the implementation of the Scheme including the Banking linkage have been established and expanded scheme has been announced in Budget 2018-19 to reward both from paying farmers as well as to incentive other farmers to clear Loans in addition to encouraging procurement of farm implants earmarked a sum of Rs.500 Cr. in the Budget 2018-19.

In addition to this, the State Government has also taken sincere efforts to drive some of the major Schemes of the State Government and I would like to play some records of achievements in this sphere throughout the following table.

- **ATAL AMRIT ABHYAN :** Rs.1.6 Cr. beneficiary has been enrolled, Cashless scheme will be launched from this month and 92% population will be covered. We have allocated a sum of Rs.400 in this Budget inclusive Cancer Care/Control Programme to establish 7 Govt. Medical Colleges and 11 Districts Hospitals. We have Govt. of Assam contribution of Rs.1,880 Cr.

- **Action Taken :**We have release 200Cr. and this year Budget is Rs.250 Cr. and 200 Cr. is already released.

- **GUN UTSHAV :** Regarding "GUN UTSHAV" as you know that we have conducted "GUN UTSHAV". Now 980 Cr. has been earmarked in the Budget to improve the infrastructure. "Advantage Assam", the first "User Global Summit" has been conducted "Mission Mayatri" for Home Department.

- **Action Taken :** We have announced a "Mission Mayatri" to announce Police Station Govt. of Assam has released 125 Cr. to "Mission Mayatri" and 100 Cr. has been earmarked in this Budget. (I have given just a snap shot. The detailed Budget Department will give and we can also give a detail Statement in every commitment, but I have just highlighted.)
- ***Proactive Execution of Budget 2018-19***

In the Budget Speech 2018-19, it was highlighted that our Government has a dream of a ***"Xujola, Xuphola, Xaishya Shyamola Asom"*** and our Budget is an intent of our Government to propel Assam to being among the Top 5 well governed states in the country.

The 2018-19 budget has three strands –

***"EKATRIKARAN"*** – Consolidation of the policies we have announced and the work we have undertaken in the last two years.

***"XOMPROXARON"*** – Expansion and scaling up the ambitions of some of our existing programmes.
***"UTTORON"*** – Raising the standards of our pursuance.

- In pursuance to these ideals, we have already initiated steps to consolidate the work that we have initiated over the past couple of years. A prime example of this is the recent decision of our Government to release mobilization advance against a number of CSS/EAP schemes. Generally, it has been observed that, during the 1st Quarter of the new Financial Year – April to June – due to a dearth of funds, the implementation of critical developmental schemes are suffered and the pace of work in the next quarter, which coincides with the flood season, is also slow.

  We have now made the move of releasing mobilization advance against some of the critical infrastructure/ development schemes not waiting for Govt. of India release the money, that means

**Dr. H. B. Sarma, Hon'ble Minister, Finance Education etc. :** We have released fund to PHE Department for **"Neer Nirmal"** Scheme without waiting for Govt. of India we have released fund, then Agriculture Department without waiting for Govt. of India in **APART** Scheme, we have released Rs.48 Cr. and Rs.12 Cr. in Agriculture Department for "Solar Shallow Tube well" and "Diesel Shallow Tube Well" without **NABARD** money, we have released 9.70 Cr. and 50 Cr.

Agricullture department solar testing lab we have released 10 crores.Health & Family welfare NHM without waiting for govt. of India money we have already released 200 crores. P & RD department for MGNREGA without MGNREGA without waiting for Govt. money we have already released 200 crores. P & RD for old age pension we have already released 250 crores. Although we have not received the single money from the Govt. of India so far. That means without waiting for the money to come from the Govt. of India from our State money we have already released almost 900 crores so that our Mission can start from the first April.

Road ahead :

In the Budget Speech 2018-19, I had highlighted that it is important that the Budgetary announcements are implemented in right earnest and its implementation is closely monitored through periodic reviews.

To emphasis this point,our entire State Cabinet held a Budet review meeting immediately on March 13th, 2018 State cabinet held a Budget review meeting immediately on March 13, 2018. to sensitize the departments about various Budget announcements and to request them to initiate steps for its quick implementation.

As mentioned in the Budget Speech, the Finance Department will play a very pro-active and facilitative role in ensuring that all announcements and schemes are implemented in a time bound manner.

We will continue to strengthen our focus on Public Finance reforms that we launched in the last couple of years and will continue on generating additional state own resources. We will also continue to focus on bringing new developmental projects to the State through EAP funding to ensure that we are able to bring back the last glory of the State.

We have set higher benchmarks in terms of the expenditure targets for ourselves this year.

Hon'ble Speaker Sir, this year I want to say that this year our target will be to achieve 75%. This year we will achieve 70% and next year we will achieve 75%. Hon'ble Speaker Sir, it is a very important thing. This year department has sent ceiling proposal thirteen thousand one hundred sixty one to State Financee Department and our approval i.e 97 %. I may say whatever ceiling prorposal department has sent 97% Sttee Finance department has agreed. Only out of 13,161 we culd not process only. Only 381 ceiling proposal because we received those proposal after the statutory time. So, these are the achievements hon'ble Speaker sir. This is a new beginning, no Finance Minister usually gives his own report Sir.. But this time we have to do it little quickly but from next year we propose to come back with each and every scheme. We will put it at tabular format. These are the schemes , these are the implementations, so that the House can then deliberate. This is a important thing.

Hon'ble Speaker :- It will lead to transperancy also.

Dr. Himanta Biswa Sarma,Minister, Health :- Hon'le Speaker Sir,for the first time Assam has reached seventy thousand public expenditure. Never it has been happened. Last time we crossed fifty thousand. This time we crossed our own record seventy thousand with 70% expenditure. So, those who were accused in last February probably now they can itself see the record which we are setting.

কোনো চৰকাৰে মাইনোৰিটি ডিপাৰ্টমেন্টক ৮৩ শতাংশ এক্সপেণ্ডিচাৰ আজিলৈকে এচিভ কৰিব পৰা নাছিল।

**Hon'ble Speaker :-** I have allowed the Finance Minister to place the expenditure statement as promised by him in this August House. i.e why I have given. কাৰণ কিবা যদি থাকে ষ্টেটমেন্ট হোৱাৰ পিচত সেইদিনা যিটো আলোচনা হৈছিল । আজিটো ষ্টেটমেন্ট মই লে কৰিবলৈ দিলো। হি হেজ প্ৰমিচড ইউ। আমাৰ মাইনোৰিটি এফেয়াৰ্ছত সেইদিনা যিটো আলোচনা হৈছিল - লিষ্টখনত অলপ কম হৈছে বুলি কৈছিল। ইয়াত দেখুৱাইছে যে মাইনোৰিটি এফিয়াৰছত প্ৰায়খিনি পইচা গৈছে, অলপ আছে

গতিকে সেইটো যদি আছে পিচত আপুনি  তেখেতক ক'ব ।

**Dr Himanta Biswa Sarma,Health Minister :-** I just want to flag. I don't want to go to debate. I just want to flag the commitment of this Govt. Never before many leader propogate themselves. মাইনোৰিটি লিডাৰ বহু মানুহে এই হাউচত আহি গৈছে । কোনো চৰকাৰে ৮০ পাৰ্চেন্ট Expenditure আজিলৈকে এচিভ কৰিব পৰা নাই।

Either highlighted inspite of accused we had achieved 83 % expenditure in Minority Department.

**শ্ৰীআব্দুল খালেক ঃ** চাৰ, ৯৯ লাখ ৰিলিজ কৰি দিছে। ------ সদনত হুলস্থুল ----

**মাননীয় অধ্যক্ষঃ** এইটো মই কলোৰেই । ঠিক আছে ..... **এতিয়া আমি ২.৫০ লৈ সদন স্থগিত ৰাখিছো। আমি ২.৫০ বজাত পুনৰ সদনত মিলিত হ্ম।**

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ৰবিৰাম নাৰ্জাৰী, আপুনি কওঁক।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, কোকৰাঝাৰ পশ্চিম ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ইতিহাসত পোন প্ৰথম বাৰৰ কাৰণে আপোনাৰ বলিষ্ঠ পদক্ষেপত আজি শিক্ষাৰ লগত জড়িত থকা জটিল সমস্যাবিলাকৰ সমাধানৰ স্বাৰ্থত  সদনৰ ভিতৰে সদনৰ বাহিৰে যিটো এটা পদক্ষেপ লোৱা হৈছে, এইটো আমাৰ কাৰণে সচাঁকৈয়ে এটা ঐতিহাসিক পদক্ষেপ বুলি আমি গণ্য কৰাটো উচিত। মই নাজানো আজিৰ আগত অসমত তেনেকুৱা ধৰণৰ পদক্ষেপ বা ব্যৱস্থা বিলাক লোৱা হৈছিল নে নাই। কিন্তু আজি সঁচাকৈ আপোনাৰ বলিষ্ঠ পদক্ষেপত আমাৰ যিটো জটিল সমস্যা, শিক্ষাৰ লগত থকা যিবিলাক সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছো। এই সমাধানৰ কাৰণে ব্যৱস্থা, initiative আৰু যিটো ললে, সঁচা সঁচিকৈ আজি অসমৰ নাগৰিক সমাজে, শিক্ষক সমাজে, ছাত্ৰ সমাজে, অভিভাৱক বিলাকে আৰু আমি জনপ্ৰতিনিধি সকলেও আপোনাৰ এই পদক্ষেপত প্ৰশংসা কৰিছো। আজি সকলোৱে আশাবাদী যে আমাৰ এই অসমত হাজাৰ হাজাৰ স্কুল আছে, হাজাৰ হাজাৰ শিক্ষক আছে, যিসকলে বছ্ৰ বছ্ৰ ধৰি Venture school ত কাম কৰি তেখেত সকলে নিজৰ মুল্যৱান সময় নষ্ট কৰিব লগীয়া হ'ল। এই শিক্ষক সমাজে আজি নতুনকৈ এটা প্ৰাণ পোৱাৰ নিচিনা তেখেতসকলে অনুভৱ কৰিছে যে আমাৰ অসমৰ বিধান সভাৰ অধ্যক্ষ ডাঙৰীয়াৰ নেতৃত্বত বহু বছ্ৰীয়া যিবিলাক Venture school ৰ সমস্যা, শিক্ষক সকলৰ নিযুক্তিৰ যিটো সমস্যা সেইটো নিশ্চয় সমাধান হ'ব। ইয়াৰ কাৰণে আজি শিক্ষক সমাজে, civil society য়ে ছাত্ৰ সকলৰ অভিভাৱক সকলে আপোনাৰ ওচৰত আশা পুহি ৰাখিছে, নিশ্চয় আপুনি আমাৰ চৰকাৰক, মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী ডাঙৰীয়া তেখেতসকলৰ লগত আলোচনা বিলোচনা কৰি সদনত যিবিলাক আজি মতামত আমাৰ বিধায়ক সকলে দাঙি ধৰিছে, বিৰোধী পক্ষৰ পৰাই হওঁক বা শাসকীয়া দলৰ পৰাই হওঁক, যিখিনি আমাৰ মন্তব্য, যুক্তি আমাৰ শিক্ষক - অভিভাৱক সকলে বিচাৰিছে ইয়াৰ নিশ্চয় উচিত ন্যায় বিচাৰ প্ৰদান কৰিবৰ কাৰণে এটা ব্যৱস্থা লব। এইখিনি আমি আজি আশা কৰিছো।

আজি আমাৰ বিধায়ক সকলে, তেখেতসকলৰ নিজৰ নিজৰ বক্তব্য ৰাখিলে, স্কুলবিলাকৰ সমস্যা, শিক্ষক নিযুক্তিৰ সমস্যা বহুত আছে। সেই বিলাক বিস্তৃত ভাৱে আমাৰ বিধায়ক বন্ধু সকলে আগতে কৈ গ'ল, মই আৰু বেছি সেই বিলাকৰ ক্ষেত্ৰত বহলাই কব খোজা নাই। কিন্তু কিছুমান ইয়াত জলন্ত সমস্যা আছে, এই সমস্যা বিলাকৰ কাৰণে ইয়াত আলোচনা কৰিবৰ কাৰণে

আগবাঢ়িছো।

আজি আমি জানো যে যোৱা বছৰত যিটো এটা Education Bill Introduction কৰা হৈছিলে। এই Introduction কৰাৰ সময়ত আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়া দেৱে খুব এটা ভাল যুক্তি সদনত প্ৰকাশ কৰিছিলে আৰু সেইটো আইনত এতিয়া পৰিণত হৈ গ'ল। সেইটো হ'ল যে যিকোনো মাধ্যমত পঢ়া লৰা -ছোৱালী সকলে, ছাত্ৰ -ছাত্ৰী সকলে সি ইংৰাজী মাধ্যমত পঢ়িব পাৰে বা হিন্দী মাধ্যমত পঢ়িব পাৰে বা বেলেগ এটা মাধ্যমত পঢ়িব পাৰে, কিন্তু আমাৰ নিজৰ মাতৃভাষা, সেই মাতৃভাষাটো Class VIII লৈ compulsory পঢ়িব লাগিব। আমাৰ লৰা - ছোৱালী সকলেও নিজৰ ভাষা, নিজৰ কলা - সংস্কৃতি, নিজৰ পৰম্পৰা, নিজৰ দেশৰ বিষয়ে জানিবলৈ হ'লে আমাৰ মাতৃভাষাটো জানিব লাগিব। যাৰ কাৰণে ইংৰাজী মাধ্যম, হিন্দী মাধ্যম বা আৰবী মাধ্যমত পঢ়া সকলেও নিজৰ মাতৃভাষাটো upto class VIII লৈকে পঢ়িব লাগিব বুলি তেনেকুৱা ধৰণৰ আইন আজি পাছ কৰি লোৱা হ'ল। এইটো আমাৰ চৰকাৰৰ এটা খুব ভাল পদক্ষেপ।

আজি আইনৰ দোহাই দি মই এটা বিষয় উত্থাপন কৰিব খুজিছো - এইটো হ'ল যে আমাৰ অসমতে বছৰ বছৰ ধৰি বাস কৰা চানথালী জনগোষ্ঠীৰ চানথালী ভাষা, নেপালী জনগোষ্ঠীৰ নেপালী ভাষা ভাৰতীয়া সংবিধানৰ 8th schedule ত স্বীকৃতি পাপ্ত ভাষা। ভাৰত চৰকাৰে এই ভাষা জীয়াই ৰাখিবৰ কাৰণে, এই ভাষাত শিক্ষাগ্ৰহণ কৰিবৰ কাৰণে আমাৰ সাংবিধানিক মৰ্য্যদা প্ৰদান কৰিব লগীয়া ইয়াৰ ব্যৱস্থা ভাৰত চৰকাৰে প্ৰদান কৰিছে । ইয়াৰ কাৰণে মই কব খুজিছো যে আজি আমাৰ অসমৰ চানথালী জনগোষ্ঠীৰ চানথালী ভাষা, নেপালী জনগোষ্ঠীৰ নেপালী ভাষা ভাৰতীয়া সংবিধানৰ 8th schedule ত স্বীকৃতি পাপ্ত ভাষা। এই ভাষাৰ যিবিলাক এতিয়া ছাত্ৰ -ছাত্ৰীসকল আছে, সকলে অসমীয়া মাধ্যমত শিক্ষাগ্ৰহণ কৰি আছে। অথচ এই চানথালী, নেপালী বা ৰাভা ভাই ককাই সকলে নিজৰ মাতৃ ভাষা পঢ়িবৰ কাৰণে, এই স্কুল বিলাকত Manment Committee ৰ পৰা যিজন শিক্ষক নিযুক্তি দিয়া হৈছে, সেই শিক্ষকৰ দ্বাৰা তেওঁলোকে শিক্ষা গ্ৰহণ কৰি আছে। নিজৰ মাতৃ ভাষাটো তেখেতসকলে পঢ়ি আছে। মাননীয় অধ্যক্ষ, মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টিগোচৰ কৰিব খুজিছো, দাবী জনাব বিচাৰিছো যে আমাৰ চৰকাৰৰ ফালৰ পৰা এই মাতৃ ভাষা MIL language subject হিচাপে upto class VIII লৈকে পঢ়িবৰ কাৰণে যিটো এটা আইন বনোৱা হৈছে আইনটো আমি বলৱৎ কৰি implement কৰি চানথালী, নেপালী আৰু ৰাভা ভাষা বিলাকৰ আমাৰ যিবিলাক ছাত্ৰ -ছাত্ৰী আছে সেই সকলোকে MIL language subject হিচাপে upto class X লৈকে পঢ়িবলৈ তেওঁলোকে যাতে সুবিধা পায়। ইয়াৰ কাৰণে চানথালী, নেপালী আৰু ৰাভা ভাষাৰ শিক্ষক তেওঁলোকৰ স্কুলবিলকাত নিযুক্তি দিয়াৰ কাৰণে মই অনুৰোধ জনাইছো।

আমাৰ BTC চৰকাৰৰ ফালৰ পৰা BTC অঞ্চল বসবাস কৰা আমাৰ চানথালী সাহিত্য সভা, চানথালী সমাজৰ ফালৰ পৰা তেওঁলোকে যিটো দাবী জনালে যে BTC অঞ্চলৰ চাৰিখন জিলাত - কোকৰাঝাৰত এল পি স্কুল - ১৮৪ টা, এম ই স্কুল - ২০ টা তাৰ ভিতৰত হাইস্কুল আছে ৫ টা । চিৰাঙত এল পি স্কুল - ১৫ টা, এম ই স্কুল - ৬ টা আৰু হাইস্কুল ৫ টা। বাক্সা জিলাত এল পি স্কুল - ৩৪ টা, এম ই স্কুল - ১ টা আৰু হাইস্কুল নাই। ওদালগুৰিত আছে এল পি স্কুল - ৪৩ টা, এম ই স্কুল - ৪ টা হাইস্কুল ২ টা। মুঠ আমাৰ এই অঞ্চল স্কুল আছে ৩২২ টা। এল, পি , এম ই আৰু হাইস্কুল বিলাকত honorary হিচাপে শিক্ষকৰ কাম কৰিবৰ কাৰণে, আমাৰ স্কুল কমিটি বিলাকে চানথালি সাহিত্য সভাৰ নেতা সকলে, সংগঠন বিলাকে নিযুক্তি নিজৰ লৰা - ছোৱালী বিলাকক

নিজৰ মাতৃ ভাষা পঢ়াই আছে, শিকাই আছে। এই সকলৰ চাকৰি যাতে নিয়মীয়াকৰণ কৰা হয়, তাৰ কাৰণে মই চৰকাৰৰ ওচৰত দাবী জনাইছো। আৰু ঠিক তেনেধৰণে নেপালী আৰু ৰাভা ভাষা পঢ়া ছাত্ৰ-ছাত্ৰী সকল আছে, যিবিলাক স্কুলত আমাৰ নেপালী আৰু ৰাভাৰ MIL teacher বিলাকৰ চাকৰী যাতে নিয়মীয়াকৰণ কৰা হয়, তাৰ ব্যৱস্থা কৰাৰ কাৰণে মই চৰকাৰৰ ওচৰত দাবী জনাইছো। কিয়নো আমি যোৱা বছৰতে আইন পাছ কৰিছো যে every student has to read their mother tongue upto class X, সেইটো এটা আইন। সেইটো আমি এতিয়া ব্যৱহাৰ কৰি লাগিব, ইয়াৰ কাৰণে মই দাবী জনাইছো।

মোৰ আৰু এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিববৈলে খুজিছো, সেইটো হ'ল যে আমাৰ গোটেই অসমত কিছুমান Forest area ত বহুতো তেনেকুৱা L.P., M.E. & High School আছে। এই স্কুল বিলাকৰ আজি মাটি নাই। Forest department ৰ DFO বিলাকে আবেদন দিলেও, মাটিৰ কাৰণে। NOC প্ৰদান নকৰাৰ ফলত ৪০ বছৰে ধৰি এইবোৰ অঞ্চলৰ স্কুল বিলাকে প্ৰাদেশীকৰণ হ'ব পৰা নাই। বিশেষকৈ উদাহৰণ হিচাপে দাঙি ধৰিব খুজিছো আমাৰ গহপুৰ Sub - Division ৰ অধীনত, শোণিতপুৰ জিলাৰ অধীনত, বিশ্বনাথ চাৰিআলি জিলাৰ অধীনত আজি ইয়াত **১৯৮৭** চনৰ পৰাই তেনেকুৱা স্কুল আছে। ঠিক তেনেকুৱা বহু সমস্যাৰ মাজত এই স্কুলসমূহ আছে। আজি স্কুল বিলাকে ৩০, ৪০ বছৰ যদিওবা আমাৰ লৰা-ছোৱালীক উচিত শিক্ষা প্ৰদান কৰিছে, অথচ মাটিৰ অভাৱৰ কাৰণে, NOC নোপোৱাৰ কাৰণে এই স্কুলবিলাক আজিলৈকে প্ৰাদেশীকিকৰণ হৈ উঠা নাই। গতিকে ইয়াত যিহেতু দুটা বিভাগ জড়িত হৈ আছে, শিক্ষা বিভাগ আৰু বন বিভাগ। বন বিভাগৰ আমাৰ যিসকল বিষয়া আছে তেখেতসকলে মাননীয় অধ্যক্ষ মহোদয়, Forest Area ত থকা এই Tribal জনগোষ্ঠীৰ মানুহ বিলাকে ২০০৬ চনত পাছ হৈ যোৱা আমাৰ যিখন Forest Property Right Act আছে, সেই আইনৰ অধীনতে আমি এই অঞ্চলত আমাৰ যি মাটি বাৰি আছে সেইটো অধিকাৰ ভোগ কৰাৰ সুবিধাটো পাইছো। আৰু সেই গতিকে এই অঞ্চলত স্কুল বনাবৰ কাৰণে, উন্নতিৰ কাৰণে যি বিলাক আন্তঃগাঁঠনি নিৰ্মাণ কৰিব লগা আছে এই ক্ষেত্ৰত বন বিভাগে নিশ্চয় সহযোগ কৰিব লাগিব আৰু তেখেত সকলে NOC প্ৰদান কৰিব লাগিব। আৰু এই NOC প্ৰদান কৰাৰ পিছত নিশ্চয় এই অঞ্চলৰ স্কুল বিলাক প্ৰাদেশীকিকৰণৰ ক্ষেত্ৰত আমাৰ শিক্ষা বিভাগে দায়িত্ব লব, আমাৰ চৰকাৰে দায়িত্ব লব। মই এইখিনি আশা কৰিছো । গতিকে মই আজি সদনত আমাৰ অঞ্চলৰ সমস্যাটো দাঙি ধৰিছো। বন এলেকা বোৰত যি বোৰ স্কুল আছে যেনে LP, ME আৰু High School যেনে আমাৰ গহপুৰ, ঢেকীয়াজুলী অঞ্চল, আমাৰ গোলাঘাট জিলাত থকা শোণিতপুৰ জিলাত থকা আৰু লক্ষীমপুৰ জিলাত থকা যিবোৰ স্কুল সেই বোৰ বড়ো মাধ্যমে হওঁক বা অসমীয়া মাধ্যমে হওঁক সেই স্কুল বোৰৰ যাতে প্ৰাদেশীকৰণৰ ব্যৱস্থা কৰা হয় এইখিনি মই আজি অনুৰোধ জনালো। আমাৰ ইতিমধ্যে সদনত যিহেতু আলোচনা কৰা হৈছে, যে যি বিলাক শিক্ষক যোৱা দিন বিলাকত আমাৰ Provincialization ৰ কাৰণে ব্যৱস্থা কৰা নহল অসম গণ পৰিষদৰ চৰকাৰ যেতিয়া আছিলে তেতিয়া স্কুল Provincialization ৰ কাৰণে কিছুমান Criteria ইয়াত বান্ধি দিয়া হৈছিল । তাৰ এটা Clause আছিল যে LP ত Language Teacher আৰু বড়ো মাধ্যমত যি বিলাক অসমীয়া শিক্ষক থাকিব লাগে ইয়াৰ এটা Criteria বা Condition আছিল । আৰু সেই বিলাক থকাৰ পিছতহে স্কুল বিলাক প্ৰাদেশীকিকৰণ কৰা হৈছিল। এতিয়া এই বিলাক Condition ত থকাৰ কাৰণে বহুটো তেনেকুৱা স্কুলত LT বা আমাৰ Language Teacher

বোৰক honorary হিচাবে নিযুক্তি দিয়া হৈছিল। চৰকাৰ পক্ষৰ পৰাও দিয়া হৈছিল। কিন্তু দুৰ্ভাগ্য জনক বিষয় এইটো যে যোৱা দিনবোৰত আমাৰ যি চৰকাৰ আছিলে, কংগ্ৰেছৰ আমোলত সেই চৰকাৰে আমাৰ Language Teacher ৰ যি চাকৰি, সেই চাকৰি বিলাক প্ৰাদেশীকিকৰণ বা নিয়মীয়াকৰণ কৰাৰ বাবে যি পদক্ষেপ লব লাগিছিলে সেইটো নকৰাৰ কাৰণে আজিও বহুটো শিক্ষকে সেই স্কুল বোৰত বিনা বেতনে কাম কৰি থাকিব লগীয়া হৈছে। আৰু সেই শিক্ষক সকলক এতিয়া নিযুক্তি দিয়াৰ কাৰণে, তেখেত সকলৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ কাৰণে চৰকাৰে যাতে ব্যৱস্থা লয় এইখিনি মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ইয়াৰ পিছত আৰু আছে যে আমাৰ যিবোৰ সংগীত শিক্ষক তেখেত সকলৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ প্ৰয়োজন আছে। হিন্দী শিক্ষক সকলক নিয়মীয়াকৰণ কৰাৰ প্ৰয়োজন আছে, নিযুক্তি দিয়াৰ প্ৰয়োজন আছে কাৰণ আজি গোটেই ভাৰতবৰ্ষত আমাৰ যিটো National Language হিচাবে আমি যিহেতু হিন্দীত স্বীকৃতি প্ৰদান কৰিছো গতিকে আমাৰ Indian Nationalism ৰ লগত আমি নিজকে খাপ খুৱাই Indian Nationalism ৰ Part হিচাবে আমাৰ কলা-সংস্কৃতি, ভাষা আদি আমি যদি জানিব লাগে তেতিয়া হলে আমি হিন্দী শিকিব লাগিব। আজি সংস্কৃত ভাষাক যি ধৰণে প্ৰাধান্য দিয়া হৈছে তাৰ বাবে আমাৰ কব লগীয়া নাই। কিন্তু এই সংস্কৃত বিষয়টো আৰম্ভ কৰাৰ সময়ত যাতে আমাৰ হিন্দী বিষয়টো যাতে উপেক্ষিত নহয় তাৰ কাৰণে আমি সামন্তৰালভাৱে হিন্দী আৰু সংস্কৃত এই বিষয় বিলাকৰ শিক্ষক নিযুক্তি দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগিব, মই এইখিনি অনুৰোধ কৰিছো । আমাৰ যি বিলাক International Border Area বিশেষকৈ Indo-Bhutan Area সেই Remote অঞ্চলত আমাৰ কোকৰাঝাৰ জিলাৰ এখন হাইস্কুল আছে যাৰ নাম হৈছে উল্টা পানী হাইস্কুল আৰু এইখন অৱস্থিত Recognised Forest Village ত । আৰু এই উল্টা পানীৰ দক্ষিণ ফালে আহিব লগীয়া হলে ২৫/৩০ কিঃমিঃ দূৰত্বত হে স্কুল আছে। গতিকে এই বৃহত জংঘল এৰিয়াৰ পৰা সেই ২৫/৩০ কিঃমিঃ দূৰত্বৰ স্কুললৈ আহিবলৈ লৰা ছোৱালী বিলাকৰ যথেষ্ট অসুবিধা হয়। গতিকে Border Area Development ৰ স্বাৰ্থতে আমাৰ এই উল্টা পানীৰ হাইস্কুলখন Special Consideration ৰ জৰিয়তে প্ৰাদেশীকিকৰণ কৰিব পৰা যায় নেকি, ইয়াৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো । আমাৰ কিছুমান ME School আছে, য'ত আমি নৱম আৰু দশম শ্ৰেণী আৰম্ভ কৰি হাইস্কুলৰ শিক্ষা প্ৰদান কৰিব লগীয়া স্কুল আছে, যত হাইস্কুল স্থাপন কৰাটো এতিয়া সম্ভৱ নহয়। সেইবোৰ অঞ্চলত হাইস্কুল ওচৰে পাজৰে নাই। আৰু সেইবোৰ ঠাইত নতুনকৈ কোনো হাইস্কুল স্থাপন কৰাৰ ও প্ৰভিজন নাই।

**মাননীয় অধ্যক্ষ** ঃ আপুনি Proposal, Suggestion বোৰ দিয়ক, Explain কৰিব নালাগে।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (মাননীয় সদস্য, কোকৰাঝাৰ, পশ্চিম)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যত হাইস্কুল নতুনকৈ বনোৱাৰ কোনো Provision বা সুবিধা নাই, সেইবোৰ অঞ্চলত থকা ME School বোৰত Class- IX আৰু X শ্ৰেণীটো আৰম্ভ কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ আমাৰ আলোচনাটো General কৰাতকৈ ক'ত ক'ত এই কামবোৰ কৰিব লাগে সেই কথাবিলাক কলেহে বেছি লাভ আছিল। আমি চৰকাৰক যিখিনি পৰামৰ্শ দিম সেইখিনি With facts & figure হলে বেছি ভাল হব। মই আপোনাক আপত্তি কৰা নাই, অলপ আগতেও দুজন মানেও এনেকুৱা কথা কৈছে গতিকে কথাটো General হৈ গৈছে। কিন্তু আমি চৰকাৰক facts & figure কব পৰা হলে বেছি ভাল হয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা আপোনাক অনুৰোধ কৰিব বিচাৰিছো যিহেতু এইটো এটা Special matters by Speaker's initative । মাননীয় সদস্য সকলে যিখিনি বক্তব্য ৰাখিছে সেইখিনি মই সংসদীয় পৰিক্ৰমা মন্ত্ৰী হিচাবে কিছু নোট কৰি আছো, কিন্তু আটাইবোৰ মই নোট কৰিব নোৱাৰিব পাৰো । তেখেত সকলে কৈ থাকিব মই লিখি থাকিম কাৰণ এটা Point কৈ থাকোতে আনটো লিখাত অসুবিধা হয়। গতিকে মাননীয় সদস্য সকলে তেখেত সকলৰ বক্তব্যৰ পিছত যি কেইটা Main Point, সেইবোৰ যদি লিখিত আকাৰে আমাক দিয়ে তেতিয়া হলে শিক্ষা মন্ত্ৰীৰ Reply দিওঁতে সুবিধা হব।

**মাননীয় অধ্যক্ষ** ঃ এই ক্ষেত্ৰত Reply is not necessary। মাননীয় শিক্ষা মন্ত্ৰীয়ে Sum up কৰিব কাৰণ, আমাৰ গোটেই Minutes আমি চৰকাৰলৈ পঠিয়াই দিওঁ। আজি যিখিনি Discussion হব We prepare the minute book আৰু সেইখন আমি চৰকাৰলৈ পঠিয়াই দিওঁ, so that, they can prepare and after 90 days they will submit the Report. মই সেই কাৰণে এই কথাখিনি কৈছো যে সদস্য সকলে পঢ়োতে যাতে চৰকাৰী পক্ষৰ পৰা বুজে যে এই কেইটা গুৰুত্বপূৰ্ণ কথা। এতিয়া প্ৰধান কথাটো হৈছে কি চৰকাৰে কোনটো কেইটা বিষয় বিশেষভাৱে চিন্তা কৰি কাম কৰিলে শিক্ষাৰ লগত জড়িত থকা কথা বিলাকত এটা সন্তুলন আহিব। এতিয়া আমি সদায় শিক্ষাক লৈয়ে লাগি থকা হৈছে কিন্তু কিছুকথা আমি যদি চৰকাৰক পৰামৰ্শ দিব পাৰো, যে এইখিনি কৰাটো উচিত। ন'হলে সমস্যাটো সমস্যা হিচাবে ৰব। আৰু সেই কাৰণে আমি এইবাৰ Generally সকলোৰে লগত কথা পাতিছিলো আৰু তেখেত সকলে যিবোৰ কথা কৈছিল তাৰ ভিতৰত বহুত Specific কথা আছিল। তেখেত সকলৰ স্মাৰক পত্ৰ বিলাকত, সেই কথা বিলাকো যদি ইয়াত স্থান পায় তেতিয়া ভাল হয়। আপুনি এতিয়া কওক

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (মাননীয় সদস্য, কোকৰাঝাৰ, পশ্চিম)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যিটো বিষয় উত্থাপন কৰিছিলো এইটো হল আমাৰ বাক্সা জিলাৰ চাপাগুৰি সমষ্টিৰ এটা ভিতৰুৱা অঞ্চলত থকা....

**মাননীয় অধ্যক্ষ** ঃ সেই ঠাইখিনিৰ নামটো কৈ দিয়ক যাতে চৰকাৰে পিছত উলিয়াব পাৰে।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (মাননীয় সদস্য, কোকৰাঝাৰ, পশ্চিম)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক মহোদয়ে, আপোনাক এইটো প্ৰদান কৰিব।

**মাননীয় অধ্যক্ষ** ঃ যদি জানে আপুনি কৈ দিয়ক কাৰণ এইটো Record ত থাকিব।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (মাননীয় সদস্য, কোকৰাঝাৰ, পশ্চিম)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ডাউধৰা নামৰ ঠাই ।

**মাননীয় অধ্যক্ষ** ঃ এই Record বিলাক লাগে নহলে এনেই কোৱা হৈ যাব কথাটো। এই Point টো দিছে যে যি বিলাক ঠাইত বা কোনো এখন পঞ্চায়তত এখনো হাইস্কুল নাই কিন্তু পঞ্চায়তৰ কথাটো কোৱাতকৈ নামবোৰ কৈ দিলে বেছি ভাল হয় চৰকাৰৰ কাৰণে সুবিধা হয়।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (মাননীয় সদস্য, কোকৰাঝাৰ, পশ্চিম)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনি সমস্যা বাকীখিনি সমস্যাটো আমাৰ বেলেগ বেলেগ সদস্য সকলে ইতিমধ্যে কৈ গৈছে মই এই বিলাক পুনৰ কব বিচৰা নাই । Lastly মোৰ Point টো হল যে অসমত আমাৰ যিহেতু শিক্ষাৰ এই বিলখন পাছ কৰি স্থায়ী ভাৱে Venture School খোলাটো বন্ধ কৰিব লাগে। কাৰণ Venture School যেতিয়া লৈকে খুলি থাকিব তেতিয়া লৈকে সমস্যা হৈয়ে থাকিব। গতিকে য'ত য'ত স্কুল লাগে, যত স্কুল নাই চৰকাৰে এতিয়া চৰকাৰী স্কুল হিচাবে খুলিব লাগে। Venture

School ৰ সমস্যা Once for all সমাধান এইবাৰৰ পৰা হব লাগে। গতিকে মই কব খুজিছো যে BTC অঞ্চলৰ পৰা আমাৰ BTC ৰ Transfer Subject হিচাপে শিক্ষাৰ যিখন বিল অসম বিধান সভাই পাছ কৰিছে, এইবাৰ যাতে আমাৰ শিক্ষাৰ বিলৰ লগতে BTC বিল ও যাতে পাছ হৈ BTC ৰ পৰা তেখেত সকলে যি বিলাক স্কুলৰ ১খন বিল বনাই পাছ কৰি পঠিয়াইছে সেইখিনিও একেলগে এই বছৰতে পাছ হৈ আমাৰ স্কুল বিলাকৰ প্ৰাদেশীকিকৰণৰ ৰাস্তাটো যাতে স্পষ্ট হয় ইয়াৰ কাৰণে মই মই আজি সদনক অনুৰোধ জনাইছো । নহলে কি হব যে অসমত Provincialise হৈ গ'ল, গোটেইখিনি বিদ্যালয় কিন্তু আমাৰ BTCত থাকি গ'ল আমি BTCৰ বিধায়ক বিলাকৰ কাৰণে কালি, পৰহি আমাৰ তপন গগৈ ডাঙৰীয়াৰ ঘৰত যিটো ঘটনা ঘটিলে, যিটো ধৰ্না কাণ্ড আমাৰ শিক্ষক সকলে কৰিলে, ইয়াতকৈ অতিকে ভয়াবহ পৰিস্থিতি আমাৰ BTCঅঞ্চলৰ শিক্ষাগুৰু সকলে কৰিব পাৰে। ইয়াৰ কাৰণে মই অসম চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো BTCৰ শিক্ষাৰ বিল তেখেত সকলে যেনেকৈ বনাই দিছে, ঠিক তেনেকৈ যাতে পাছ কৰি দিয়াৰ ব্যৱস্থা কৰে এইখিনিকে দাবী জনাই মোৰ যিটো Highlight কৰিব লগীয়া আছিলে মই ইয়াতে সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মই নাজানো এইটো কথা, তেখেতে এটা খুব ভাল কথা কৈছে, ভেঞ্চাৰ স্কুল বা কলেজ আমাৰ পাতি দিয়ে যেতিয়া মন যায়। কাৰণ শিক্ষা প্ৰসাৰ কৰিবৰ কাৰণে আমাৰ কাৰো বাধা নাই। কিন্তু সেই বস্তুটোৰ ক্ষেত্ৰত অন্তত চৰকাৰৰ এটা অনুমতি ল'ব লাগে যে মই এখন বিদ্যালয় খুলিব বিচাৰিছো ইয়াত। তেনেকুৰা ধৰণৰ কিবা পাৰি যদি, এইটো ভাল কথা কৈছে আপুনি। অনুমতি দিয়াত strick হব লাগে, নহলে সদায় সমস্যা হৈ থাকিব। ইয়াৰ পিছত ভূৱন পেগু।

**শ্ৰীভূৱন পেগু ঃ** অধ্যক্ষ মহোদয়, যোৱা কিছুদিন ধৰি আৰু বিশেষকৈ এই বিধান সভাৰ অধিবেশনত আপুনি যিখিনি Initiative ল'লে, এটা হ'ল শিক্ষা ব্যৱস্থাটোৰ ওপৰত যে অসমৰ শিক্ষাব্যৱস্থাটোক কোন দিশে আগুৱাই নিলে ভাল হ'ব চাৰিদিন ধৰি তাৰ আলোচনা হৈছিল। তাৰ ওপৰতে SDGৰ Goals ৰ ওপৰত আলোচনা হৈছিল। তাৰ উপৰিও নতুন এটা ব্যৱস্থা কৰিছে যে অসমৰ কলেজ শিক্ষানুষ্ঠানবোৰৰ ছাত্ৰ-ছাত্ৰীসমূহক আমাৰ Gallery ত বহি আমাৰ বিধান সভাখন কেনেকৈ আগবাঢ়ে সেইখিনি চোৱাৰ এটা সুযোগ দিছিলে। SDGৰ Goals ৰ ভিতৰ এটা Goal আছিলে যে Education by 2030, তাৰমানে ১২ বছৰ পিছত অৰ্থাৎ ২০৩০ চনত এই শিক্ষা ব্যৱস্থা কেনেকুৰা হোৱা উচিত এইটো Goals আমাৰ SDGৰ Goals ৰ ভিতৰত পৰে। অধ্যক্ষ মহোদয়, ইয়াতে SDGৰ Goal ৰ ভিতৰত Target এটা আমাৰ শিক্ষা বিভাগলৈ দিছিলে শিক্ষা ব্যৱস্থাটোক লৈ, সেই Target টো হ'ল by 2030 Substantially increase the number of youth and adult who have relevant skills including technical and vocational skills for the employment of design job and entreprenures. এইটো আমাৰ SDG ৰ Target শিক্ষা বিভাগৰ। এই Target যদি Achieve কৰিব লাগে ২০৩০ ৰ ভিতৰত, তাৰমানে মই এইটো ক'ব বিচাৰিছো অধ্যক্ষ মহোদয়, আমাৰ কলেজবোৰত বা আমাৰ হাইস্কুল বোৰত লৰা-ছোৱালীবোৰে যেতিয়া শিক্ষা গ্ৰহণ কৰে তেতিয়া BA পাছ কৰাৰ পিছত কি কৰিব তাৰ এটা Direction নাথাকে। তাৰমানে Graduation পোৱাৰ পিছত কোনটো Directionত কি কৰিব এই কথাটো আমাৰ শিক্ষা বিভাগে

স্পষ্ট কৰি দিয়া নাই। অধ্যক্ষ মহোদয়, কালি আমাৰ Central Hall ত যিখিনি ধেমাজী আৰু ঢকুৱাখানা কলেজৰ ছাত্র-ছাত্রী আহিছিল, ইয়াত Central Hall ত বৈঠক কৰাৰ পিছত আমাৰ ঘৰত চাহ খাবলৈ লৈ যোৱাত তেতিয়া দুজনমান ছাত্র-ছাত্রীয়ে কৈছিল যে চাৰ এতিয়াটো আমি BA পাছ কৰিম পাছ কৰি লগে লগে ওলাই কিবা এটা কৰ্মসংস্থাপন পাব পৰাকৈ আমাক এটা সুযোগ দিলে ভাল। এতিয়া বাৰে বাৰে শুনি থাকো যিসকলে First Division বা যিসকলে Stand কৰিব কোনোৱাই ডাক্তৰ, ইঞ্জিনিয়াৰ পঢ়িব বা Technical Lineত গুচি যাব এই সকলে কৰ'বাত নহলে কৰ'বাত সংস্থাপন পাব। কিন্তু যিসকলে সাধৰণ ভাৱে Second Division বা Third Divisionত পাছ কৰিব সেই সকল মানুহ আমাৰ গ্ৰাম্য অঞ্চলত থাকি যাব। সিহতৰ সংস্থাপনৰ ব্যৱস্থাটো কি হ'ব আমাৰ শিক্ষা ব্যৱস্থাটোত সেই কথাটো স্পষ্ট নহয়। অধ্যক্ষ মহোদয়, এতিয়া যিখিনি Skill Development Programme ওলাইছে মই ভাৱো যে এই Skill Development Programmeটো হাই স্কুল লেভেলত Ministry আৰু শিক্ষা বিভাগে incorporate কৰিলে ভাল হয়। Higher Secondary বা BA পাচ কৰাৰ পিছত যিকোনো এটা Skill বা Trade ত শিক্ষা গ্ৰহণ কৰি আগবাঢ়িলে জীৱিকা অৰ্জনৰ বাটত অগ্ৰসৰ হ'ব পাৰিব। মোৰ অনুৰোধ আছে যে Skill Development Department য়ে কোটি কোটি টকা এতিয়া খৰচ কৰিব কিন্তু NGO সকলক জড়িত কৰিছে, মই কৈছো জড়িত কৰক কিন্তু সেইবিলাকক স্কুলবোৰৰ লগত সংলগ্ন কৰি দিয়ক। মই কৈছো যে, পাছ কৰাৰ পিছত লগে লগে এটা সংস্থাপন পাব পৰাকে এটা ব্যৱস্থা কৰিব লাগে, কলেজতে কৰিব লাগে। ITI আৰু IIM ৰ নিচিনাকৈ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ধৰিবলৈ কি কৰিব লাগিব চৰকাৰে সেইটো কওঁক।

**শ্ৰীভূবন পেগু ঃ** মই কৈছো যে School Development Ministry য়ে আৰু Skill Development Department য়ে হাইস্কুল লেভেলতে এই NGO সকলক incorporate কৰি তাতে প্ৰশিক্ষণ আৰম্ভ কৰি দিব লাগে। কোনোৱা নহয় কোনোৱা এটাই নিজৰ ঠাইত Skill টোৰ মতে choose কৰিব পৰাকে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** আগতে প্ৰাথমিক বিদ্যালয়তে আছিল। আগৰ দিনত আমাক হাতৰ কাম দিয়ে, প্ৰাথমিক বিদ্যালয়ত ৫০ নম্বৰ থাকে। আমি খৰাহী, জাপি এইবোৰ সকলো শিকিব লাগে স্কুলত। এতিয়া কথাটো হৈছে আপুনি কৈছে আৰম্ভ কৰি দিয়ক, ক'ৰ পৰা আৰম্ভ কৰিব, কোনখিনিৰ পৰা কৰিব? আপুনি কোৱাখিনি ঠিকে আছে। Skill Developmentটো বাহিৰৰ বিদেশৰ ল'ৰা-ছোৱালীবোৰক তেনেকৈ চাই, তেওঁলোকে কিহত Interested, য'ত Interesed তালৈ পঠিয়াই দিয়ে। সৰুৰে পৰা চায়। গতিকে আপোনাৰ সেইটো ঠিকে আছে যে Skill Developmentটোৰ কথাটো স্কুল লেভেলত Introduce কৰিব লাগে।

**শ্ৰীভূবন পেগু ঃ** আৰু সেই Directionটো একেলগে বিভাগৰ লগত, কোটি কোটি টকা কেন্দ্ৰীয় চৰকাৰে দিছে যিহেতু সেইটো Streamline কৰিব লাগে। আমাৰ শিক্ষাব্যৱস্থাটোত আনিব লাগে। অধ্যক্ষ মহোদয়, SDGৰ মিটিঙৰ সময়ত মই এটা কথা কৈছিলো, আমাৰ এতিয়া উঠি অহা প্ৰজন্মই only blue colour job, white colour job আৰু pink colour job ত তাৰমানে যিটো Agriculture ৰ লগত জড়িত নহয় এনেকুৱা job বোৰত বেছি Interested হৈছে। আৰু অধ্যক্ষ মহোদয়, সেইদিনা মই কৈছিলো Agriculture ৰ লগত, খাদ্য উৎপন্ন ব্যৱস্থাটোৰ লগত যদি উঠি অহা নতুন প্ৰজন্ম যদি জড়িত নহয় আমি খোৱা বস্তু কোনে

উৎপাদন কৰিব। মানুহেটো খাব লাগিব আৰু এইটোৱে সবাটোতকৈ ডাঙৰ Employment Sector, এই কাৰণে শিক্ষা ব্যৱস্থাটোত এই Agriculture Sector টো যে আমাৰ উঠি অহা প্ৰজন্মই interest দি Scientific farming, organic farming এইবোৰ যে কৰিব লাগে, এইটোও যে এটা Employment ৰ opportunity হব পাৰে বুলি ভবা ধাৰণাটো incorporate কৰিব লাগে। বিশেষকৈ এইটোত Stress বেছি দিব লাগে Agriculture ত। কাৰণ আমাৰ ৮০ শতাংশ জনগণে Agriculture ৰ লগত জড়িত। কেৱল আমাৰ শিক্ষা ব্যৱস্থাটোৱে আমাৰ লৰা-ছোৱালীক আঁতৰাই দিছে। কোনোৱাই BA পাছ কৰিলে, MA পাছ কৰিলে তাৰমানে এতিয়া খেতি কৰিবলৈ যাব নোৱাৰে বা যোৱাতো উচিত নহয় বুলি এনেকুৱা এটা ধাৰণাৰ সৃষ্টি হৈছে। সেই কাৰণে কেনেকৈ এইটোৰ পৰিবৰ্তন আনিব পৰা যায়, মোৰ এটা অনুৰোধ এইটো কেনেকৈ শিক্ষা বিভাগে incorporate কৰে। অধ্যক্ষ মহোদয়, এই কথাবোৰ যেতিয়া মই ক'ব বিচাৰিছো আৰু যদি হৈ যায় এইটো, মই ভাৱো যে এটা আমূল পৰিৱৰ্তন আহিব শিক্ষা ব্যৱস্থাটোত। অধ্যক্ষ মহোদয়, ইয়াৰ লগতে আৰু এটা কথা যে SDGৰ Goals ৰ ভিতৰত এই যে আমাৰ সৰু সৰু জনগোষ্ঠীবোৰ আছে, সেই সৰু সৰু জনগোষ্ঠীবোৰৰ নিজৰ নিজৰ ভাষা আছে। এই ভাষাবোৰ আমাৰ সম্পদ। এই ভাষাবোৰ যদি হেৰাই যায় পৃথিৱীৰ বুকুৰ পৰা, তেতিয়া আমি এটা সম্পদ হেৰুৱাৰ নিচিনা হ'ব। যেনেকৈ আমাৰ Endangered সৰু চৰাই কিছুমান আছে, কিছুমান জন্তু আছে, তাৰে কেইটামান আছেগৈ। সেইখিনি যদি লুপ্ত হৈ যায় পৃথিৱীৰ বুকুৰ পৰা তেতিয়া আমাৰ সম্পদ এটা লোকচান কৰা হ'ব। এনেকৈ অধ্যক্ষ মহোদয়, মই এটা অনুৰোধ জনাব বিচাৰিছো মিচিং ভাষা, তিৱা ভাষা, ৰাভা ভাষা এই ভাষা সকলোকো same formত এটা স্বীকৃতি দি চৰকাৰী ভাষা বা Medium Instruction কৰিব পৰা যায় নেকি, এই ক্ষেত্ৰত চৰকাৰে এটা ব্যৱস্থা লোৱাৰ দৰকাৰ বুলি মই অনুৰোধ কৰিছিলো। সিদিনা আপুনি মাতোতে আমাৰ মিচিং সাহিত্য সভাক মাতিছে, বড়ো সাহিত্য সভাক মাতিছে, বিভিন্ন সাহিত্য সভাক মাতিছে আৰু এখেত সকলৰ এটা Demand আছিলে। অধ্যক্ষ মহোদয়, ইয়াত মই এতিয়া যিখিনি কলো, -সৌ সিদিনা ৪ দিনীয়া Interaction Session ত আমি যিখিনি petition পাইছিলো বা আবেদন পাইছিলো তাৰে ভিতৰত সৰহ ভাগ সমস্যা ইয়াত উত্থাপন কৰিছে। মই এইটো repeat কৰিব বিচৰা নাই। অধ্যক্ষ মহোদয়, মই আপোনাক মাত্ৰ এটা তথ্য দিব বিচাৰিছো। মোৰ সমষ্টিত আৰু বিশেষকৈ ধেমাজী আৰু লক্ষীমপুৰ জিলাত মই কেইটামান অনুষ্ঠান দেখিছো। সেইবোৰ ভেঞ্চাৰ কলেজ। এই অনুষ্ঠানবোৰৰ enrollment যদি চায়, অধ্যক্ষ মহোদয়, আপুনি চাব চিলাপথাৰৰ Science College এতিয়াও ভেঞ্চাৰ। ইয়াৰ ২০১৪-১৫ ৰ যদি enrollment চায় ৬৪৯। ৰিজাল্টও খুব ভাল। ২০১৫-১৬ যদি enrollment আমি চাওঁ ৮২১ তাতো ৰিজাল্টও খুব ভাল। ২০১৬-১৭ ত enrollment বাঢ়ি গৈছে ১০৪৬। তাৰমানে যথেষ্ট ল'ৰা-ছোৱালীয়ে Science College ত পঢ়িছে। হোজাইতো এখন Science College আছে। তাতো ১০০০ ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি আছে। কিন্তু কলেজখন ভেঞ্চাৰ হয়। ঠিক সেইদৰে অলপ আগতে আমাৰ ধেমাজীৰ বিধায়কে যিটো কৈছে Bordoloni Central College তাতো ১২০০ ছাত্ৰ-ছাত্ৰীৰ enrollment হৈছে। কাষৰ Provincialised College বিলাকতকৈও এইভেঞ্চাৰ কলেজ বিলাকত enrollment বেছি। অধ্যক্ষ মহোদয়, মই এইটো ক'ব বিচাৰিছো যে এই অঞ্চল বিলাকত শিক্ষানুষ্ঠানৰ প্ৰয়োজন আছে। ওচৰত Provincialised College থকাৰ পিছতো এই ভেঞ্চাৰ কলেজ সমূহত লৰা-ছোৱালী বেছি কাৰণ তেওঁলোকৰ perfor-

mance ভাল। কিন্তু যোৱা বছৰৰ পৰা এটা crisis আহিছে এইবোৰ কলেজত। যেতিয়াৰ পৰা চৰকাৰে Provincialised College বিলাকত free admission দিয়াৰ ব্যৱস্থা কৰিছে তেতিয়াৰ পৰা এই কলেজ বিলাকত লৰা-ছোৱালীৰ সংখ্যা বাঢ়িছে। গতিকে অতি সোনকালে চৰকাৰে য'ত প্ৰয়োজন আছে লক্ষীমপুৰ, মাজুলী বা ধেমাজীৰ নিচিনা জিলাত শিক্ষানুষ্ঠান গঢ়ি তুলিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ পৰামৰ্শটো হৈছে যে, need based. যিবিলাক শিক্ষানুষ্ঠানত enrollment যোৱা ৫ বছৰত যথেষ্ট ভাল, সেইবিলাক চৰকাৰে অগ্ৰাধিকাৰ দিব লাগে। পৰামৰ্শ বিলাক তেনেকে দিয়ক। নহলে থাকি যাব।

**শ্ৰী ভূৱন পেগু ঃ** হয়। অধ্যক্ষ মহোদয়, মোৰ দুটা পইণ্ট , এটা হ'ল need based আৰু দ্বিতীয়টো হ'ল এই শিক্ষানুষ্ঠানবিলাকে সকলো চৰকাৰী criteria fulfill কৰিছে। অধ্যক্ষ মহোদয়, বেছি কলেজ নাই, প্ৰায় ৮-৯ খন মান এনেকুৱা গোটেই অসমত কলেজ আছে যিবিলাক ১-১-২০০৬ ৰ আওতাৰ ভিতৰত নপৰে । যদি 1st concurrence টো ধৰেবা প্ৰথম চৰকাৰী permission যদি চায়, তেওঁলোকৰ NOC টো কিন্তু ১-১-২০০৬ ৰ আগৰ। গতিকে যদি এই NOC টোক cut off হিচাপে ধৰা হয়, তেতিয়া এই কলেজখন পৰি যায়।

**মাননীয় অধ্যক্ষ ঃ** I will request you to give the list of the Colleges you incorporated in your speech. Then only the things will improve. Otherwise it will be just discussion.

**শ্ৰী ভূৱন পেগু ঃ** অধ্যক্ষ মহোদয়, মই এইটো আপোনাক Submit কৰিম। দ্বিতীয়তে, হৈছে effected issue date. ইয়াত মাত্ৰ এটা পইণ্ট মই আপোনাক দেখুৱাই দিব বিচাৰিছো। "The following ME School, ME Madrassa are hereby recognised temporarily with effect from 1-1-2005" কিন্তু চহী মাৰিছে ৩-১-২০০৬ ৰ। ১-১-২০০৬ টো cut off আছিলে। দুদিন পিছত চহী মাৰিছে। এতিয়া এই দুদিন দেৰি হোৱা কাৰণে এই অনুষ্ঠান কেইটা বাদ পৰি গল। কিছুমান ৭ দিন দেৰি হৈছে, কিছুমান ৭ মাহ দেৰি হৈছে। কিন্তু এই অনুষ্ঠানবোৰৰ issue date টো যদি আপুনি চায়, ২০০৯-১০ ৰ dice code ও clear আছে। গতিকে এনেকুৱা অনুষ্ঠানবোৰক consider কৰিব লাগে।

অধ্যক্ষ মহোদয়, শেষত মই এইটো কথা ক'ব বিচাৰিছো যে, ১-১-২০০৬ ৰ আগৰ স্কুল কিছুমান যেতিয়া Provincialised হ'ল ২০১৩ চনত তেতিয়া একেলগে প্ৰতিষ্ঠা কৰা কিছুমান এল পি/ হাই স্কুলৰ শিক্ষক সকল বাদ পৰি গ'ল। এতিয়া ইমান বছৰে চাকৰি কৰাৰ পাছত এই মানুহখিনিয়ে কি কৰিব? তেখেত সকলৰ এটা অনুৰোধ আছিলে যে Tutor হিচাপেও য'ত প্ৰয়োজন আছে তেনেকুৱা স্কুল বিলাকত তেখেত সকলক দিব নোৱাৰে নেকি? গতিকে সেই left out যি সকল শিক্ষক আছে, এওঁলোকক permanent চাকৰি দিব নোৱাৰিলেও Tutor ৰ মৰ্য্যদাটো দিবলৈ মই চৰকাৰক অনুৰোধ জনাইছো। চৰকাৰে যাতে এইটো বিবেচনা কৰে।

অধ্যক্ষ মহোদয়, সিদিনাখন Forensic Science Laboratory ৰ পৰা এখন Application আহিছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিলে যে Criminal case বিলাক enforcement কৰাৰ কাৰণে আমাক evidence ৰ প্ৰয়োজন। Forensic Science Laboratory ৰ পৰা তেখেতসকলে এটা proposal দিছে যে, এইটোক এটা Institute হিচাপে গঢ় দিব পৰা যায় নেকি? এই যিটো Forensic Science Laboratory আমাৰ গুৱাহাটীৰ

কাহিলীপাৰাত আছে সেইটোক এটা All India level ত International পৰ্য্যায়ৰ Institute হিচাপে গঢ় দিব পৰা যায় নেকি সেই প্ৰস্তাৱটো মই আগবঢ়াই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Forensic Laboratory যোৰহাটতো এটা আছে। High Court এ interfere কৰিবলগীয়া হৈছে যে এইটো চলাব লাগে বুলি। যি কি নহওঁক মই আপোনাক ধন্যবাদ জনাইছোঁ। এতিয়া মই দুজন বক্তাৰ নাম আগতীয়াকৈ কৈ দিওঁ। আপোনালোকৰ পৰামৰ্শ বিলাক পৰামৰ্শ নহৈ যদি আলোচনা হয় তেতিয়াহলে তাৰ সাৰমৰ্ম ভালদৰে নোলাব। তেনেকুৱা হ'লে চৰকাৰে কিহৰ ওপৰত উত্তৰ দিব? গতিকে আপোনালোকে পৰামৰ্শবিলাক চৰকাৰক ভালদৰে দিয়ক। এতিয়া পৰৱৰ্তী বক্তা শ্ৰী সঞ্জয় কিষাণ আৰু তাৰ পিছত শ্ৰী দুৰ্গা ভুমিজ।

**শ্ৰী সঞ্জয় কিষাণ ঃ** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, মই বাগানৰ কেইটামান কথা ক'ব বিচাৰিছো। ইয়াত যিখিনি প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা আছে, শিক্ষাৰ অধিকাৰ আইনখন চাহ বাগিছাত এতিয়াও প্ৰবেশ কৰা নাই আৰু তাৰ যিটো Tea Plantation Labour Act তাৰ মতেৰে স্কুলবিলাক চলি থকাৰ কাৰণে এতিয়াও আমাৰ ল'ৰা-ছোৱালীখিনিয়ে প্ৰকৃতাৰ্থত যিদৰে শিক্ষা গ্ৰহণ কৰিব লাগিছিল তেনেদৰে পৰা নাই। আমাৰ যি গুণোৎসৱ হৈ গ'ল মোৰ তিনিচুকীয়া জিলাত ১২২ খন স্কুলৰ ভিতৰত মাত্ৰ ১ খন স্কুলেহে A + পাবলৈ সক্ষম হ'ল। ইয়াত দুখন আইন চলি থকাৰ কাৰণে কি কি অসুবিধা হৈছে মই আপোনাক ক'ব বিচাৰিছো। আমাৰ শিক্ষা আইন অনুসৰি 30:1 অনুপাতে শিক্ষক হ'ব লাগে কিন্তু বাগিছাত সেই নিয়মটো নচলে। তাত ৪০ জনতকৈ বেচি শিশুৰ মাজত মাত্ৰ এজন শিক্ষক থাকে আৰু স্কুলবিলাকৰ মাজত যিটো ব্যৱধান হ'ব লাগে তাৰো কোনো নীতি-নিয়ম বাগানত নচলে।

আটাইতকৈ ডাঙৰ কথা হৈছে শিক্ষক সকলক যিটো প্ৰশিক্ষন দিব লাগে , তেওঁলোকৰ প্ৰশিক্ষন দিয়াৰ কোনো ব্যৱস্থা নাই। গতিকে মই অনুৰোধ কৰিছো যাতে বাগানৰ শিক্ষক সকলৰো প্ৰশিক্ষনৰ ব্যৱস্থা হ'ব লাগে যাতে তেওঁলোকেও উপযুক্ত শিক্ষা দিবলৈ সক্ষম হয়।

লগতে অধ্যক্ষ মহোদয়, বাগিছাৰ স্কুলৰ শিক্ষকৰ নিয়োগৰ ক্ষেত্ৰতো কোনো নীতি- নিয়ম পালন কৰা নহয়। শিক্ষাৰ অধিকাৰ আইনৰ যিখিনি নীতি-নিয়ম আছে সেইসমূহ পালন কৰা নহয় যাৰ কাৰণে উপযুক্ত শিক্ষক সকলে নিযুক্তি নাপায় আৰু আটাইতকৈ ডাঙৰ কথা হৈছে শিক্ষক সকলে কিছুদিন শিক্ষকতা কৰাৰ পাছত তেওঁলোকক তাৰ পৰা আঁতৰাই যিসকলে ৰাগিয়াল দ্ৰব্য খাই স্কুললৈ সময়মতে নাযায় তেওঁলোকক শিক্ষক পাতি দিয়া হয়। গতিকে অধ্যক্ষ মহোদয়, কোনো কাৰণতে সেই ছাত্ৰ-ছাত্ৰী সকলে তাৰ পৰা ভাল শিক্ষা পোৱাটো আমি আশা কৰিব নোৱাৰো।

**মাননীয় অধ্যক্ষ ঃ** কাইলৈ চৰকাৰে Tea garden ৰ report দিব। I think this will be addressed.

**শ্ৰী সঞ্জয় কিষাণ ঃ** কাইলৈ আহিলে ভাল কথা। আৰু কেইটামান কথা মই ইয়াতে ক'ব বিচাৰিছো সেইখিনি ইয়াত আহিব লাগে অধ্যক্ষ ডাঙৰীয়া। লগতে সৰ্বশিক্ষাৰ তৰফৰ পৰা আমাৰ স্কুলবিলাকত যিখিনি সজুঁলি দিয়া হ'ল সেইবিলাকো আমাৰ বাগিছাৰ স্কুলবিলাকে নাপায় বা সময়মতে নাপায়। যাৰকাৰণে বাগিছাৰ স্কুলবিলাকত যথেষ্ট পাৰ্থক্য থাকি যায়। অধ্যক্ষ ডাঙৰীয়া, আমাৰ ছাত্ৰ-ছাত্ৰী সকলক যিটো uniform দিয়া হৈছে তাৰ পৰা কিন্তু বাগিছাৰ ছাত্ৰ-ছাত্ৰী সকল

সম্পূৰ্ণৰূপে বঞ্চিত হ'ল। আজি কিছুদিনৰ আগতে এই বিধান সভাতে মই এই কথাটো কৈছিলো। তেতিয়া শিক্ষামন্ত্ৰীয়ে কৈছিল যে, কথাটো সচাঁ নহয়। কিন্তু সচাঁ অৰ্থত আমাৰ বাগিছাৰ ছাত্ৰ-ছাত্ৰী সকলে uniform পোৱা নাই। .গতিকে যদি এনেকুৱা হৈছে তেন্তে এইটো আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে খুব দুখ লগা বিষয়। এই ছাত্ৰ-ছাত্ৰী সকল দুৰ্ভগীয়া পৰিয়ালৰ পৰা অহা আৰু তেখেত সকলক যদি চৰকাৰে বিনামূলীয়াকৈ Uniform দিছে, তেনেহ'লে চাহ- বাগিছাৰ ছাত্ৰ-ছাত্ৰী সকলকো বিনামূলীয়াকৈ Uniform দিয়াৰ বাবে মই আশা কৰিছো আৰু লগতে সৰ্বশিক্ষাৰ তৰফৰ পৰা অন্যান্য যিখিনি সা-সৰঞ্জাম স্কুল বিলাকত দিয়া হয় সেইবোৰ বাগানৰ স্কুল সমূহে পোৱা দেখা নাই। গতিকে মই আশা কৰিছো যে, এই ব্যৱস্থা সা-সৰঞ্জাম সমূহ যাতে বাগিচাৰ স্কুল সমূহতো দিয়াৰ ব্যৱস্থা কৰা হয়। বাগিছা অঞ্চলৰ শিশুৰ জৰীপৰ কোনো ব্যৱস্থা নাই যাৰ ফলত কিমান ল'ৰা-ছোৱালী স্কুললৈ গৈছে বা কিমান ল'ৰা-ছোৱালী যোৱা নাই তাৰ কোনো সঠিক ব্যৱস্থা নাই যাৰ বাবে বহুতো ল'ৰা-ছোৱালী ঘৰতে বহি আছে কিন্তু তেওঁলোকৰ কোনো ধৰণৰ ব্যৱস্থা হোৱা নাই। এই ছাত্ৰ-ছাত্ৰী সকলৰ ক্ষেত্ৰত বাগিছাৰ মালিকে কিবা ব্যৱস্থা ল'ব বুলি কোৱা হয়। কিন্তু মই আশা কৰো যে আমাৰ চৰকাৰে যাতে এই দায়িত্বটো গ্ৰহণ কৰে যাৰ ফলত ভৱিষ্যতলৈ আমাৰ ছাত্ৰ-ছাত্ৰী সকল শিক্ষাৰ দিশত আগুৱাই যাবলৈ সক্ষম হ'ব। অধ্যক্ষ মহোদয়, মই এই অনুৰোধটো আপোনাৰ ওচৰত ৰাখিছো। আনহাতে দেখা গৈছে যে বাগিছাৰ স্কুল বিলাকে যি অন্যান্য সুবিধাবোৰ পাব লাগে সেইবোৰ নাপায়। যেনে-বহুতো স্কুলৰ building সম্পূৰ্ণ হ'বলৈ বাকী আছে। অধ্যক্ষ মহোদয়, গুণোৎসৱৰ সময়ত যেতিয়া আমি বহুত স্কুললৈ গৈছিলো, তেতিয়া প্ৰায়বোৰ স্কুলত দেখিছিলো যে কোনোবা খন স্কুলক যদি ধুমুহাই ক্ষতি গ্ৰস্ত কৰিছে তেন্তে আনখন স্কুলত ডেস্ক-বেঞ্চৰ ব্যৱস্থা নাই। এই গোটেইবোৰ কথা আমি তন্ন তন্ন কৈ পৰীক্ষা কৰি তাৰ তথ্য সংগ্ৰহ কৰিছিলো। মই মোৰ সমষ্টিৰ ১২০ খন স্কুলৰ নাম তালিকাত পাইছিলো। ইতিমধ্যে আমাৰ চৰকাৰে আমাৰ Untied Fund ৰ পৰা প্ৰায় ৫০ লাখ টকা এই স্কুলবোৰক দিয়াৰ ব্যৱস্থা কৰিছে যাৰ দ্বাৰা প্ৰতি খন স্কুলক ৫ লাখ টকাকৈ দিয়াৰ নিৰ্দেশ দিয়া হৈছিল। কিন্তু অধ্যক্ষ মহোদয়, এই টকা সমূহ আমি মাত্ৰ ১০ খন স্কুলতহে দিবলৈ সক্ষম হৈছো। মোৰ সমষ্টিৰ ১২০ খন স্কুলৰ ভিতৰত বহু কেইখন স্কুল থাকি গৈছিল।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ প্ৰশ্নটো হৈছে যে, বাগানৰ স্কুল সমূহৰ আন্তঃগাঁথনি ভাল কৰিবৰ বাবে চৰকাৰে Special Fund দিব লাগে, নহয় জানো?

**শ্ৰী সঞ্জয় কিষান, মাননীয় সদস্য (তিনিচুকীয়া)ঃ** হয়।

**মাননীয় অধ্যক্ষঃ** তেন্তে আপুনি মূল কথাটো কওঁক।

**শ্ৰী সঞ্জয় কিষান, মাননীয় সদস্য (তিনিচুকীয়া)ঃ** অধ্যক্ষ মহোদয়, মই কেৱল বাগানৰ স্কুল সমূহৰ কথাই কোৱা নাই, চৰকাৰী খণ্ডৰ আন স্কুল সমূহৰ কথাও কৈছো।

**মাননীয় অধ্যক্ষঃ** আপুনি যে ১০ খন স্কুলত ৫০ লাখ টকাৰ fund দিয়াৰ কথা ক'লে সেই গোটেই কেইখন স্কুল বাগান অঞ্চলৰ নে?

**শ্ৰী সঞ্জয় কিষান, মাননীয় সদস্য (তিনিচুকীয়া)ঃ** নহয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** তেনেহ'লে আপুনি General স্কুলৰ কথা কৈছে। মই ভাৱিছো আপুনি বাগান অঞ্চলৰ কথা কৈ আছে। কিন্তু পৰামৰ্শবোৰ যদি এনেদৰে কৈ যায়, তেন্তে অসুবিধা হ'ব। সময়ৰ প্ৰতি লক্ষ্য ৰাখি অকল পৰামৰ্শ কেইটা আগবঢ়ালে সুবিধা হয়।

**শ্ৰী সঞ্জয় কিষান, মাননীয় সদস্য (তিনিচুকীয়া)ঃ** ঠিক আছে, অধ্যক্ষ মহোদয়। আমাৰ বহুত

স্কুলত এতিয়াও Music teacher নাই, গতিকে Music teacher ৰ appointment হ'ব লাগে। Physical Education ৰ ক্ষেত্ৰতো আমি দেখিছো যে ইয়াৰ Instructor ৰ অভাৱত ছাত্ৰ-ছাত্ৰী সকলৰ অসুবিধা হৈছে, গতিকে চৰকাৰে এই ক্ষেত্ৰত বিবেচনা কৰি ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে মই পৰামৰ্শ দিছো। ইতিমধ্যে আমাৰ কেইবাজনো সদস্যই কৈ গৈছে যে যি সকল শিক্ষকক TET ৰ যোগেদি নিযুক্তি দিয়া হৈছে তাৰ ভিতৰত যি সকল মহিলা শিক্ষয়িত্ৰীক দূৰ-দূৰণিত নিযুক্তি দিয়া হৈছে, তেওঁলোকে শিক্ষাদানৰ ক্ষেত্ৰত যিবোৰ অসুবিধাৰ সন্মুখীন হ'ব লগীয়া হয় । গতিকে, এই ক্ষেত্ৰত তেখেতসকলৰ ওপৰত এটা ব্যৱস্থা হ'ব লাগে যাতে তেওঁলোকে উপযুক্ত স্থানত নিযুক্তি লাভ কৰি শিক্ষাদান কৰিব পাৰে। মোৰ আৰু বহুতো ক'ব লগীয়া আছিল।

**মাননীয় অধ্যক্ষঃ** আপুনি মূল point বোৰ কৈ যাওঁক । কিন্তু প্ৰত্যেকটো point ত description দিলে প্ৰায় ৩-৪ মিনিট সময় লাগিব। সেয়েহে মই বিধায়িনী দল সমূহক আগতেই কৈছো যে ৫-৬ জনকৈ বক্তা দিয়ক যাতে তেওঁলোকে গোটেই কথা খিনি cover কৰিব পাৰে। Unfortunately, because of our busy schedule আমি কোনেও তেনেকুৱা ধৰণে কৰিব নোৱাৰিলো। সেয়েহে এতিয়া individually হৈছে।

**শ্ৰী সঞ্জয় কিষান, মাননীয় সদস্য (তিনিচুকীয়া)ঃ** অধ্যক্ষ মহোদয়, মোৰ যিখিনি পৰামৰ্শ আছিল সেইখিনি মই ইতিমধ্যে উল্লেখ কৰিলো গতিকে মই আশা কৰিছো কাইলৈ চৰকাৰৰ তৰফৰ পৰা বাগিছাৰ স্কুলৰ ক্ষেত্ৰত যি প্ৰস্তাৱ লোৱা হ'ব সেই প্ৰস্তাৱ সমূহত উক্ত পৰামৰ্শবোৰো সন্নিবিষ্ট হ'ব। এই খিনি কৈয়েই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মই বাগানৰ ক্ষেত্ৰত খুবেই আশাবাদী। এই ক্ষেত্ৰত আমি যিখিনি কথা আলোচনা কৰিছিলো, চৰকাৰে কথাবোৰ নিশ্চয় positively গ্ৰহণ কৰি কাইলৈ এটা report দিব। আপোনালোকৰ ফালৰ পৰা যিখিনি পৰামৰ্শ মই পাইছো, সেইখিনি concerned Minister ৰ লগত মই interact কৰিছিলো। মই কৈছিলো যে, এই ব্যৱস্থাখিনি যদি বাগান অঞ্চলত কৰা নাযায় তেন্তে এটা অঞ্চল সাংঘাটিক ভাৱে পিছ পৰি থাকিব। চৰ অঞ্চলত যেনেকৈ ল'ৰা-ছোৱালী বেছি ঠিক তেনেকৈ বাগান অঞ্চলতো ল'ৰা-ছোৱালী বেছি। তেওঁলোকৰ স্কুলবোৰত যদি শিক্ষক সকল বাগানৰ শিক্ষক দিয়া হয়, তেন্তে ল'ৰা-ছোৱালীয়ে কিবা বেয়া কাম কৰিলেই বা তেওঁ কিবা বেয়া পালেই বাগানৰ পাত তুলিববলৈ পঠিয়াই দিয়ে। গতিকে এই ক্ষেত্ৰত শিক্ষক জনৰ dignity ক'ত থাকিব? মই কোৱা নাই যে, পাত তোলা মানুহ জনৰ dignity নাথাকে, কিন্তু এজন শিক্ষকে আজি শিক্ষা দি কাইলৈ যদি পাত তুলিবৰ বাবে বাধ্য কৰায় তেন্তে এইটো ভাল কথা নহয়। এনেধৰণৰ কথাবোৰ আমি যোৱা বছৰ শুনিববলৈ পাইছিলো। সেয়েহে, বাগান অঞ্চলৰ report টো লৈ আমি খুবেই আশাবাদী। এই Report মই চাইছিলো যদিও ইয়াক কাইলৈ formally place কৰা হ'ব। সেয়েহে মই আপোনাক point wise ক'বলৈ দিছিলো।

এতিয়া, দুৰ্গা ভূমিজ আপুনি কওঁক।

**শ্ৰী দুৰ্গা ভূমিজ, মাননীয় সদস্য, (ডুমডুমা)ঃ-** অধ্যক্ষ মহোদয়, যোৱা মাৰ্চ মাহৰ ৫, ৬ ,৭ আৰু ৮ তাৰিখে আপোনাৰ অপ্ৰাণ চেষ্টাত শিক্ষা বিভাগৰ জটিলতাবোৰ কেনেধৰণে লাঘৱ কৰিব পৰা যায় তাৰ বাবে চাৰি দিন ধৰি এক বিশেষ আলোচনা হৈছিল। তাৰ ওপৰত আজি আমি বিধানসভাত ক'বলৈ ওলাইছো। সময় কম বাবে মই to the point কথা খিনি ক'ব ওলাইছো। বিগত দিনবোৰত চাহ বাগিছা অঞ্চলৰ বহুতো L.P. School প্ৰাদেশিকীকৰণ হৈ গৈছে। অসমৰ প্ৰায় ৫০০ খন চাহ বাগিচা অঞ্চলৰ L.P. School প্ৰাদেশিকীক ৰণ হ'বলৈ এতিয়াও বাকী আছে আৰু এই

বিষয়ে আপোনাৰ লগতে আমাৰ শিক্ষা মন্ত্ৰীও অৱগত। গতিকে এই ক্ষেত্ৰত আইন প্ৰণয়ন কৰি হ'লেও স্কুল বোৰৰ প্ৰাদেশিকীকৰণৰ ব্যৱস্থা কৰিব লাগে। বেচৰকাৰী শিক্ষানুষ্ঠান সমূহৰ ক্ষেত্ৰত যেনে ধৰণৰ Bill অনা হৈছিল, ঠিক তেনে ধৰণৰ Bill এখন বাগিচা অঞ্চলৰ L.P. School ৰ প্ৰাদেশিকীক ৰণৰ ক্ষেত্ৰত আনি সেই বিদ্যালয় সমূহ প্ৰাদেশিকীকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেতিয়াহে এই সমস্যাবোৰৰ সমাধান হ'ব বুলি আশা কৰিছো। তাৰোপৰি, এই L.P. School সমূহত যিসকল শিক্ষকক নিযুক্তি দিয়া হ'ব তেওঁলোকৰ ক্ষেত্ৰত এটা special TET পাতিব লাগে কাৰণ এই ক্ষেত্ৰত ভাষাৰ কথা আহি পৰে। সেয়েহে, special TET পাতি তেওঁলোকক নিযুক্তি দিয়াৰ বাবে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

সৰ্বশিক্ষাই EGS ৰ যোগেদি চাহ বাগিচাৰ বহু অঞ্চলৰ L.P. School ৰ building নিৰ্মাণ কৰিছিল কিন্তু সেই স্কুল সমূহত ডেস্ক-বেঞ্চ আদিকে ধৰি প্ৰয়োজনীয় সামগ্ৰী সমূহৰ যোগান ধৰা নহ'ল যাৰ ফলত তেওঁলোকে স্কুলত বহিবৰ বাবে পাটি-বস্তা লৈ যাব লগীয়া হয়। কিন্তু বাৰিষা কালত সেই পাটি-বস্তাবোৰ তিতি যায় যাৰ ফলত তেওঁলোকৰ বহিবলৈ অসুবিধা হয়। তিনিচুকীয়া জিলাত সৰ্বশিক্ষাই EGS ৰ যোগেদি প্ৰায় ৪০ খনমান স্কুলৰ building নিৰ্মাণ কৰিছে যাৰ সৰহভাগ স্কুলেই বাগিছা অঞ্চলত আছে। কিন্তু তাত building হ'ল যদিও আচবাবৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। গতিকে তাত আচবাবৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। চাহ-বাগিছাৰ আশে-পাশে existing যিবোৰ L.P., M.E. and High Schools আছে, তেওঁলোকৰ ক্ষেত্ৰত কিছুমান নীতি-নিয়ম শিথিল কৰি হ'লেও প্ৰাদেশিকীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বহু দিন ধৰি M.E. and High school বোৰ বাগিছাত আছে কিন্তু প্ৰাদেশিকীকৰণ হোৱা নাই গতিকে এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰোপৰি, Border Area বোৰত যিবোৰ চাহ-বাগিছা আছে আৰু OBC, ST/ SC area ৰ স্কুল-কলেজ বোৰতো কিছু নীতি-নিয়ম শিথিল কৰি প্ৰাদেশিকীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। লগতে; শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত অলপ সাৱধানতা অৱলম্বন কৰাতো উচিত কিয়নো য'ত যি ভাষাৰ ছাত্ৰ-ছাত্ৰী আছে তাত সেই ভাষাৰ শিক্ষকৰ নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ২০১৩ চনত প্ৰাদেশিকীকৰণৰ যিখন আইন আছিল, সেই আইনৰ অধীনত বহুতো L.P., M.E. and High school প্ৰাদেশিকীকৰণ কৰা হৈছিল। সেই স্কুলবোৰত বহু দিনৰ পৰা শিক্ষাদান কৰি অহা বহুতো শিক্ষকৰ অৱসৰৰ সময় আহি পাইছে কিন্তু তেওঁলোকৰ post বোৰ আজি পৰ্যন্ত প্ৰাদেশিকীকৰণ নহ'ল। গতিকে drop হৈ যোৱা শিক্ষকবোৰৰ নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ডুমডুমা অঞ্চলৰ হাইস্কুলত প্ৰায় ৩ জন মান শিক্ষক drop হৈছে। ওপৰতলা চাহ-বাগিছাৰ L.P. School খনত বহু দিনৰ পৰা শিক্ষকতা কৰি থকা শিক্ষক দুজনৰ ভিতৰত এজনৰ post টো regualarize হ'ল কিন্তু আনজনৰ নহ'ল। গতিকে দ্বিতীয় জন শিক্ষকৰ post টোও regualarize কৰিব লাগে। ডুমডুমা কলেজত বিজ্ঞান শাখাটো ১৯৯৭ চনতে প্ৰতিষ্ঠা কৰা হৈছিল কিন্তু এতিয়ালৈ ইয়াৰ প্ৰাদেশিকীকৰণ কৰা হোৱা নাই। .শদিয়াৰ পৰা মাকুমলৈকে science বিভাগ কোনো কলেজত নাই , গতিকে এইটো বিশেষ মিটিঙৰ মাজেৰে হওঁক কিন্তু তাক প্ৰাধিকৰণ কৰাটো বিচাৰিছো। জানিব পৰা মতে চৰকাৰে বাগিছাত হাইস্কুল প্ৰতিষ্ঠা কৰাৰ কথা কৈছে । দেখা যায় যে যিবিলাক অঞ্চলত কেইবাখন চাহবাগিছা আছে কিন্তু হাইস্কুল নাই সেইবিলাকত হাইস্কুল হোৱাতো দৰকাৰ। কিন্তু এতিয়া দেখা গৈছে যিবিলাকত হাইস্কুল আছে সেই বাগিছা বিলাকত আকৌ হাইস্কুল দিয়াৰ কথা কৈছে। গতিকে এই কথাটো পুনৰ বিবেচনা

কৰিব লাগে। survey পুনৰ কৰিব লাগে। তেতিয়াহে যিবিলাক চাহবাগিছাত স্কুল দিব বিচাৰিছে সফল হ'ব বুলি মই আশা ৰাখিছো। আমাৰ বিধায়ক শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কৈছিলে আমাৰ বিভিন্ন কলেজত, মৰিয়নী কলেজতো library নাই, অসমৰ বহু কলেজত librarian নাই গতিকে কলেজ সমূহত librarian হোৱাটো অতি প্ৰয়োজন আৰু আগতে চাহ বাগিছা বিলাকত adult education সেইটো আকৌ প্ৰৱৰ্তন কৰিব লাগে চাহবাগিছাৰ পিছপৰা অঞ্চলত। আব্দুল ৰছিদ মণ্ডলে কৈছে West গোৱালপাৰা ত আজি ২০-২৫ বছৰ ধৰি বহুতে কলেজত শিক্ষকতা কৰি আছে। তেওঁলোকৰ অৱশ্যে regular হোৱা নাই। কিছুমান কৰিবলৈ বিচাৰিছে। গতিকে অকল এই কলেজ সমূহতে নহয় অসমৰ সকলো ঠাইতে ২০বছৰ ২৫ বছৰৰ পৰা যিসকলে অধ্যাপনা কৰি আছে তেওঁলোকৰ regularisation কৰিব লাগে। আমাৰ শ্ৰীমতী ৰোজলিনা তিৰ্কী ডাঙৰীয়াণীয়ে কৈছে যে আমাৰ junior college সমূহত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ যিটো post regular হ'ব লাগে, সেইটো হোৱা নাই। মৰিয়নী কলেজত প্ৰায় ৮ জন শিক্ষকৰ post regular হোৱা নাইহোৱতো দৰকাৰ। আমি আশা ৰাখিছো অধ্যক্ষ ডাঙৰীয়া, বিশেষকৈ ২০০৬ চনৰ ০১-০১-২০০৬ যিটো প্ৰাইমেৰী আইনৰ কথা কৈছে সেইটোত অৱশ্যে সকলো একমত। মই অলপ চুই যাব লাগিব। সেইটোৰ effect date টো আমি ধৰিব লাগিব। ০১-০১-২০০৬ এইটো effect date হ'ব লাগিব। তেতিয়া বহুতে উপকৃত হ'ব। বহুত মানুহ আছে অৱসৰত যাবলগীয়া হৈছে। গতিকে ০১-০১-২০০৬ Act খন হ'ব লাগে আৰু আইন সমূহ চৰকাৰে হাতত হ'ব লাগে আৰু প্ৰাধিকৰণ হ'ব লাগে। ইয়াৰ ২০০৯-১০ চনত যি সংগীত শিক্ষক-শিক্ষয়িত্ৰী নিযুক্তি দিয়া হৈছিল তেওঁলোকৰ দৰমহা হোৱা নাই। মই ভাৱো যিবিলাক চৰকাৰী নিয়ম নীতিৰে, যি appointment দিয়া হৈছিল, তাৰ appointment letter আছে, তাৰ ওপৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেওঁলোকক দা- দৰমহা বিলাক নিয়মীয়া কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অসমৰ বহুতো ME school আৰু হাইস্কুলত হিন্দী শিক্ষক নাই। হিন্দী শিক্ষকৰ ব্যৱস্থা কৰিব লাগে। আমি অসমৰ বাহিৰলৈ গ'লে হিন্দী ভাষাৰ প্ৰয়োজন হয় গতিকে হিন্দী শিক্ষক দিয়াৰ ব্যৱস্থা কৰিব বুলি মই আশা ৰাখিছো। ডুমডুমাতো এখন ডিগ্ৰী কলেজৰ কথা কৈছে। আমাৰ ডুমডুমাত এখনেই কলেজ। HSLC , Higher Secondary pass কৰাৰ পিছত ডিগ্ৰীত admission ৰ সময়ত হাহাঁকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। সেইকাৰণে সোনকালে ডুমডুমাত আৰু এখন কলেজ দিয়াৰ কথা কৈছো। তাত Arts হওঁক Science হওঁক কিন্তু এখন কলেজ অতি জৰুৰী। মই আৰু দীঘলীয়া কৰিব বিচৰা নাই। মই আশা ৰাখিছো এইখন চৰকাৰে এটা ভাল পদক্ষেপ লৈছে আপোনাৰ উদ্যোগত আৰু ভাৰিছো অহা দিন বিলাকত এটা ভাল পদক্ষেপ হ'ব আৰু ৰাইজে আশা কৰা মতে চিন্তা চৰ্চা বিলাক কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী সুজাম উদ্দিন লস্কৰ।

**সুজাম উদ্দিন লস্কর ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগে আলোচনায় আমাকে বলার সুযোগ দেওয়ার জন্য ধন্যবাদ জানাচ্ছি। আমার সতীর্থ বিধায়ক সবাই রাজ্যের বহু তথ্য তুলে ধরেছেন, যেগুলি আলোচনা হয়ে গেছে। তাই এগুলি বলতে চাই না। আমি আমার সমষ্টির দু-চারটি কথা বলে সমাপ্ত করব।

মাননীয় অধ্যক্ষ মহোদয়, আমার একটি গাঁও পঞ্চায়েত বিলাইপুর ধলছড়া, ওই গাঁও পঞ্চায়েতে ৩২ হাজার জনসাধারণ। মাত্র একটি হাইস্কুল আছে তাও অপ্রাদেশিক হিসাবে। ওই ৩২ হাজার জনসাধারণের মধ্যে এসসি, এসটি, জেনারেল সবাই আছে। স্কুলটির নাম বনপল্লী হাইস্কুল। ০১-

০১-২০০৬ সালে পারমিশন পেয়েছিল। কিন্তু ইস্যু ডেট সেটা ২০০৭ সালে। আমি একদিন ওই স্কুলে গিয়েছিলাম সেখানে শিক্ষক, শিক্ষিকা মাত্র ৩ জন। যদি এখন ওই স্কুলটি প্রাদেশিকরণ করা হয় মাত্র ৬মাস সময় উনারা পাবেন। আমাদের শিক্ষামন্ত্রী মহাশয় সদনে বলেছিলেন যদি ৬ কিমি এর ভেতরে কোনও হাইস্কুল না থাকে, তাহলে নতুন ভাবে দেওয়া হবে। কিন্তু এই বনপল্লী হাইস্কুলটি ১৯৮৭ সালে স্থাপিত হয়েছিল। অষ্টম শ্রেণি পারমিশন পেয়েছে ২০০৪ সালে। ০১-০১-২০০৬ সালে নবম শ্রেণি পারমিশন পেয়েছে। বর্তমানে এই স্কুলে ৬২৪ জন ছাত্র-ছাত্রী আছে। ওই স্কুলটি আমাদের পিডব্লুডি মিনিস্টার পরিমল শুক্লবৈদ্য মহাশয়ের ধলাই সমষ্টি আর কাটলিছড়া সমষ্টির বর্ডার। ওই জিপি আবার মিজোরামের বর্ডারও পেয়েছে। রাস্তাঘাটের অবস্থা এত খারাপ যে ছাত্র-ছাত্রীরা ২০ কিমি পথ হেঁটে অন্য স্কুলে যেতে হয়। আমার বিশেষ অনুরোধ থাকবে যদি ওই হাইস্কুলটি বর্তমানের নিয়ম-নীতি মেনে আমাদের জেলাধিপতির কাছ থেকে যে তালিকা এসেছে, আমি জেলাধিপতির সঙ্গে আলোচনা করে কমিটির মাধ্যমে সেটাকে ফোরওয়ার্ড করে সরকারকে দেওয়া হয়েছে। যদি সেটাকে কন্সিডার করে নেওয়া হয়, তাহলে আর নতুন স্কুলের সেখানে প্রয়োজন নেই। মানবিক দিক থেকে যদি বিচার করা হয় তাহলে যেখানে ৩২ হাজার জনসাধারণ বসবাস করছেন আর মাত্র একটি হাইস্কুল আছে। সেটিও যদি প্রাদেশিকরণ করা না হয় তাহলে ওই গাঁও পঞ্চায়েতের ছাত্র-ছাত্রীরা কোথায় যাবে? আরেকটি সমস্যা হচ্ছে, আমার দক্ষিণ হাইলাকান্দি বলে একটি ডেভেলপমেন্ট ব্লক রয়েছে, সেখানে ৯টি গাঁও পঞ্চায়েত রয়েছে। এই ৯টি গাঁও পঞ্চায়েতের মধ্যে কোনও হায়ার সেকেন্ডারি স্কুল বা কোনও কলেজ নেই। সে দিকেও মিজোরাম বর্ডার রয়েছে। আমার দুদিকেই বর্ডার রয়েছে। ঘাড়মুড়ার দিকে একটি আর বিলাইপুরের দিকে একটি। সেখানে ছাত্র-ছাত্রীদের এত দুরবস্থা যে হায়ার সেকেন্ডারি বা কলেজে যেতে হলে ত্রিশ-পঁয়ত্রিশ কিমি দূরত্বে কাটলিছড়া বা লালায় আসতে হয়। খুবই কষ্ট হয় ছাত্র-ছাত্রীদের। তাই আমি আশা করি যদি ওখানে একটা হায়ার সেকেন্ডারি স্কুল বা কলেজ বানানোর জন্য নতুন কোনও উদ্যোগ নেওয়া হয়, তাহলে ওই এলাকার মানুষ উপকৃত হবেন। বর্তমানে তিনটি কলেজ, একটি মাইনোরিটি থেকে নেওয়া হয়েছে। আমার সার্কল অফিসার সেখানে দেখে এসে এন ও সি পাঠিয়েছিলেন।

**মাননীয় অধ্যক্ষ :-** Detail দিতে লাগে না।

**শ্রীসুজাম উদ্দিন লস্কর ঃ** আরও কথা হচ্ছে আমার বহু এলাকাতে এলপি স্কুল, এমই স্কুলের প্রয়োজন আছে। বিশেষ করে ফরেস্ট রিজার্ভ এরিয়াতে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি নিজৰ সমষ্টিৰ কথা যদি কব খুজিছে, স্পষ্টকৈ কব। এটা কৈছে ৯ খন পঞ্চায়তত কোনো আমাৰ Higher institute নালাগে। এনেকৈ ক'লে নহ'ব। আমাৰ তাতে নাই, আমাৰ তাতে দিব সেইটো ক'লেতো নহ'ব। সেইটো বুজিছো। কিন্তু study কৰি কব। general কথা ক'লে কেনেকে হ'ব। আপোনাক কি লাগে স্পষ্ট কৈ কওঁক। এইকেইটা লাগে, তেতিয়া চৰকাৰে চাব, আপুনি Border Area ত থকা মানুহ তাত লাগে।

**শ্রীসুজাম উদ্দিন লস্কর :-** আরও কিছু এম.ভি স্কুল, এম.ই স্কুল আছে যেখানে এনরোলমেন্ট ৫৩৭। কিন্তু শিক্ষক আছেন মাত্র ২ জন। তার মধ্যে একজন এন. আর. সি ডিউটিতে কর্মরত।

**মাননীয়অধ্যক্ষ :-** স্কুলটির নাম কি?

**শ্রীসুজাম উদ্দিন লস্কর :-** বিলাইপুর এমভি স্কুল।

**माननीय अध्यक्ष ঃ** নামৰ সৈতে কব। এনেয়ে নকব।

**শ্ৰীসুজাম উদ্দিন লস্কর :-** আরেকটি আছে দামনাছড়া ট্রাইভেল এম.ই. স্কুল ৩৩০ স্টুডেন্ট। কিন্তু শিক্ষক মাত্র ২ জন তার মধ্যে ১ জন এন.আর.সি ডিউটিতে কর্মরত। ধলছড়া বনপল্লী এম.ই. স্কুল, যেখানে ২১০ স্টুডেন্ট শিক্ষক আছেন মাত্র একজন। ঠিক ঐ রকম আমার সমষ্টিতে বহু স্কুল আছে।

**মাননীয় অধ্যক্ষ ঃ অধ্যক্ষ :-**বহু স্কুল কেন? গোটেই কেইখন স্কুলৰ নাম দিব নোৱাৰে কিয়? এতিয়া দিওতে দিব লাগে। আপোনাকে সেই কাৰণে কথাবিলাক শিকাইছো অকনমান। আপোনালোকে এটা স্কোপ লৈছে। বাকী সদস্য মিলি আপোনাক দিছো। আপোনালোকে কথাখিনি study কৰি দিয়ে কিমান ভাল হয়। ঠিক আছে, আপুনি পিছত লিষ্ট দিব।

**শ্ৰীসুজাম উদ্দিন লস্কর :-**শিলারবাঘ এমই স্কুল সেখানে ২৫০ জন ছাত্র-ছাত্রী শিক্ষক মাত্র ১ জন। তার মধ্যে জামিরা হাইস্কুলে মোট শিক্ষকের পদ ১৬। বর্তমানে আছেন মাত্র ৮ জন।

**মাননীয় অধ্যক্ষ :-** এইটো নালাগে। আপুনি লিষ্ট্খন দি দিব। আপুনি কথাকেইটা কওঁক। আপোনাৰ তাত স্কুলবিলাক আছে, ছাত্র-ছাত্ৰী বেছি, শিক্ষক কম। সেই কাৰণে লিষ্টখন দি দিলে ভাল হয়। আপুনি এতিয়া দৰকাৰী কথাকেইটা কওঁক। এনেই কথা ক'লেতো লাভ নহ'ব। মই আপোনাক বুজাইছো। ঠিক আছে।

**শ্ৰীসুজাম উদ্দিন লস্কর :** আমি যে দু চারটি কথা বললাম সেটির মোদ্দা কথা হলো বনপল্লী হাইস্কুল টি, আমার এখানে হায়ার সেকেণ্ডারী নেই, বহু স্কুলে শিক্ষক নেই।আমি স্কুলের লিস্টগুলি দিয়ে দেব।

**মাননীয় অধ্যক্ষ :-** এই তিনিটা কথা প্ৰধান। মই শুনি আছো,বুজি পাইছো। আপুনি যদি স্কুলৰ লিষ্ট দিয়ে, মন্ত্ৰীৰ কাৰণে সুবিধা হ'ব, তেওঁ চাব পাৰিব। He can take some decisions হ'ব। ইয়াৰ পিছত শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ধন্যবাদ জনাইছো শিক্ষা বিভাগৰ ওপৰত যি আলোচনা হৈছে, এই আলোচনাত আমি দুষাৰ আমাৰ সমস্যাৰ কথা উল্লেখ কৰিবৰ কাৰণে যি সুযোগ পাইছো । অধ্যক্ষ মহোদয়, মই বহুত দীঘলীয়া কৰিব খোজা নাই। সময় একেবাৰে তাকৰ। গতিকে মই এটা briefing কৰিব খুজিছো আপোনাক যে, মোৰ সমষ্টিত তিনিখন কলেজ আছে। এই তিনিখন কলেজৰ ভিতৰত এখন হ'ল মৰাণ কমাৰ্চ কলেজ। এই কমাৰ্চ কলেজখনৰ affect date আৰু issue date টোৰ কাৰণে এইখন এতিয়ালৈকে আমি প্ৰভিঞ্চিয়েলাইজেশ্যনৰ কাৰণে পোৱা নাই। কিন্তু আমাৰ বাগিচা অঞ্চলৰ গাওঁৰ দুখীয়া ল'ৰা-ছোৱালীবিলাক পঢ়ে। এই বিদ্যালয়খনৰ প্ৰভিঞ্চিয়েলাইজ হোৱাতো শীঘ্ৰে বিচাৰিছো। তাৰ লগতে হায়াৰ চেকেণ্ডাৰী আছে চাৰিখন। কিন্তু এই তিনিখন কলেজ আৰু চাৰিখন হাইয়াৰ চেকেণ্ডাৰীৰ ভিতৰত এখনতো আমাৰ Science Stream নাই। মই এইবাৰ শিক্ষামন্ত্ৰী মহোদয়কো জনাইছো। আমি আশা ৰাখিছো, তেখেতে আমাক এইবাৰ অন্ততঃ এখন বিদ্যালয়ত হলেও Science Stream কৰিব।

**মাননীয় অধ্যক্ষ ঃ** চৰকাৰে এটা policy লৈছে। সকলোৱে যদি সমষ্টিৰ কথাই কয়, discussion টো meaningless হ'ব। সমষ্টিৰ কথা কোৱাত আপত্তি নাই। চৰকাৰে এটা policy লৈছে যে প্ৰত্যেক খন স্কুলত নতুন এটা এটা stream দিব বুলি। সেই stream ত আপোনাৰ কলেজখন পৰিব লাগে। you have to take up the matter.

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শুনিলো এনেকৈ যে, এইবাৰ যিমানখিনি

লিষ্ট আউট হৈছে, তাৰ ভিতৰত ৫০ খন কলেজত ল'ব।

**মাননীয় অধ্যক্ষ ঃ** পিছত পৰিব। এই আলোচনাতো আছিলে অসমৰ সামগ্ৰিকভাৱে শিক্ষা ব্যৱস্থাৰ লগত কি কেইটা কাম কৰিলে উন্নতি হ'ব। মই তেখেতকো কৈছো যে, সামগ্ৰিকভাৱে কথাকেইটা কৈ এই কেইটা শেষত ক'ব। প্ৰথমে যদি সমষ্টিৰ কথা কয়। সামগ্ৰিক কথাৰ অৰ্থ ক'ত থাকিল। মই সকলোকে কৈছো।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিদ্যালয়সমূহৰ সমস্যাৰ বিষয়ে কথাটো কওঁ। কাৰণ আমি যিমান বিলাক বিদ্যালয় দেখিছো, মই দূৰৰ বিদ্যালয়ত যোৱা নাই, মোৰ নিজৰ সমষ্টিত গৈ যিখিনি অভিজ্ঞতা হৈছে, ইয়াৰ প্ৰায়বোৰ বিদ্যালয়ত আমাৰ আন্তঃগাথনিৰ অভাৱ, অৰ্থাৎ যিখিনি বেঞ্চ, ডেস্ক, ফাৰ্নিচাৰ এইবিলাকৰ অভাৱ। এই অভাৱটো পুৰণ কৰিব লাগে। যদিও সৰ্বশিক্ষা আঁচনিৰ অধীনত বিদ্যালয়বিলাক পকীকৰণ প্ৰায় কৰা হ'ল, কিন্তু ইয়াৰ ভিতৰত যিবিলাক আচবাব, ল'ৰা-ছোৱালী পঢ়িবৰ কাৰণে লাগে, সেইখিনিৰ এতিয়া অভাৱ হৈ আছে। দ্বিতীয় কথা lake of electricity.আমাৰ maximum 95% বিদ্যালয়ত electricity ৰ কোনো সংযোগ নাই। গতিকে electricity ৰ সংযোগ নথকাৰ কাৰণে কোনো electronic device আমি ব্যৱহাৰ কৰিব নোৱাৰো। আনকি গৰমত ল'ৰা-ছোৱালীখিনিক কোনোবা দাতাই যদি ফেন এখন দিব খোজে সেইখনক ঘুৰাবৰ কাৰণেও বিজুলীৰ ব্যৱস্থা নাই। গতিকে বিজুলী ব্যৱস্থা কৰিব লাগে, আৰু বহুবোৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ অভাৱ। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত যিটো ratio, সেইটো একদম বেয়া আৰু এইক্ষেত্ৰত আমি চৰকাৰে উচিত ব্যৱস্থা ল'বৰ কাৰণে আমাৰ ফালৰ পৰা অনুৰোধ জনাইছো। কাৰণ এতিয়া এনেকুৱা বহুবোৰ স্কুল আছে য'ত মোৰ সমষ্টিত ২০ খন Single Teacher ৰ School, আছে এজন শিক্ষকে ২৫/৩০/৪০ জন ল'ৰা-ছোৱালীক কি শিক্ষা দিছে, এইটো আমি নিজে কল্পনা কৰিব পাৰিছো। গতিকে এই সমস্যাটো অতি শীঘ্ৰে সমাধান কৰিলে নিশ্চিতভাৱে আমাৰ গ্ৰাম্যাঞ্চলৰ এইখিনি প্ৰাথমিক, প্ৰাক্-প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক স্কুল আছে লগতে হাইস্কুলতো বহুত শিক্ষকৰ অভাৱ আছে। মই এটা বিৱৰণ দিব খুজিছো। কাৰণ ইমানেই শিক্ষকৰ অভাৱ হৈছে, যিটো কাৰণে আমাৰ বহুত সমস্যাৰ কথা হৈছে। মোৰ সমষ্টিতে Arts ৰ শিক্ষক ১৮ জনৰ কম আছে। ইংৰাজী বিষয়ৰ কাৰণে ৯ জন, বিজ্ঞানৰ ৯ জন, অংকৰ ৪ জন মুঠ ৪০ জন শিক্ষক হাইস্কুলতে অভাৱ আছে।

**মাননীয় অধ্যক্ষ ঃ** কেইখন হাইস্কুল?

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩৯ খন স্কুল হাইস্কুল আছে।

**মাননীয় অধ্যক্ষ ঃ** ৩৯ খন স্কুল হাইস্কুল, ৪০ জন শিক্ষকৰ অভাৱ। কেনোবা এখনত এজনকৈ পৰিলেও ৩৯ জন এখন এখনকে পৰে। কোনখন বেছি হৈছে। সেই নামটো কওঁক। এখন স্কুলত এজন শিক্ষকৰ অভাৱ একো ডাঙৰ কথা নহয়, On an average. আমাৰ নিচিনা দেশ এখনত যিখনত আৰ্থিকটো আমি বহুতখিনি চিন্তা কৰিবলগীয়া হয়। সেই কাৰণে আপুনি য'ত একেবাৰে বহুত শিক্ষক নাই, সেইখনো উল্লেখ কৰক। সকলো সমষ্টিতে শিক্ষকৰ অভাৱ আছে। কথাটো সেইটো আছিল নেকি আপোনাৰ মূল লক্ষ্য।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এইটো কাৰণে ক'ব বিচাৰিছো, কাৰণ শিক্ষকে যদি নাথাকে স্কুলত তেনেহ'লে স্কুল কেনেকৈ চলিব?

**মাননীয় অধ্যক্ষ ঃ** থকা শিক্ষক সকলে কৈছে আমাক ৰেগুলাৰাইজ কৰক। সমস্যাটো এইবিলাকেই।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়। মোৰ সমষ্টিত ৮খন Venture School ও আছে সেইখনক উন্নীত কৰণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি শুনক। এইটো শিক্ষা বিভাগৰ Cut Motion নহয়। মই আপোনালোকক বিশেষকৈ অনুৰোধ কৰিছো যে, সামগ্ৰিক ভাৱে অসমৰ শিক্ষা জগতত কোনকেইটা কথাত চৰকাৰে পদক্ষেপ ললে শিক্ষা জগতৰ কিছু গভীৰ সমস্যা সমাধান হোৱাৰ আশা থাকে। সেইকেইটা কৈ সমষ্টিৰ কিবা থাকিলে আপোনালোকে এটা নোট দি দিয়ক, সেইটো ভাল হ'ব।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু দুটা বিশেষ বিষয় আপোনাক অৱগত কৰিব বিচাৰিছো যে, আমাৰ মহাবিদ্যালয় বিলাকত কম্পিউটাৰ চাবজেক্ট দিয়া হৈছিল। যোৱাবাৰ Stakeholder আহি জনালে যে, কম্পিউটাৰ চাবজেক্টত আমাৰ সমগ্ৰ অসমত ২১৮ জন ফেকাল্টি আছে। এই ২১৮ জন ফেকাল্টিয়ে প্ৰায় দহ পোন্ধৰ বছৰ ধৰি মহাবিদ্যালয়ত শিক্ষকতা কৰি আছে. আৰু তেওঁলোকৰ শিক্ষাগত অৰ্হতাবিলাক মই চাইছো। ইমান High Qualified মানুহ তেওঁলোক যে, MCA কৰাৰ পিছত কোনোবাই M.Sc, P.hd, M.Phill কৰিছে আৰু তেওঁলোকে পাচ হাজাৰৰ পৰা দহ হাজাৰৰ ভিতৰত দৰমহা লৈ Contractual basis ত তেওঁলোকে কাম কৰি থাকিব লগা হৈছে। গতিকে এই শিক্ষক সকলক অতি শীঘ্ৰে আমি চৰকাৰীকৰণ কৰি Provincialisation কৰি তেখেত সকলকো উচিত দৰমহাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু শিক্ষা দান কৰা যিটো পৰিৱেশ, এই পৰিৱেশটো তেওঁলোকৰ মনত গঢ়ি তুলিব লাগে বুলি মই আপোনাক অনুৰোধ জনাইছো আৰু এটা কথা কব খুজিছো যে, আমাৰ বহুবোৰ বিদ্যালয়ত কিছুমান drop out আছে, মহাবিদ্যালয়ত এই drop Teacher সকলক কি কৰা যাব? ধৰি ল'লো তেওঁলোকে মেজৰ চাবজেক্টটোৰ কাৰণেConcurrence বিচাৰিছিল। কিন্তু মেজৰ চাবজেক্টটো চৰকাৰে Concurrence নিদিলে। কিন্তু বিশ্ববিদ্যালয়ত পৰা অনুমতি লৈ তেওঁলোকে সেই চাবজেক্টটো মেজৰ দি কলেজখনত চলাই আছে, তেতিয়া চৰকাৰৰ ফালৰ পৰা কেৱল মাত্ৰ তিনিজন শিক্ষকক Provincialisation দিলে।

**মাননীয় অধ্যক্ষ ঃ** এইখিনি কথা কৈছে, তেখেতসকলে আমাক। Drop Teacher ৰ সমস্যাটো কওঁক আপুনি। কি কৰিলে ভাল চৰকাৰৰ।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমাধান কৰিব লাগে, কাৰণ তাত বহুত শিক্ষিত নিবনুৱা জড়িত হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** কি কাৰণে সমাধান হোৱা নাই। সেই কথাটো জানে যদি কৈ দিয়কচোন আপুনি।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সেইটো নাজানিম।

**মাননীয় অধ্যক্ষ ঃ** সেইটোৱেই কথা। আমি বিধায়ক সকলক এই কথাখিনিকে অধ্যয়ন কৰিব কৈছিলো। কাৰণ তেওঁলোকে আহি আমাক কৈছিলে, আমি অধ্যয়ন কৰি চৰকাৰক পৰামৰ্শ দিব লাগিছিল যে, এইকেইটা কাৰণত Drop Teacher খিনিক Regularise কৰক।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই কাৰণেই কব লগা হৈছে কাৰণ আমি যেতিয়া বিধায়ক হিচাপে সমষ্টিত যাওঁ, তেওঁলোকৰ সমস্যাবিলাকৰ কথা কয়।

**মাননীয় অধ্যক্ষ ঃ** এইটো বিধায়কৰ সমস্যা দিবৰ কাৰণে মই ওলোৱা নাছিলো। আপোনাৰ কথাটো দৰকাৰ But, the problem of Drop Teacher is a very major subject আৰু

সেই কাৰণে আপুনি কব লাগে যে, Drop Teacher আপোনাৰ সমষ্টি বুলিয়েই নহয়, গোটেই অসমৰ। কিন্তু তাতো ্কিছুমান Criteria আছে আৰু আপুনি সেইটো পিছত গম পাব। ঠিক আছে।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,আৰু এটা কথা ক'ব খুজিছো যে, আমাৰ তাত কি হয়, যিবিলাক স্কুলত ল'ৰা-ছোৱালী সৰহ সংখ্যক আছে, কিন্তু Single Teacher, কোনোবা এখন স্কুল আছে যে, তাত ল'ৰা-ছোৱালী একেবাৰে কম কিন্তু শিক্ষক চাৰিজন বা পাঁচজন আছে, তেতিয়া ওচৰৰ মানুহ আহি আমাক কৈ থাকে যে, বিদ্যালয়খনৰ পৰা এজন শিক্ষক আনি আমাৰ বিদ্যালয়ত দিয়কচোন। এনেকুৱা ধৰণৰ কথা কৈ থাকে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এইটো কিয় কৰিব নোৱাৰে। সেইটো কওঁক।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কৰিব নোৱাৰো এই কাৰণেই যে, বিভাগীয় বিষয়া বিলাকে কৰে।

**মাননীয় অধ্যক্ষ ঃ** কোনো বিভাগীয় বিষয়াৰ কথা নাই। আপোনাক এইটো অনুৰোধ কৰিছো। আপোনালোকে এইবিলাক নকৰিব, এইটো কৰক। নিজৰ DI আছে, যিজনে এলপি স্কুল চাই তেওঁ DI. তেওঁ ওচৰত গৈ আপুনি as a MLA Note দিব, ছাত্ৰ-ছাত্ৰীৰ ৰ সম্পৰ্কত ট্ৰেঞ্চফাৰটোৰ লগতে মন্ত্ৰী ডাঙৰীয়াক লগ কৰিব যদি এইটো special case হয় আৰু আমাৰ নিজৰ সমষ্টিৰ মাজত হয় within the district that can be done.আপোনালোকে পাৰে এই বিলাক কৰিব ইচ্ছা কৰিলে। আৰু নকৰিলে আমাক ক'ব । এইখিনি কথা এইটো আলোচনাত নানিব।

**শ্ৰীচক্ৰধৰ গগৈ, বিধায়ক ঃ-** এইটো সম্ভৱ হোৱা নাই সেই কাৰণে মই আপোনাক কৈছো।

**মাননীয় অধ্যক্ষ ঃ-** এইটো আপুনি মোক পিছত ক'ব এইটো মই সম্ভৱ কৰি দিম। বেলেগ কথা আছে যদি কওক।

**শ্ৰীচক্ৰধৰ গগৈ, বিধায়ক ঃ- এনেকুৱা** আমাৰ স্কুলৰ সংখ্যা কম হোৱা বাবে সমস্যা। আমি যিবোৰ সমস্যাত ভুগি আছো, আমি সেইখিনিকে কব খুজিছো।

**মাননীয় অধ্যক্ষ ঃ-** চক্ৰধৰ গগৈ, মই আপোনাক অনুৰোধ কৰিম, আপোনাৰ notice মোৰ হাতত আছে. সমষ্টিৰ সম্পৰ্কীয় কথাখিনি তেতিয়া ক'ব। আজি বৰ বিশেষ নক'ব। তেতিয়াহ'লে প্ৰত্যেকেই যদি সেইটোৰে কয়, আলোচনাটো বেলেগ ৰূপলৈ গুছি যাব।

**শ্ৰী চক্ৰধৰ গগৈ, বিধায়ক ঃ-** ধন্যবাদ জনাইছো অধ্যক্ষ ডাঙৰীয়া, কম বেছি পৰিমানে হ'লেও আমি কিছু কথা আপোনাক কব পাৰিছো আৰু তাৰোপৰি আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াকো মই ধন্যবাদ জনাইছো, এইবাৰ ৫০ লাখ টকা আমাক দিলে। আপুনি বিশ্বাস নকৰিব হয়তো মোৰ সমষ্টিত ৫ খন স্কুল আছিল। যি গোহালি ঘৰৰ দৰে আছিল কিন্তু সেই কেইখন provincialised School এইবাৰ আমি ৫লাখকৈ টকা দি সেইকেইখন নতুনকৈ নিৰ্মাণ কৰিবৰ কাৰণে সক্ষম হৈছো। তাৰ কাৰণে মই মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাই, সদৌ শেষত আপোনাক এষাৰি বক্তব্যৰে মই সামৰিব বিচাৰিছো, এই কেইদিনত আপুনি বহুখিনি পদক্ষেপ লৈছে বিশষকৈ আমাৰ Sustainable Development Goals ৰ ওপৰত আৰু আমাৰ শিক্ষাৰ ক্ষেত্ৰটো লৈছে, গতিকে আমি আনন্দিত। এজন মনিষীয়ে কৈছিল Johan Quincy Adams নামৰ এজন ব্যক্তিয়ে কৈছিল, "If your action inspire others to dream more, learn more, do more and become more, you are a leader" মই ভাৱো যে আপুনি

হাউচৰ প্ৰকৃত leader ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ-** Thank you Gogoi. কথাটো এনেকুৰা যে ময়ো প্ৰথম আহিছিলো ১৯৯১ ত, শিকিছিলো। মই নতুন মেম্বাৰ সকলক কথা কবলৈ দিবলৈ পালে ভাল পাওঁ। মই ভাবো যে আমি good legislator হ'ব লাগিব। good parliamentarian হ'ব লাগিব। আপোনালোকৰ হাতত বহুতো দক্ষতা আছে। সেই কাৰণে Senior leader সকলক কওঁ যে এই আলোচনাটোৰ কাৰণে মই কেইবাবাৰো Senior leader সকলকৰ লগত আলোচনা কৰিছো আৰু কৈছো এটা grop উলিয়াওক নিজৰ নিজৰ বিধায়িনী দলৰ, তেওঁলোকক কথাখিনি কওঁক যাতে তেওঁলোকে সমষ্টিৰ উপৰিও আৰু দুই এটা কথাত ভালকৈ participate কৰিব পাৰে আৰু তেতিয়া হ'লে আমাৰ Quality of discussion will improve গগৈ মই আপোনাক পুনৰ ক'লো আপোনাৰ সমষ্টিৰ সময়ত আপুনি সেই কথাখিনি ক'ব। সেই সমস্যাটোত মই আপোনাক সহায় কৰিম। নিজৰ সমষ্টিৰ ভিতৰত, নিজৰ জিলাখনৰ ভিতৰত যদি তেনেকুৱা অসমতো থাকে, শিক্ষা বিষয়া বিলাকৰ সেইটো দায়িত্ব সেইখি নি চোৱাতো। কিন্তু unfortunately ত সেইটো যদি হোৱা নাই, I will help you. Next speaker Shri Pobindra Deka, তাৰ পাছত ৰাজেদ আলী চৌধুৰী।

শ্ৰী পবিন্দ্ৰ ডেকা, বিধায়ক ঃ- মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ আপুনি অধ্যক্ষ হোৱাৰ পাছত, আমাৰ বিধান সভাই এটা গতিশীলতা লাভ কৰিছে। আগতে এইবোৰ নাছিল। Speaker's initiative, মাননীয় সদস্য সকলৰ members Hours, এই দুটা নতুন বস্তু, সম্পূৰ্ণ নতুন কাৰ্য্যসূচী অন্তৰ্ভূক্ত হোৱাৰ কাৰণে এটা গতিশীলতা লাভ কৰিছে। তাৰ কাৰণে আপোনাক ধন্যবাদ দিছো যে Rule Committee খনৰ মইয়ো এজন সদস্য। আপুনি অধ্যক্ষ মহোদয়, শিক্ষাৰ বিষয়ত এই যিটো আলোচনা আৰম্ভ হৈছে আগতে প্ৰশ্নোত্তৰ কালত এইবোৰ আলোচনা হয়, কিন্তু এই আলোচনাবোৰ আমাৰ সুন্দৰ আৰু সুস্পষ্ট কৰাত অসুবিধা হয়। কাৰণ প্ৰশ্নোত্তৰ কালত বহু কথা ক'ব নোৱাৰি। আজি আমাৰ ভালেমান সদস্য বন্ধুৱে অংশ লৈছে আৰু নিজ নিজ দৃষ্টিভংগীৰে তেখেত সকলৰ অনুভৱবোৰ প্ৰকাশ কৰিছে আমাৰ শিক্ষা ব্যৱস্থাটো, আমি সকলোৱে জানো যে আমি প্ৰায় ডেৰশ বছৰ ধৰি ইংৰাজৰ তলত আছিলো আৰু ভাৰতবৰ্ষৰ একেবাৰে শেষ ৰাজ্য হ'ল অসম ইংৰাজৰ তললৈ যোৱা। ১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে বিদেশী শক্তিৰ চুক্তিৰ ফলত আমি তালৈ গৈছিলো। মই এইটো কথা কোৱাৰ উদেশ্য আছে। উদেশ্য টো হ'ল এইটোৱে যে ভাৰতবৰ্ষত ১৭৭৩ খ্ৰীষ্টাব্দত আধুনিক শিক্ষা আৰম্ভ হৈছিল মাদ্ৰাজত। মাদ্ৰাজৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগত অহা saint xaviers এজন missionary য়ে আৰম্ভ কৰিছিল, আৰু আমাৰ ইয়াত শিক্ষা ব্যৱস্থা আৰম্ভ হৈছে ১৮৩১ খ্ৰীষ্টাব্দত। বেংগল, কলিকতাত কলেজ আৰম্ভ হৈছে ১৮১৮ খ্ৰীষ্টাব্দত, উইলিয়াম কলেজ, আৰু আমাৰ ইয়াত কলেজ আৰম্ভ হৈছে ১৮৯৮ খ্ৰীষ্টাব্দত। তাৰ পাছতহে কটন কলেজ। কিন্তু স্বাধীনতা আন্দোলনত আমাৰ বৰঙণি কম নাছিল। যথেষ্ট বৰঙনি আছিল। আমি স্বাধীনতা লাভ কৰো ১৯৪৭ চনত। আমাৰ সাক্ষৰতাৰ হাৰ সেইটো আছিল মাত্ৰ ১৩ শতাংশ আৰু মহিলাৰ আছিল মাত্ৰ ৪.৪ শতাংশ। আজি এইটো সুখৰ বিষয়, যে স্বাধীনতাৰ ৭০ বছৰৰ ভিতৰত ভাৰতবৰ্ষৰ বহু কেইখন ডাঙৰ ৰাজ্যতকৈ বিহাৰ, মধ্যপ্ৰদেশ, ৰাজস্থান, এই গোটেই বিলাকতকৈ আমাৰ শিক্ষিতৰ হাৰটো বেছি। ভাৰতবৰ্ষৰ ৭৪ শতাংশ আমাৰ ৭৩.২৪ শতাংশ অলপ কম । আৰু পুৰুষৰ ৭৭ শতাংশ আৰু মহিলাৰ ৬৫ শতাংশ। যি সময়ত ১৯৪৭

চনত ৪.৪ শতাংশ আছিল, আজি ৭০ বছৰৰ পাছত আমাৰ মহিলাৰ শতকৰা হাৰ ৬৫ শতাংশ হৈছে। গতিকে, যদিও আমি শিক্ষা ব্যৱস্থা বহুত পিচত পাইছো, আধুনিক শিক্ষাৰ প্ৰভাৱ আমি বহুত পিছত পালেও কিন্তু ভাৰতবৰ্ষৰ কেইবাখনো ৰাজ্যই এতিয়াও ৬০ তলতে আছে, সাক্ষৰতাৰ হাৰ। কিন্তু আমি ৭৩.২৪ লৈকে যাব পাৰিছো। আৰু শৈক্ষিক দিশৰ পৰা চাহলৈ গলে শিক্ষানুষ্ঠানৰ ফালৰ পৰা চাবলৈ গ'লে যি সময়ত ১৯৪৭ চনত মাত্ৰ ২২৪ খন হাই স্কুল আছে, ১৮৩৫ চনৰ পৰা ১৯২১ চনলৈ মাত্ৰ আমাৰ ১১খন স্কুল,আছিল। স্বাধীনতাৰ দিনাখন আমাৰ হৈছিল ২২৪ খন হাই স্কুল। আৰু আজি হাইস্কুলৰ সংখ্যা হৈছেগৈ ৬৯৪৭ খন।

**মাননীয় অধ্যক্ষ ঃ-** সকলো ধৰি নে? চৰকাৰী আৰু বেচৰকাৰী সকলো ধৰি নে?

**শ্ৰী পবিন্দ্ৰ ডেকা, বিধায়ক ঃ-** বে-চৰকাৰী ইয়াত ধৰা হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ-** তেতিয়া হলে আমাৰ আৰু ১০০০-১৫০০ আৰু থাকিব ছাগে?

**শ্ৰী পবিন্দ্ৰ ডেকা, বিধায়ক ঃ-** University আছে, ১২ খন চৰকাৰী, বে-চৰকাৰী, কলেজ আছে। সম্পূৰ্ন চৰকাৰী ৬ খন, যেনে আমাৰ কটন কলেজ, ডিফু হাফলং, এই বিলাক কলেজ তাৰ পাছত প্ৰাদেশীকৃত কলেজ ২৯৫ খন, non- Government College আছে, ৪৩ খন, জুনিয়ৰ কলেজ আছে, ৬৫৭ খন, প্ৰাদেশীকৃত ইঞ্জিনিয়াৰিং কলেজ আছে ১৮ খন। য'ত ১৯৬৫ চনৰ আগত আমাৰ ইঞ্জিনিয়াৰিং কলেজেই নাছিল।

অধ্যক্ষ ডাঙৰীয়া ১৮৪৯ খৃষ্টাব্দত কলকাতা বিশ্ববিদ্যালয় হৈছিল আৰু ১৯৪৮ চনত এশবছৰ পিছত অসমত বিশ্ববিদ্যালয় হৈছে। তাৰ পিছত ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় হৈছে। চিকিৎসা মহাবিদ্যালয় আছে এঘাৰখন, আইন মহাবিদ্যায় আছে বিশখন। আমি পঢ়িথকা সময়ত মাত্ৰ এখন আইন মহাবিদ্যায় আছিল গুৱাহাটী বিশ্ববিদ্যালয়ত তাৰ পিছত চৰকাৰী আইন মহাবিদ্যালয় স্থাপন হ'ল। নিম্নপ্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয় আছে আমাৰ প্ৰায় ৪৭০০০ খন, উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে ১২৫৪ খন। গতিকে এইটো হৈছে কাঠামো। এই কাঠামোত আমাৰ প্ৰশ্ন আহিছে। সিদিনা যেতিয়া আমি এছ.ডি.জিৰ ওপৰত আলোচনা কৰিছিলো তেতিয়া এই কথাটো আমি আনিছিলো যে 'গুণগত শিক্ষা'। যদিও আমি অতি পলমকৈ আধুনিক শিক্ষাৰ পোহৰ পাইছো তথাপি আমি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যতকৈ আগবাঢ়ি আছো - এক নম্বৰ। দুই নম্বৰ, ২০১১ চনৰ জনসংখ্যা গণনা অনুসৰি ৩ কোটি ১২ লক্ষ মানুহৰ আমাৰ ৩৮০০০ বৰ্গ কিলোমিটাৰ ভূমিৰ এই সৰু ৰাজ্যখনত যিমান চৰকাৰী বা বে-চৰকাৰী শিক্ষানুষ্ঠান গঢ়ি উঠিছে সেইটোৰ পৰা আমি ক'ব লাগিব যে আমাৰ শিক্ষাৰ কাঠামোটো ভাল। ইয়াৰ ভিতৰত ব্যক্তিগতখণ্ডৰ স্কুল আছে। ২০০৪ চনৰ পৰাই কৈ আহিছো যে ব্যক্তিগত শিক্ষানুষ্ঠানসমূহক নাকী লগাব লাগে। তেওঁলোকে জধে-মধে মাচুল বঢ়ায়, জধে-মধে শিক্ষকবিলাকক নিযুক্তি দিয়ে কিন্তু দৰমহা নিদিয়ে। আজি চৰকাৰে বিশ্ববিদ্যালয়ৰে পৰা একেবাৰে তলৰ পৰ্যায়ৰ ব্যক্তিগতখণ্ডৰ শিক্ষানুষ্ঠানৰ বাবে যিখন বিধেয়ক আনিছে তাৰ বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ ৰাজ্যখনত ব্যক্তিগত শিক্ষানুষ্ঠানসমূহ এটা ব্যাধি ৰূপে, এটা বিষম ব্যৱসায় ৰূপে পৰিগণিত হৈছে। এতিয়া যিহেতু আজি 'গুণগত শিক্ষাৰ' কথাটো আহিছে সেই কাৰণে কৈছো অধ্যক্ষ মহোদয়। মই বহু ৰাজহুৱা সভাতো কওঁ - "সকলোৱেই কয়, শঙ্কৰদেৱকটো সকলোৱেই জানে কিন্তু মই কওঁ শঙ্কৰদেৱক কোনেও নাজানে, আপোনালোকে মিছা কথা নক'ব।" অধ্যক্ষ মহোদয় আপুনি জানি আচৰিত হ'ব সমগ্ৰ ভাৰতবৰ্ষৰ মাত্ৰ দুই শতাংশ মানুহেহে শংকৰদেৱক জানে কিন্তু শংকৰদেৱৰ লগত ১৫০০ শতিকাত ভক্তি আন্দোলনত একেলগে

থকা গুৰুনানক, চৈতন্য, কবীৰ, শংকৰাচাৰ্য্যক সকলোৱেই জানে। মইও জানো। মই কবিৰক জানো, চৈতেন্যক জানো, গুৰুনানকক জানো। কিয় জানো? কাৰণ মই সৰুৰ পৰাই মোৰ পাঠ্যপুথিত পাইছিলো শ্ৰীচৈতন্য কোন? মই চমুটোকা লিখিব লাগিছিল, সেই কাৰণে জানো। আমি এই মানুহবিলাকৰ বিষয়ে চমুটোকা লিখিব লাগিছিল। কিন্তু অধ্যক্ষ মহোদয় ভাৰতবৰ্ষ এনেকুৱা এখন ৰাজ্য আছে নেকি য'ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীমন্ত মাধৱদেৱৰ বিষয়ে কিবা পাঠপুথিত আছে? কোনো ৰাজ্যতে নাই। মই সকলো তথ্য চাই বক্তব্য ৰাখিছো। গতিকে শ্ৰীমন্ত শংকৰদেৱক মানুহে জানিব কেনেকৈ? একেই ভক্তি আন্দোলনৰ ভাৰতবৰ্ষৰ নেতা আমি বিবেকানন্দক সকলোৱেই জানো। কাৰণ বিবেকানন্দৰ কথা ভাৰতবৰ্ষৰ সকলো ৰাজ্যৰ পাঠ্যপুথিত আছে। অধ্যক্ষ মহোদয় যিসকলে পাঠ্যপুথি প্ৰস্তুত কৰে সেইসকলৰ মাজত বৰ্তমান লাহে লাহে এটা পৰম্পৰা হৈছে যে তেওঁলোকে বৰেণ্য ব্যক্তিসকলৰ কথা লিখিবলৈ অপৰাগতা প্ৰকাশ কৰে আৰু চি.বি.এছ.চিৰ কিতাপসমূহটো বৰেণ্য বক্তিবুলিলে অকল পাঞ্জাৱ, হাৰিয়ানা, বিহাৰ, উৰিষ্যা, উত্তৰপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশৰ কথা লিখিলে নহ'ব নহয়, আমাৰ কথাও লিখিব লাগিব। আমাৰ শংকৰদেৱৰ নিচিনা মানুহৰ কথাও তাত থাকিব লাগিব। এই কথাটো এটা গুৰুত্বপূৰ্ণ কথা গতিকে এই কথাটো আমি গুৰুত্ব দিব লাগিব। তদুপৰি আমাৰ আৰু এটা কথা হৈছে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান সমুহক নাকী লোগোৱাৰ কথা তেওঁলোকক নিয়ন্ত্ৰণ কৰাৰ কথা। ব্যক্তিগত শিক্ষানুষ্ঠান সমূহ হৈছে মাত্ৰ ব্যৱসায়, তাৰ বাহিৰে একো নাই। মই এইটো নকও যে ব্যক্তিগত শিক্ষানুষ্ঠানৰ ফলাফল বেয়া - মোৰ নিজৰ ল'ৰা দুটাই জাতীয় বিদ্যালয়ত পঢ়া আৰু দুয়োটাই stand কৰিছিল। কিন্তু সেইবুলি এইটো কথা নহয় যে এই শিক্ষানুষ্ঠানসমূহ আমি নিয়ন্ত্ৰণৰ মাজলৈ আনিব নালাগে। নিয়ন্ত্ৰণৰ মাজলৈ আমি আনিবই লাগিব। এতিয়ালৈ আমি গুণোৎসৱ পাতিছো আৰু এইটো এটা উৎসৱলৈ ৰূপান্তৰিত হৈছে। প্ৰাইভেট স্কুলসমূহৰ বেছিভাগৰ মাটি আদি নাইয়েই সেইটো বেলেগ কথা, কিন্তু চৰকাৰী বিদ্যালয়ৰ অৱস্থাটো এতিয়া বৰ বেয়া। কিছুমান উচ্চতৰ মাধ্যমিক স্কুল আছে - বিজ্ঞান বিভাগ আছে কিন্তু বিজ্ঞানাগাৰ নাই, সা-সৰঞ্জাম আছে কিন্তু ৰাখিবলৈ ব্যৱস্থা নাই, ভাঙি-চিঙি গৈছে, ফাপৰে খোৱা কুকুৰ দৰে দেখি স্কুলবিলাক। গতিকে যিকোনো প্ৰকাৰে স্কুলসমূহৰ আন্তঃগাথনিটো অলপ উন্নত কৰাৰ ব্যৱস্থা কৰিব লাগে। চৰকাৰে বিজ্ঞান ভৱন বুলি এটা গৃহ দিছিল কিন্তু সেই গৃহ বিলাকত বেলেগ ক্লাছ আৰম্ভ কৰিছে। ১৯৮৫ চনৰ পৰাই এটা কথাত বিৰোধ কৰি আহিছো আৰু তেতিয়াৰ পৰাই মই কলেজৰ সভাপতিটো ডাঙৰ কথা মই সদস্যও হোৱা নাই। কলেজ বিলাকত পৰিচালনা সমিতি বিলাক অধ্যক্ষৰ চুপাৰিছত গঠন কৰা হয়। অধ্যক্ষই এনেকুৱা মানুহৰ নাম পঠাই দিয়ে যাতে তেওঁক কোনেও অসুবিধা দিব নোৱাৰে। পাৰিলে ঘৰৰ দুই চাৰিজন ল'ব। কোনাবাৰ পৰা দহ হাজাৰ টকা লৈ তেওঁক ড'নাৰ মেম্বাৰ পাতিব। এই ধৰণৰ ব্যৱস্থা বহু কলেজত চলি আছে। এইটো এটা নীতিগত কথা গতিকে এই নীতিগত কথা বিলাকত যদি আমি 'গুণগত শিক্ষা' বিচাৰো তেতিয়া হ'লে আমি শিক্ষানুষ্ঠান বিলাকক ৰাজনীতিৰ পৰা সম্পূৰ্ণ বাহিৰত ৰাখিব লাগিব। ৰাজনীতিৰ পৰা মুক্ত মানে কি - ৰাজনীতিৰ পৰা কোনো মুক্ত নহয়, All belongs to politic. Politics is the base of all social services. আৰু ইয়ে সকলো ক্ষেত্ৰক নিয়ন্ত্ৰণ কৰে। গতিকে ৰাজনীতিৰ পৰা আতৰত নহয়। কিন্তু কোনো ৰাজনৈতিক কৰ্মীৰ অংশগ্ৰহণটোহে মই বিৰোধীতা কৰি আহিছো। গতিকে এই সমিতিখন গঠন কৰাৰ ক্ষেত্ৰত মাত্ৰ অধ্যক্ষই লিখিদিলে সমিতি কৰি দিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** ডেকা ডাঙৰীয়া বৰ্তমানযে মাননীয় বিধায়কসকল মেম্বাৰ দিছে সেইটো থাকিব

লাগেনে নালাগে ?

**শ্ৰীপবিন্দ্ৰ ডেকা ঃ** অধ্যক্ষ মহোদয় বিধায়ক সকল সদস্য হ'ব নালাগে। আমাৰ আগৰ যিবিলাক বৰেণ্য কবি, গল্পকাৰ, নিবন্ধকাৰ আছিল তেখেতসকলৰ কথা আমাৰ পাঠ্যপুথিত আছিল। কিন্তু আজিকালি পাঠ্যপুথিত সেই কবিসকলৰ কবিতা মুঠেই দেখা নাপাও। নতুন কবিৰ কবিতাও থাকিব লাগিব কিন্তু পুৰণি কবি বিলাকৰ কবিতাও থাকিব লাগে। আমাৰ সময়ত দুটা ভাগ আছিল প্ৰথম খণ্ডটোত পুৰণি সাহিত্যি আদিৰ আৰু দ্বিতীয় খণ্ডটিত নতুন বিলাকৰ থাকে। গতিকে আমাৰ পাঠ্যপুথিত

কবিসকলৰ কবিতা মুঠেই দেখা নাপাওঁ। আমাৰ সময়ত দুটা ভাগ আছিল। প্ৰথম এটা খণ্ড আছিল পুৰণা সাহিত্যিক কবি সকলৰ বিষয়ে তেওঁলোকৰ গল্প- প্ৰবন্ধ আদিৰ বিষয়ে থাকে। এটা চমুকৈ থাকে নতুনবোৰৰ কাৰণে থাকে। নতুন বহুত ভাল ভাল সাহিত্যিক আমাৰ সৃষ্টি হৈছে। গতিকে যিসকলে পাঠ্যপুথি প্ৰস্তুত কৰে তেওঁলোকে যাতে নতুন- পুৰণি সাহিত্যিক সকলৰ লিখনি পাঠ্যপুথিসমূহত অন্তৰ্ভূক্ত কৰাৰ কাৰণে বিবেচনা কৰে। এই কথাটো মই মোৰ অনুভৱত ব্যক্ত কৰিলোঁ। আজিৰ শিক্ষাৰ বিষয়ে আলোচনা কৰিবলৈ যি ব্যৱস্থা কৰিছে তাৰ বাবে আপোনাক ধন্যবাদ জনাইছোঁ আৰু এটা কথা ক'ব বিচাৰিছো যে মই তিনিবাৰ বিধায়ক হ'লো আৰু আগতেও দেখিছো আৰু এতিয়া আমাৰ নতুন বহুতো সদস্য আছে, Presentation সুন্দৰকৈ দিব পাৰে আৰু বিষয়-বস্তুৰ ওপৰতো যথেষ্ট অধ্যয়ন কৰি অহা লক্ষ্য কৰিছোঁ। এইটো বহু ক্ষেত্ৰত আপোনাৰ কাৰণে হৈছে বুলি ভাবিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিকেই কৈছে। আমাৰ Young যিখিনি First time Member হৈছে They are excellent. মইও বহু আগৰ পৰা আছিলোঁ। মইও অনুভৱ কৰিছিলোঁ। এতিয়া ওৱাজেদ আলি চৌধুৰী ডাঙৰীয়া আৰু তাৰ পিছত চুম ৰংহাং ডাঙৰীয়াই ক'ব।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক প্ৰথমতে ধন্যবাদ জনাইছোঁ। কাৰণ এই যে Sustainable Development Goal ৰ সৰ্বাধিক উন্নয়ণৰ লক্ষ্য। তাৰ লগত সংগতি ৰাখি শিক্ষাৰ ওপৰত আলোচনা কৰাৰ এটা সুযোগ দিয়াৰ বাবে। কাৰণ আজি অসমখনৰ উন্নয়ণ হ'বলৈ হ'লে অসমৰ প্ৰত্যেকটো অঞ্চল, চৰ অঞ্চল, ভৈয়াম পাহাৰ আৰু পৰ্বত উন্নয়ণ হ'ব লাগে। ২০০২ চনত প্ৰাক্তন মুখ্য মন্ত্ৰী গগৈ ডাঙৰীয়াই মোক চৰ অঞ্চলৰ উন্নয়ণৰ দায়িত্ব দিছিল। মই শদিয়াৰ পৰা ধুবুৰীলৈ চৰ অঞ্চলৰ এটা চাৰ্ভে কৰাইছিলোঁ। তাত শিক্ষাৰ ক্ষেত্ৰত আমি দেখা পালো যে চৰ অঞ্চলৰ শিক্ষাৰ হাৰ ১৯ শতাংশ। যেতিয়া অসমৰ শিক্ষাৰ হাৰ আছিল ৫১ শতাংশ আৰু এটা ভয়ঙ্কৰ তথ্য ছাৰ আছে, চৰ অঞ্চলৰ শিক্ষাৰ হাৰ আছিল মাত্ৰ ৩ শতাংশ। চৰ অঞ্চলত শিক্ষাৰ ক্ষেত্ৰত যি পিছ পৰি আছিল, সৰ্বশিক্ষাৰ জৰিয়তে যদিও ইতিমধ্যে বহুখিনি আগবাঢ়ি গৈছে, কিন্তু তথাপিও এতিয়ালৈকে আমাৰ অন্য অঞ্চলৰ তুলনাত চৰ অঞ্চল শিক্ষাৰ ক্ষেত্ৰত বহুখিনি পিছ পৰি আছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিজে উদ্যোগ লৈ বাগানৰ ক্ষেত্ৰত, চাহ শ্ৰমিক সকলৰ ক্ষেত্ৰত বিশেষ এটা আলোচনা কৰি এটা পৰিৱৰ্ত্তনৰ ব্যৱস্থা হাতত লৈছে। হয়তো অহাকালি আমি গম পাম। গতিকে আপোনাক ইয়াৰ আগতেও মই জনাইছিলোঁ যে আমাৰ চাহ মজদুৰ সকলৰ নিচিনা চৰ অঞ্চলসমূহ শিক্ষা তথা অন্যান্য ক্ষেত্ৰত এতিয়াও বহুত পিছপৰি আছে । গতিকে চৰ অঞ্চলক লৈ বিশেষ এটা আলোচনাৰ প্ৰয়োজন আছে। সেই চৰ অঞ্চলৰ উন্নয়ণৰ ক্ষেত্ৰত এই কথাখিনি চালি-জাৰি চালে তেতিয়াহে আমি আমাৰ ২০৩০ লৈকে

Sustainble Development Goalsত উপনীত হ'ব পাৰিম। ছাৰ, আমাৰ ঘৰৰ ওচৰত প্ৰাথমিক বিদ্যালয় নথকা কাৰণে মই অন্য ঠাইত গৈ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰিছিলো। এম, ই আৰু হাইস্কুলতো দূৰৰ কথা। কিন্তু এতিয়া সেই গাঁৱত এল, পি আৰু এম, ই স্কুল কেইবাখনো আছে। হাইস্কুল এখন আছে, চৰকাৰী কৰণ কৰা হোৱা নাই। আগৰ চৰকাৰে এইটো ঘোষণাও কৰিছিল। কিন্তু কিবা কাৰণে নহ'ল। বিশেষকৈ মোৰ সমষ্টি দক্ষিণ শালমাৰা, বোৰ্ডাৰ অঞ্চল, চৰ অঞ্চল। শতকৰা ৮০ শতাংশ মানুহ চৰত বসবাস কৰে। কিছুমান চৰ আছে যে ৪/৫ টা চৰ লগলাগি বা ৪/৫টা পঞ্চায়ত লগলাগি এটা অঞ্চল হয়। তাত এখন হাইস্কুল থাকিলেও হৈ যাব। কিন্তু কিছুমান চৰ আছে, তাত যাব লাগিলে নাওঁৰে পাৰ হ'ব লাগে। সেইবোৰ বোৰ্ডাৰ এৰিয়া। সেইবোৰ অঞ্চলৰ উন্নতিৰ কাৰণে Border Development Department ৰ পৰা ৰাস্তা-ঘাটৰ কাম বছৰে বছৰে হৈ আছে। কিন্তু শিক্ষাৰ ক্ষেত্ৰত কোনোধৰণৰ পৰিৱৰ্ত্তন বোৰ্ডাৰ অঞ্চলত হোৱা নাই। তাত কাঁটা তাৰৰ বেৰা দিয়া হৈছে, ভাৰতবৰ্ষৰ গৃহমন্ত্ৰীৰ পৰা আৰম্ভ কৰি অসমৰ মুখ্য মন্ত্ৰী কেইবাবাৰো গৈছে। কিন্তু সেই অঞ্চলত এখন হাই স্কুলৰ ব্যৱস্থা নাই। এইটোৰ মনতীৰ মোটাখাওঁ গাওঁ পাঞ্চয়তত। আমাৰ ছাত্ৰ-সন্থাৰ নেতা সকলেও গৈছিল। তেওঁলোকে ও চাই আহিছে। তাৰ লগতে সূতাকটা গাওঁ পঞ্চায়তত এখনো হাইস্কুল নাই। তাৰ পিছত আছে মূতাঘাঁহ গাওঁ পঞ্চায়ত। তাত এখন হাইস্কুল নাই। তাৰ লগতে আছে গোৰেশ্বৰ গাওঁ পঞ্চায়ত. তাতো হাইস্কুল নাই। এনেকুৱা মোৰ সমষ্টিত কম পক্ষেও আৰু ১ ৫ খন হাইস্কুল হ'লেহে আমাৰ ল'ৰা-ছোৱালীয়ে হাইস্কুল লৈকে পঢ়া-শুনা কৰিব পাৰিব। ল'ৰাৰ ক্ষেত্ৰত বাহিৰত গৈ লিখা পঢ়া কৰিব পাৰে। কিন্তু ছোৱালীবোৰ দুখীয়া ঘৰৰ হোৱা বাবে বাহিৰত গৈ হোষ্টেলত থাকি পঢ়াৰ সামৰ্থ্য নাথাকে। এম, ই স্কুল সমূহত পঢ়ে। কিন্তু এম, ই স্কুল সমূহো প্ৰভিঞ্চিয়েলাইজ কৰা হোৱা নাই। চাৰ, দুখীয়া ল'ৰা ছোৱালী সকলে বাহিৰত হোষ্টেলত থাকি পঢ়া-শুনা কৰাৰ স্কোপ নাই । এম ই স্কুল যিখিনি আছে, প্ৰভিঞ্চিয়েলাইজ হোৱা নাই । এখন দুখন ক'ৰবাত হৈছে । আপোনাক য'ত দেখা কৰিছিল তাৰ ভিতৰত তেওঁলোকো আছে । এতিয়া তেওঁলোকে আশা কৰি আছে । আৰু ২ বছৰ গ'লে, তেওঁলোকৰ চাকৰিয়েই যাব । মোৰ সমষ্টিৰ চৰাঞ্চলৰ তেনেকুৱা এটা অৱস্থা । গঢ়াখহনীয়াকে ধৰি বিভিন্ন সমস্যাৰ কাৰণে এই চৰাঞ্চল সমূহ পিছপৰি আছে । গতিকে শিক্ষাৰ ক্ষেত্ৰত যদি আমি সেই অঞ্চল বিলাকক গুৰুত্ব দিব পাৰো , এম.ই স্কুল, এলপি স্কুলৰ ভেঞ্চাৰ স্কুলবোৰ নিজে নিজে গঢ়ি তুলিছে । কিন্তু, হাই স্কুল বিলাক হোৱা নাই । হয়তো , হাই স্কুলৰ কাৰণে নতুন স্কুল, ভেঞ্চাৰ হিচাপে প্ৰতিষ্ঠা কৰা স্ক'প নাই । ইতিমধ্যে আইনেও এইবোৰ বন্ধ কৰিছে। যি কৰিব লাগে চৰক াৰৰ ফালৰ পৰাই কৰিব লাগিব । গতিকে চাৰ, আমি আপোনাৰ জৰিয়তে, চৰকাৰক দৃষ্টি আকৰ্ষণ কৰিছো যে চৰাঞ্চলত আমাৰ শিক্ষাৰ অভাৱ । দক্ষিন শালমৰা সমষ্টিৰ ভিতৰত মাথোন এখন মহাবিদ্যালয় আছে আৰু সেইখনো ভেঞ্চাৰ আছিল । যদিও কলেজখন চৰকাৰীকৰণ কৰা হৈছে , যোৱা চৰকাৰৰ সময়ত, কিন্তু Principal, Vice-Principal কে আৰম্ভ কৰি বাকী বিলাকৰ কাৰো চাকৰি হোৱা নাই । মাত্ৰ ৫ জন শিক্ষকৰ চাকৰি হৈছে । কিন্তু, Principal জন আৰু ১ বছৰৰ পিচত Retirement ত যাব ।

যেতিয়া তেওঁলোকে চাকৰিত সোমাইছিল, সেই সময়ত যি Qualification ৰ প্ৰয়োজন আছিল, সেইখিনি তেওঁলোকৰ আছে । কিন্তু এতিয়া নতুনকৈ NET, SLET আৰু অন্যান্য যিবিলাক Qualification ৰ দৰকাৰ, সেইখিনি এই বুঢ়া বয়সত তেওঁলোকে কেনেকৈ ল'ব । আজি তেওঁলোকৰ চাকৰি হোৱা নাই, আপোনাক সাক্ষাৎ কৰিছে আৰু আপোনাৰ

Residence ত গৈ Collegeৰ Principal য়ে আপোনাক সাক্ষাৎ কৰিছে । এখন মাত্ৰ কলেজ, সেই কলেজখন নদীৰ গৰাখহনীয়াৰ ফলত এতিয়া মেঘালয়ৰ বজাৰ গৈ পাইছে আৰু Entires ত কোনোধৰনৰ উচ্চশিক্ষাৰ ব্যৱস্থা নাই । যাৰ ফলত মই বাজেট ভাষণত কৈছিলোঁ যাতে “ মাইনোৰিটি এৰিয়াত এই চৰকাৰে ৯ খন কলেজ কৰিলে । এখনো কলেজ মোৰ এৰিয়াত নিদিলে । কাৰণ যিটো এৰিয়াত ৯৯ শতাংশ মাইনোৰিটি মানুহ আছে । আমাৰ সন্মানীয় সদস্য খালেক ডাঙৰীয়াই কৈছে ৯৫ শতাংশ , নহয় ৯৯ শতাংশ । সেই কাৰণে আমি আশা কৰিছোঁ, এখন কলেজ আমাৰ তাত দিব । ২০১০ চনত এখন মডেল কলেজ, আমাৰ আগৰ চৰকাৰে দিছিল । সেই কলেজখনৰ কাৰণে মন্ত্ৰীক লগ কৰোঁতে , মন্ত্ৰীয়ে এই কথা কৈছে, মডেল কলেজখন আপোনালোকে এতিয়াও কৰিব পৰা নাই । এতিয়া আপোনালোকক নতুনকৈ কি কলেজ দিম । সেই কলেজখনৰ মাটি আমি চৰাঞ্চলত দিছোঁ। কিন্তু, আমাৰ আগৰ MLA জন তেখেতে South Salmora কলেজৰ ১ কিলোমিটাৰ ভিতৰতে হ’ব লাগে বুলি Land allotement দিছে । এই Controvercy ৰ কাৰণে কলেজখন হোৱা নাই। আমি এতিয়াও লাগি আছোঁ যদি, সেই কলেজখন চৰ অঞ্চলত হয়, তেতিয়া চৰ অঞ্চলৰ ল’ৰা-ছোৱালীয়ে উচ্চ শিক্ষা লোৱাৰ এটা স্ক’প পাব ।

মাননীয় অধ্যক্ষ মহোদয়, Departmentaly Related Standing Committee ৰ শিক্ষা বিভাগত , মইও সদস্য হিচাপে আছিলোঁ । Meeting ত মই এই কথাতো উত্থাপন কৰিছিলোঁ । আমাৰ শিক্ষাবিভাগৰ Commissioner আৰু Higher Education ৰ Director আছিল । মই কলেজখনৰ কথা উল্লেখ কৰোঁতে তেওঁলোকে কৈছে , চাৰ সেই চৰলৈ নাওঁৰে পাৰ হৈ যাব লাগে । তাত কলেজ কেনেকৈ কৰিব । মই কৈছিলো তেতিয়া হ’লে চৰ অঞ্চলৰ লৰা ছোৱালীয়ে শিক্ষা লাভ কৰিব নালাগে নেকি? চৰৰ ল’ৰা-ছোৱালী শিক্ষিত হ’ব নালাগিব নেকি ? মই তেখেতক কৈছোঁ সেই অঞ্চলত পাৰহৈ যাবলৈ এখন দলঙৰ প্ৰয়োজন । যিটো আমি যোৱা বিধান সভা আৰু সিদিনাখনৰ বিধান সভাত, এই কথাবিলাক আমি আলোচনা কৰিছিলোঁ । আৰু মই শিক্ষা বিভাগৰ উচ্চ পদস্থ বিষয়াসকলক আশ্বাস দিছো যে Signature scheme ত মই সেই দলংখন ধৰিছোঁ । সেই দলংখন হ’ব । গতিকে আপোনালোকে, মডেল কলেজখন এই চৰত কৰক । চৰ মানে, ৭ খন গাওঁ পঞ্চায়ত লৈ এখন চৰ, মাজুলি যেনেকৈ নদী দ্বীপ, আমাৰ দক্ষিণ শালমৰা এই চৰবিলাকো সেই নদী দ্বীপ । চাৰিও ফালে নদী, মাজত সেই চৰ বিলাক । ৭টা Panchayat লৈ এটা ডাঙৰ চৰ । তাৰ পৰা PMGSY ৰ ৰাষ্টা গৈছে ,চাৰ । কেৱল দলংখনৰ দৰকাৰ । এই দলংখন এইবাৰ আমাৰ বাজেটত ঘোষনা কৰিছে । আশা কৰো হ’ব । লগতে মডেল কলেজখন চৰত হ’লে আমাৰ সমস্যা, উচ্চ শিক্ষাৰ কাৰণে কিছু হ’লেও সমাধান হ’ব ।

চাৰ , আপোনাক বহুত ধন্যবাদ, ময়ো আছিলোঁ, সেইদিনা বহুত ভেনচাৰ স্কুলৰ শিক্ষক, এম ই স্কুল, এলপি স্কুল , হাইস্কুল, কলেজ, জুনিয়ৰ কলেজ শিক্ষক সকলে আপোনাক লগ কৰিছে । এই কথাবিলাক আমাৰ মাননীয় সদস্য সকলে আলোচনা কৰিছে । মই সেইটো পুনৰবাৰ ক’ব বিচৰা নাই । বিশেষকৈ এল পি স্কুলৰ ক্ষেত্ৰত যিটো ডাইচ ক’ড , খালেক ডাংৰীয়াই কৈছে , এইটো মোৰ সমষ্টিতো মূল সমস্যা । আৰু দুই এটা সমষ্টিতো আছে । তাত ডাইচ অফিচাৰে, শিক্ষক সকলে বনাই ৰেডি কৰি দিছিল, কিন্তু সেই সময়ৰ বি অ য়ে জমা নিদিলে । যাৰ ফলত তেওঁলোকে Low case ৰ ডাইয়েচৰ পৰা বঞ্চিত হ’ব লগা হ’ল । কিন্তু, ১০-১১ ডাইয়েচেচ,

মই যোৱাবাৰ বিধান সভাত মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক কৈছিলোঁ, ঠিক আছে ৯-১০ ডায়েচ নাই, কিন্তু মাটিৰ কাগজ ৯-১০ বহুত আগৰ পৰাই আছে । মাটিৰ Register এইটো ২ নম্বৰী হ'ব নোৱাৰে । মাটিৰ ৰেজিষ্টাৰৰ তাৰিখটো ডুপলিকেট হ'ব নোৱাৰে । তেখেতে মানি লৈছিল, যাৰ ৯-১০ ৰ ডায়েচ নাই তাক যদি ১০-১১ ডাইয়েচ মানি লয় চৰকাৰে, তেতিয়া হ'লে কোনো কথা নাই । যদি নামানে তেতিয়া হ'লে তেওঁলোকৰ মাটিৰ কাগজ, স্কুলৰ নামত যে Register কৰা হৈছিল, তাৰ কাগজ বিচাৰিলে তেওঁলোকে কাগজ দিব পাৰিব । চাৰ আজি শিক্ষা কৰ্মী, বিভিন্ন ভাৱে আগৰ চৰকাৰে , শিক্ষা চলাই নিবৰ বাবে, সৰ্বশিক্ষাৰ জৰিয়তে তেওঁলোকে engage কৰিছিল । তাৰ ভিতৰত বহুত খিনি ইতিমধ্যে Registered হৈ গ'ল । তেওঁলোকৰ সংযোগী শিক্ষা , আৰু বহু ধৰণৰ শিক্ষা কৰ্মী এতিয়া লৈকে হোৱা নাই । তেওঁলোকে Demand কৰি আছে আপোনাৰ আগত । গতিকে তেওঁলোককো এটা special সুযোগ দিব । Special টেট পাতি সোমোৱাৰ ব্যৱস্থা কৰিলে ভাল হয় । কাৰণ যি সময়ত আমাৰ শিক্ষাৰ কোনো অন্য ব্যৱস্থাই নাছিল, সেই সময়ত তেওঁলোকে আমাৰ ল'ৰা ছোৱালিক শিক্ষা দান কৰিছিল। আজি চাৰ, মোৰ সমষ্টিত চিনিয়ৰ মাদ্ৰাছা এখন আছে । য'ত ১৪ জন শিক্ষক আছিল, এতিয়া মাত্ৰ ২ জন শিক্ষক আছে। আচৰিত লাগে ২ জন শিক্ষকে, ১৪ জন শিক্ষকৰ কাম কেনেদৰে চলাই আছে । মাদ্ৰাছাত টেট অনুষ্ঠিত কৰা হ'ল, কিন্তু আজিলৈকে এই টেটৰ Appointment ৰ ব্যৱস্থা নকৰিলে চাৰ । আৰু এম ভি স্কুল, বিশেষকৈ এই চিনিয়ৰ মাদ্ৰাছা আৰু এম ভি স্কুল বিলাকৰ শিক্ষক Retirement ৰ পিচত শিক্ষক নিযুক্তি নিদিয়ে । এই এম ভি স্কুল এটা আছে , তাত মাত্ৰ এজন শিক্ষক । য'ত LP School সংলগ্ন হৈছে ।

**মাননীয় অধ্যক্ষ ঃ**- অলপ চমু হ'লে ভাল হয় ।

**শ্ৰী ৰাজেদ আলি চৌধুৰী, বিধায়ক ঃ**- গতিকে, সমস্যা বহুত । সময় যথেষ্ট প্ৰয়োজন, কিন্তু আমাৰ বক্তা বহুত । আমি আমাৰ দলৰ ফালৰ পৰা আব্দুল খালেক ডাঙৰীয়াক ক'ব দিছিলো । তেখেতে যথেষ্টখিনি কৈছে। তথাপিও সমষ্টি ভিত্তিক কিছু কথা মই ক'বৰ কাৰণে উঠিছোঁ । গতিকে মোৰ সমষ্টিত এই যিখিনি সমস্যাৰ কথা আপোনাক জনালোঁ, আমি চৰকাৰক অৱগত কৰি, মই আকৌ এই Venture স্কুল বিলাকক, যি Venture School ৰ কাগজ পাতি নাই, ভুৱা তেওঁলোকক ল'ব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** - সেইটো আমি আলোচনা কৰিছোঁ ।

**শ্ৰী ৰাজেদ আলি চৌধুৰী, বিধায়ক ঃ**- এই কথাবিলাক আপুনি চাব । যি সময়ত আমাৰ কোনো শিক্ষাৰ প্ৰতিষ্ঠান নাছিল, ব্যৱস্থা নাছিল সেই সময়ত তেওঁলোকে আমাৰ ল'ৰা-ছোৱালিক শিক্ষা দান কৰিছিল । তেওঁলোকৰ প্ৰতি আমি দায়বদ্ধ । আপোনাৰ জৰিয়তে চৰকাৰক অৱগত কৰি, মোৰ বক্তব্য সামৰণি মাৰিলোঁ ।

**মাননীয় অধ্যক্ষ ঃ**- ধন্যবাদ । এতিয়া চুম ৰংহাঙে ক'ব । তাৰ আগতে কওঁ , এতিয়া ৫ বাজিবলৈ ১০ মিনিট আছে । What will do ? কালিলৈ সমস্যা আছে । আমাৰ সময় কম, তাতে কালিলৈ শুক্ৰবাৰ ।

**শ্ৰীৰাজেদ আলি চৌধুৰীঃ** গতিকে সমস্যা বহুত । সময়ৰ যথেষ্ট প্ৰয়োজন কিন্তু আমাৰ বক্তা বহু আছে। আমাৰ দলৰ পৰা আব্দুল খালেক ডাঙৰীয়াক ক'বলৈ দিয়া হৈছিল। তেখেতে গোটেইখিনি কথা কৈছে। মই হয়তো সমষ্টিভিত্তিক দুই এটা কথা ক'ম চৰকাৰক অবগত কৰি । যিবিলাক Venture Schoolৰ কাগজ পাতি নাই তেওঁলোকক ল'ব নালাগে। যিখিনি ৰ documents

আছে তেওঁলোকক লোৱাৰ ব্যৱস্থা কৰিব লাগে। যিটো Affected date , issue date আছে , issue কৰোঁতে তেওঁলোকে এক সপ্তাহ লগাইছে , এইটোৰ কাৰণে তেওঁ responsible নেকি ? গতিকে এই কথাবিলাক আপুনি চাব। কাৰণ যি সময়ত আমাৰ শিক্ষাৰ প্ৰতিষ্ঠান নাছিল সেই সময়ত এওঁলোকে আমাৰ লৰা ছোৱালীক শিক্ষাদান কৰিছে। এওঁলোকৰ প্ৰতি আমি দায়বদ্ধ। গতিকে এখেতসকলক আপুনি সহায় কৰিব বুলি আশা কৰি আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাই মই মোৰ বক্তব্য ইয়াতে সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া চুম ৰংহাং ডাঙৰীয়া।

৫ বাজিবলৈ আৰু ১০ মিনিট সময় আছে। মাননীয় সদস্যসকলৰ সমৰ্থন থাকিলে সময় বঢ়াব পৰা যাব। কাইলৈ শুক্ৰবাৰ আমাৰ সময় বহু কম। আমি ভাবিছো কালি প্ৰথমে Educationৰ আলোচনা কৰি Bill Pass কৰিলে ভাল হ'ব। Educationৰ বিল কেইবাখনো আছে। এতিয়া আমি সদনৰ সময় ১ ঘন্টা বৃদ্ধি কৰিছো। এতিয়া চুম ৰংহাঙ। এটা কথা আমাৰ শাসকীয় দল আৰু বিৰোধী দল দুয়োটাই বহু বক্তাৰ নাম দিছে ইমান দিলে সময়ৰ নাটনি হ'ব গতিকে আপোনালোকে অলপ tuning কৰিব লাগিব। বাকীখিনি দলৰ প্ৰায়খিনি ক'ভাৰ কৰিব পৰা যাব এতিয়া শ্ৰীচুম ৰংহাঙ।

**শ্ৰীচুম ৰংহাঙঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক বক্তব্য ৰখাৰ বাবে সুবিধা দিয়া বাবে ধন্যবাদ জনাইছোঁ। অধ্যক্ষ মহোদয়, কাৰ্ব্বি আংলঙ জিলা শিক্ষাৰ দিশত অতি পিছপৰা ঠাই । শিক্ষাৰ দিশটোত যে অতি পিছপৰা আমাৰ হাই স্কুল শিক্ষান্ত পৰীক্ষাৰ result কয়। কাৰণ ৩৩ খন জিলাৰ ভিতৰত তালিকাৰ একেবাৰে শেষৰ ফালে পৰে । গতিকে শিক্ষাৰ দিশত তেনেই পিছপৰা কাৰ্বি আংলং জিলা। আমাৰ কাৰ্বি আংলং জিলা বৰ্ত্তমান যিটো প্ৰক্ৰিয়াত চলি আছে, স্কুলসমূহ যেনেকৈ চলি আছে তাৰ বিষয়ে মই কিছু কথা অৱগত কৰিব বিচাৰিছো। চাৰ L.P School , M E School, এই দুটা মিলি Elementary , High school , Higher Secondary School , , College , Higher Education, আমাৰ কাৰ্বি আংলং জিলাত Plan District ৰ নিচিনাকৈ যেনেধৰণে S I আছে , D I আছে, District Elemenatary Officer আছে, ঠিক এনেকৈ আমাক কাৰ্বি আংলং জিলাত এতিয়ালৈ হোৱা নাই । কাৰণ তেতিয়া এল পি স্কুল সমূহ কাৰ্বি আংলং Autonomous Council ত আছিল কাৰণে এটা District Elemenatary Board নামেৰে গঠন কৰা এখন বোৰ্ডে তাক চোৱা চিতা কৰে। তাত স্কুল S I , A S I, Block Development Officer সকলক নিযুক্তি দি ভালকৈ স্কুলসমূহ সুপৰিচালনা কৰিবৰ কাৰণে, চোৱা চিতা কৰিবৰ কাৰণে এই ব্যৱস্থাটো কৰিব লাগে । কাৰণ এটা সময়ত ইয়াত State ৰ ফালৰ পৰা ১১ জন SI আছিলে । কিন্তু তেওলোকক B E E O লৈ Promotion দি এতিয়া কাৰ্বি আংলঙত ষ্টেটৰ ফালৰ পৰা পঠিওৱা এজনো S I নাই। এতিয়া যিকেইজন S I আছে সকলোখিনি Council appointing ।এতিয়া কাউন্সিত প্ৰায় ১৬ জন S I আছে । S I সকলক নিজাববীয়াকৈ অটোনোমাচ কাউন্সিলে নিযুক্তি দিছে। চাৰ্কোল গঠন কৰি দি তেওঁলোকৰ দ্বাৰাই আমি B E E O নকৰি Block Primary Education officer হিচাপে তেওলোককে নিযুক্তি দি L P স্কুলসমূহ চোৱা চিতা কৰিবলৈ

দায়িত্ব দিছোঁ। সেই কাৰণে মই অনুৰোধ জনাইছোঁ যে, এই S I সমূহক তাতে খটুৱাই তেওঁলোককে Block Elementary Education officer হিচাপে নিযুক্তি তেওঁলোকৰ চাকৰিটো নিয়মীয়া কৰণ যদি কৰি দিয়ে আৰু তেওঁলোককে সেই পদবীত অধিষ্ঠিত কৰিলে তেওঁলোকে সেইখিনি চোৱা চিতা কৰিবলৈ সুবিধা পাব। অধ্যক্ষ মহোদয় এম ই স্কুল চোৱা চিতা কৰে DI কিন্তু কাৰ্বি আংলঙত আৰু এখন District হৈ গ'ল। তাত Sub Division এটা নহয় দুটা হ'ব। গতিকে এই দুটা চাব ডিভিজনৰ - ডিফু ইষ্ট ডিভিজনত , ইষ্ট কাৰ্বি আংলঙত আমাৰ বোকাজান আছে ডিফু আছে হাউৰাঘাট আছে। মুঠ ৫ জন DI হ'ব লাগে এতিয়া কাৰ্বি আংলং জিলাত এজনো DI নাই। আৰু DI ৰ ওপৰত District Elementary Education Officer থাকিব লাগে। District Elementary education officer আমাৰ কাৰ্বি আংলং জিলাত নাই। গতিকে In -charge DI জনে গোটেই ৫খন Sub Division এম ই স্কুলখন চোৱা চিতা কৰিবলগা হৈছে আৰু এই হাই স্কুলসমূহো S I নথকা কাৰণে তেওঁয়ে চোৱা চিতা কৰে কিন্তু D I বা BEEO আৰু District Elementary Education Officer নথকা কাৰণে, এই পোষ্টটো এতিয়ালৈকে Create নকৰা বাবে তাত এতিয়ালৈকে posting হোৱা নাই এই সকলো কাম কাজ চোৱা চিতাৰ বাবে D I জনে , S I জনে বা I S জনেও অপাৰগতা প্ৰকাশ কৰিছে। গতিকে আমাৰ S I বা BEEO সকলেও অলপ অসুবিধাত পৰিছে গতিকে মই অনুৰোধ জনাব বিচাৰিছোঁ লগতে কলেজ সমূহ চাবলৈ Additional Director ৰ post create কৰিছে। কিন্তু, এতিয়ালৈকে full Fledge Director posting হোৱা নাই। আৰম্ভনিৰে পৰা Additional Director Post In-charge হৈ কাম চলাই আছে। I S জনে In-charge হিচাপে লৈ তেওঁৰ দ্বাৰা গোটেই কাম কাজ চলাই থকা হৈছে। যোৱা ২০১৩ চনলৈ কাৰ্বি আংলং জিলাত এখনেইCollege provincialised হ'ল সেইখন হ'ল Diphu Government College। Diphu Government Collegeৰ বাহিৰে এখনো provincialised College নাই, কিন্তু ২০১৩ চনৰ পৰা ৪ খন কলেজ প্ৰভিন্সিয়েলাইজড হ'ল। থাংৰংপি কলেজ, বোকাচেন কলেজ, বকলিয়া কলেজ, ৰাংচিনা কলেজ আৰু ইষ্টাৰ্ন কাৰ্বি আংলং এই চাৰিখন কলেজ provincialised। এতিয়ালৈকে মাত্ৰ ৫খন কলেজ কাৰ্বি আংলং জিলাত হৈছে। বাকী ৭ খন কলেজ আছে বিভিন্ন কাৰণত provincialised কৰিব পৰা নাই। এইখিনি প্ৰভিন্সিয়েলাইজড কৰিব লাগে বুলি আমি অনুৰোধ জনাইছোঁ। ইমান ডাঙৰ এখন জিলাত মাত্ৰা ১১ খন কলেজ আছে। এটা কথা চাৰ সদনক জনাব বিচাৰিছোঁ যে ২০০০ চনলৈ এখনো Venture L P School আমাৰ কাৰ্বি আংলং জিলাত হোৱা নাই। কাৰ্বি আংলং জিলাৰ ইতিহাসত Venture LP School খুলি provincialised কৰা আৰু তাৰ পিছত government এ adopt কৰিছে এনেকুৱা স্কুল নাই। কাৰণ ২০০০ চনলৈকে আমাৰ কাৰ্বি আংলং জিলাত উদাহৰণ হিচাপে কৈছোঁ যে, ১০০ বা ২০০ post sanction কৰি কাউন্সিলত পঠিয়াই দিয়ে তাৰ পিচত council M S C Consituancy অনুসৰি সেই স্কুলবিলাক শিক্ষকসহ গতাই দিয়া হয় আৰু তেতিয়া লগে লগে স্কুলবিলাক Government বা provincialised কৰা হৈ যায়। গতিকে ২০১৩ চনত আৰু ২০১১ চনত যিটো provincialisation এক্ট ত প্ৰত্যোক জিলাতে L P Shool Teacher ৬০০০ লৈ post provincialised কৰা হৈছে। কিন্তু ২০১১ চনৰ provincialise Act অৰ্ন্তগত যিকেইটা পোষ্ট দিয়া হৈছে, কিন্তু আমাৰ কাৰ্বি আংলং জিলাত এজন শিক্ষকৰ post ও provincialised

কৰা নাই কিয়নো তাত Venture LP School নাই। ২০০০ চনত M E আৰু High School বিলাকত অংক আৰু বিজ্ঞানৰ ১০০ post Create কৰি ,Sanction কৰি Autonomous Council লৈ পঠিয়াই দিয়া হৈছিল।

২০১১ চনৰ Provincialisation Act ৰ অন্তৰ্গত যি কেইটা পদ দিয়া হৈছে । কিন্তু কাৰ্বি আংলং জিলাত এজন শিক্ষকৰ পদও প্ৰাদেশীকৰণ কৰিব পৰা নাই। কিয়নো তাত venture L.P. School নাই। ২০০০ চনতএশটা post science ৰ কাৰণে দিয়া হৈছিল। ME School আৰু High School বিলাকত intermedia post (গণিত আৰু বিজ্ঞান) ৰ কাৰণে। গতিকে সেই এশটা পদও ২০০০ চনত Karbi Anglong Autonomous Council লৈ post বিলাক create কৰি sanction কৰি পঠিয়াই দিয়া হৈছিলে। তাৰ পিছতে interview পাতি নিযুক্তি দিয়া হৈছিল। গতিকে আমি এটা পিছ পৰা অঞ্চলত আছো, য'ত নেকি ছাত্ৰ-ছাত্ৰীৰ বা সংখ্যাও আমি গোটাব পৰা নাই। এতিয়া আকৌ TET পাতিবলৈ লৈছে, TET পতাৰ পিছত তেওঁলোকে DLET বা B.Ed পোৱাৰ পিছতে তেওঁলোকে শিক্ষাকৰ্তা চাকৰিটো কৰিবলৈ পাব। সেইটোৰ কাৰণে আমাৰ কাৰ্বি আংলং জিলাত বহুত সমস্যাৰ সৃষ্টি হৈছে। গতিকে মই কবলৈ বিচাৰিছো যে আমাৰ ২০১১ চনৰ এটাও স্কুল প্ৰাদেশীকৰণ হোৱা নাই। ২০১১ চনত যিটো প্ৰাদেশীকৰণ হৈছে সেই সময়ত আমাৰ কাৰ্বি আংলং জিলাত মাত্ৰ ৩০ খন কাৰ্বি মাধ্যমৰ এল পি স্কুল আছিলে। এই ৩০ খন কাৰ্বি মাধ্যমৰ এল পি স্কুলৰ পদকেইটা তেতিয়া প্ৰাদেশীকৰণ কৰিব নোৱাৰিলে। গতিকে মই আপোনাৰ জৰিয়তে এই ৩০ খন কাৰ্বি মাধ্যমৰ এল পি স্কুলৰ পদকেইটা প্ৰাদেশীকৰণ কৰিবৰ বাবে অনুৰোধ জনাইছো।

তাৰ পিছত মই এইখিনিতে এটা পৰামৰ্শ দিবলৈ বিচাৰিছো যে এল পি, এম ই স্কুলবোৰ সময়ে সময়ে inspection হ'লে স্কুলবিলাক সুন্দৰভাৱে পৰিচালিত হয়। গতিকে অন্তত পোন্ধৰ দিন Sub -inspector of School নিযুক্তি দি পেলাই LP school আৰু ME school সমুহত চোৱাচিতা কৰিবৰ কাৰণে দায়িত্ব দিব লাগে। যাতে স্কুলবোৰ ভালকৈ চলে। নহ'লে স্কুলবোৰত শিক্ষক সকল যদিও যায়, অলপ সময় থাকি তাৰ পিছতে গুচি আহে। regular inspection যদি হৈ যায়, অন্তত শিক্ষসকল regularly থাকিব, আৰু শিক্ষাদান কৰাত শিক্ষসকলে নিজকে গতিশীল হ'ব বুলি ভাৱিছো আৰু ছাত্ৰ - ছাত্ৰীসকলে ভাল শিক্ষা পাব বুলি মই ভাৱো। গতিকে Inspector নিযুক্তি দি ছাত্ৰ-ছাত্ৰীসকল ভালদৰে শিক্ষা প্ৰদান কৰিবৰ কাৰণে সুবিধাতো দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, এটা কথা জনাব বিচাৰিছো যে শিক্ষাৰ মিছন, DPAP, SSA, RMSA ৰ আৰম্ভ কৰি আৰু এতিয়া ROSA অলপ সানমিহলী হৈ গৈছে parent department ৰ লগত। আমাৰ যিটো parent department Education Department যিটো আছে। এই মিছন শিক্ষা অহাৰ লগে লগে যিবিলাক official order বিলাক হয়, যিবিলাক transfer posting আদি হয়, সেইবিলাক record পাতিবোৰ ভালকৈ নৰখাৰ কাৰণে কেতিয়াবা কেতিয়াবা transfer বা order বিলাক conflict হৈ যায়। গতিকে মই ভাৱো Mission Director ৰ পৰা বা শিক্ষা mission ৰ officer সকলৰ ফালৰ পৰা যিবিলাক

order দিয়া হয় যাতে conflict নহয়, সেই গোটেইখিনি education department ৰ official order বিলাক, নিযুক্তি বিলাক হয়, সেইবোৰ যাতে নথি পত্ৰ সমূহ, record পাতি সমূহ ভালকৈ থাকে, তাৰ বাবে Education ৰ parent department যোগেদি এই সকলো বোৰ কাম কাজ অনুৰোধ জনাই, মোক এই কথাখিনি কবলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্য ইমান খিনিতে সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী নিজানুৰ ৰহমান।

**শ্ৰী নিজানুৰ ৰহমান, গৌৰিপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মই specific point ত কৈছো। মোৰ সমষ্টিৰ গৌৰিপুৰ T B College ত non sanctional post ত দুইজন মানুহ এতিয়ালৈকে government concurrence ত অহা নাই। তেখেতে **১৭** বছৰ ধৰি কাম কৰি আছে হিন্দী বিষয়াৰ প্ৰফেচাৰ হিচাপে আৰু এজন গণিত বিভাগৰ প্ৰফেচাৰ হিচাপে। দুয়োজনকে government concurrence ত আনিব লাগে। এইটো specific ভাৱে কৈছো। আৰু **২০১৩** চনত প্ৰাদেশীকৰণ হোৱা হাইস্কুল দুখন ক্ৰমে এখন চাপঘৰ এচিয়ান একাডেমি আৰু ডাওভাণ্ডিয়া হাইস্কুল। চাপঘৰ হাইস্কুলৰ দুজন সহকাৰী শিক্ষক বাদ পৰিছে আৰু এজন পিয়ন, ডাঙভাণ্ডিয়া হাইস্কুলত এজন মিউজিক শিক্ষক আৰু লগতে দুজন সহকাৰী শিক্ষক আৰু এজন চকীদাৰ বাদ পৰিছে। এইখিনি আমাৰ Provincialization Act ত আনিব লাগিব।

লগতে মোৰ গৌৰীপুৰ সমষ্টিত একমাত্ৰ BO office যিখন আছে। BO office খন ভাড়াঘৰত চলি আছে। যিহেতু আমাৰ গৌৰীপুৰ টাউনত ওচৰতে গৌৰীশংকৰ এল পি স্কুল আছে। ইতিমধ্যে amalgamation হোৱা কাৰণে তাত স্কুলখন খালী হৈ গৈছে। তাত infrastructure আছে। যদি স্থায়ী ভাৱে এই BO office খন তালৈ বদলী কৰা যায়, তেতিয়া হলে এই খন ভাল হ'ব আৰু BO office খন সুচাৰুভাৱে চলিব।

মোৰ সমষ্টিৰ এটা major part পৰ্বতযোৱা Sub-Division সম্পূৰ্ণভাৱে গৌৰীপুৰ সমষ্টিৰ অধীনত জন্মলোৱা । তাত এখনো কলেজ নাই, তাত এখন নতুনকৈ চৰকাৰী কলেজ পাতিব লাগে। আৰু লগতে আলমগঞ্জ, ৰঙামাটি কলেজক বিজ্ঞান কলেজ হিচাপে নতুনকৈ স্থাপন কৰিব লাগে। সেইখিনি মোৰ দাবী লগতে আমাৰ পৰ্বতযোৱাত BO office নতুন Sub-Division হোৱা হেতুকে গোচাইগাওঁৰ পৰা কাম কাজখিনি চলি আছে। এই আমাৰ গৌৰীপুৰ সমষ্টি ধুবুৰী সংলগ্ন এই অঞ্চলৰ পৰা গোচাইগাওঁ বহুত দুৰ হোৱাৰ কাৰণে আৰু দুৰ্গম অঞ্চল হোৱাৰ কাৰণে শিক্ষক সকলৰ বহুত কঠিন অৱস্থাত অহা যোৱা কৰিব লগীয়া হয়। এই কাৰণে নতুন Sub-Division ত এই BO office নতুনকৈ infrastructure বনাই তাতে স্থায়ীভাৱে কাম কাজ চলাব লাগে। এইখিনি মোৰ কথা।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী অশ্বনী ৰায় সৰকাৰ।

**শ্ৰী অশ্বনী ৰায় সৰকাৰ, গোলকগঞ্জঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা জাতিৰ মেৰুদণ্ড। বিষয়

বস্তুটো আজি আমাৰ উত্থাপন কৰাৰ সুযোগ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু আজি যিখিনি আলোচনা হ'ল আমাৰ আলোচনাৰ মুল বিষয় বস্তু হ'ল যে আজি অসমত বিভিন্ন শিক্ষা অনুষ্ঠান প্ৰতিষ্ঠাত থকা চাকৰিয়াল বিলাক, বিশযেকৈ venture school, college আৰু বিভিন্ন এই শিক্ষা সমাজৰ বিভিন্ন সংগঠন,যিখিনি বিভিন্ন সময়ত ধৰ্ণা দি বিভিন্ন দাবী সন্মলিত আমাৰ মাজত উত্থাপন কৰে। এই বিষয় বস্তুৰ ওপৰত আপুনি যি প্ৰচেষ্টা হাতত লৈছে, আমাৰ ইয়াত আৰু এটা বিষয় উত্থাপন হ'ল শিক্ষাৰ মাণদণ্ড। গতিকে শিক্ষাৰ মাণদণ্ড বুলি কলে যেতিয়া আমি কওঁ, আমি আচল বিষয় বস্তুলৈ যাব লাগিব যে শিক্ষাৰ মাণদণ্ড উন্নতি কৰিবলৈ গলে, আমি কোনটো বিষয় বস্তুৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰিব লাগিব। এতিয়া আমি সকলোৱে কৈছে শিক্ষাৰ মাণদণ্ড উন্নত কৰিব লাগে। গতিকে শিক্ষক এজনৰ মাণদণ্ড ঠিক নহয়, আমি প্ৰথমতে চাব লাগিব যে শিক্ষকতাৰ মাণদণ্ড কেনেকৈ বঢ়াব পাৰো। এজন শিক্ষকৰ মাণদণ্ড নিৰ্ভৰ কৰিব তাৰ কাৰণে আমাৰ ব্যৱস্থা আছে।

(সভাপতি শ্ৰী আব্দুল খালেক ডাঙৰীয়াই সদন পৰিচালনা কৰে)

আজি শিক্ষাৰ ক্ষেত্ৰত B.Ed college ৰ কথা আহি গৈছে যে শিক্ষক সকলৰ B.Ed compulsory. কিন্তু দেখা যায় যে কিছুমান জিলাত B.Ed college নাই। গতিকে মাননীয় সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে প্ৰতিখন জিলাত এখনকৈ B.Ed college স্থাপনৰ ব্যৱস্থা কৰে। কাৰণ নহলে B.A pass কৰাৰ পিছত যেতিয়া TET examination দিব, তেতিয়া দুখীয়া লৰা-ছোৱালীয়ে এই B.Ed college ত নামভৰ্তী কৰিবৰ কাৰণে private college ত যাব লাগে আৰু private college ত বহু ধৰণৰ মাচুল দিব লাগে। শিক্ষক বিলাকক আমি শিক্ষাৰ মাণদণ্ড কৰাৰ কাৰণে যি প্ৰচেষ্টা হাতত লৈছো কেইদিন মান আগত, আমাৰ অসমত প্ৰায় ২৫০ জন ভূৱা Ph.D ধাৰী শিক্ষকৰ নিউজ বাতৰি কাকতত জনাইছে।

মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ বাজেটত মই ভুৱা Ph.D থকা এজন কলেজৰ অধ্যক্ষক প্ৰশ্ন কৰাৰ পিছত এই অধ্যক্ষ জনৰ চাকৰি নিলম্বিত হৈছে। মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, যে অসমত থকা ভুৱা Ph.D ধাৰী আমাৰ কলেজৰ প্ৰধান শিক্ষক সকলৰ কথা আজি কেইদিন মান আগত পেপাৰত ওলাইছে। মই বিধান সভাত উত্থাপন কৰিছো। যে ভুৱা Ph.D ডিগ্ৰী ধাৰী অধ্যাপকক আমি চিনাক্ত কৰণ কৰিব লাগে। এই ধৰণৰ ভুৱা ডিগ্ৰী ধাৰীয়ে যদি আমাৰ শিক্ষকতা কৰে সেই শিক্ষক সকলে কেনেকৈ আমাক উন্নত মানদণ্ডৰ শিক্ষা প্ৰদান কৰিব। আমাৰ যোৱা গুণোৎসৱৰ জৰিয়তে বহুত শিক্ষাৰ পৰিবৰ্তন আনিলে আৰু যিটো অভিভাৱক ছাত্ৰ আৰু শিক্ষকৰ সমন্বয় আনিলে বহুত প্ৰতিষ্ঠানে আমাৰ A plus পালে । ছাৰ আজি দেখা গৈছে, এই প্ৰধান শিক্ষকজন বিশেষকৈ ধুবুৰী জিলাৰ A Plus পোৱাৰ পিছত এই প্ৰধান শিক্ষক জনৰ ঠাইত বেলেগ এজন শিক্ষকে প্ৰধান শিক্ষক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিলে। গতিকে মই ভাৱিছো যে যদি সেই শিক্ষক জনৰ বাবে যিখন অনুষ্ঠানে A Plus পাইছে, তাত পুনৰ সেই প্ৰধান শিক্ষকক কাৰ্য্যভাৰ গ্ৰহণ কৰিব দিব লাগে। নহলে তেখেতৰ মনটো Down হৈ যাব। কাৰণ তেওঁ ইমান কষ্ট কৰি Quality Education আনি দিলে। ইয়াত আমাৰ মাদ্ৰাছাৰ কথাও আহিছে, কিন্তু আমাৰ বহুত সংস্কৃত টোলও প্ৰতিষ্ঠা হৈছে, সেই টোল বিলাকৰ যি বিলাকৰ DISE আছে, সেইটোল বিলাকৰ ক্ষেত্ৰত এটা বিশেষ ব্যৱস্থা লব লাগে। কাৰণ Venture শব্দটোৱে আমাক এনেকুৱা এটা অৱস্থালৈ লৈ গৈছে, মই নিজে Venture School ৰ পৰা পঢ়ি আহিছে

আৰু সেই Venture School ৰ পৰা আহি সমাজত বহুত ডাক্তৰ ইঞ্জিনিয়াৰ হৈছে, কিন্তু এই শিক্ষক জনৰ চাকৰি হোৱা নাই। গতিকে এই কথাটো আমাক আগতে আলোচনা হৈছে, যি সকল শিক্ষকে ইমান দিন শিক্ষকতা কৰি Venture থাকি Retirement ললে। সেই সকলক কিবা যদি আংক্ষিক দিয়া যায় এইটো এটা আমাৰ নিদৰ্শন হব। আৰু মানুহজনক এটা স্বকৃতি দিয়া হব। আৰু স্কুলত ৰাজনীতিৰ কথা কোৱা হৈছে, কিন্তু স্কুল সদায় ৰাজীনীতিৰ উৰ্ধত থাকিব লাগে। বেছিকৈ আমাৰ মধ্যাহ ভোজন ব্যৱস্থাটোয়ে স্কুল বিলাকৰ পৰিৱেশ বিনষ্ট কৰিছে, বিশেষকৈ প্ৰধান শিক্ষক বিলাক সদায় মধ্যাহ ভোজনৰ দোকান আৰু বজাৰৰ মাজত ব্যস্ত থাকে। মধ্যাহ ভোজন শিক্ষক সকলৰ পৰা আতৰি আনি হয় NGO ক দিয়া হওঁক বা কমিটিত দিয়া হওঁক এই ব্যৱস্থাটো কৰিব লাগে। আজি আমাৰ Skill Development ৰ কথা কোৱা হৈছে, বা আমাৰ যি সকল ছাত্ৰ ছাত্ৰীয়ে নিজৰ Interest ৰ পৰা শিক্ষা ব্যৱস্থাটো Line up কৰিব লাগে এই কথাটো আজি আলোচনা কৰা হৈছে । তাৰ মাজতে মই আজি এটা কথাত সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, বা শিক্ষা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ২০১৩ চনত যি সকল স্কুল Provincialize হল সেই স্কুল বিলাকত যিবোৰ সংগীত শিক্ষক, চাৰু কলা শিক্ষক আছে, সেই পদবোৰ কিন্তু প্ৰাদেশীকৰণ নহল । গতিকে এই সংগীত শিক্ষক আৰু চাৰু কলা শিক্ষকে আজি আমাৰ চৰকাৰে যিটো Skill Development গতিকে এই শিক্ষক সকলোকো চৰকাৰী কৰণৰ ব্যৱস্থাটো কৰিব লাগে। তেতিয়া হলে আমাৰ হাইস্কুল পৰ্য্যায়ৰ পৰা এটা Line up হোৱাৰ এটা পথ দেখুৱাই দিব। ঠিক তেনেকৈ বহুটো Drop Teacher আছে, তেখেত সকলৰ স্কুলবোৰ হৈ গৈছে কাৰণ আজি কালি হাইস্কুলত দুটা স্কাছ থাকে নৱম আৰু দশম শ্ৰেণী। যেতিয়া Venture স্কুল স্থাপন হৈছিল তেতিয়া তিনিটা শ্ৰেণী আছিল আৰু তাত দুজন বিজ্ঞান শিক্ষক আছিল। এনেকুৱা বহুটো হাইস্কুল মোৰ সমষ্টিতে আছে। আজি বিছকৱা হাইস্কুল, খেৰবাৰ হাইস্কুল, এই High School বিলাকত বিজ্ঞান শিক্ষক দুজনকৈ আছে। কিন্তু তাৰ ভিতৰত এজন শিক্ষকৰ চাকৰি হল আৰু আন জন বাদ পৰি গল। গতিকে একেলগে স্কুল স্থাপন কৰি একেলগে চাকৰি কৰি কিন্তু চাকৰি এজনৰ হে হল।

গতিকে আমাৰ সদনৰ জৰিয়তে মই মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই শিক্ষক সকলৰ চাকৰি নিয়মীয়াকৰণ কৰি তেখেত সকলক শিক্ষা উন্নয়নৰ ক্ষেত্ৰত যাতে সামৰি লোৱা হয়। মোৰ সমষ্টিত এখন হালাকুৱা নামৰ মহাবিদ্যালয় আছে, সেই কলেজখন প্ৰাদেশীকৰণ হল তাত অধ্যক্ষ আছে, কিন্তু সেই অধ্যক্ষৰ পদটো আজিলৈকে প্ৰাদেশীকৰণ হোৱা নাই। কিন্তু বিত্তীয় ক্ষমতাটো তেখেতে পায় আছে। গতিকে মই এই নিয়মটো বুজি পোৱা নাই যে তেখেতৰ চাকৰি হোৱা নাই কিন্তু Financial power টো পাই আছে। আমাৰ কাৰিকৰী শিক্ষা আৰু বেলেগ বিভাগত থাকে। যেনে ITI বোৰ বেলেগ বিভাগত থাকে । ১৯খন ITI ৰ ঘৰ হল মোৰ গোলকগঞ্জ সমষ্টিটো এখন ITI আছে, বহু বছৰৰ পৰা এনেয়ে পৰি আছে। গতিকে কাৰিকৰী শিক্ষা বা Skill Development ৰ কথা ইয়াত আহিছে। গতিকে এই Skill Development centre বিলাক ITI বিলাক খুলি আমাক যিটো Line up Education ৰ কথা কৈছে, যাৰ যিটো বস্তুত আগ্ৰহ আছে, আমি যদি সেই হিচাবে আগবঢ়াই দিব পাৰে তেতিয়া হলে আমি Quality Human Resource পাম। আৰু পুৰণি স্কুল বিলাকৰ যিটো আন্তঃগাঠনিৰ অৱস্থাঁ সচাকে খুব বেয়া বহুত পুৰণি । আমি MLA Fund ৰ পৰা Furniture দিব লগা

অৱস্থাৰ সৃষ্টি হৈছে, আৰু এই ক্ষেত্ৰত আমাৰ মাননীয় শিক্ষা মন্ত্ৰীয়ে যিটো ব্যৱস্থা লৈছে সেইটো সঁচাকৈ ধন্যবাদৰ পাত্ৰ। গতিকে মই আৰু দীঘলীয়া নকৰি আৰু Sustainable Development Goal ৰ কথা যিটো কৈছে সেই কথাবোৰৰ ভিতৰত এটা গুৰুত্বপূৰ্ণ কথা হল Quality Education । আজি কিছু দিন আগতে আমাৰ ইয়াত মহিলা ধৰ্ষণৰ কথা আলোচনা হৈছিল এই সকলোখিনিৰ মূল হৈছে শিক্ষা । যদি আমি ভাল শিক্ষা দিব নোৱাৰো সমাজত তেতিয়া হলে আমি যিমানে নকওঁ কিয় শতাংশ বাঢ়ি যাব কিন্তু Quality Education নহব। সমাজৰ এই একে অৱস্থাটো থাকি যাব। স্বামী বিবেকানন্দই কৈছিল যে Education without character, Politics without honesty, Science without humanity. গতিকে শিক্ষা যদি আমাৰ চৰিত্ৰ বান নহয়, তেতিয়া হলে আমাৰ বহুত সমস্যাৰ সৃষ্টি হয়। আগতে আমি চৰিত্ৰপাঠ বুলি এটা পাঠ্যপুথি পাইছিলো আজিকালি এইটো নহৰো হৈ গৈছে। আমাৰ humanity নহোৱা হৈছে। তাৰ কাৰণে আজি এই অৱস্থা হৈছে গতিকে এই মহান ব্যক্তিজনৰ এই উক্তি অনুসৰণ কৰাটো উচিত। কাৰণ আমি Politican ৰ যদি Honesty নাথাকে তেতিয়া হলে সমাজে আমাক কি বুলি কব। ঠিক তেনেকৈ Science ৰ যদি humanity নাথাকে অৰ্থাৎ আজি যদি আমি বিজ্ঞানক কল্যানৰ কামত ব্যৱহাৰ নকৰো তেতিয়া হলে ধংস হৈ যাব। মই আশা কৰিম এই আলোচনাৰ জৰিয়তে অসমৰ শিক্ষা জগতত Venture শব্দটো যাতে বিলুপ্তি হয়, শিক্ষক বিলাকে যাতে নিষ্ঠাৰে শিক্ষকতা কৰে। অসমখনক যাতে আগবঢ়াই লৈ যায়। কাৰণ অসমৰ বাহিৰে ভাৰতবৰ্ষৰ কোনো ৰাজ্যত Venture School নাই। বিশেষকৈ মোৰ সমষ্টিতে একেবাৰে পশ্চিম বংগৰ ওচৰতে কিন্তু পশ্চিম বংগত কোনো Venture বোলো শব্দটো শুনা নাযায়। গতিকে মই আশা ৰাখিম এই Venture শব্দটো এই অধিৱেশনৰ পিছতে যাতে নহোৱা হৈ যায় আৰু সেই Venture School বিলাকত কাম কৰা যি বোৰ মানুহ আছে, তেওঁলোকক মানৱবতাৰ দৃষ্টি ভংগীৰে হলেও নিয়মীয়াকৰণ কৰিব লাগে যিহেতু আইনখনত বহুটো Criteria দিয়া আছে, বহুত মানুহ Lapse হৈ যাব। গতিকে এই আশা ৰাখি সভাপতি মহোদয়ক ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় সভাপতি (শ্ৰী আব্দুল খালেক) ঃ** এতিয়া Hon'ble Member ৰ'জ লীনা তিৰ্কী।

**শ্ৰীৰ'জলীনা তিৰ্কী ঃ** মাননীয় সভাপতি ডাঙৰীয়া, আজি যিহেতুকে Speaker Initiative ত আমাৰ শিক্ষাৰ বিষয়টো লোৱা হৈছে, আজি বিভিন্ন আমাৰ আলোচনা হৈ গৈছে। এই মূহুৰ্তত মোক কবলৈ দিয়াৰ কাৰাণে মই ধন্যবাদ জ্ঞাপন কৰিছো। সচাকৈ এইটো বহুত জৰুৰী আমাৰ অধ্যায় বুলি কব পাৰো। কাৰণ আজি শিক্ষা নহলে আমাৰ উন্নতি বা কিছু বিষয়ত আগবাঢ়ি যাবলৈ একেবাৰে আমাৰ ৰাষ্টা নাইকিয়া হৈ যায়। সেই কাৰণে education is must. আজি আমাৰ বহুতো সন্মানীয় সদস্য সকলে বিভিন্ন কথা আলোচনা কৰিছে। বিভি ন্ন সংগঠন বা বিভিন্ন শিক্ষা সংগঠন, বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ ফালৰ পৰা বহুতো আবেদন পত্ৰ আহিছে, বিভিন্ন সমস্যাৰ কথা ইয়াতে কোৱা হৈছে। সকলোৱে সমস্যাখিনি দাঙি ধৰিছে। তাৰ লগতে বহুত ক্ষেত্ৰতে মই একমত আছো। কিছুক্ষেত্ৰত সকলোৰে নিজৰ নিজৰ যি সমস্যা বিলাক আছে, হয়তো একমত হব নোৱাৰো। সেই কাৰণে সকলোখিনিকে যাতে আমাৰ বিভাগৰ ফালৰ পৰা আমাৰ সন্মানীয় মন্ত্ৰী মহোদয়েও যাতে এইটো চালিজাৰি চাই ধুনীয়াকৈ এটা সমাধান দিয়াৰ ব্যৱস্থা কৰে, নিশ্চয় আমাৰ অধ্যক্ষ মহোদয় ইয়াৰ Initiativeটো ধুনীয়াকৈ লব বুলি ভাৱিছো। আজি যিহেতুকে শিক্ষাৰ কাৰণে আলোচনা কৰি আছো, শিক্ষা আমাৰ কাৰণে এনেকুৱা এটা বস্তু, যে আজি শিক্ষাৰ মানদণ্ডটো উন্নত

কৰিবই লাগিব। আজি বিশেষ issue বা অসুবিধাৰ বিষয়ে বহুত আলোচনা কৰা হৈছে কিন্তু মই সেইখিনি কথা কবলৈ ঠিয় হোৱা নাই। মই একমাত্ৰ কথা এইটোৱে কব বিচাৰিছো যে শিক্ষাৰ মানদণ্ড উন্নত কৰিবই লাগিব। আজি প্ৰাথমিক মানদণ্ডটো উন্নত নহলে আমি আগবঢ়ি যাবলৈ বা আমাৰ সমাজৰ সংস্কৃতি ধৰি ৰাখিবলৈ আমি বহুত পিছ পৰি যাম। কাৰণ Culture আৰু well development Society ৰ কাৰণে আমাৰ শিক্ষাৰ মানদণ্ডটো উন্নত কৰাৰ অতি প্ৰয়োজন হৈ আছে। আজি আমি গাওঁ অঞ্চল বিলাকত দেখিছো যে আমাৰ ৰিজাল্টবোৰ কিয় ইমান বেয়া হৈ গৈছে, ৰিজাল্টবিলাক যে খুব Down হৈ আছে বা শতাংশ বিলাক Down হৈ আছে। ইয়াৰ ফলত কি হৈছে আজি অভিভাৱকে বা মাক-দেউতাকে লৰা-ছোৱালী বিলাকক আমাক এই চৰকাৰী স্কুলৰ পৰা লৈ ব্যক্তিগত খণ্ডৰ স্কুলত দিব লগীয়া হৈছে। কিয় দিব লগীয়া হৈছে। আজি আমাৰ ৰিজাল্ট বেয়া হোৱাৰ কাৰণে, তাত ৰিজাল্ট যাতে ভাল হয়, তাত লৰা-ছোৱালী বিলাকক যাতে ভালকৈ Training up কৰা হয়, শিক্ষক বিলাকে যাতে ভালকে চোৱা চিতা কৰে, সেইটো কাৰণে সেই ব্যক্তিগত খণ্ডৰ স্কুলত দিয়া হৈছে। সেই কাৰণে এই ক্ষেত্ৰত আমাৰ যি চৰকাৰী বিদ্যালয় বিলাক আছে তাত এইখিনি চাব লাগে যে proper, School is the second home after our own home. নিজৰ ঘৰৰ পাছতে স্কুলখন দ্বিতীয় ঘৰ। ঘৰত আমি সকলো কথা শিকো কিন্তু গৈ থৈ second home ত সকলো কথা স্কুলতে শিকো। সেই কাৰণে শিক্ষক সকলৰ সম্পূৰ্ণ দায়িত্ব আছে যে এটা ছাত্ৰই বা ছাত্ৰীয়ে কি ধৰণে আগভাগ লৈ বা কি ধৰণে এই সমাজত আগবাঢ়িব লাগে বা বিভিন্ন বিষয়বিলাকত কি ধৰণে তেওঁলোকে interested, কোনটোত area ত interested আছে বা বিজ্ঞানে ভাল পায়নে গণিতে ভাল পায়নে ইংৰাজী ভাল পায়নে অসমীয়া ভাল পায়, নে বিভিন্ন যি বিষয়বিলাক আছে সেই বিলাক তেওঁলোকে বুজাব পৰা এটা ক্ষমতা থাকিব লাগে বা চৰকাৰৰ ফালৰ পৰা এইটো এটা দিব লাগে। কাৰণ এনেকুৱা এটা হৈ যায় দশম শ্ৰেণী পোৱালৈকে মেট্ৰিক দিওতে লৰা-ছোৱালী গাওঁ অঞ্চলত দেখা যায় ডাক্তৰ হমনে, শিক্ষক হমনে, কি হম সেইটো এটা দৃশ্য একেবাৰে নাইকিয়া হৈ যায়। তেওঁলোকৰ কোনো এটা goals বা এটা aim নথকা হৈ যায়। বহুত কম সংখ্যক ছাত্ৰ-ছাত্ৰীৰ মাজত এইটো দেখা যায়। সেই কাৰণে আমাৰ গাওঁঅঞ্চলত বা আমাৰ চৰকাৰী স্কুল বিলাকত এইটো খুব প্ৰয়োজন। যাতে ভালধৰণে আমাৰ teaching staff টোৱে এইটোক তেখেত সকলে orientation দিয়ক সময়ে সময়ে, নহলে বিভিন্ন ধৰণৰ সময়ত এনেকুৱা লৰা-ছোৱলী বিলাকক আগুৱাই লৈ যাবৰ কাৰণে এটা দিশ দেখাই দিয়াৰ ব্যৱস্থা কৰে। আগতে আমি যেতিয়া পঢ়ি আছিলো আমাৰ সময়ত এনেকুৱা এটা সময় আছিলে আমি সকলোৱে শিক্ষকক, শিক্ষক বুলি কলে আমি খুব ভয় কৰিছিলো। যদি চাইকেলত গৈ থাকো আমি চাইকেলৰ পৰা নামি সন্মান দেখাইছিলো। কিন্তু আজিৰ দিনত সেই সন্মান, ভয় বা সেই শ্ৰদ্ধাটো নাইকিয়া হৈছে। সেই শ্ৰদ্ধা, সন্মান নাথাকিলে সেই ছাত্ৰটো কেনেকৈ আগবাঢ়ি যাব বা আমাৰ সকলো কথা বিলাক আমি কি ধৰণে সমাজত আগবাঢ়ি যাম। সেই কাৰণে আজিযে বিভিন্ন ধৰণৰ ক্ষেত্ৰত আমি দেখিছো বা SDG ৰ Goal ত আমি দেখিছো বা আমাৰ বিভিন্ন যোৱা কালি নাৰী নিৰ্যাতনৰ ওপৰত বিভিন্ন দেখিছো, এই বিলাক কি হৈছে, এই বিলাক actually the thought of the society. যি আমাৰ সামাজিক চিন্তা ধাৰা এই চিন্তা ধাৰটো সলনি কৰিবলৈ হলে আমি স্কুলতে এইবিলাক শিক্ষা প্ৰদান পাব লাগিব আৰু ঘৰত পাব লাগিব। সেই কাৰণে এই সন্মান বিলাক যাতে, আগতে আমি চেকনী বা বেতক ভয় কৰিছিলো।

এচাৰীৰ আমি মাৰ ও খাইছিলো। আমি ভয়ত কলো যে আমি এনেকুৰা কৰিব নালাগে। আগতে আমি বিভিন্ন ধৰণৰ moral status থকা story বিলাক আমি শুনিছিলো, বহুতো আমি বুঢ়ি আইৰ সাধু বা বিভিন্ন ধৰণৰ কথা আমি দেখিছিলো। কিন্তু আজি কালি তেনেকুৰা দেখা পোৱা নাযায়। এই কাৰণে এই বিলাক কথা আমাৰ এই প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত স্কুল বিলাকত দিয়াতো অতিকৈ প্ৰয়োজন। আমাৰ নিশ্চয় শিক্ষা মন্ত্ৰী মহোদয়ে যথেষ্ট পৰিবৰ্তন আনিবলৈ চেষ্টা কৰিছে, মই মানা নকৰো বা মই সেইটো নুই নকৰো, তেখেতে বহুতো আনিব চেষ্টা কৰিছে কিন্তু বহুতো আমাৰ কৰিবলৈ বাকী আছে। সেই কাৰণে তেখেতকো অনুৰোধ জনাও যে এই ক্ষেত্ৰত আৰু অলপ Holistic view আনি আমাৰ যেনেকৈ গোটেই এই উঠি অহা প্ৰজন্মক but the future of tomorrow the children or students সকলক কি ধৰণে আমি এটা Holistic view ত আগবঢ়াই লৈ এটা উন্নত বা সুস্থ্য চিন্তাৰে আগবাঢ়ি যোৱাৰ কাৰণে শিক্ষাপদত আগবঢ়াৰ কাৰণে এটা পৰিবেশ তুলি দিয়ক। আজি primary education য়ে হওক বা Higher study য়ে হওক, আমাৰ নিযুক্তি বিলাক এনেকৈ দিব লাগে যে priority basis ত বা আমাৰ যি meritorious কথা বিলাক আছে, সেই বিলাক meritorious levelত বা ৮০ শতাংশ পালে সকলোকে first come basis ত তেওঁলোকক নিযুক্তি দিব লাগে। তাৰ পাছতে second, তাৰ পাছতে first division, second division, third division সকলোৱে যাতে পায়। তেনেকুৰা এটা process কৰিব লাগিব, সকলোৱে তেতিয়া নিযুক্তি প্ৰাপ্ত হব আৰু এই সমাজৰ কাৰণে meritorious students ৰ দৰকাৰ হব। আজি বিভিন্ন ক্ষেত্ৰত দেখা যায় যে পইচা দিলে চাকৰি পোৱা যায়। সেইটো system যদি হৈ যায় যি জনৰ জ্ঞানয়ে নাই পইচা দি যদি চাকৰি পায় সেই জন শিক্ষকে কি ধৰণে পাঠ দান দিব, এটা ছাত্ৰক। সেই কাৰণে স্কুলত অতিকৈ দৰকাৰ যে এইবিলাক ক্ষেত্ৰত অলপ চে ৰা চিতা কৰিব লাগিব আৰু ভাল শিক্ষা দান দিয়াৰ ব্যৱস্থা কৰিব লাগিব। আৰু বহুত ক্ষেত্ৰত আমি দেখিছো চৰ অঞ্চলত বা আমাৰ বাগিচা অঞ্চলত, গাওঁ অঞ্চলত দেখিছো যে শিক্ষক সকলৰ থাকিবলৈ ব্যৱস্থা কৰা নাই। আজি আমাৰ বিভিন্ন ক্ষেত্ৰত আমি দেখিছো আমাৰ TET ত যি সকল মহিলাই পাইছে তেওঁলোকে অকলে থাকিবলৈ মহিলা সকলৰ কাৰণে অসুবিধা। কিন্তু আমাৰ শিক্ষা বিভাগৰ পৰা এনেকুৰা এটা ব্যৱস্থা কৰিব লাগে যে সেই অঞ্চলৰ স্কুলৰ ওচৰতে লাগি থকাত তেওঁলোকক quarter বা hostel বনাই দিব লাগে, য'ত শিক্ষক সকল থাকি পাঠ দান কৰিব পাৰে। কাৰণ আজি আমি দেখিছো যে ৮.৩০ বা ৯.০০ বজাৰ পৰা স্কুল আৰম্ভ হৈ যায়। সেই সময়ত কি দেখা গৈছে শিক্ষক বা মাষ্টাৰ ১১.০০ বজাত আহিছে, লৰা-ছোৱালী আহি বহি আছে কিন্তু শিক্ষক পঢ়াবলৈ নাই। এনেকুৰা যদি কথা বিলাক হয়, তেতিয়া খুব অসুবিধা হব বা আমাৰ নিয়মীয়া ভাৱে যি পাঠদান পাব লাগে বা শিক্ষা পাব লাগে সেইটোৰ পৰা বিৰত থাকে। বিশেষকৈ আমাৰ Tea আৰু ST gardenত যি সকল আছে বা চৰ অঞ্চলত আছে, গাওঁ অঞ্চলত আছে, শিক্ষাটো একেবাৰে প্ৰভাৱটো নাইকিয়া হৈছে, তাৰ মানদণ্ডটো নাইকিয়া হৈছে। সেই কাৰণে খুব কমি আহিছে। সেইটোৰ প্ৰভাৱটো যাতে আৰু অলপ বঢ়াব পাৰে, awareness কৰাব লাগে আৰু According to right to education Act, every child has the right to get education সেই কাৰণে এইটো যদি নাইহোৱা আমি সকলোৱে কৈছো সকলোৱে যাব লাগে, যাব লাগে, যাব লাগে। কিন্তু আমি কেইজনক নিজে লৈ পাঠদান কৰাইছো। সেই কাৰণে এনেকুৰা এটা ব্যৱস্থা বনাব লাগে যে কোনো

সৰু লৰা-ছোৱালী বা শিশু বা বিদ্যাৰ্থীয়ে থাকি যাব নালাগে আৰু সকলোৱে পাঠদানত অংশ গ্ৰহণ কৰিবলৈ স্কুলত যাব লাগিব। তেতিয়া হয়তো আমাৰ যি rate of student or teacher's ratio যি থাকিব লাগে সেইবিলাকো সমান হব আৰু নিশ্চয় আমি mentors বিলাকো তেনেকৈ qualified হিচাপে দিব লাগিব আৰু block levelত যি শিক্ষাৰ কমিটি আছে সেই বিলাক সময়ে সময়ে কৰিব লাগে, জিলা পৰ্য্যায়ত হয়, আমি বিধায়ক হোৱাৰ পিছতো কিন্তু আমাক কিছু সময়ত জনোৱা নহয় সেই ক্ষেত্ৰত আমাৰ বহুত কথা থাকি যায়। সেই কাৰণে সেই সকলো কথা বিলাক, আজি আলোচনা যথেষ্ট হৈছে হয়তো এইবিলাক সকলো কথা জানিবলৈ, কিন্তু micro লেভেলত যদি আমি কাম নকৰো higher কৰি থাকিলেও, কৰিবটো লাগিবই কিন্তু আমি গাৱঁৰ পৰা আৰম্ভ কৰিব লাগিব, example set কৰিবৰ কাৰণে। সেই কাৰণে মোৰ অনুৰোধ এইটোৱে যে এটা Holistic view আনক। কাৰণ আমাৰ সময়ত আমি যিটো শ্ৰদ্ধা আৰু জ্ঞান পাইছিলো বা শ্ৰদ্ধাৰে আমি আগভাগ লৈছিলো, পঢ়া শুনা কৰিছিলো, সেইটো কিন্তু আজি কালি নাইকিয়া হৈছে। যাতে এটা Holistic view ৰে আমাৰ এই শিক্ষা জগতক আগ বঢ়াব পাৰে তাৰে মোৰ অনুৰোধ। মই বেছি নকই ইমানে কৈ মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**সভাপতি (শ্ৰীআব্দুল খালেক) ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য ড০ নোমল মমিন।

**ড° নোমল মমিন ঃ** ধন্যবাদ সভাপতি মহোদয়। মই পোন প্ৰথমতে আমাৰ Speaker Sir ক ধন্যবাদ দিছো যে, এটা গুৰুত্বপূৰ্ণ বিষয় দুদিনীয়াকে আলোচনা কৰাৰ কাৰণে তেওঁ সদনত ৰাখিলে। মাননীয় সভাপতি মহোদয়, এজন গুনী ব্যক্তিৰ উদ্ধৃতিৰে মোৰ বক্তব্য আৰম্ভ কৰিব খুজিছো- "যদি এবছৰত আপোনাক ফল লাগে তেতিয়াহলে ধান বা মাহ খেতি কৰক, যদি ৫০ বা ৭০ বছৰলৈ আপুনি ফল খাব বিচাৰে তেতিয়াহলে গছপুলি ৰোৱক আৰু যুগ-যুগলৈ যদি আপুনি ফল খাব বিচাৰে তেতিয়াহলে এজন ব্যক্তিক সুশিক্ষাৰে শিক্ষিত কৰক"। শিক্ষা বিষয়ত আমাৰ অধ্যক্ষ মহোদয়ে যি Session ললে তাত বহুতো বিধায়কে বক্তব্য ৰাখিছে , ভাল ভাল বহুত কথা কৈছে আৰু মই ভাৱো এইখিনি আলোচনাৰ জৰিয়তে অসমৰ শিক্ষা জগতত এটা নতুন অধ্যায়ৰ সূচনা হ'ব। আমাৰ বিত্তমন্ত্ৰী তথা Education Minister ডাঙৰীয়াক মই ধন্যবাদ দিওঁ। শিক্ষাৰ ক্ষেত্ৰত তেওঁ আমূল পৰিবৰ্তন আনিবলৈ যত্ন কৰিছে আৰু তাৰ ফল হিচাপে অসমত গুনোৎসৱৰ পিছত চৰকাৰী স্কুলত admission ৰ সংখ্যা বৃদ্ধি পাবলৈ লৈছে । সভাপতি মহোদয়, খুব বেছি কথা কবলৈ নাযাওঁ। মই দুই চাৰিটা কথা কম। আমাৰ কাৰ্বি আংলংৰ সকলোবিলাক এল পি স্কুল provincilized হৈছে। কিন্তু ৮১ খন এম ই স্কুল , ১২০ খন হাইস্কুল , ২০ খন হায়াৰছেকেণ্ডাৰী আৰু ৭ খন কলেজ , কলেজ কেইখন হৈছে -কপিলী কলেজ, হাওৰাঘাট কলেজ, বোকাঘাট কলেজ চেমচন ইংতি কলেজ, ৰাইচং কলেজ ডিফু গালৰ্ছ কলেজ আৰু হাৰলম্বী বিৰলম্বী কলেজ। এই কলেজ কেইখন provincilized হোৱা নাই, ভেঞ্চাৰ ৰৈছে। গতিকে কাৰ্বি আংলং , ডিমা হাছাও আৰু বি টি এ ডি এই যি Sixth Schedule এলেকাত যিহেতু ২০১৭ চনত Ammedment কৰোতে এটা Clause ত দিছিল যে Sixth Schedule অঞ্চলত এটা বিশেষ সুবিধা দি এই অঞ্চল বোৰ শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াবলৈ এটা Ammedment কৰিব আৰু এই Ammedment কৰোতে এই তিনিওখন Autonomous Council ৰ যাতে এই ভেঞ্চাৰ স্কুল বিলাক বা কলেজ বিলাক provincilized কৰে, তাৰ কাৰণে মোৰ অনুৰোধ থাকিল। সভাপতি মহোদয়, মোৰ সমষ্টিত দুটা ঠাই আছে এটা কপৌজান আৰু এটা হৈছে ভৰপুং তালাপুং ।এই অঞ্চলত এটাও স্কুল নাই আৰু স্কুল building sanction দিয়াৰ

পিছতো building বনাব নোৱাৰে এই কাৰণে যে সেই অঞ্চলত Communication ৰ সুবিধা নাই। গাধৰ পিঠিত ইটা, পাথৰ, বালি এইবিলাক নি পেলাই কৰিব লাগিব নহলে ভাৰে দি নি পেলাই কৰিব লাগিব। সৌভাগ্যৰ কথা, এইবাৰ MSDP Scheme ত মই তাত ৩ টা স্কুল বিল্ডিং দিছো আৰু ৰাইজক অনুৰোধ কৰি ভাৰ বান্ধি ইটা, বালি, চিমেণ্ট আদি কঢ়িয়াই তেখেতসকলে বিল্ডিং আৰম্ভ কৰিছে । কিন্তু এতিয়া লৈকে তেখেতসকলে গাওঁবুঢ়াৰ ঘৰত বা church ত বা মন্দিৰত বা নামঘৰত স্কুল কৰি আছে। এইবাৰৰ পৰা যিটো স্কুল building দিছো MSDP Scheme ৰ সেইটো আমাৰ সমষ্টিলৈ আহিছে পোন প্ৰথমবাৰৰ কাৰণে সেই বিল্ডিংবিলাক দিবলৈ আমি সক্ষম হৈছো ।

সভাপতি মহোদয়, আমাৰ অঞ্চলবিলাক খুব পিছপৰা আৰু উপৰোক্ত বক্তা কিছুমানে কৈ গৈছে ১ কি: মি ত এল পি স্কুল হ'ব লাগে, ৭ কি: মি ত হাইস্কুল হ'ব লাগে। কিন্তু আমাৰ পাহাৰ
অঞ্চলত ১০-১৫ কি:মি: লৈ এটা এল পি স্কুল নাই। সেই পাহাৰীয়া অঞ্চলবোৰত যাতে বিশেষ গুৰুত্ব আৰোপ কৰে আৰু এই অঞ্চলত ৰাস্তা নোহোৱা কাৰণে স্কুল বিল্ডিং Grant কৰিলেও বনাব নোৱাৰে। মই আমাৰ PWD মন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ কৰিম যাতে সেই দুৰ্গম অঞ্চলবোৰত তেওঁ ৰাস্তা কেইটা বনাই দিয়ে। তাৰ পিছতহে আমি স্কুল বিল্ডিং বিলাক বনাব পাৰিম।

(Hon'ble Speaker on the Chair)

অধ্যক্ষ মহোদয়, বোকাজানৰ CCI ত যিটো Central School আছিল, সেই স্কুল ১৯৮৫ চনত নিৰ্মান কৰা হৈছিল CCI Cement corporation ৰ উদ্যোগত আৰু তাৰ শিক্ষক সকলক Cement Corporation of India ই দৰমহা দিব লাগে। কিন্তু যোৱা ২০১২ চনত তেখেত সকলে অপাৰগ বুলি দেখুৱাইছে আৰু এই যোৱা ৬ মাহৰ পৰা শিক্ষক সকলক দৰমহা দিয়া বন্ধ কৰি দিছে। এই স্কুলখন কৌশলগতভাৱে CCI য়ে বন্ধ কৰাৰ ব্যৱস্থা লৈছে। গতিকে ইয়াৰ ওপৰত বিহিত ব্যৱস্থা লয় যাতে স্কুলখন থাকে। তাৰ বাবে মই অনুৰোধ জনালো।

অধ্যক্ষ মহোদয়, মই দুটা কথা কবলৈ বিচাৰিছো। এটা হৈছে আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এটা ভাল উপায় দি থৈ গ'ল। তেওঁ কৈছে যে, ২০১৭ চনৰ ammendment ৰ পিছত আমি আৰু কোনো Venture School provincialize নকৰো। এইটো খুব ভাল কথা। কিন্তু তাত এটা কথা কৈছে যে, যি অঞ্চলত স্কুল দৰকাৰ হ'ব চৰকাৰৰ ফালৰ পৰা আমি তাত স্কুল বনাম। গতিকে মই ভাৱো, অধ্যক্ষ মহোদয়, য'ত education ৰ সচাঁকৈয়ে দৰকাৰ, তাত চৰকাৰৰ ফালৰ পৰা স্কুল বনাব লাগে। মই আৰু এখন স্কুলৰ উদাহৰণ দিব বিচাৰিছো। সেই স্কুলখন class viii লৈকে permission হৈছে। কিন্তু class IX & X হোৱা নাই। সেইখন হৈছে Gelabil Girls High School, আমাৰ গোলাঘাট জিলাৰ সৰুপথাৰ মহকুমাত। class IX & X টো যদি চৰকাৰৰ ফালৰ পৰা দিয়ে তেতিয়াহলে এই স্কুলখনৰ problem বিলাক solve হৈ যাব।

অধ্যক্ষ মহোদয় শেষত এটা কথা ক'ব বিচাৰিছো। যিহেতু research কৰি থাকিলে academic যিবিলাক carrier, সেই carrier বিলাক খুব ভাল হৈ থাকে। Medical College বিলাকত যেনেকৈ teacher বিলাকেও research paper submit কৰিব লাগে

তেনেদৰে আমাৰ LP, ME আৰু High School বিলাকতো এটা research কৰিব দিব লাগে। Research টো এনেকুৰা হ'ব লাগে যে student বিলাকে পঢ়াত কিমান improve কৰিছে। ৬ মাহৰ মুৰে মুৰে বা এবছৰৰ মুৰত তাৰ report দিব লাগে। চাব লাগে যে student বিলাকে class ত কিবা বদমাচি কৰিছে নেকি, তেওঁলোকৰ Character কেনেকুৰা, তেখেত সকলৰ development ৰ growth টো কিমান হৈছে, এইবিলাকৰ ওপৰত যদি পেপাৰ বনাই guardian সকলক মাজে মাজে মাতি পেলাই তেখেত সকলৰ লগত বহে মই ভাৰো এই ক্ষেত্ৰত লৰা-ছোৱালী বিলাকৰো Character আমি grow কৰিব পাৰিম। পঢ়া শুনাত ক'ত lacuna আছে, তাকো আমি জানিব পাৰিম আৰু তেখেতসকলক পঢ়াশুনাত আগুৱাই লৈ যাব পাৰিম।

ওপৰোক্ত যিসকল বক্তা, তেখেতসকলে কৈছিলে যে, এটা 'চৰিত্ৰ পাঠ 'বিষয়টো আমি পঢ়িছিলো আগতে ME School ত । সেই চৰিত্ৰ পাঠটো আকৌ introduce কৰিব লাগে, not only in ME School , High School তো কৰিব লাগে, কলেজতো কৰিব লাগে, Medical College তো কৰিব লাগে আৰু Engineering College বিলাকতো কৰিব লাগে। তেতিয়া আমাৰ Society ত যিটো Moral degradation সেই Moral Study টো একেবাৰে Grass-root ৰ পৰা Master Gegree লৈকে যদি দিয়া যায়, মই ভাৰো এহ Moral Science ৰ ওপৰত আমাৰ বহুখিনি জ্ঞান হ'ব আৰু মানুহবিলাকেও তেতিয়া আকৰ্ষিত হৈ পেলাই Society ত ভাল কাম কৰিব আৰু বেয়া কথা বিলাক মনলৈ নাহিব। অধ্যক্ষ মহোদয়, মোক কবলৈ সুবিধা দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। সদৌ শেষত আপোনাৰ যিটো পদক্ষেপ, তাক প্ৰশংসা কৰি অদূৰ ভৱিষ্যতেও শিক্ষা জগতৰ ক্ষেত্ৰত আৰু পাহাৰীয়া অঞ্চলত Education ৰ ক্ষেত্ৰত যাতে ভাল পদক্ষেপ লয় তাৰ বাবে অনুৰোধ জনাইছো। Health ৰ ক্ষেত্ৰতো আপুনি যাতে তেনেকুৰা discussion ৰ ব্যৱস্থা আনে আৰু পাহাৰীয়া অঞ্চলবিলাকৰ কাৰণেও যাতে অনাগত দিনত আলোচনা লয়, তাৰ অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ ঃ** -

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা হচ্ছে জাতির মেরুদণ্ড। একটা রাজ্যের মানদণ্ড কতটুকু উন্নত সেটা নির্ভর করে শিক্ষার ওপর। সেই রাজ্যের শিক্ষার হার কতটুকু, তার ওপর। অধ্যক্ষ মহোদয়, বিশেষ করে প্রত্যেক জন মেম্বার সেই ব্যাপারে সচেতন যে আমরা কিভাবে শিক্ষার প্রসার করতে পারি। আজ আপনি যেটা বলেছিলেন যে আমরা ক্রিটিসিজম করব না, আমরা একে অন্যকে দোষারোপ করব না, আমাদের উদ্দেশ্য হচ্ছে শিক্ষার যে প্রবলেম, অসমের যে সমস্যা, সেই সমস্যার কিভাবে সমাধান করতে পারি।

অধ্যক্ষ মহোদয়, শাসক-বিরোধী প্রত্যেক বক্তা, আমরা Positive way-তে কথা বলেছি যে কিভাবে আমরা সমস্যার সমাধান করতে পারি। পবীন্দ্রদা যে কথাগুলো বলে গেলেন, তিনি সত্য কথা বলেছেন যে আগের শিক্ষার পরিবেশ আর এখনকার শিক্ষার পরিবেশ — আমাদের স্টেট ও ইউনিয়ন টেরিটোরির সংখ্যা ৩৬। এরমধ্যে লিটারেসি রেট ৯৩.৯১ শতাংশ। আমাদের কেরলে শিক্ষার হার হচ্ছে ৯৩.৯১ শতাংশ। অসমের লিটারেসি রেট হচ্ছে ৭৩.১৮ শতাংশ। এবং ভারতবর্ষের

এভারেজ শিক্ষার হার হচ্ছে ৭৪.৪ শতাংশ। তার মানে আমরা দেশের মধ্যে ২৬ নম্বরে রয়েছি। ২০১১ সালের সেনসাস মতে ৩৬ টি রাজ্যের মধ্যে আমাদের অবস্থান হচ্ছে ২৬ নম্বরে। আমাদেরকে আরও এগোতে হবে। আমরা ভারতবর্ষেব ৫ টি স্টেটের মধ্যে এক নম্বরে আসতে হবে। সেটাই আমাদের প্রধান উদ্দেশ্য। আমরা সবাই মিলে কাজ করলে নিশ্চয়ই আমরা ভারতবর্ষের মধ্যে প্রথম স্থান অর্জন করতে পারব। অধ্যক্ষ মহোদয় ৪,৫ এবং ৬ তারিখ যে আলোচনা হয়েছিল তাতে আপনি দায়িত্ব দিয়েছিলেন যে কয়েকটা বিষয় উত্থাপনের জন্য। বিশেষ করে ২০১১ সালের প্রোভিনশিয়েলাইজেশন অ্যাক্টে হাইস্কুলে এক জন ক্লাসিক্যাল শিক্ষক Non Assamese মিডিয়াম স্কুলে এবং Assamese মিডিয়াম স্কুলে দুজন করে ক্লাসিক্যাল শিক্ষক দেওয়া হয়েছিল। কিন্তু ২০১২ সালে যখন Amendment হলো তখন Non Assamese মিডিয়াম স্কুলে একজন আর Assamese মিডিয়াম স্কুলে ২ জন শিক্ষক দেওয়া হলো। আবার যখন ২০১৭ সালে Act Amendment করা হলো, তখন দেওয়া হলো Special subject, মানে classical subjectগুলোকে Special subject করা হলো। এবং সেখানে Special subject হিসাবে সংস্কৃত, আরবি এবং পার্সি এই তিনটা subject কে নেওয়া হলো। বলা হলো, উচ্চমাধ্যমিকে ১০ জন স্টুডেন্ট উত্তীর্ণ হতে হবে।

অধ্যক্ষ মহোদয়, ব্যাপারটা একটু হাস্যকর হয়ে যায়। কারণ আজকের দিনে সংস্কৃত মিডিয়াম স্কুলে ১০ জন স্টুডেন্ট পাওয়াটা অসম্ভব ব্যাপার । যে সময় সরকার বলছে যে সংস্কৃত ভাষা বিলুপ্তির পথে সেই সময় আমরা যদি সংস্কৃত মিডিয়ামের ওপর একটা রাশ টেনে দেই যে সংস্কৃত মিডিয়ামে এত জন স্টুডেন্ট হতে লাগবে, তাহলে সংস্কৃত মিডিয়ামকে আমরা কোনও দিন এগিয়ে নিয়ে যেতে পারব না। তাই আমি মনে করি সংস্কৃত, আরবি এবং পার্সিতে ১০ জনের এই Restriction না দিয়ে যদি Sending of the student করা হয়, তাহলে আমি বিশ্বাস করি যে আমাদের যে এই সমস্যা, সেই সমস্যার সমাধান করতে পারব। যদিও বিধানসভায় আমাদের শিক্ষামন্ত্রী বলেছিলেন সেটাকে আমরা ৫ জন করব, কিন্তু ৫ জন না করে আমরা চাই Sending of the student করে দিলে হয়তো বা আমাদের এই সমস্যার সমাধান হতে পারে।

বিশেষ করে excess, irregular শিক্ষক যারা আছেন আমি ১৯ নং প্রশ্ন করেছিলাম সেখানে বলা হয়েছিল যে ১৯৯১ সাল থেকে ২০০১ সাল অবধি কত জন শিক্ষক ভ্যারিফিকেশন করা হলো। সেখানে ২৮টি ডিস্ট্রিক্টে ১২,০৯৩ জন শিক্ষক আছে জানানো হয়। এই যে excess, irregular teacher সেটা আমাদের শিক্ষামন্ত্রী একটা formula বের করেছিলেন যে কিভাবে এই শিক্ষকদের আমরা স্থায়ী করতে পারি। সেটা আমাদের বর্তমান শিক্ষামন্ত্রীর formula ছিল। এই ১২ হাজার শিক্ষক লখিমপুরে আপনার ফোটো বসিয়ে পুজো করছেন যে অসমের অধ্যক্ষ একটা পদক্ষেপ নিয়েছেন বা আমাদের বিধায়করা নিশ্চয় একটা ব্যবস্থা করবেন যাতে আমাদের চাকরি স্থায়ী হয়। কয়েকদিন আগে আমরা জানতে পাই যে আমাদের মাননীয় বিধায়ক তপন গগৈর ঘরে গিয়ে ওরা বিক্ষোভ প্রদর্শন করেছেন। আগামীকাল হয়তো আমার ঘরে আসবেন, পরশু দিন হয়তো বা আপনার ঘরে গিয়েও বিক্ষোভ প্রর্দশন করতে পারেন। আমাদের বর্তমান শিক্ষামন্ত্রী বলেছিলেন ওদেরকে কিভাবে স্থায়ীকরণ করতে হবে এবং এক কমিটিও বানিয়ে দিয়েছিলেন। এগুলো ওনারই formula, আমরা চাই এই সমস্যাগুলির একটা স্থায়ী সমাধান হোক। না হলে প্রত্যেক সদস্যের কাছে ফোন যায় যে আমাদের কি হবে? আমাদের ভবিষ্যতের

কি হবে? এব্যাপারে আমার বিশেষ অনুরোধ রইল যে ওদের চাকরি স্থায়ী করার জন্য একটা ব্যবস্থা নেওয়া হোক। যদিও বলা হয়েছিল যে tutor হিসাবে করা হবে। যে ভাবেই হোক ওদের একটা স্থায়ী সমাধান করা নিশ্চয় দরকার।

অধ্যক্ষ মহোদয়, বিশেষ করে সেই আলোচনায় অ্যাকাডেমিক কেলেন্ডারের সম্বন্ধেও আলোচনা হয়েছিল। আমাদের বরাকের সংস্কৃতি আর অন্য স্থানের সংস্কৃতির মধ্যে একটু অমিল থাকে। আমাদের শিক্ষামন্ত্রী ত্রিপুরায় বলেছিলেন যে ত্রিপুরাতে লেলিন স্মরণী হয়, মার্কস স্মরণী হয়, কিন্তু রবীন্দ্রনাথ ঠাকুর স্মরণী, নেতাজী স্মরণী হয় না। উনার এই মানসিকতায় আমরা খুশি। কিন্তু বিগত বিধানসভায় আমি বলেছিলাম যে অসমে রবীন্দ্রনাথ ঠাকুরের জন্মদিন পালনের কোনও ব্যবস্থা নেই। তখন আপনি বলেছিলেন যেহেতু পার্লামেন্টে হয়, উনি একজন বিশ্বকবি সে জন্য অসম সরকারও নিশ্চয় ব্যবস্থা নেবে। এবারের অ্যাকাডেমিক কেলেন্ডারে দেখলাম রবীন্দ্রনাথ ঠাকুরের জন্মদিন পালনের জন্য ছুটির দরকার নেই। সেই দিনটি অ্যাকাডেমিক কেলেন্ডারে ধরা হয়নি। সেটা অত্যন্ত দুঃখজনক ব্যাপার। ইতিহাসকেও বিকৃত করা হচ্ছে, ১৯ শে মে সরকার ভাষা শহিদ দিবস হিসাবে ছুটি ঘোষণা করেছে। আমাদের কোনও আপত্তি নেই, আমরা খুব খুশি। কিন্তু সেটাকে পরিবর্তন করে ভাষা সাহিত্য দিবস করা হয়ে গেছে। এই যে একটা তফাৎ অধ্যক্ষ মহোদয়, সবার একটা সংস্কৃতি থাকে, সবার একটা ইতিহাস থাকে, সেই ইতিহাসকে যদি বিকৃত করা হয়, তাহলে আমাদের অনেক প্রবলেম হবে।

আমাদের শিক্ষামন্ত্রী গুণগত শিক্ষার জন্য বিশেষ ব্যবস্থা নিচ্ছেন। সেই গুণগত শিক্ষা যদি উল্টো-পাল্টা হয়ে যায়, অধ্যক্ষ মহোদয় তাহলে বিভীষিকাময় পরিস্থিতির সৃষ্টি হবে। বিশেষ করে আমি বলতে চাই mutual transfer এর ক্ষেত্রে। আগে mutual transfer হয়েছিল। আমরা শিক্ষামন্ত্রীকে mutual transfer-এর কথা বলেছিলাম। বিশেষ করে মহিলাদের ক্ষেত্রে ব্যবস্থা নেওয়ার জন্য। পুরুষরা যদি বাইরে থাকে তাহলে কোনও অসুবিধা হয় না। কিন্তু মহিলাদের যাতে road side বা nearest town-এ আনা যায়, সে জন্য বিশেষ ব্যবস্থা নেওয়া দরকার। শিক্ষামন্ত্রী বলেছেন, স্কুল হচ্ছে ছাত্র-ছাত্রীদের জন্য। কিন্তু সেই স্কুলে যদি শিক্ষকরা ভালো করে শিক্ষাদান না করেন, তাহলে সেই স্কুলের ভালো হবে না। আমি মাগরুছড়া স্কুল সেখানে ৯৮ জন স্টুডেন্ট রয়েছে। কিন্তু MIS দেখানো হয়েছে ১৩০ জন ছাত্র-ছাত্রী ও ৬ জন শিক্ষক রয়েছে সেই স্কুলে। আমাদের MIS দেখানো হয় একরকম আর District-এ আর এক রকম। আমাদের মহিলাদের transfer -এর ক্ষেত্রে সুযোগ দেওয়া হয় না। পুরুষরা, পুরুষদের সঙ্গে করে। আমি চাই শিক্ষামন্ত্রী যাতে মহিলাদের শহরের নিকটে বা NH -এর সামনে নিয়ে আসার ব্যবস্থা নেন। তার জন্য শিক্ষামন্ত্রী একটা বিশেষ ব্যবস্থা নেবেন। Education নিয়ে যখন আলোচনা হচ্ছিল তখন এক জন হ্যান্ডিকেপ্ট যুবক ওখানে এসেছিলেন। উনার নাম হল গোপাল দাস। আপনি দেখেছিলেন যে উনি ভাল করে হাঁটতেই পারছিলেন না। তা সত্ত্বেও উনি এসেছিলেন আপনার কাছে, একটা দরখাস্তও দিয়েছিলেন। আমাদের message টা খারাপ হয়ে যায়, যখন একজন হ্যান্ডিকেপ্ট ছেলে আমাদের বিধানসভায় এসে আপনাকে দরখাস্ত দিয়েছিল শিক্ষামন্ত্রীকে দেওয়ার জন্য। তারপরও যদি কোনও কাজ হয় না, সেটা অত্যন্ত দুঃখজনক ব্যাপার। ২০০৫ সালে আমাদের আনন্দরাম বরুয়া পুরস্কার চালু করা হয়। টোল ও মাদ্রাসার ছাত্রদেরও HSLC পাশ করার পর কম্পিউটার দেওয়া হয়। গত বছর পর্যন্ত এই কম্পিউটার দেওয়া হয়। কিন্তু এই বছর টোল ও মাদ্রাসার ছাত্রদের কম্পিউটার দেওয়া হয়নি অধ্যক্ষ মহোদয়। তাই তারা বিশেষ করে দাবি জানিয়েছে

কম্পিউটার দেওয়ার জন্য।

মাননীয় বিধায়ক রূপজ্যোতি কুর্মি আমাকে একটা point বলার জন্য অনুরোধ করেছিল। সর্ব শিক্ষায় ক্লাস এইট অবধি ফেলের কোনও provision নেই। এই রকম provision-এ ছাত্র-ছাত্রীরা ঠিকমতো পড়াশুনা করে না বা পরীক্ষা হলে তারা হয়তো বা ফেলও করবে। সেই সব স্টুডেন্টদের জন্য আলাদা ক্লাশ করে ওদের জন্য বিশেষ ব্যবস্থা নেওয়ার পদ্ধতিতে শিক্ষকরা কোনো দিনই যান না।ultimately SSA শিক্ষার অধিকারে যে গাইড লাইন দিলো সেগুলো কিন্তু follow করা হয় না। আজকে আপোনাকে আমি ধন্যবাদ জ্ঞাপন করছি যে আপোনার initiative শিক্ষার উপর যে আলোচনা হলো তাতে অনেক বিধায়করা অনেক পরামর্শ দিয়েছেন। সেগুলো সব হয়তো মানা সম্ভব নয়। কিন্তু যে গুলো মানা সম্ভব সেই গুলোর উপর যাতে শিক্ষা মন্ত্রী বিশেষ ব্যবস্থা নেন। তাহলে একটা ভালো message হবে। আগে অন্তত চার দিন আলোচনা হলো, এখন আরও ২ দিন আলোচনা হলো রেজাল্ট যদি শূন্য হয় তাহলে অত্যন্ত দুঃখজনক ব্যাপার হবে। অন্তত পক্ষে যদি ১০ থেকে ১২ শতাংশ কাজ করা সম্ভব হয় তাহলে মানুষের আস্থা আমাদের উপর থাকবে। স্বামী বিবেকানন্দ বলেছিলেন,শুধু পাশ করলেই শিক্ষিত হওয়া যায়না। শিক্ষিত হওয়ার জন্য যোগ্যতা দরকার,মানসিকতা দরকার। একটা ছাত্রকে শিক্ষার সাথে সাথে ওদের কিভাবে মানুষ হিসাবে আমরা সমাজে গড়ে তুলতে পারবো তার জন্য আমাদের শিক্ষা দান করতে হবে। নীতি শিক্ষার কথা অনেকেই বলেছেন বিশেষ করে All Assam ME School, ME Madrassa Govt approved sectional teachers ওদের জন্য বিশেষ ব্যবস্থা করতে হবে। বিশেষ করে আপনি initiative নিয়ে যে ব্যবস্থা এখানে করলেন আমি মনে করি আমরা প্রত্যেকেই সেখান থেকে একটা ভালো রেজাল্ট আহরণ করবো। আমরা প্রত্যেক বিধায়করা এই ব্যপারে সচেতন । আমরা সবাই চাই এটার একটি স্থায়ী সমাধান হোক। কারণ এখন এটি একটি জটিল সমস্যা। প্রত্যেকেই আমরা এখানে নানা সমস্যার কথা বললাম। আমরা চাই সমস্যার সমাধান। সুস্থ পরিবেশ চাই । আমরা চাই শিক্ষার মানদণ্ডে ভারতবর্ষের মধ্যে অসম যেন একটা শ্রেষ্ঠ মানদণ্ডে পৌছায়, সেই আশা নিয়ে আমরা বিধান সভা থেকে ঘরে যাবো। আমরা চাই সামনের দিনে একটা নতুন সূর্যোদয়ে একটা নতুন দিগন্তের সূচনা হোক, এবং অসমে একটা সুন্দর বাতাবরণের সৃষ্টি হোক। এই আশা নিয়ে আপোনাকে কৃতজ্ঞতা জানিয়ে, ধন্যবাদ জানিয়ে আমি আমার বক্তব্য শেষ করছি। নমস্কার ধন্যবাদ।

**Hon'ble Speaker :** Shri Siladitya Deb. Please sit down. I will consider.

**Shri Siladitya Deb, Hojai:** Hon'ble Speaker Sir, I will speak very shortly. Just to the point. Because the venture school system has really become a very adventure. I think it's time that we should call it a day and all the issues should be settled forever. And for this matter, I would like to suggest that some agency by the Government should be made by the State Government like the one we have for Central School like we have

Kendriya Vidyalaya Sangthan. Similarly, we can have a agency by the State Government which will directly look into the area of setting up schools in the State that would be Government schools besides the private schools. I am taking about the Government schools. Another thing is regarding the teachers, mostly what happens in the past because of mis-management ventures schools were converted into provincialized schools. Many teachers were seem to be dropped. They served for about 15 years, 20 years and they were dropped. Even today we have teachers. For example, school in Lanka, Nibedita Venture School, which was provincialised and the Assamese teacher was dropped. Dropped because Sanskrit teacher was brought in and since the school was originally Bengali Medium School then it was converted into Assamese Medium School. The Assamese teacher was dropped and in lieu of that Sanskrit teacher was appointed. Today this gentleman, after serving for about 22 years is sitting there and expecting that the Government will look forward for some settlement. Therefore, teacher who have sacrificed their life to build up the society to make civil servants, doctors, engineer. They are earning much much better than they teachers themselves. Atleast they should feel secure today.

Another thing there is a school in Hojai, it is in Jogijan and the name is Sukanta Prathamic Vidyalaya. This primary school is a Bengali Medium School and interestingly people around the school or that particular area. They are saying that this school should be converted to Assamese medium School. The reason behind is that the ME School and High School in that area are Assamese Medium School. Therefore, when a primary student comes out of that school he finds it difficult to get admission in that Assamese Medium School and therefore, they have to shift to some other LP school. Therefore, what will happen is that the school does not

find students and when the Gunotsav took place and assessment was done because of lack of students probably the school will get shut down. Instead of shutting down the schools if this school is converted into Assamese Medium School. I think, again

it will get back to proper more students will come and benefit the local population. So, these are the two points mainly. Another point most of the Hon'ble Members have already spoken and I endorse them also. One major point is that the appointment of teacher, specially the lady teacher. The female teachers, when they are appointed the place of appointment should be seen properly. Because many of the teachers later on put the application for transfer because of the area. Specially they go to very remote location and specially in the minority belts and chor areas they find lot of threatening and harassment and therefore they again have to apply for transfer. So these are the points. Government probably can look into and should take action and we can bring a change and reformation in the education system. Thank you.

**Shri Abdul Rashid Mandal :** I oppose the statement made by the Hon'ble Member, Shri Siladitya Deb that teachers are finding problems in minority areas.

**Hon'ble Speaker :** It has been recorded. আমাৰ কিমানে ক'ব বিচাৰিছে মই কওঁ। আমাৰ A.G.P বিধায়িনী দলৰ তিনিজনে ক'ব বিচাৰিছে, কংগ্ৰেছ বিধায়িনী দলৰ আঠজনৰ নাম আছে। A.I.U.D.F ৰ এজনৰ নাম আছে। BJP বিধায়িনী দলৰ দহ জনৰ নাম আছে। ইমানখিনি কাইলৈ আমি accommodate কৰিব নোৱাৰো। সেইকাৰণে মই বিচাৰিছো আপোনালোকে আজি ৰাতি বহি এজন বা দুজনে কথাখিনি ক'বলৈ যত্ন কৰক। নহ'লে কাইলৈ এইটো সম্ভৱ নহয়। আজি মুঠ 24 জনক দিলো। তপন গগৈৰ পৰা শিলাদিত্য দেৱলৈকে। ২৪ জনৰ ভিতৰত ২২ জনে ক'লে আৰু দুজন absent আছিল। সময় যথেষ্ট হৈছে গতিকে কাৰো বঢ়াবৰ ইচ্ছা নাই। কাইলৈ ৯ বজাত আৰম্ভ কৰিম আৰু এতিয়া শেষ item টো লৈছো। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক মই " The Assam Speaker's and Deputy Speaker's Salaries, Allowances and Amenities Bill, 2018" উংথাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিববৈলে অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Speaker's and Deputy Speaker's Salaries, Allowances and Amenities Bill, 2018" বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উৎথাপন কৰিবলৈ অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? অনুমতি দিয়া হৈছে। ৰাজভৱনৰ পৰা বিধেয়ক খন সদনত উৎথাপন কৰিবলৈ দিয়াৰ বাবে এটা বাণী আহিছে। মই পঢ়িছো। "Under the provision of Article 207(1) the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommend the introduction of "The Assam Speaker's and Deputy Speaker's Salaries, Allowances and Amenities Bill, 2018" in the Assam Legislative Assembly"

এতিয়া মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Speaker's and Deputy Speaker's Salaries, Allowances and Amenities Bill, 2018" বিধেয়কখন মই সদনত উৎথাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰধান সচিবে শিৰোনামাটো পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা ঃ "The Assam Speaker's and Deputy Speaker's Salaries, Allowances and Amenities Bill, 2018"

**মাননীয় অধ্যক্ষ ঃ** মই দুইমিনিট সময় বঢ়াই লৈছো। ছয়টা বাজিছে। মই এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক next item টো "The Assam Ministers' and Leader of the Opposition's Salaries, Allowances and Amenities Bill, 2018". উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Ministers' and Leader of the Opposition's Salaries, Allowances and Amenities Bill, 2018". বিধায়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াৰ সদনৰ সন্মতি আছেনে? মই অনুমতি দিছো আৰু ৰাজভৱনৰ পৰা বিধেয়কখনসদনত উত্থাপনৰ বাবে ৰাজ্যপাল মহোদয়ে ৪ এপ্ৰিল, ২০১৮ ত পঠোৱা বাণীটো মই পঢ়ি দিছো। Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the Assam Ministers' and Leader of the Opposition's Salaries, Allowances and Amenities Bill, 2018, in the Assam Legislative Assembly. এতিয়া মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Ministers' and Leader of the Opposition's Salaries, Allowances and Ameni-

ties Bill, 2018". বিধায়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই অসম বিধান সভাৰ প্ৰধান সচিবক বিধেয়কখনৰ শিৰোনামা পঢ়ি দিবলৈ অনুৰোধ কৰিলো।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা "The Assam Ministers' and Leader of the Opposition's Salaries, Allowances and Amenities Bill, 2018".

**মাননীয় অধ্যক্ষ ঃ** Item No. 5. মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক "The Assam Legislative Assembly Members' Salaries, Allowances, Amenities and Pensions Bill, 2018". উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Legislative Assembly Members' Salaries, Allowances, Amenities and Pensions Bill, 2018" . বিধায়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, (নাওবৈঠা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কিবা কব পাৰিম নেকি ? আধামিনিট সময়।

**মাননীয় অধ্যক্ষ ঃ** কওঁক।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, (নাওবৈঠা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো হ'ল এই যে, Clause No.7 Sub-clause 1, Pension ৰ যিটো কথা কৈছে, MP সকলে যদি দুবছৰ term টো পুৰা কৰে, বা পাচ বছৰৰ ভিতৰত যদি দুবছৰেই হৈ যায়, তেতিয়া তেওঁলোকে Pension পায়। কিন্তু আমাৰ ইয়াত লিখা আছে Sub-Clause 1 Under Clause 7 Every Ex-Member of the Assam Legislative Assembly who has serve for a full term or less then a full term .এই যে less then a full term. মানে কিমান দিনৰ term .কিন্তু MP সকলৰ কাৰণে Particularly লিখা আছে দুবছৰ। Clarification ৰ কাৰণে মই কৈছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you. এতিয়া বিধেয়কখন উত্থাপনৰ বাবে সদনে সন্মতি দিবনে ? গতিকে মই সন্মতি দিছো। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপনৰ বাবে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো। Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the Assam Legislative Assembly Members' Salaries, Allowances, Amenities and Pensions Bill, 2018, in the Assam Legislative Assembly. মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Legislative Assembly Members' Salaries, Allowances, Amenities and Pensions Bill, 2018" . বিধায়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা "The Assam Legislative Assembly Mem-

bers' Salaries, Allowances, Amenities and Pensions Bill, 2018".

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা সদনৰ সকলো সদস্যৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো। এইবাৰ আমাৰ যিখিনি Salary ৰ কথা আহিছে, এইবাৰ আমি Amenities Committee য়ে নিজে কৰা নাই। আমি এইবাৰ শ্ৰী পি. পি. বাৰ্মা, Retierd Chief Secretary, তেওঁৰ নেতৃত্বত আমি এখন তিনিজনীয়া কমিটি গঠন কৰি দিছিলো। তেওঁলোকৰ ৰিপোৰ্টটো পোৱাৰ পাছত সেইটো ৰিপোৰ্টৰ ভিত্তিতেই এইখিনি কাম কৰা হৈছে আৰু সেই কাৰণে আমি জানো যে, বৰ্তমান যিটো Full time যিটো Job, বিধায়ক সকলৰ, সেইটোৰ প্ৰতি লক্ষ্য ৰাখি আমি যি ধৰণে কৰিব লাগে পৰা নাই, কাৰণ গোটেই বহুতখিনি কথা তেখেতসকলে দৃষ্টি ৰাখি কৰিছে আৰু আমি এইটো কৈছো যে, পাছ বছৰৰ মুৰে মুৰে এতিয়াৰ পৰা এনেকুৰা ধৰণৰ সংশোধনী হ'ব আৰু লোকসভাৰ আৰ্হিত আমিও কিছু ইয়াত দৰকাৰ হ'লে আইন প্ৰণয়ন কৰিম, যাতে এই গোটেইখিনি এই ফিল্ডত থকা আমাৰ যিটো Economist আছে বা তেনেকুৰা ধৰণৰ যিসকল অভিজ্ঞ সম্পন্ন ব্যক্তি তেনেকুৰা ব্যক্তিৰ কমিটি আমি গঠন কৰিহে ভৱিষ্যতলৈ পাঁচ বছৰৰ পিছত তেনেকুৰা কৰাৰ কথা ভাবিছো। যাতে সমাজলৈ এটা কথা আগতে যিটো মেচেজ আছিলে, সেই মেচেজটো যাতে সলনি হ'ব পাৰে। যোৱা বছৰটোত আমাৰ কৰ্মচাৰীসকলৰ ৰিভিজন হৈছিল, আমিও আমাৰ বিধান সভাৰ কৰ্মচাৰী সকলৰো কৰিছিলো। গতিকে আমি এই কথাটো regularly পাচঁবছৰ মুৰৰ কথাটো ভাবিছো। আৰু সময়ত আমি এইবিলাক কথা সদনত উত্থাপন কৰিম। এতিয়া সকলোকে ধন্যবাদ জনাইছো। আপোনালোক প্ৰায় এঘণ্টাতকৈ বেছি সময় আজি আমাক দিলে, পিছবেলাও ললো আৰু কাইলৈ পুৰা সেই কাৰণে পুণৰ কৈছো ৯টা বজাত instead of 9.30. আৰু মই আপোনালোকৰ বিধায়িনী দলৰ যিসকল দলপতি আছে, তেখেত সকলোকো নিজে comunicate কৰি লব কৈছো, যাতে কাইলৈ ৯ টা বজাত বিধান সভা হ'ব, যাতে আমি অলপ সময় বেছিকৈ দি কামখিনি কৰিব পাৰো। ধন্যবাদ।

**সদন কাইলৈ পুৱা ৯ বজালৈ স্থগিত ৰখা হ'ল।**

**(সদনৰ আজিৰ কাৰ্য্যক্ৰমণিকা আবেলি ৬.০৫ বজাত সমাপ্ত হয় )।**